N. H. COLLEGE
PATACHARKUCHI

Estd. : 1979

# প্ৰাগজ্যোতি

## নিৰ্মল হালৈ মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰ

২০১২-২০১৩ ইং বৰ্ষ

তত্ত্বাবধায়ক
**ৰাজেন দাস**

সম্পাদক
**ধ্ৰুৱজ্যোতি পাঠক**

# প্ৰাগজ্যোতি

প্ৰতি,

ড° ভূপেশ শৰ্মা

অধ্যক্ষ নিৰ্মল হালৈ মহাবিদ্যালয়

লৈ আগবঢ়ালো।

—সম্পাদনা সমিতি

# প্ৰাগজ্যোতি

নিৰ্মল হালৈ মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰ

পঞ্চবিংশতিতম সংখ্যা

২০১২-২০১৩

তত্ত্বাবধায়ক
ৰাজেন দাস

সম্পাদক
ধ্ৰুৱজ্যোতি পাঠক

PRAGJYOTI : The Annual mouth-piece of Nirmal Haloi College, Patacharkuchi, 25th Issue, Year 2012-13, Edited by Dhrubajyoti Pathak & Published by Dr. Bhupesh Sarma, Principal, Nirmal Haloi College, Patacharkuchi

প্ৰকাশ কাল ঃ মে, ২০১৪ খ্ৰীষ্টাব্দ

সম্পাদনা সমিতি

সভাপতি ঃ ড° ভূপেশ শৰ্মা
তত্ত্বাবধায়ক ঃ ৰাজেন দাস
সম্পাদক ঃ ধ্ৰুৱজ্যোতি পাঠক

সদস্য ঃ কল্যাণী দেৱী
গীতাশ্ৰী গোস্বামী
কমল ঠাকুৰীয়া
ড° নৱনীতা কলিতা
দীপুমণি শৰ্মা (সাধাৰণ সম্পাদক ছাত্ৰ একতা সভা)

প্ৰচ্ছদ/অংগসজ্জা ঃ মৃণাল আকাশ মেধি
স্কেচ্ ঃ নিতুপৰ্ণ ৰাজবংশী
আখৰ বিন্যাস ঃ যোগেশ ৰয়

মুদ্ৰণ ঃ
আখৰ প্ৰকাশ
টি এন বৰুৱা মাৰ্কেট, শিলপুখুৰী, গুৱাহাটী-৩,
ফোন ঃ ৯৮৬৪০-৭৮১৭৫, ৯৮৫৪৪-৭৪৬০৫

আলোচনীত প্ৰকাশিত লিখনীসমূহ প্ৰয়োজনৰ তাগিদাত সম্পাদনা সমিতিয়ে সাল-সলনি কৰিছে। কোনো লেখকে যদি আনৰ লিখনি নকল কৰিছে আৰু আনৰ পৰা হুবহুভাৱে প্ৰকাশ কৰিছে, ই সম্পাদনা সমিতিৰ আগোচৰে কৰিছে, তাৰ বাবে সম্পদনা সমিতি দায়ী নহয়।

সম্পাদনা সমিতি


কৃতজ্ঞতা


লেখক-লেখিকা, শুভেচ্ছা দাতা, ছাত্ৰ একতা সভা, সমূহ শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰী, প্ৰশাসনিক সমিতি, নিৰ্মল হালৈ কলেজ পৰিয়াল আৰু আঞ্চলিক ৰাইজলৈ।

—সম্পাদনা সমিতি

## শ্ৰদ্ধাঞ্জলি









## আন্তৰিক শুভেচ্ছা


শিক্ষা, সংস্কৃতি আৰু বৌদ্ধিক দিশত সুনাম থকা পাটাছাৰকুছিৰ উচ্চ শিক্ষাৰ অনুষ্ঠান নিৰ্মল হালৈ মহাবিদ্যালয়ে প্ৰতি বছৰে একোখন বাৰ্ষিক মুখপত্ৰ "প্ৰাগ্‌জ্যোতি" প্ৰকাশ কৰি আহিছে। এই বেলিও সেই প্ৰচেষ্টা অটুট ৰাখি আলোচনী এখন প্ৰকাশ পাব।

আশাকৰো আমাৰ উঠি অহা যুৱপ্ৰজন্মই আগভাগ লৈ তেওঁলোকৰ সুপ্ত প্ৰতিভা বিকাশৰ কঠিয়াতলিৰে এই অঞ্চলটিৰ ঐতিহ্য আৰু গৌৰৱ অব্যাহত ৰাখিব।

**শ্ৰীধৰনীধৰ ৰয়**
সভাপতি, প্ৰশাসনিক সমিতি




মহাবিদ্যালয়ৰ সন্মুখভাগ



কৰ্মৰত অৱস্থাত মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ভূপেশ শৰ্মা

# ছাত্ৰ একতা সভাৰ বিষয়ববীয়াসকল


ড° ভূপেশ শৰ্মা
অধ্যক্ষ


নিৰ্মল শইকীয়া
উপাধ্যক্ষ


ৰাজেন দাস
তত্ত্বাবধায়ক,
প্ৰাগজ্যোতি


জিতেন ভাগৱতী
তত্ত্বাবধায়ক
ছাত্ৰ একতা সভা


ৰুদ্ৰ কলিতা
তত্ত্বাবধায়ক
সাংস্কৃতিক বিভাগ


অনিল মজুমদাৰ
তত্ত্বাবধায়ক,
গুৰু খেল বিভাগ


প্ৰণৱ দাস
তত্ত্বাবধায়ক,
লঘু খেল বিভাগ


কমল ঠাকুৰীয়া
তত্ত্বাবধায়ক,
ছাত্ৰ জিৰণি কোঠা


নিৰ্মালী মহন্ত চৌধুৰী
তত্ত্বাবধায়ক,
ছাত্ৰী জিৰণি কোঠা


মাণিক দাস
তত্ত্বাবধায়ক,
তৰ্ক আৰু আলোচনা চক্ৰ


সদানন্দ দাস
তত্ত্বাবধায়ক,
সমাজ সেৱা বিভাগ


ৰাণা ৰহমান
উপ-সভাপতি


দিপুমণি শৰ্মা
সাধাৰণ সম্পাদক


ৰাখল ৰয়
সহঃ সাধাৰণ সম্পাদক


ধ্ৰুৱজ্যোতি পাঠক
সম্পাদক প্ৰাগজ্যোতি


কংকী শৰ্মা
সম্পাদিকা সাংস্কৃতিক বিভাগ


বিজিৎ কলিতা
সম্পাদক গুৰু খেল বিভাগ


পাৰ্থপ্ৰতীম দাস
সম্পাদক লঘু খেল বিভাগ


নিপন কলিতা
সম্পাদক ছাত্ৰ জিৰণি কোঠা


গীতুমণি দাস
সম্পাদিকা ছাত্ৰী জিৰণি কোঠা


অমৰ ৰয়
সম্পাদক তৰ্ক আৰু আলোচনা চক্ৰ


ইমামুৰ ৰহমান
সম্পাদক সমাজসেৱা বিভাগ


কংকী শৰ্মা
বৰ্ষশ্ৰেষ্ঠ গায়িকা


ধ্ৰুৱজ্যোতি পাঠক
বৰ্ষশ্ৰেষ্ঠ খেলুৱৈ


মহাবিদ্যালয়ৰ কৰ্মচাৰীবৃন্দ


শিক্ষা বিভাগৰ প্ৰাচীৰ পত্ৰিকা উন্মোচনৰ এটি মুহূৰ্ত


নৱাগত আদৰণি সভাৰ এটি মুহূৰ্ত



মহাবিদ্যালয়ৰ পুথিভঁৰালৰ ভিতৰচ'ৰা


পৰীক্ষাগৃহৰ এটি মুহূৰ্ত


মহাবিদ্যালয়ৰ পৰা আয়োজিত বনভোজৰ এটি মুহূৰ্ত




শিক্ষা বিভাগৰ আলোচনা চক্ৰত অংশগ্ৰহণ কৰা ছাত্ৰ-ছাত্ৰীৰ একাংশ



মহাবিদ্যালয়ৰ প্ৰাচীৰ পত্ৰিকা




ৰাজনীতি বিজ্ঞান বিভাগৰ আলোচনা চক্ৰৰ এটি মুহূৰ্ত



ইংৰাজী বিভাগৰ আলোচনা চক্ৰৰ এটি মুহূৰ্ত



মহাবিদ্যালয়ৰ বাগিচাৰ এটি দৃশ্য




মহাবিদ্যালয়ৰ ছাত্ৰী নিৱাস



# সম্পাদকীয়

এখন দেশ, এটা জাতি প্ৰগতিৰ উচ্চ শিখৰত ধাৱমান হ'বলৈ দেশখনৰ প্ৰতিজন নাগৰিকে উপযুক্ত শিক্ষাৰে শিক্ষিত হ'ব লাগিব। প্ৰকৃত শিক্ষা অবিহনে মানৱ সম্পদৰ যথোপযুক্ত বিকাশ সাধন নহয়; যাৰ ফলত সমাজৰ প্ৰতিটো দিশেই নিম্নগামী হয়। শিক্ষিত নাগৰিক সদায়েই সংযত, সভ্য, বিনয়ী আৰু সু-ৰুচিপূৰ্ণ হয়। কিন্তু অতি পৰিতাপৰ বিষয় যে সম্প্ৰতি প্ৰচলিত শিক্ষা ব্যৱস্থাটো জটিলৰ পৰা জটিলতৰহে কৰি তোলা হৈছে। কোনো এটা দিশৰে পৰা ইয়াক সংস্কাৰমুখী কৰি গঢ়ি তুলিব পৰা হোৱা নাই। ইয়াৰ ফল ভোগ কৰিব লগা হৈছে হেজাৰ হেজাৰ ডিগ্ৰীধাৰী শিক্ষিত নিবনুৱাসকলে।

প্ৰতিখন শিক্ষানুষ্ঠানতে ছাত্ৰ-ছাত্ৰীৰ মাজত ভাবাৱেগ প্ৰকাশৰ বাবে এখন মুখপত্ৰ থকাটো অতি জৰুৰী। ইয়াৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীৰ মাজত সাহিত্য চেতনা জাগ্ৰত হয়। তেতিয়া তেওঁলোকৰ মাজৰ পৰাই সৃষ্টি হয় কবি, লেখক বা সাহিত্যিকৰ। এই উদ্দেশ্য আগত ৰাখিয়েই প্ৰতি বছৰৰ দৰে এই বছৰো আমাৰ মহাবিদ্যালয়ত ছাত্ৰ-ছাত্ৰীসকলৰ ন-ন লিখনীৰ দ্বাৰা 'প্ৰাগজ্যোতি'ৰ পৃষ্ঠা সমৃদ্ধ কৰিবলৈ লোৱা হৈছে। বৰপেটা জিলাৰ বজালী মহকুমাৰ অন্তৰ্গত শিক্ষাৰ ক্ষেত্ৰত আগবঢ়া এখন ঠাই পাটাছাৰকুছিৰ মাজভাগত 'নিৰ্মল হালৈ মহাবিদ্যালয়'ৰ অৱস্থান। ১৯৭৯ চনতে পাটাছাৰকুছিৰ ৰাইজৰ আপ্ৰাণ চেষ্টাৰ ফলত গঢ় লৈ উঠে এই মহাবিদ্যালয়খন। মহাবিদ্যালয়ৰ পূৰ্বৰ নাম আছিল 'প্ৰাগজ্যোতি'। এই নামেৰে প্ৰতি বছৰৰ দৰে এইবছৰো ছাত্ৰ-ছাত্ৰীৰ উপৰি মহাবিদ্যালয়ৰ শিক্ষাগুৰুসকলৰ তত্ত্বগধুৰ লিখনিৰ দ্বাৰা আলোচনীখন প্ৰাণ পাই উঠিছে। মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে এই আলোচনীখনেই সাহিত্য চৰ্চাৰ একমাত্ৰ মাধ্যম হৈ পৰে। ছাত্ৰাৱস্থাত স্কুল-কলেজীয়া আলোচনীত সাহিত্য চৰ্চা আৰম্ভ কৰি পৰৱৰ্তী জীৱনত প্ৰতিষ্ঠিত সাহিত্যিক হোৱাৰ নজিৰ অলেখ আছে। ইয়াৰ বাবে লাগিব প্ৰকৃত সাধনা আৰু সাহিত্যক ভালপোৱাৰ বাসনা। ইয়াৰ বাবেই বাঢ়িব কৰ্তব্যনিষ্ঠা আৰু হ'ব প্ৰজ্ঞাৰ সাধনা।


*প্ৰতিখন শিক্ষানুষ্ঠানতে ছাত্ৰ-ছাত্ৰীৰ মাজত ভাবাৱেগ প্ৰকাশৰ বাবে এখন মুখপত্ৰ থকাটো অতি জৰুৰী। ইয়াৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীৰ মাজত সাহিত্য চেতনা জাগ্ৰত হয়। তেতিয়া তেওঁলোকৰ মাজৰ পৰাই সৃষ্টি হয় কবি, লেখক বা সাহিত্যিকৰ। এই উদ্দেশ্য আগত ৰাখিয়েই প্ৰতি বছৰৰ দৰে এই বছৰো আমাৰ মহাবিদ্যালয়ত ছাত্ৰ-ছাত্ৰীসকলৰ ন-ন লিখনীৰ দ্বাৰা 'প্ৰাগজ্যোতি'ৰ পৃষ্ঠা সমৃদ্ধ কৰিবলৈ লোৱা হৈছে।*

আলোচনীখন প্ৰস্তুত কৰি তোলোত ইয়াত বিভিন্ন স্তৰত ভিন্নজনৰ সহায়-সহানুভূতি লাভ কৰিছোঁ সেইসকলৰ প্ৰতি মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

আলোচনীখন ছপা কৰাৰ দায়িত্ব লোৱা গুৱাহাটীৰ 'আখৰ প্ৰকাশ'ৰ কমল কুমাৰ মেধি, মৃণাল আকাশ মেধি তথা ছপাশালৰ কৰ্মীবৃন্দলৈ কৃতজ্ঞতা জনাইছো।

সদৌ শেষত আলোচনীখনত ৰৈ যোৱা ভুল-ভ্ৰান্তিৰ মাৰ্জনা বিচাৰি সকলোৰে ওচৰত ক্ষমা প্ৰাৰ্থনা বিচাৰিছোঁ।

ধ্ৰুৱজ্যোতি পাঠক



## মহাবিদ্যালয় প্ৰাচীৰ পত্ৰিকাৰ সম্পাদকীয়

পোন প্ৰথমে যিসকল মহান ব্যক্তিৰ শ্ৰম, ত্যাগৰ ফলত নিৰ্মল হালৈ মহাবিদ্যালয়খন গঢ়ি উঠিছে সেইসকল ব্যক্তিক শ্ৰদ্ধাৰে সুঁৱৰিছোঁ।

ভাৰতবৰ্ষৰ পূব দিশৰ সূৰ্য উঠা দেশ, শ্যামলী ৰূপহী যাৰ গুণৰো নাই শেষ, সেই দেশ অসমৰ শিক্ষা জগতত নিৰ্মল হালৈ মহাবিদ্যালয়ে যি অৱদান দি আহিছে তাক দোহৰাবৰ ন-কৈ প্ৰয়োজন নাই। নিৰ্মল হালৈ মহাবিদ্যালয় পাটাছাৰকুছি বৰপেটা জিলাতেই নহয় অসমৰ শিক্ষা জগতৰ বুকুত 'ধ্ৰুৱতৰা'স্বৰূপ। এনে এখন লেখত ল'বলগীয়া শিক্ষানুষ্ঠানৰ আলোচনী বিভাগৰ সম্পাদক হিচাপে মহাবিদ্যালয়খনলৈ সেৱা আগবঢ়োৱাৰ সুযোগ পোৱাৰ বাবে মই নথৈ সুখী।

আন বেলিৰ দৰে এই বেলিও ছাত্ৰ-ছাত্ৰীসকলৰ ন-ন লিখনিৰে 'প্ৰাচীৰ পত্ৰিকা'খন সমৃদ্ধ কৰিব বিচৰা হৈছে। আলোচনী সম্পাদক হিচাপে ইয়াৰ সম্পাদনাত মই মোৰ যত্নৰ কোনো ধৰণৰ ত্ৰুটি কৰা নাই। 'প্ৰাচীৰ প্ৰত্ৰিকা'খন সম্পাদনা কৰাৰ ক্ষেত্ৰত সহায় কৰা 'সম্পাদনা সমিতি'ৰ আটাইবোৰ সদস্যলৈ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

বেলি উদয় হয়.... মাৰ যায়.... আকৌ উদয় হয়, ফুল ফুলে.... সৰি পৰে.... আকৌ....; আৰু এনেদৰেই সময়ে আনে.... লৈ যায়.... আকৌ দি যায় নতুনত্বৰ উপহাৰ। প্ৰাচীৰ পত্ৰিকাৰ এই সংখ্যাটি সময়ৰ লগত নতুনত্বক সংযোজন কৰিবলৈ প্ৰয়াস কৰা হৈছে। শেষত 'প্ৰাচীৰ প্ৰত্ৰিকা'খনৰ সম্পাদনৰ ক্ষেত্ৰত ৰৈ যোৱা অনিচ্ছাকৃত ভুল-ত্ৰুটিবোৰ দেখুৱাই দিলে আমি নিজকে সংশোধন কৰিব পাৰিম আৰু এনে ভুলৰ বাবে সমূহ পঢুৱৈ সমাজৰ ওচৰত ক্ষমা বিচাৰিছোঁ।

ধ্ৰুৱজ্যোতি পাঠক

# সূচীপত্ৰ

### প্ৰবন্ধ


On the Relevence of Student-Centred Approach of Learning– **Dr. Bhhupesh Sarma** /১৫
'Othello' A Great Tragedy– Nirmali Mahanta Choudhury /১৭
নিৰ্মল হালৈ মহাবিদ্যালয়— **গিৰীশ শৰ্মা** /২০
Commercialization and Privatization in Higher Education of Assam–**Pradip Kr. Sarma** /২১
Women Empowerment Through Self Help Groups– **Dr. Kamal Thakuria** /২৫
উপমা কালিদাসস্য— **পাপৰি চক্ৰৱৰ্তী** /২৭
Social Disorganization : A Brief Study– **Hiten Das** /২৮
সময়ৰ সোঁতত অসমীয়া সাহিত্যৰ 'সাহিত্য সমালোচনা'— **ধীৰাজ শৰ্মা** /৩১
মোৰ স্মৃতিত এন এইচ কলেজ— **সাৰদা দাস** /৩২
ভাৰতৰ জলন্ত সমস্যা—জনসংখ্যা বিস্ফোৰণ আৰু তাৰ প্ৰতিকাৰ— **পম্পী তালুকদাৰ** /৩৪
নিবনুৱা সমস্যা আৰু ইয়াৰ সমাধানৰ উপায়— **হিমাশ্ৰী ঠাকুৰীয়া** /৩৭
বনভোজ— **দীপজ্যোতি শৰ্মা** /৩৯
এখন সাৰ্থক Tragedy নাটক হিচাপে ৰূপকোঁৱৰ জ্যোতি প্ৰসাদ আগৰৱালাৰ 'ৰূপালীম'— **ৰুবুল ঠাকুৰীয়া** /৪০
বুদ্ধিৰ মাপ—**মনোজ জ্যোতি মেধি** /৪২
সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ কিছু চিনাকি— **ব্ৰজেন তালুকদাৰ** /৪৩
অসমীয়া সাহিত্য-সংস্কৃতিলৈ জ্যোতিপ্ৰসাদৰ অৱদান— **ডলীমণি বৰুৱা** /৪৫
Poverty : The Bane of Modern Times– **Ramen Medhi** /৪৭


### গল্প


ডাইনী— **মীনা কলিতা (বৃষ্টি)** /৫১
নিয়তি— **কাকলি চৌধুৰী** /৫৪
বতাহ চাকিটো নুমুৱাই নিনিবা— **নিতুল কলিতা** /৫৫
অভিনয়— **ডলী দাস** /৫৭
অজানিতে ভাগি গ'ল মোৰ বুকুৰ ঘৰ— **মিণ্টু দাস** /৫৯
বাস্তৱ— **ডলী মণি বৰুৱা** /৬০
এটা সপোন, সপোন হৈয়ে ৰ'ল— **চন্দামিতা কলিতা** /৬১
আপুনি কি হ'বলৈ বিচাৰে ?— **সংগ্ৰাহক— হিমাক্ষী কলিতা** /৬৩
বিদায় বেলাৰ এমুঠি অনুভৱ...— **প্ৰণৱ কুমাৰ দাস** /৬৪
সপোন আহে সপোন ভাগে— **জুমি শৰ্মা** /৬৬


কবিতা


চেনাবৰ সোত শুকাই গ'ল নৱগ্ৰহত—ৰাজেন দাস /৬৯
নেপথ্যত গুণগুণনি— ধ্ৰুৱজ্যোতি পাঠক /৭০
তুমি যে ফাগুন— অংকিতা শৰ্মা /৭০
নিশাৰ চিএৱ— অনিমা দাস /৭১
উকা কাগজত লিখা নহ'ল তোমাৰ নাম— পল্লৱী চৌধুৰী /৭১
তুমি মাথোঁ মোৰ— নিশামণি কলিতা /৭১
হৃদয়ত বেদনাৰ এজাক ধুমুহা— আমজেদ আলী /৭২
ভালপোৱাৰ ছবি— কীৰ্তি কমল দত্ত /৭২
ক্ৰমশঃ— নয়না শৰ্মা /৭২
স্মৃতিবোৰ...— হিৰণ্য পাটগিৰী /৭৩
কবিতা— গাৰ্গী শৰ্মা /৭৩
সপোন—দীপশিখা শৰ্মা /৭৩
আকৌ এটি হেৰোৱা গোন্ধ— মিতালী লহকৰ /৭৪
মোৰ ভালপোৱা তোমাৰ ঘৃণা— চম্পক বৰ্মন /৭৪
জোনাকৰ দিনবোৰ— গীতু মণি দাস /৭৪
দানে-পূণ্য— ডলী দাস /৭৫
মা— বিপ্লৱ কুমাৰ ৰয় /৭৫
প্ৰেমৰ অনুভূতি— শিখামণি কলিতা /৭৬
যাবজ্জীৱন— ছুইটী দাস /৭৬
তুমি অবিহনে সুখৰ সন্ধান কৰিম— শিখামণি দাস /৭৬
Plz ফোন নাকাটিবা— চম্পক বৰ্মন /৭৭
মন যায়— ৰাখল ৰয় /৭৮
বৈধব্য—বনজিৎ চৌধুৰী /৭৮
শান্তি— ডৰথী দেৱী /৭৯
ভাল পাব পৰা নাই— জিৎ কুমাৰ দাস /৭৯
বিষাদ— জিন্তু মণি ডেকা /৮০
তুমি মোৰ বাবে কঠোৰ হিমালয়— মীনা কলিতা (বৃষ্টি) /৮০
মইতো ভবা নাছিলো তুমি উভতিবা বুলি...— ভাস্কৰ চৌধুৰী /৮০
My Dear Friend– **Sri Jintu Moni Deka** /৮১
Silent Love– **Jayanta Kalita** /৮১
তোমালৈ বাট চাই...— লাচিত (ৰিও) /৮২
পাহাৰীয়া— ধ্ৰুৱজ্যোতি পাঠক /৮২
ৰুমাল— অপৰাজিতা দাস /৮২
মোৰ হিয়া— কৌশিক শৰ্মা /৮৩
পোহৰৰ দলিচা বিচাৰি— দুলুমণি পাটগিৰী /৮৩
ভালপোৱাৰ মাদকতা— হিমাক্ষী কলিতা /৮৩
তুমি— নিপন কলিতা /৮৪


নীলা খামৰ চিঠি


ভগা বীণত কোনে সুৰ তোলে— প্ৰণৱ কুমাৰ দাস /৮৪

ছাত্ৰ একতা সভাৰ বিভাগীয় সম্পাদকসকলৰ প্ৰতিবেদন /৮৫-৯২
২০১২-২০১৩ ইং বৰ্ষত নিৰ্মলহালৈ মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা বাৰ্ষিক খেল-ধেমালিৰ ফলাফল — /৯৩
2012-2013 B.A 3rd year Final Result (seat) /৯৭
১৯৮৮ চনৰ পৰা ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক আৰু আলোচনী সম্পাদকৰ নামসমূহ তলত উল্লেখ কৰা হ'ল —/৯৭
College Teaching & Non Teaching Staff/৯৮


# প্ৰবন্ধ

*In today's society where choice and democracy are important concepts, student-centred learning certainly occupies a position of interest Several studies on student-centred learning expose it as an effective approach.*

# On the Relevence of Student-Centred Approach of Learning

**Dr. Bhhupesh Sarma**
*Principal*

One of the mostly emphasized and frequently discussed issue in today's academic world is that students are the center for educational institution and hence the institutions should for student centred approach. The present Vice-Chanaellor of our university (Gauhati University) also calls for the same approach. It therefore, becomes essential to throw light on what the basic feature of the approach is. The term student-centred learning involves different interpretations as different terms like flexible, experiential, self directed learning are used to explain the concept. The concept has been introduced in early 20[th] century Carl Rogers, the father of client-centred counseling, is associated with expanding this approach into a general theory of education. The term student-centred learning was also associated with the work of Piaget and more recently with Malcolm Knowles. Rogers in his book 'Freedom to Learn for the 80s', describes the shift in power from the expert teacher to the student learner, driven by a need for a change in the traditional environment where in this 'so-called educational atmosphere, students become passive, apathetic and bored'. The paradigm shift away from teaching to an emphasis on learning has encouraged power to be moved from the teacher to the student. The teacherfocused/transmission of information formats, such as lesfturing, have begun to be increasingly criticised and this has paved the way for a widespread growth of 'student-centred learning' as an alternative.

The teacher centred or content oriented conception and the student centred or learning oriented conceptions are two broad orientations in teaching léaring process as described by Kember. Or these orientations he supports the student-centred view including: that knowledge is constructed by students and that the

lecturer is a facilitator of learning rather than a presenter of information. Rogers identified the important precondition for student-centred learning as the need for: '...a leader or person who is perceived as an authority figure in the situation, is sufficiently secure within herself (himself) and in her (his) relationship to others that she (he) experiences an essential trust in the capacity of others to think for themselves, to learn for themselves'.

Burnard emphasizes Choice in the area of the learning He interprets Rogers' ideas of student-centredness as 'students might not only choose what to study, but how and why that topic might be an interesting one to study'. He also emphasizes Rogers' belief that students' perceptions of the word were important, that they were relevant and appropriate. This definition therefore emphasises the concept of students having 'choice' in their learning. Harden and Crosby describe teacher-centred learning strategies as the focus on the teacher transmitting knowledge in contrast, they describe student-centred learning as focusing on the students' learning and 'what students do to achieve this, rather than what the teacher does'.

Student-centred learning includes the followings tenets:

1. Students are not simply passive recipients but active learners. Students': involvement and participation are necessary for learning.

2. It emphasises on deep learning and understanding.

The learner experiences confluence in his education (affective and cognitive domains flow together)

3. It increases responsibility and accountability on the part of the student, The learner has full responsibility for her/his learning

4. It increases the sense of autonomy in the learner

5. The relationship between learners is more equal, and promoting.

6. There is an interdependence between teacher and learner, The teacher becomes a facilitator and resource person

7. It helps developing. mutual respect within the learner teacher relationship.

8. A reflexive approach to the teaching and learning process on the part of both teacher and learner is developed. The learner sees himself differently as a result of the learning experience.

Although the thinkers differ on the concept it appears that some view student-centred learning as: the concept of the student's choice in their education; others see it as the being about the student doing more than the lecturer (active versus passive learning); while others have a much broader definition which includes both of these concepts but, in addition, describes the shift in the power relationship between the student and the teacher.

In today's society where choice and democracy are important concepts, student-centred learning certainly occupies a position of interest Several studies on student-centred learning expose it as an effective approach. A six-year study in Helsinki, which compared traditional and activating instruction, found that the activating proup developed better study skills and understanding. Equally, Hall and Saunders found that students had increased participation, motivation and grades. In addition, 94% of the students would recommend it to others over the more conventional approach. Student in a UK University elaborated on the impact of student-centred learning on them, i.e. they felt there was more respect for the student in this approach, that it was more interesting, exciting, and it boosted their confidence.

In spite of its popularity student-centred learning faces difficulty of individualism by nature. In addition, there are some difficulties in its implementation, i.e. the resources needed to implement it, the belief system of the students and staff, and students' lack of familiarity with the term. Simon describes that student-centred learning, in the School system, can be in danger of focusing completely on the individual learner and taken to its extreme does not take into account the needs of the whole class.. He highlights the point that 'if each child is unique, and each requires a specific pedagogical approach appropriate to him or her and to no other, the construction of an all embracing pedagogy or general principles of teaching become an impossibility.' Edward also highlight the dangers associated with student-centerdness in adult education where in empowering an individual there is a potential danger of 'a person's physical isolation from other learners'.

The importance of the social context of le



# 'Othello' A Great Tragedy

**Nirmali Mahanta Choudhury**
M.A, M. Phil, B.Ed
English Department



Othello is a great tragedy by world famous dramatist william Shakespear. It is universally accepted that Shakespear is the most successful, eminent, versatile dramatist and almost all people have the curiosity to know about his life and works. He was born i 1564 in Stratford, England and he started his work of play writing in collaboration with others and revised old play before writing his own. He wrote about thirty seven play including tragedies, comedies, tragi-comedies and the romances. Apart form his creative genius in the theatrical part, his poems, sonnets and histories become a part of English literature. The great tragedies which are penned by Shakespeare are 'Hamlet' (1602), 'Othello' (1604), 'Macbeth' (1606) and 'King lear' in 1606.

'Othello' is the most compart and coharent tragedy among the four tragedies. The Skeleton of the story for 'Othello' is brought from Cinthio's 'Hecatommithio' which is collection of hundred Italian stories. It has been said that Shakespear didn't care much for the invention of plot and if he found a story good and likely he picked it up and fashioned nicely, which is specially vivid in case of 'Othello'. The leading characters of the drama are Othello, a noble Moon, is a general; cassio, a worthy and honorable man in whom Othello has considerable trust; Jago, an ensign, evil, cunning man; Brabantio an influential senator, who had a daughter Desdemona; Desdemona is pure and innocent of heart and is fair to look upon; Roderigo, a foolish and disappointed youngster of venice. There are also other minor charters such as Emillia, wife of Jago; Bianca, wife of Cassio; Lodavico, Gratiano etc.

The first act takes place in venice and the seem opens at night which the conversation of Jago and Raderigo. They are in front of Brabantio's house. They have made a great noise to awake Brabantio for ginny the news of Disdemona's flight with Othelo. Brabahtio, roused from sleep but refuses to believe at first that his daughter can have fled but he is soon

convinced that his daughter has been taken away by the Moor. Having roused Brabantio to fury, Jago dopants as he doesn't want that Othello should know of his role and so he joins Othello. Before leaving Roderigo, Jago has informal about the inn where Othello and Desdemona will stay and advises him to take Brabantio there. Brabantio sit off in pursuit with an armed force by the guidance of Rederigo. Meanwhile Othello and Desdemona arrive in the inn where Cassio, the lieutenant comes and brings a message that Othello's presence is urgently required as he is very courageous General, he is considered very necessary for the defence of the state. At that time promoted Cassio and made him his lieutenant. This makes Jago jealous as he ought to have been preferred as Othello's Lieutenant. Therefore he felt insulted and decided to have his revenge upon the Moor. He will remain friendly to Othello out wardly but inwardly he would try to ruin Othello's happy married life.

On the other hand when Brabantio complained against the moor to the Duke of venice, the Duke was in consultation with his council. They are discussing an imminent danger of Turks on Cyprus. The Duke Listened to the complain of Brabantio and called in Othello and Desdemoan. At this juncture Desdemona arrives and freely admits her love for the Moor and elopes with him on her ........ will. Therefore Brabantio's complaint goes in vain.

After this the seem has shifted to Cyprus where it remains during the rest of the play. Othello was appointed the Governor of Cyprus and was asked to leave for Cyprus that very night. Lieutenart cassio, Desdemona along with Jago and Enilia will also follow Othello to Cyprus. Jago insists Roderigo also go with them and Redrigo readily agrees to go. Then all arrive in Cyprus. In the mean time it is known that the Jurkish fleet has been destroyed in a storm and the fear of war is over. All become happy except Jago. The married couple then departs but Othello as a Cautious general gives the charge of the watch for the high to Cassio. He even warns him not to be drunk. Then Jago's evil mind begins to work and made an intrigue against Cassio at once. Jago knows that Cassio could not bear wine and determined to take the chance of this weakness Jago suggests Roderigo to make him drunk and break the discipline of a lientunant. Meanwhile Jago will utilize the matter in such way as to bring Cassio into disgrace which Othello. Accordingly Jago is made drunk by Roderigo and soon losses sense and them occurs a quarrel and a great noise. By the noise Othello awakes and asks why there happens a great noise. Soon Jago enaggerated the seriousness of Cassio's offence and Othello at once dismisses Cassio. Cassio's fault is that he unable to keep patience as a lieutataat and behaves mischievously. Anyway, one part of Jago's plot has been made successful and Jago was made lieutenant in Cassio's place. But Jago's evil ingenuity does not allow him to rest in quiet but forces him to proceed to fulfil the other part of his intrigue. Hence he pretends as a sincere friend of Cassio and advises him to request Desdemona to plead with Othello for his reinstate. So far Jago was poisoning Othello's mind saying Desdemona has an illicit love affair with Cassio. He even produces the first love taken i.e the handkerchief. Which was given to Desdemona by Othello, as a proof of her faithlessness Othello is a suspicious by nature and temper and Jago's proof is enough to shatter his dream of happiness.

Jago's motives now are in full operation and almost in success. In order to proof Cassio's love affair of Desdemona he prejects another design. Once out of fury and agony Othello fallsdown in a swoon. Cassio happens to arrive there but Jago puts him been and asks him to come a little later. Knowing Cassio will come back soon. Jago at once arranges another stroke to give Othello. Accordingly he advises Othello to conceal himself and let him watch the meeting of cassio and Jago. Further he says Othello that Jago will ask Cassio of his illicit affair with Desdemona. But when Cassio returns, Jago doesn't ask anything like that, he only asks Cassio about his fond and infatuated mistress Bianca and then Cassio laughs. On the other hand Othello nothing from his concealment from a distance becomes mad and impatient as Cassio's laugh has piered his heart and resolves to murder both Desdemona and Cassio for their guilt. Jago succeeds in his intrigues only because Othello is trustful and credulous. But his plan has been threatened by an



unexpected side. Roderigo revolts against him as his patience as will as purse is exhausted for Jago. Even Jago again used him as his tool and Raderigo made a murderous attack on Cassio as he was returning home late in the night after dining with his mistress Bianca. On the attack Cassio fells unconscious but Jago, thinking Cassio is dead, stabs Raderigo and goes away. Jago killed Raderigo so that he may not reveal his conspiracy. Othello also thought that Cassio had been murdered and he had to finish his own task without being late.

Thus, the last scene of the drama which is the fusion of terror, pathos and simplicity of passion is enacting in desdemona's bed chamber in the night. Othello enters to the chamber and then the scene opens with a moving soliloguy of Othello. He is fascinated by Desdemona's beauty and offers a kiss and awakens her. Then he orders to say prayer for he is about to kill her of being faithless and of offering his first love taken to Cassio. In her own defence Desdemona wants Cassio to be called but her husband informs that Cassio has been murdered After that Othello strangulates Desdemona is that very bed in which the married couple had very happy moments. At that every moment Emilia arrives and then Desdemona wakesup any how and cries out that she has been murdered. Moreover she admits that no one is guilty of the deed as she was dying herself is order to save her husband's life she has said that she herself is responsible for her death. But Othello confesses her guilt and says that he punishes her of her offence as she was false to him. Again he bitterly comments that Desdemona was a brothel and had live affair with Cassio. Moreover he says Emilia that her husband Jago himself told him so and as an instant proof should him the handkerchief which Desdemona had presented to Cassio. Emilia then realises the full valliany of her husband Jago. Meanwhile lodovico, Gratianio, Jago all come upon the scene and Emillia tells them the full story and at last the truth comes to the light. Than Othello's grief and despair become terrible to behold and he stabs himself with his own sword and falls by the side of Desdemona and expires upon a kiss. Cassio's concluding speech is the best, which sums up the whole character of Othello in brief– "for her was great of heart". This is the brief summary of the tragedy 'Othello'.

The author of this topic is not a genius to analyse the tragedy of the greatest dramatist William Shakespear. Many critics have seen offering their views regarding 'Othelo' as a tragedy. It is called a domestic tragedy as the tragedy is rooted in the love relation of a husband and wife as it apparent to us that both the hero and the heroine are lovers. Moreover it is also called a tragedy with intrigue as the drama runs with the intrigue made by Jago. So it is vivid that as a tragedy 'Othello' has various destinctive features. It is the briefust and best constructed among the Shakespearian tragedies. In other tragedies the action is placed in a distant period and the characters are separated from contemporary world. But as a modern drama when it appears, it was a drama almost of contemporary life and the characters are also taken form the contemporary world 'Othello' is the only tragedy in which the hero is not a king or a prince. Moreover he is not even an English man or a European but a Negro. 'Othello' is most poetic although all the tragedies by Shakespeare are imbued with intense poetry. 'Othello' alone has some element of the domestic tragedy and its scope is limited within a family cinole involving some other persons.

Sexual jealousy more exciting subject which takes a prominent role in 'Othello'. It brings a sense of shame and humiliation and convert human nature which almost vivid on Othello. It also hives the blow to Desdemona as she is treated as the inmate brothel. Here suffering is most intoterable as her nature is inquisitily sweet and her love for Othello is pure.

Intrigue also holds a prominent role in 'Othello' on which the action and catastrophe have to depend. Jago's intrigue is Jago's characters without him the plot would not have been marched.

In a nutshell, 'Othello' contains all the features of Shakespearion tragedy but for its distinct features 'Othello' earns overwhelming popularity throughout the age and it is still read and will be read forever.

*References :*
*1. Various History of English Literature.*
*2. Bradley , A. C : Shakespearian Tragedy.*

# নিৰ্মল হালৈ মহাবিদ্যালয়

গিৰীশ শৰ্মা
জ্যেষ্ঠ অধ্যাপক দৰ্শনবিভাগ
গুৱাহাটী বিশ্ববিদ্যালয়

পাটাছাৰকুছি এক ঐতিহ্যমণ্ডিত ঠাই বজালী মহকুমা পাঠশালা নগৰৰ পৰা প্ৰায় ৫ কিলোমিটাৰ পূৱত অৱস্থিত এই পাটাছাৰকুছিতে নিৰ্মল হালৈ মহাবিদ্যালয়। NH-31 ৰ কাষত। গুৱাহাটীৰ পৰা বৰপেটাৰোডলৈ যোৱা ৰাস্তাৰ কাষতে অৱস্থিত এই মহাবিদ্যালয়লৈ যোৱাৰ সেই ভাগ্য ঘটিল অলপতে। এই মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ভূপেশ শৰ্মা মোৰ অতি প্ৰিয় ছাত্ৰ। অধ্যক্ষৰ আহ্বান ক্ৰমে অলপতে এদিন আবেলি মহাবিদ্যালয়ত উপস্থিত হ'লো। কেইবছৰ মান আগতে শিক্ষাৰ বাছনি সন্দৰ্ভত এবাৰ তালৈ যোৱা মনত পৰে। তেতিয়া ই নিৰ্মীয়মান অৱস্থাত আছিল।

মহাবিদ্যালয়খনত সোমাইয়েই মই অতিভূত হ'লো। মোৰ দুজন প্ৰাক্তন ছাত্ৰ দৰ্শন বিভাগত অধ্যাপক মানিক দাস আৰু তপন কাকতি গেটতে ৰৈ আছে মোক আগবঢ়াই নিবলৈ। মোৰ বৰ ভাল লাগিল অধ্যক্ষত কোঠালৈ তেওঁলোক মোক লৈ গ'ল। অধ্যক্ষ ড° ভূপেশ শৰ্মাই মোক শ্ৰদ্ধাৰে স্বাগতম জনালে। মই আপ্লুত হ'লো। লাহে লাহে এজন দুজনকৈ শিক্ষক সকল গোট খালেহি। অধ্যক্ষই মোক চিনাকি কৰি দিলে। বহু কেইজনেই মোৰ আগৰে চিনাকি। মই ঘৰৰ পৰা লৈ যোৱা দুটি নাহৰ পুলি আৰু ৰক্তজবা ফুলৰ ডাল অধ্যক্ষৰ হাতত অৰ্পন কৰিলো।

উপস্থিত শিক্ষকসকলৰ উদ্দেশ্য কৰি মোৰ অভিজ্ঞতা ভিত্তিৰ দুই চাৰিটা বিদ্যায়তনিক কথা কোৱাৰ বাবে অধ্যক্ষই অনুৰোধ জনালে।

NAAC Peer Teom ৰ সদস্য হিচাপে হোৱা অভিজ্ঞতা, বিভিন্ন কলেজত পৰিদৰ্শনৰ বাবে বিশ্ববিদ্যালয়ৰ দায়িত্ব পালনৰ অভিজ্ঞতা, দীৰ্ঘদিনীয়া শিক্ষকতাৰ অভিজ্ঞতা, শৈক্ষিক দিশত কলেজ শিক্ষকসকলে নিজৰ লগতে শিক্ষানুস্থানৰ হ'কে কি কি কৰিব পাৰে ইত্যাদিৰে মই দুআষাৰ ক'লো। শিক্ষাৰ সকলেও দুই-এটা প্ৰশ্ন কৰিলো— মোৰ উত্তৰ দি বৰ ভাল লাগিল। শিক্ষক সকলৰ বাবে মই লৈ যোৱা মোৰ এখন কবিতা পুলি অধ্যক্ষৰ হাতত অৰ্পন কৰিলো। অন্তৰংগ এই আলাপেৰে আমি উপকৃত আৰু আনন্দিত হ'লো। দুজন অধ্যাপকৰ লগত পাৰপৰিক চা-চিনাকিৰে আমাৰ কথা বতৰা শেষ হ'ল। শিক্ষকসকল গ'লগৈ। আগন্তুক NAAC অধ্যক্ষই মহাবিদ্যালয় চৌহদ মোক দেখুৱালে। সুন্দৰ আমোদমোকাৰিকৈ চৌহদটো সজাইছে। Virit ৰ বাবে প্ৰস্তুতি চলাইছে।

ভৱিষ্যতে এক স্নাতকোত্তৰ শিক্ষানুষ্ঠানৰ সম্ভাৱনা উজ্বল বুলি মই কোৱাত অধ্যক্ষই তেনে পৰিকল্পনা আছে বুলি জনালে। মইও মোৰ সীমাবদ্ধতাৰে যথাসম্ভৱ সহায় কৰিম বুলি কথা দি ঘৰ অভিমুখে যাত্ৰা কৰিলো। জীৱনত বহু কলেজলৈ যোৱাৰ অভিজ্ঞতা মোৰ হৈছে। তথাপিও নিৰ্মল হালৈ মহাবিদ্যালয়লৈ খন্তেক সময়ৰ বাবে গৈ এক বুজাব নোৱাৰা আনন্দ পালো। অধ্যক্ষ আৰু শিক্ষক সকলক ধন্যবাদ জনাইছো। পাটাছাৰকুছিৰ ৰাইজলৈ এনে অনুষ্ঠান গঢ়ি তোলাৰ বাবে অভিনন্দন।



# Commercialization and Privatization in Higher Education of Assam

**Pradip Kr. Sarma**
Asstt. Prof. (Contractual)
Deptt. of Education



**Introduction :**

Education helps man to improve his thought, expression and action helps him to develop his talent and skills. Education is everyone's birth right. Without Education it would become difficult to take an effective part in Political and Social activities. Education helps man to be aware of his right and duties and is a panacea for all social evils. Illiteracy is a malady and must be eradicated thought the spread of Education.

**Higher Education :**

Higher Education means that Education beyond the Secondary level, especially Education at the College or University level. Higher Education plays a crucial role to meet the development of social sector and economic sector. So, far as social sector is concern Universities were seen as institution, which provide degrees. However, the truth is that it provides not only degrees but also contributes towards human resource development higher quality of people. Moreover, the University level Education is the backbone of development process, which stimulates the academicians to undergo research works and developed know how, these factors help the state to remove the drawbacks of former plans and formulate different plans of the government; which lead to economic development of the people. Prof. Saha rightly pointed out that "undeniably the main objective of all the Universities and other Higher Educational Institutes of the North-East is the human resource development of the North-East."

**Objectives of Higher Education :**

Objectives of Higher Education are mention below -

1. A serious thought was given to determine the objectives of Higher Education just after independence. India's independence compelled the country to rethink about the youth or whose shoulders

· Thos who do not get success in
npetitive examination can also get admission in
vate colleges.

· Countries' money is been used in positive and
structive work.

· The problem of unemployment is being solved
ome extent.

· New spheres of jobs have been created
eterias and messes, publishers, multimedia
cialists, stationers and printers are getting
ortunities for development.

· Alde persons get opportunities to develop
talents.

**Disadvantages of Privatization :**

Education is not a mission now; it has become
dustry. Rich people and businessman prefer to
educational institutions rather to established a
ory or open a showroom. Following are the
dvantages of Privatization of Education-

· Education has become a business; the
nsumer producer relationship is developing and
man relation are degenerating.

· Poor people cannot get the benefit of
ucation because Education has become expansive.

· There is also tension due to anarchy and
tatorial management.

· There is no place for disabled and weaker
ctions of the society.

· There is no man power and planning while
ening new institutions.

· There is define in Educational and intellectual
velopment.

**Brief descriptions of Commercialization
d Privatization of Higher Education in Assam**

There is a long history in Assam in regards to
gher Education. During middle of the 19th century.
he process of modernization in higher Education was
arted and with a view to "Achieving this objectives
ree Universities were established Bombay, Calcutta
d Madras" in regards to privatization higher
ucation in Assam also gradually started soon after
e Independent that is 1947. Till the 19th century
ssam was lagging behind in the field of higher
lucation. During 1858 the School final examination
as conducted by Calcutta University. There lot many
asons for which the higher education sector were approaching towards the field privatization and students and guardians at large are facing great financial hardship because of too much expensive. Immediately after independent there were so many changes in politics, economics and social in Assam. People started to struggle hard to achieve their target with prime colours to have leadership to lead the nation. As Radha Krishnan commission provided lot of improvement and progress to U.G.C. in 1947 and it become a autonomous organization in 1953. Gauhati University was established on 26th January 1948 in Guahati, Dibrugarh University in 1965 in Dibrugarh, Assam Agriculture University 1968 in Jorhat, Assam University 1989 in Silchar and Central University at Tezpur and KKHSOU in Guahati with a view to providing various subject in the field of Education. As many as three private Universities have already being setup in Assam such as Donbosco University, Down Town University Peramedical, [illegible]nga University [illegible]lished a few and the Cabinet yet to pass a bill [illegible] more private Universities in Assam.

**Conclusion :**

Education holds the key for increasing awareness of the population of the methods for improving their quality of life through appropriate utilization of available resources, opportunities and facilities. Further, Investment in Education to women and girl children can play an important role in improving and sustainable on-going developmental efforts. Thus necessary thrust should be given at the time of planning and allocating funds by creating adequate opportunities for Higher Education as it is necessary for meeting the human resources required for the tasks of economic and social development.

However, to conclude the paper our slogan should be think globally and act locally.


*References-*

1. Educational Essays on Higher Education (Ashok book stall Panbazar, Guwahati) – Deka Birendra, Goswami Munindra Narayan, Ali Lokman.

2. Education in North East India (Concept Publicizing Company, New Delhi)- Lyndem Biloris, De Utpal Kumar.

3. Textbook of comparative Education (Vika Publishing House pvt. ltd, Noida)- Sodhi T. S.

4. Pivotal Issues in Indian Education (Sterling Publishing pvt. Ltd, New Delhi)






# Women Empowerment Through Self Help Groups


**Dr. Kamal Thakuria**
Lecturer Department of Economics


The early 90s saw the reshaping of strategies of socio economic development and the emphasis shifted from 'development' to 'empowerment'. These was a realization that women have limited access to capital market, education, skill training, extension advice and participation in the decision making process. The constitution 73rd and 74th Amendment Act of 1992 constitute a major milestone on the road to empowerment of women as these Amendments ensure one third of the totall seats and positions of chairpersons in rural and urban elected bodies. The subject of women's development is multidimensional, multisectoral and multidisciplinary. The government has heen emphasizing the need for development of rural women and promotion of their participation in the development programmes. Rural development programmes have laid due emphasis on the integrated development of women. And thus, number of programmes have targeted to cover substantial proportion of rural women.

The Indian society is marred by the illiteracy, poverty, ill-health and

...ckwardness of various nature prevailing in both ...ral and urban areas. The government of India ...rting with the community development programme ...DP) later shifted to several other programmes ...der five yera plans. Despite all this Welfare and ...velopment programmes significant outcome in ...70's is that highly neglected scetion of the society ...vomen.

As per recommendations of the National ...rspective Plan (1980-2000), focus shifted to ...men uplifment through economic developmental ...ocess, increase women participation in economic ...oduction activity. Then onwards the policy makers focus their attention on shaping the socio-economic development of the rural women. Thus a number of programmes have been evolved to meet the requirements of rural women. The most important factors which influence the status of women are education, health and employment. The education is one of the crucial and key factor to attain gender equality and women development.

From 6th five yera plan onwords a few pilot projects were introduced in 50 blocks in the country under the caption of Development of Women and Children in Rural Areas (DWCRA) in 1982. Now the schem of DWCRA programe is being transformed as Self Help Groups by providing Micro Finance to the members of the SHG's. The state of Andhra Pradesh has becomes a role model for the other states. The World Bank task force committee officials praised SHG programmes as 'create a silent revolution, in the 'lives and status of women'. The women's Self Help Groups in rural areas can create a movement for women's solidarity, to protect their interests and needs.

The last decade has seen the emergence of grass-root women's movements in many parts of the developing world. in India, e.g. Self Help Women's Groups have been fromed by mild producer, weavers, street vendors, agriculture workers. Respondents in SHG have taken activities such as flower business, fruit vegetable business, milk business, tailoring and hand workers.



Thuse, the groups approach through SHGs is one of the best approaches for the socio-economic development of the rural poor.


*References*

*1. Self-Help-Group : Resource Hand Book, NABARD, Assam Regional office, Guwahati.*

*2. Deka, Bipul, SHGS : Problems and prospects, an article published in weekly journal 'Sambhar' in Asomiya Pratidin, dated 6 feb. 2005.*

*3. Thakuria, Naba. The showing mission of Self-Helping, 'Kurukshetra' vol. 53 No. 3, January.*

*4. Talukdar, Mrinal. Sankar, Bijay, Barkataki, Sanjay. 'Self-Help Group : The rela story published by 'Nanda Talukdar Foundation and NGO, 2007.*

*5. Borah, Rituparna. Self-Help Groups : Empowering the plays of rural women of Assam.*




# উপমা কালিদাসস্য


**পাপৰি চক্ৰৱৰ্তী**

*সহকাৰী অধ্যাপিকা, সংস্কৃত বিভাগ*


কাব্যৰ সৌন্দৰ্যবৰ্দ্ধক আৰু ৰসৰ পৰিপোষক উৎকৰ্য সাধকৰূপে পৰিগণিত হোৱা অলংকাৰ নামৰ বিষয়টোৱে কাব্যজগতত এক সুকীয়া স্থান অধিকাৰ কৰি আহিছে। শব্দালংকাৰ আৰু অৰ্থালংকাৰৰ ভিতৰত উপমা নামৰ অৰ্থালংকাৰবিধে প্ৰধান। সাহিত্যদৰ্পণ গ্ৰন্থত বিশ্বনাথ কবিৰাজ মহাশয়ে এই উপমা অলংকাৰক এইবুলি উল্লেক কৰিছে যে 'সাম্যং বাচ্যমবৈধৰ্ম্যং বাক্যৈক্য উপমা দ্বয়োঃ।।' অৰ্থাৎ বৈধম্যৰ উল্লেখ নকৰাকৈ একে বাক্যত দুটা বস্তুৰ সাম্য, যেতিয়া বাচ্যৰূপে প্ৰয়োগ হয় তেতিয়া তাক উপমা বুলি কোৱা হয়।

মহাকবি কালিদাসৰ সৰ্বাধিক প্ৰিয় অলংকাৰে আছিল উপমা। এই কথাকে চেল্লাপাণ পিল্লায়ে লিখা 'Similes of Kalidasa' নামৰ গ্ৰন্থত প্ৰয়োগ হোৱা এটি সমীক্ষাৰ জৰিয়তে এনেদৰে পোৱা যায় যে, কালিদাসে তেওঁৰ ৰচনাৰাজিত প্ৰয়োগ কৰা উপমাযুক্ত শ্লোকৰ মুঠ সংখ্যা হৈছে ১২৫০। তাৰে ৫৫০ টা ৰঘূবংশত, কুমাৰসম্ভৱত ২৫৯, শকুন্তলাত ৭০, মেঘদূতত ৫০ আৰু ঋতুসংহাৰত ৬০। ৰঘুবংশত কবিজনাই উপমাৰে আৰম্ভ কৰি উপমাৰেই শেযো কৰিছে। সেয়েহে কোৱা হয় যে কালিদাস উপমা আৰু উপমাগৰ্ভ অলংকাৰৰ বাবে বিক্যাত আৰু ৰঘূবংশ উপমাৰে সমৃদ্ধ এক মহাকাব্য।

গীতিকাব্য 'ঋতুসংহাৰ'ৰ তৃতীয় সৰ্গত মহাকবিজনাই নৱবধুৰ ৰূপত শৰৎ ঋতুৰ ৰম্যৰূপৰ বৰ্ণনা উপমালংকাৰৰ জৰিয়তে ফুটাই তুলিছে। আকৌ, 'মালবিকাগ্নিমিত্ৰম'ৰ ২য় অংকত কালিদাসে মিচিকিয়া হাঁহিটিত অলপ দাঁত দেখা পোৱাৰ দৰে মালবিকাৰ মুখৰ হাঁহিক পদুমৰ লগত তুলনা কৰিছে। মহাকবিজনাৰ অপূৰ্ব সৃষ্টি 'মেঘদূত'ত 'পূৰ্বমেঘ'ৰ এটি শ্লোকৰ মাজেৰে কবিজনাই তলত উল্লেখ কৰা শ্লোকটিৰ মাজেৰে সুন্দৰভাৱে ব্যক্ত কৰিছে এনেদৰে—

"তস্যোৎসঙ্গে প্ৰণয়িন ইৱ স্ৰস্তগঙ্গা দুকূলাং
ন ত্বং দৃষ্টা ন পুনৰলকাং জ্ঞাস্যসে কামচাৰিণ্।।"

'ৰঘূবংশ' মহাকাব্যৰ প্ৰথম চাৰিওটা শ্লোকেই উপমাৰে অলংকৃত শ্লোক। কবিয়ে সদা সৰ্বদা পৰস্পৰ সম্বন্ধ আৰু শব্দ আৰু অৰ্থৰ উপমা নিত্য সংযুক্তৰে লোকসমাজত জনাজাত পিতৃ-মাতৃৰ দৰে জগতৰ মা-পিতাস্বৰূপ পাৰ্বতী পৰমেশ্বৰক তুলনা কৰি শব্দ আৰু অৰ্থৰ সম্যক জ্ঞানৰ কাৰণে 'ৰঘূবংশ'ৰ প্ৰথম সৰ্গৰ আৰম্ভণিতে এনেদৰে এনেদৰে মংগল শ্লোখৰ মাজেৰে কল্পনা কৰা দেখা গৈছে—

"ৱাগৰ্থাৱিৱ সম্পৃক্তৌ বাগৰ্থ প্ৰতিপত্তয়ে।
জগতঃ পিতৰৌ বন্দে পাৰ্বতী পৰমেশ্বৰৌ।"

একেখন মহাকাব্যৰে ষষ্ঠ সৰ্গত জোবৰ পোহৰৰ দৰে কান্তিময়ী ইন্দুমতীয়ে তেওঁৰ স্বয়ম্বৰলৈ অহা ৰজা মহাৰজাসকলক নিৰ্বাচন নকৰি আগুৱাই যোৱাত পৰিত্যক্তজনৰ মুখ এন্ধাৰত মোলান পৰা ৰাজমাৰ্গৰ অট্টালিকাবোৰৰ দৰে দেখা পোৱা গৈছিল। ইয়াকে কবিজনাই 'দীপশিখা' উপমাৰ জৰিয়তে এনেদৰে ব্যক্ত কৰিছে—

"সঞ্চাৰিণী দীপশিখেৱ ৰাত্ৰৌ যং যং ব্যতীয়ায় পতিম্বৰাসা।
নৰেন্দ্ৰমাৰ্গাট্ট ইৱ প্ৰপেদে বিৱৰ্ণভাৱং সম ভূমিপালঃ।।"

'দীপশিখা'ৰ উপমা উল্লেখ কৰা বাবে তেওঁক 'দীপশিখা' কালিদাস বুলি কোৱা হয়।

ৰঘূবংশৰ প্ৰথমসৰ্গৰ ১১শ শ্লোকত বৈৱস্বত মনুক বেদমন্ত্ৰৰ আদিত উচ্চাৰিত প্ৰণবেৰে তুলনা কৰি এক উপমাৰ সৃষ্টি কৰা দেখা গৈছে। তাৰ পিছৰ শ্লোকত চন্দ্ৰবংশত ৰজা দিলীপৰ অৱস্থিতিক ক্ষীৰনিধিত চন্দ্ৰৰ অৱস্থিতিৰ সৈতে উপমাৰ উল্লেক কৰি কবিজনাই কৈছে—

"তদন্বয়ে শুদ্ধিমতি প্ৰসুতঃ শুদ্ধিমত্তৰঃ।
দিলীপ ইতি ৰাজেন্দুৰিন্দুঃ ক্ষীৰনিধাৱিৱ।।"

ঠিক তেনেদৰে, ৰঘূবংশত কবিজনাই উল্লেখ কৰিছে যে নন্দিনী গাইজনীয়ে ৰজা দিলীপ আৰু সুদক্ষিণাৰ মাজত এনেদৰে শোভা পাইছিল যেন দিন আৰু ৰাতিৰ মাজত সন্ধ্যাহে শোভায়মান হৈছে। মুঠতে চাব গ'লে এই মহাকাব্যৰ সৰ্গবোৰত উপমা অলংকাৰৰ বহুলভাৱে উদাহৰণ পোৱা যায়।

আকৌ, 'কুমাৰসম্ভৱ' নামৰ মহাকাব্যত কবিজনাই একান্তমনে তপস্যাত মগ্ন শিৱৰ স্বৰূপটোক উপমাৰ জৰিয়তে এনেদৰে ফুটাই তুলিছে যে— 'ভগৱান শিৱ সমস্ত অন্তশ্চাৰী পৱনক ৰোধ কৰি এনেকৈ নিশ্চল হৈ বহি আছে, যেন বৰষুণ নিদিয়া মেঘ, বিনা ঢৌৰ নিশ্চল পুখুৰী বা পৱনৰহিত ঠাইত জ্বলি থকা নিশ্চল চাকিহে।'

কবিজনাৰ অনন্য সৃষ্টি 'অভিজ্ঞান শকুন্তলম্' নাটকত নায়িকা শকুন্তলাৰ বিদায়ৰ সময়ত মহাকবিজনাই সাঁচি থোৱা ধনৰ লগত কন্যাক উপমালংকাৰৰ জৰিয়তে তুলনা কৰি পালক পিতৃ ঋষি কন্বৰ মুখেৰে হৃদয়বিদাৰক বৰ্ণনা এটি শ্লোকৰ মাজেৰে নিগৰাইছে এইদৰে—


"অৰ্থোহি কন্যা পৰকীয়া এৱ তামদ্য সংপ্ৰেষ্য পৰিগ্ৰহীতুঃ।
জাতো মমায়ং বিশদঃ প্ৰকামং প্ৰত্যৰ্পিত ন্যাস ইবান্তৰাত্ম।।"

মহাকবি কালিদাসৰ দ্বাৰা সৃষ্ট আটাইবোৰ উপমা প্ৰাসংগিক, স্বভাৱিক আৰু সুৰুচিপূৰ্ণ। তেওঁৰ দ্বাৰা ৰচিত অকল মহাকাব্যতে নহয়, নাটক আৰু গীতিকাব্যতো বহুলভাৱে উপমাৰ প্ৰয়োগ কৰা দেখা পোৱা যায়। সমগ্ৰ ৰচনাৱলীত উপমাৰ প্ৰয়োগ কৰা ক্ষেত্ৰত কবিজনা আন পণ্ডিতবোৰতকৈ সফল হোৱা দেখা গৈছে। কিন্তু, মহাকবিজনা অকল উপমাতে যে সিদ্ধহস্ত আছিল তেনে নহয়, বৰং উপমাগৰ্ভ সকলো অৰ্থালংকাৰৰ ক্ষেত্ৰতে তেওঁৰ নিপুণ হাতৰ শৈলীৰ প্ৰমাণ পোৱা গৈছিল। একেধাৰে নাটক, গীতিকাব্য আৰু মহাকাব্যত উপমা অলংকাৰৰ ধাৰাটোক অক্ষুন্ন ৰাখিবলৈ কবিজনা সক্ষম হোৱা বাবে সংস্কৃত সাহিত্যত 'উপমা কালিদাসস্য বুলি স্বীকাৰ কৰা হৈছে।


*নিৰ্বাচিত গ্ৰন্থপঞ্জী ঃ*

*১) সংস্কৃত সাহিত্যৰ ইতিবৃত্ত— ড° থানেশ্বৰ শৰ্মা*

*২) সংস্কৃত সাহিত্যৰ বুৰঞ্জী— হৰমোহন দেৱ গোস্বামী।*



# Social Disorganization : A Brief Study

**Hiten Das**
Dept. of Education

The modern civilized society is characterized by large number of organization our society, in a way is n organization society. The term 'Organization' is enerally used to mean an association or an ssociational group. When there is a break down of ssociational relationship among the members of the associational elationship among the members of the associational roup and then the social disorganization develops.

Social disorganization is the social process. Social disorganization is characterized by the harmonious operation of the different elements of a social system means when a group functions harmoniously it is said to the organized. We may thus speak of the organization of a family, community, political unit or a nation. Social organization depends upon common definition of social goals and an accepted programmed for their achievement.

Social disorganization is in a sense, the reverse of social organization when the orderly process of social instruction and effective functioning of a group breakdown, there is Social Disorganization. Social disorganization may thus be define as the process lay which group relationships are broken. A group in turn is a number of people with whom vita relationships exist with same degree of germane.

Social organization and social disorganization are relative terms; there is all degree of social organization, just as there are all degree of social disorganization is the society. These concepts represent reverse aspects of the same functioning social system.

A society is a functioning whole. So, individual and society are different aspects of the same process of interaction. This organic unity of society makes impossible any region division into the constituent elements of individual, family, community and nation.

The concept of social disorganization was developed by W.I. Thomas and FLORIAN Zanancicki. According to Thomas & Zanacicki, "Social disorganization refers to the decrease in the influence of the exiting social rules of behavior upon individual members.

It is a complex process. Social disorganization means the process by which group relationship are broken. So an organization is an orderly relationship of the parts and disorganization is a disturbance of the balance existing in the function of the parts.

Same other definition of social disorganization

1. According to Emile Darkhein "Social disorganization as a state of disequilibrium and a lack of social solidarity or consensus among the members of a society."

2. According to Ogbarn and Nimkoff, "When the harmonious relationship between the various parts of culture is disturbed, social disorganization ensues."



**Types of Social Disoganization :**

Basically in the broad sense are found four major types of social disorganization. They are mentioned and discussed below:

**1. Individual Disorganization :**

When the mutual relationship between the individual and individual is affected or breaks down and mutual distrust develops then the individual disorganization occurs. Individual disoganization started every individual. There are many forms of individual disorganization. They are as follows–

**(a) Juvenile delinquency :** Delinquency are the student who are full 12/13 to 19/20 years. Delinquence student who can not adjust with the society.

**(b) The adult offenders and criminals:** Despite the alarm concerning junenile delinquency the public generally have evidence no similar over the rise in adult crimes. Adult society wants its younger generation to conform rules. Yet from a social point of view adult aim should be recognized as an even greater danger. Much Juvenile delinquency is related to adolescents' itself. Where as adults are presumably old enough to know better. For e.g.-dacoits, thieves, murderers etc.

**(c) The sex offender:** There is a great deal of chaos in contemporary attitudes towards sex. Times of wide spread, social change and consequent social and political disorganization have always been marked by an attempt to throw off rigid sex restraints. For e.g. Rapist, unmarried mother, unmarried father, sex delinquent, incest etc.

**(d) The Alcoholic and the Drug addicts:** Alcoholics make up me of the most significant group of disorganized persons in our country. These unhappy individuals are unable to carry on their occupational and family roles because of their addiction. Not all persons who use alcohol are danger of personal disorganization.

**(e) The maladjusted worker:** The maladjusted worker is a form of individual disorganization. The way a man makes his living is an important aspect of his life. Many important group relationships occur on the job or in direct connection with. The maladjusted worker, who can't adjust his duty.

**(f) The working women:** The role of women in society is still defined largely in their functions as wife and mother. And many women wish to be recognized as persons as well as members of their own sex. Anything which interfuse with women's biological and sex roles produces a certain amount of social disorganization.

**(g) The child Labours:** The child labours are also forms of individual disorganization. The disorganization aspects of child labour may be classified as the physical hazard, the mental handicaps of early employment and moral dangers. All these are subjected to personal injuries which leads them to disorganization personality.

**(h) The mentally disorganization:** A sizeable share of persons, who fail to adjust according to the definition of normal fall into the classification of mentally disorganized. Thus classification is further divided into (a) the mentally deficient, (b) The mentally ill. Both the mentally deficient and mentally ill persons are regarded as disorganized individuals.

**(i) The suicide:** The suicide is a form of individual disorganization. In western society suicide is the final and irreversible climax of personal disorganization. It is the last stage in the sluices of progressive changes in attitudes, from a blind and unthinking love of life to a desire to escape from life.

**(2) Family Disorganization:**

The family is composed of husband, wife and children in the basic biological and social unit in our society. The modern family is the nuclear family rather than the larger kith and group. When the mutual understanding between the husband and wife break down, then the family disorganization occurs. So, a family becomes disorganized for the lack of cordial relationship between husband and wife.

There are various forms disoganization in our society. The major family disorganizations are–

**(a) Family tensions:** Family tensions are involved between husband and wife. There are other family tensions in a family. These are between parent and children and between daughter in law and mother in law etc.

**(b) Desertion:** Desertion is a form of family disorganization. When, without any information either husband or wife leave the family, then desertion is

ccur. It has two types one is poor man desertion and another is temporary desertion.

**(c) Divorce:** Divorce is also a form of family sorganization. When there are many problems volved between husband & wife, then divorce is too rong and then they particularly thought that, I leave e family.

**(d) After divorce disorganization:** When the vorced person is viewed suspiciously, then his rsonal maladjustment is bound to increase. The sumption is that disorgaization after divorce is the sult of the divorce and not of the factors in the prior lationship.

**Community or National Disorganization:**

When the mutual understanding or relationship etween different groups or community breaks down, en, it is termed as community disorganization. When e mutual distrust between different community or ation is develop then community or national isorganization develops. For example the conflict etween Bodo community and the Chawtal (Adibasi) ommunity was the result of community isorganization.

Community or National disorganization may have arious forms. Some of these are mentioned here–

(a) The rural community disorganization, (b) The ural community institutional disorganization, (c) Corruption, (d) Crime and community, (e) Mobility, f) Migration, (g) Unemployment, (h) Religious ninorities, (i) Racial minorities.

**(4) International disorganization:**

When the mutual relationship and understanding between two or more nation is affected then nternational disorganization occurs. The international disorganization is more complex and dangerous then others. The last result of international disorganization s war. For example– one international understanding between U.S.A and Iraq is break down and as a result devastating war is going on. This international disorganization is not only affects the people of that nation but it also influences all the people of the world.

In our world, we can see various forms of international disorganizations. They are as follows–

(a) Revolution, (b) Totalitarianism, (c) War.

**Role of Education In Controlling And Preventing Social Disorganization:**

Social disorganization has four types. Education can help this four types, to control and prevent disorganization. We have discussed one by one–

1. Education can provide special arrangement for the treatment of juvenile delinquent children in the school environment by establishing the psychiatric clinic attached to the educational institution.

2. Education can help to understand the bed effect of tacking alcohol an each related problems to our social as well as individual life. Education can provide some special training to the individual to avoid alcohol like as yoga, meditation etc.

3. Through the help of education we can impart the knowledge of family planning and we can make them understood the merits of a small family and the demerits of a large family.

4. With the proper education we can develop the sense of responsibility and can give them training of co-operation in this way the family disorganization can be control.

5. With the help of vocational educational, the vocational efficiency can be improve and in this way the unemployment problem can be remove from our community.

6. Education help us to remove our religious conflict between the people of different religion. As per example the conflict between Hindus and Muslim regarding the Ram Mandir and Bubri Mosque can be removed by providing the proper religious education to the people.

7. Educational institution can arrange various travelling programme, excursion to the different part of the world. It haves to promote international as inter cultural understanding.

From the above discussion we say that, social disorganization is the major problem of our modern society. So in this situation the role of education become very significant. Education is the only single factor which can help us to control and prevent the social disorganization for our society. Hence proper care should be taken in preparing training the educational curriculum of our school and colleges. Then only we can expect a better social as well as individual life and other wise our human society will have to face more dangerous situation in near future.



*এচাম তথাকথিত সাহিত্য সমালোচকে আত্মপ্ৰকাশৰ স্বাৰ্থত সাহিত্যৰ গুণাগুণ উপলব্ধি নকৰাকৈয়ে সাহিত্য সমালোচনাৰ দৰে গুৰুত্বপূৰ্ণ কাম কৰিবলৈ আগবাঢ়ি আহি কেৱল মাত্ৰ 'প্ৰশংসা পত্ৰ'ৰহে জন্ম দিবলৈ সক্ষম হয়। এই শ্ৰেণীৰ সমালোচকে নবীন, প্ৰবীণ লেখকসকলক আত্মতুষ্টিত ভোগাৰ উদগনি যোগায়।*

# সময়ৰ সোঁতত অসমীয়া সাহিত্যৰ 'সাহিত্য সমালোচনা'

**ধীৰাজ শৰ্মা**
*ইংৰাজী বিভাগ*

"Criticism is the windows of art. It illuminates the enveloping darkness in which art might otherwise rest only vaguely discernible and perhaps unseen."– G. J. Nathan

উপৰিউক্ত মন্তব্যটোৱে সাহিত্যত সমালোচনাৰ গুৰুত্ব যে অসীম তাকেই প্ৰতিপন্ন কৰিছে। সাহিত্যিক এজনৰ সঠিক মূল্যায়ন অথবা তেওঁৰ দ্বাৰা সৃষ্ট সাহিত্যসমূহক জনমানসত সঠিক ৰূপত দাঙি ধৰাত সাহিত্য সমালোচনাই যথেষ্ট গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। সঠিক তথা নিৰপেক্ষ সাহিত্য সমালোচনাই যিদৰে পাঠকক সঠিক সাহিত্য অধ্যয়নৰ বাট দেখুৱায়, সেইদৰে 'তথাকথিত' সাহিত্য সমালোচনাই পাঠকক বিপথে পৰিচালিত কৰাৰ লগতে সাহিত্যৰ মানো নিম্নগামী কৰি তোলে।

কথিত আছে যে সাহিত্য সৃষ্টিৰ সমানেই পুৰণি সাহিত্য সমালোচনাও। বিভিন্ন ঠাইৰ ভিন্ন ধ্ৰুপদী সাহিত্যসমূহৰ সঠিক মূল্যায়ন হৈছিল বিভিন্ন সাহিত্য সমালোচকৰ হাততেই। উল্লেখ্য যে পৰিৱৰ্তিত সময় তথা সমাজ ব্যৱস্থা আৰু মানুহৰ বিৱৰ্তিত মনৰ পৰিপ্ৰেক্ষিতত পৰিৱৰ্তন হয় সাহিত্যৰ মৌলিক ব্যাখ্যাও। মহাভাৰত সৃষ্টিৰ সময়ত অথবা তাৰ পিছৰ সময়ছোৱাত (এতিয়াৰ পৰা ৪০ বছৰ মান আগৰ)।

উক্ত মহাকাব্যত থকা অলৌকিক বৰ্ণনাসমূহ মানুহৰ মনে সঁচা হিচাপেই গ্ৰহণ কৰিছিল। কিন্তু বিজ্ঞানৰ অগ্ৰগতিয়ে মানুহৰ মন যুক্তিবাদী কৰি তোলাৰ পিছৰ পৰাই এনেকুৱা মহাকাব্য অথবা ধ্ৰুপদী সাহিত্যবিলাকৰ বিশ্লেষণো বিৱৰ্তিত ৰূপত আত্মপ্ৰকাশ ঘটিছে। পাঠকে সাহিত্যৰ ৰসাস্বাদনক পৰিশোধিত ৰূপত প্ৰকাশ কৰাটোৱেই সাহিত্য সমালোচনাৰ মৌলিকতা। আগৰ সময়ত যদিও ই এক পাঠকৰ স্বতঃস্ফূৰ্ত মন্তব্য আছিল, কিন্তু সময়ৰ লগে লগে ই এজন লেখকৰ ভৱিষ্যৎ অথবা ভাগ্য নিয়ন্ত্ৰকৰ ভূমিকা গ্ৰহণ কৰিব পৰা হৈ উঠিল। ক্ষমতাই দুৰ্নীতিৰ জন্ম দিয়াৰ লেখিয়াকৈ সাহিত্য সমালোচনায়ো ভাগ্য নিৰ্ণায়কৰ ক্ষমতা পোৱাৰ লগে লগে শেহতীয়াভাৱে অসমীয়া সাহিত্যত বহুতো দুৰ্নীতিৰ জন্ম দিয়া পৰিলক্ষিত হৈছে। যিহেতু এজন লেখকৰ সাহিত্যিক কেৰিয়াৰ বহুখিনি সাহিত্য সমালোচনাৰ ওপৰত নিৰ্ভৰ কৰে, সেয়েহে বহুতো সাহিত্যিকে দৃষ্টিকটুভাৱে সমালোচকসকলৰ ক্ষেত্ৰত পৃষ্ঠপোষকতাৰ ভূমিকা পালন কৰি আছে। এনেকুৱা পৰিঘটনাই যে অকল অসমীয়া সাহিত্যৰ মান নিম্নগামী কৰি আছে এনে নহয়, এনেকুৱা নিকৃষ্ট মানসিকতাই উচ্চ মানৰ সাহিত্য সৃষ্টিৰ ক্ষেত্ৰতো ডাঙৰ প্ৰতিবন্ধক ৰূপে থিয় দিছে।


আকৌ এচাম তথাকথিত সাহিত্য সমালোচকে আত্মপ্ৰকাশৰ স্বাৰ্থত সাহিত্যৰ গুণাগুণ উপলব্ধি নকৰাকৈয়ে সাহিত্য সমালোচনাৰ দৰে গুৰুত্বপূৰ্ণ কাম কৰিবলৈ আগবাঢ়ি আহি কেৱল মাত্ৰ 'প্ৰশংসা পত্ৰ'ৰহে জন্ম দিবলৈ সক্ষম হয়। এই শ্ৰেণীৰ সমালোচকে নবীন, প্ৰবীণ লেখকসকলক আত্মতুষ্টিত ভোগাৰ উদগনি যোগায়।

নৱপ্ৰজন্মৰ অসমীয়া ভাষাৰ প্ৰতি থকা হেমাহিয়ে যি প্ৰত্যাহ্বানৰ সৃষ্টি কৰিছে তাক আৰু অধিক তীব্ৰতৰ কৰি নুতুলিবলৈ আমাৰ তৰফৰ পৰা টানি অনুৰোধ থাকিল সেইসকল তথাকথিত সাহিত্যিক তথা সমালোচকলৈ। সাহিত্য সৃষ্টিৰ প্ৰতি কেৱল মাত্ৰ নিৰপেক্ষ দৃষ্টিভংগীয়েহে ধ্ৰুপদী সাহিত্য সৃষ্টিৰ ক্ষেত্ৰত অনুকূল পৰিস্থিতিৰ সৃষ্টি কৰিব পাৰে। সাহিত্য সৃষ্টি তথা সূক্ষ্ম সমালোচনাৰ ক্ষেত্ৰত অপতৃণসমূহক সমূলাঞ্চে বিনাশ কৰিবলৈ সকলো অসমীয়া সাহিত্যিক তথা পাঠক একগোট হ'বৰ হ'ল। গড্ডলিকা প্ৰবাহত নিজক উটুৱাই নিদি আত্মসমালোচনাৰে এক সুস্থ নৈতিক সাহিত্য ক্ষেত্ৰৰ জন্ম দিয়াৰ সময় সমাগত— অন্যথা এদিন অসমীয়াই অস্তিত্ব ৰক্ষাৰ বাবে হাহাকাৰ কৰিব লাগিব।

# মোৰ স্মৃতিত এন এইচ কলেজ

## (এটি সোঁৱৰণী)

সাৰদা দাস
...ক্তন ছাত্ৰী,
এ এন এম [illegible] স্বাস্থ্য উপকেন্দ্ৰ, ৰঙিয়া



১৯৭৯ চন। মই সেইবাৰ মেট্ৰিক পাছ কৰিছোঁ। মোৰ ঘৰ তেনেই আওহতীয়া, অতিকে পিছপৰা বগাপাৰা ৰাজহ গাঁৱত। মোৰ পৰিয়ালো আৰ্থিকভাৱে নহয় স্বচ্ছল। ক'ত পঢ়িম, কি কৰিম— ভাবি থাকোঁতেই আমাৰ পৰিয়ালৰ সৈতে অতিকে ঘনিষ্ঠ আমাৰ লাট খণ্ডৰ তথা গোবিন্দপুৰ গাঁও নিৱাসী মোৰ শ্ৰদ্ধাৰ দাদাস্বৰূপ প্ৰয়াত বিপিন শৰ্মা আহিছিল আমাৰ ঘৰলৈ।

মোৰ ককায়ে তেখেতক আদৰ-সাদৰকৈ বহিবলৈ দিলে। তেওঁ কিন্তু চাইকেলখন ধৰি থাকি থিয় হৈয়ে ৰ'ল। পিতাক ক'লে— 'বৰ ডেকা, কথা এটি দিলেহে বহিম।' পিতাই তেখেতক কনিষ্ঠ ভাই-সদৃশ মৰম কৰে বাবে লগে লগে 'কথা দিম, যিয়েই নোকোৱা কিয়' বুলি বহিবলৈ ক'লে।

পিতাৰ কথাত দাদাই তুষ্ট হৈ বাঁহৰ মুঢ়া এটাত বাহিৰত বহি আৰম্ভ কৰিলে— 'এইবাৰ মেট্ৰিক পাছ কৰা মাইক আহিবলৈ দে।' মই ঘৰৰ পৰা ওলাই আহি শৰ্মাদাক মাত লগালোঁ। দাদাই ক'লে— 'মাই, তই আমাৰ নতুন কলেজত পঢ়িব লাগিব। প্ৰাগ্‌জ্যোতি কলেজ, পাটাছাৰকুছি। আমি কলেজ খুলিছোঁ। ময়ো সদস্য হৈছোঁ। প্ৰত্যেক সদস্যই একোজনকৈ হ'লেও ছাত্ৰ-ছাত্ৰী ভৰ্তি কৰাই দিবই লাগিব। একদম ধৰাবন্ধা। গতিকে তই মোৰ কথা ৰাখ, মাই!'

পিতাই একো ক'বলৈ নাপাওঁতেই মই উত্তৰ দিলোঁ এনেদৰে— 'দাদা, এজনী বান্ধৱীক মই বজালীত পঢ়িম বুলি কৈছোঁ। এজনীক কৈছোঁ নতুনকৈ ষ্টাৰ্ট কৰা আঠিয়াবাৰী হায়াৰ ছেকেণ্ডাৰীত পঢ়িম বুলি। কিন্তু পিতাই যিহেতু কথা দিম বুলিছে, মই উঠাই নিদিওঁ। পাৰিলে এজনী হ'লেও মোৰ সংগী হিচাপে নিয়াৰ চেষ্টাহে কৰিম।'

মোৰ কথাত শৰ্মাদা বাৰুকৈয়ে তুষ্ট হ'ল আৰু মই যিমানজনী নিব পাৰোঁ, সিমানজনীৰেই দৈনিক চাহৰ খৰচ দিম বুলি তেওঁ বুকু ফিন্দাই উল্লেখ কৰি চাহকাপ খাই এড্‌মিছন ডেটটো কৈ বিদায় ল'লে হাস্যবদনে।

সঁচাকৈ ময়ো এগৰাকী বান্ধৱীসহ যথাদিৱসত গৈ এড্‌মিছন ল'লোঁ আৰু ক্লাছলৈ অহা-যোৱা কৰিলোঁ। কোৱা বাহুল্য যে শৰ্মাদাই 'ৰায়' উপাধিৰ মিঠাবৰণীয়া চাহ চাহদোকানী এগৰাকীৰ লগত মোক চিনাকি কৰাই দিলে আৰু কৈ দিলে যে 'এই ভণ্টিজনীয়ে লগত যিমানজনী আনে আৰু যি খায় দি দিব। পইচা নুখুজিব। দিলেও নল'ব। মাহৰ মূৰে মূৰে মই দিম। আজি যাত্ৰাটো কৰকেই' বুলি আমাক চাহ খুৱাই এখন দীঘলীয়া বহীত শৰ্মাদাই লিখিলে আৰু মালিকক ক'লে— 'এই পাতটোৰ পৰা মোৰ নামত ইহঁতৰ হকে বাকীটো লিখি যাব।'

এনেকৈয়ে শৰ্মাদাই কলেজখনৰ নামত মোৰ দৰে কিমানজনী 'সাৰদাক' ছাত্ৰিত্ব দি ত্যাগ স্বীকাৰ কৰিলে, সেইটো মই নিজেই দেখিছোঁ। তেখেত আজি প্ৰয়াত যদিও কলেজীয়া ছাত্ৰিত্বৰ কথা মনত পৰাৰ লগে লগে মই শ্ৰদ্ধাৰে সুঁৱৰিছোঁ, তেখেতৰ বিদেহী আত্মাই চিৰশান্তি পাওক বুলি।

পঢ়ি থকা কালত মই যি বান্ধৱীক বজালীত পঢ়িম বুলি কথা দিছিলোঁ, সেই বান্ধৱীৰ লগত মাজে-সময়ে দেখা-দেখি হৈছিলোঁ। তেওঁ মোৰ কথাটোত বৰ বেজাৰ পাইছিল আৰু খঙৰ ভমকতে 'দুৰ্বাসা'সদৃশ আচৰণ কৰি আমাৰ দুয়োকে অভিশাপ দিয়াৰ সুৰত কৈছিল— 'কি কলেজত পঢ়িলি? ক্লাছ কৰা ৰুমেই নাই! সংঘত কৰে ক্লাছ! আজি অ'ত কালি ত'ত। ক্লাছ যেনেকৈ বাগৰি ফুৰে, তেনেকৈ তহঁত দুজনীৰ জীৱনো বাগৰি ফুৰোঁতেই যাব। এষ্টাব্লিছ্ হ'ব নোৱাৰিবি। মোক যিদৰে ঠগিছ, ভগৱানে তহঁতকো ঠগিব।'

অৱশ্যে সেই বান্ধৱীৰ কথা কিছু পৰিমাণে ৰ'ল। মই অভিশপ্তাই হ'লোঁ। মোৰ বিয়া নহ'ল। অৱশ্যে চাকৰি কৰোঁ মেডিকেল বিভাগত। কৰ্মসূত্ৰে অ'ত-ত'ত বাগৰিও ফুৰিছোঁ। মই প্ৰথম জইন কৰিছোঁ গৃহ জিলা বৰপেটাৰ অধীনৰ বণিয়াকুছি-সৰ্থেবাৰীত। তাৰ পিছত ক্ৰমে কামৰূপৰ কমলপুৰ, সোণাপুৰ, আয়ুৰ্বেদিক কলেজ, ধুবুৰী জিলাৰ হালাকুৰা আৰু অতি সম্প্ৰতি ৰঙিয়াৰ কাউৰবাহা স্বাস্থ্য-উপকেন্দ্ৰত। চাকৰি য'তেই কৰিলেও মই কিন্তু আজি গুৱাহাটীৰ নাগৰিক। নুনমাটি মঠঘৰীয়াৰ মই ঘৰ-মাটি কৰিছোঁ আৰু এক ল'ৰা সন্তান তুলি লৈছোঁ।

সুদীৰ্ঘ আঠ বছৰ ধুবুৰীত থকাৰ পিছত এইবাৰ বদলি হৈ ৰঙিয়ালৈ আহি থাকোঁতে উক্ত কলেজত অধ্যয়নৰত মোৰ ভতিজী শ্ৰীমতী ছুইটী দাসে গাড়ী ৰাখি মাত দি যাবলৈ মোক গ্ৰাম্যভাষযোগে ক'লে। যথাসময়ত মই ভতিজীৰ সৈতে দেখা-দেখি হৈ সুধিলোঁ কলেজখনৰ নাম। তাই এন এইচ কলেজ বুলি ক'লে। মই সুধিলোঁ— 'ইয়াত কলেজ দুখন হ'ল নেকি?' তাই ক'লে— 'নহয়, এখনেই।' 'মই পঢ়া প্ৰাগ্‌জ্যোতি কলেজখন কলৈ গ'ল'— বুলি সুধোঁতে তাই ক'লে যে সেইখনৰেই নামটো সলাই এন এইচ কলেজ কৰিছে। কোনো নিৰ্মল হালৈ নামৰ মানুহে পৰ্যাপ্ত ধন দান আগ বঢ়াই নামটো সলাইছে।

অ' মোৰ বান্ধৱীৰ কথা আধৰুৱা হ'ল। মোৰ লগতে অভিশপ্তা হোৱা বান্ধৱীজনীৰ বিয়া হৈছে এগৰাকী হাইস্কুলৰ প্ৰধানৰ লগত। কিন্তু দুখৰ বিষয় যে তেওঁ নিঃসন্তান হৈয়ে ৰ'ল। আকৌ আমাক অভিশাপ দিয়া বান্ধৱীজনীৰ বিয়া হ'ল এক এগ্ৰিল কৰ্মচাৰীৰে। তেওঁ এতিয়া গুৱাহাটীৰেই বাসিন্দা। পিছে শুনামতে তেওঁৰো বৈবাহিক জীৱন সুখকৰ নহয় হেনো। মানে আমাক দুৰ্বাসা সদৃশে দুৰ্বাক্য উচ্চাৰি তেওঁ দুখী হ'ল হ'বলা। তথাপি মানিছোঁ যে সেইগৰাকী বান্ধৱী বৰ বিমুখীয়া নিশ্চয়!

যি কি নহওক, ভতিজীৰ পৰা জানিলোঁ যে প্ৰাগ্‌জ্যোতি কলেজেই আজি নিৰ্মল হালৈ কলেজ হ'ল। আমি পঢ়া প্ৰাঃ বিঃ (পি. ইউ.) এইচ এছ হ'ল। বহুত পৰিৱৰ্তন। কিন্তু আলোচনীখনৰ নামটো প্ৰাগ্‌জ্যোতি বুলিয়েই বাহাল ৰাখিলে— সেইটোৱেই কলেজখনৰ আদি নামৰ স্মৃতি।

ইয়াৰ মাজতেই গাঁৱৰ ঘৰলৈ আহি গম পালোঁ যে মোৰ কনিষ্ঠ ভ্ৰাতা শ্ৰীমান প্ৰকাশ খাটনিয়াৰেও এইখন কলেজতেই বি এ মহলালৈ পঢ়ি অধ্যয়ন শেষ কৰিছে। ভতিজী ছুইটী দাসে বি এ মহলাত পঢ়ি থকা বৰ্তমানৰ শিক্ষাবৰ্ষতেই আন এজনী ভতিজী, ছুইটীৰ অনুজা ভগ্নী শ্ৰীমতী ডলী দাসো এইখন এন এইচ কলেজতেই এইচ এছ শ্ৰেণীত ভৰ্তি হৈছে।

ভাল লাগিল— মই অগ্ৰজে দেখুওৱা পথেৰেই মোৰ অনুজবৃন্দই এইখন কলেজতে পঢ়া কৰে। ভাল লাগিল— সংঘত ক্লাছ কৰা কলেজখনে পূৰ্ণাংগ ৰূপত স্ব-স্থানত স্থায়িত্ব লাভ কৰা বাবে। ভাল লাগিল নিৰ্মল হালৈ ভাণ্ডৰীয়াই পৰশ দি অনুষ্ঠানটিৰ পূৰ্ণাংগ ৰূপদানেৰে অমৰ হোৱা বাবে। ভাল লাগিল— মোৰ পথ প্ৰদৰ্শক প্ৰয়াত বিপিন শৰ্মাৰ স্মৃতি মোৰ পটলৈ আনি দিয়া বাবে।

আকৌ স্মৃতিৰ পটত ভাহি উঠিল কেইগৰাকীমান নমস্য ব্যক্তিৰ কথা। তেখেতসকলক প্ৰাগ্‌জ্যোতি কলেজ ৰূপত পঢ়ি থাকোঁতে প্ৰিন্সিপাল ছাৰৰ সৈতে সঘনাই মুলাকাত কৰিবলৈ অহা দেখিছিলোঁ। আটাইৰে নাম জনাও নাছিলোঁ আৰু জনাসকলৰ নামো আজি মোৰ মনত নাই। আজি তেখেতসকল জীৱিত নে প্ৰয়াত— সেয়াও মোৰ বিদিত নহয়।

কলেজখনৰ ইটো-সিটো কামৰ বাবে প্ৰিন্সিপাল ছাৰৰ লগত সঘনাই মুলাকাত কৰা উক্ত ব্যক্তিসকল ক্ৰমে সৰ্বশ্ৰী মুনীন গোস্বামী ছাৰ, জিতেন শৰ্মা ছাৰ, চেৰিফ ছাৰ, ভাবিত হালৈ ছাৰ— ইত্যাদিৰ নাম আজিও মোৰ মনত পৰে। তেখেতসকলৰ মাজৰে জিতেন শৰ্মা ছাৰ কলেজখনৰ অগ্ৰণী উদ্যোক্তা বুলি ককায়ে মোক ক'লে আৰু জীৱিত আছে বুলিও জনালে। মোৰ হেঁপাহক মৰম কৰি শৰ্মা ছাৰে ককাইৰ হাতত কলেজখনৰ ইতিবৃত্ত সম্বলিত পুস্তিকা এখন দি পঠাইছে।

মান্যবৰ শৰ্মা ছাৰে পঠোৱা পুস্তিকাখনলৈ শ্ৰদ্ধা জনাই মোৰ কলেজীয়া জীৱনৰ সোঁৱৰণী হিচাপে এই লেখা পঠালোঁ— মোৰ অকৃত্ৰিম শ্ৰদ্ধা নিবেদন কৰি, উদ্যোক্তাবৃন্দৰ আশাশুধীয়া সফলতাক ধন্যবাদ জনাই, মহাবিদ্যালয়খনৰ সৰ্বাংগীন উন্নতি কামনা কৰি, অঞ্চলৰ ভিতৰতেই শিক্ষাৰ দিশত অগ্ৰণী ভূমিকা লোৱাৰ আশাবাদেৰে...

'জয়তু নিৰ্মল হালৈ মহাবিদ্যালয়' বুলি পৰম তৃপ্তিৰ ধ্বনিৰে।

# ভাৰতৰ জলন্ত সমস্যা— জনসংখ্যা বিস্ফোৰণ আৰু তাৰ প্ৰতিকাৰ

পম্পী তালুকদাৰ
স্নাতক তৃতীয় বৰ্ষ



**...মাৰম্ভণি ঃ**

...ানৰ সভ্যতা বৰ্তি থাকিবৰ বাবে জনসংখ্যা এক মুখ্যতম ...ন। সভ্যতাক আগুৱাই নিবলৈ খেতিপথাৰ, কল-কাৰখানা, ... গৱেষণা আদি পৰিচালনা কৰিবলৈ স্বাস্থ্যৰ প্ৰতি যত্ন ল'বলৈ ...াতে জনসংখ্যাৰ প্ৰয়োজন। আনকি প্ৰকৃতিয়ে দিয়া বা আমি ...ই উৎপাদিত বস্তুৰে জোৰা মৰা টান হৈ পৰে। তেওঁলোকৰ ... মাৰিবলৈ যাওঁতে দেশৰ সঞ্চয় বাধাগ্ৰস্ত হয়। ফলত বৰ্দ্ধিত ...ংখ্যা দেশৰ বাবে বোজাস্বৰূপ হৈ পৰে। দৰিদ্ৰতা বা ...ৰ্থহীনতাত জৰ্জৰিত ভাৰত বহুতো সমস্যাৰে ভৰপূৰ। অথচ ... এখন সমৃদ্ধিশালী দেশ। ভাৰতৰ গুহা-গহ্বৰত মাটিৰ বুকুত, ...ৰ্তত, পৰ্বতে-পাহাৰে, হাবিয়ে-বননিয়ে, নদ-নদী-নিজৰাৰ বুকুত, ...ত সাগৰৰ বালিকৰণাৰ বুকুত— সকলোতে অজস্ৰ সম্পদ ...তি হৈ আছে। সেই সম্পদ উদ্‌ঘাটন কৰি, আহৰণ কৰি, সম্পদ ... যোগেদি ভাৰতে দৰিদ্ৰতাৰ লগত প্ৰত্যক্ষ সংগ্ৰামত লিপ্ত হৈছে। তথাপি দ্ৰুতভাৱে বৰ্দ্ধিত জনসংখ্যাৰ কাৰণে আমি হয়তো মানি ল'ব লাগিব মূক-পৰাভৱ।

**বৃদ্ধিৰ হাৰ ঃ**

ভাৰতবৰ্ষৰ দৰে দেশ এখনত জনসংখ্যাৰ দ্ৰুত বৃদ্ধিয়ে ভয়াৱহ সমস্যাৰ সৃষ্টি কৰিছে। জনসংখ্যাৰ আকাৰৰ পিনৰ পৰা ভাৰতবৰ্ষ পৃথিৱীৰ দ্বিতীয় বৃহত্তম দেশ। পৃথিৱীৰ মুঠ জনসংখ্যাৰ ১৫ শতাংশ এই দেশত বাস কৰে। যিখন দেশৰ মাটিকালি পৃথিৱীৰ ২.৪ শতাংশ। ১৯৮১ চনত ভাৰতবৰ্ষত তিনিগুণ আকাৰৰ ইউৰোপত থকা ৬৮ কোটি জনসংখ্যাৰ সৈতে আমাৰ দেশৰ জনসংখ্যা আছিল সম পৰিমাণৰ। আকাৰৰ ফালৰ পৰা এনে ব্যাপকতাৰ লগতে ভাৰতৰ জনসংখ্যাৰ বৃদ্ধিৰ গতিও বৰ ক্ষিপ্ৰ।

১৯৫১ চনত জনসংখ্যা— ৩৬.০০০ কোটি
১৯৬২ চনত জনসংখ্যা— ৪৩.৯০৭ কোটি
১৯৭১ চনত জনসংখ্যা— ৫৪.৭৯৪ কোটি
১৯৮১ চনত জনসংখ্যা— ৬৮.০০০ কোটি
১৯৯১ চনত জনসংখ্যা— ৮০.০০০ কোটি
২০০১ চনত জনসংখ্যা— ১০০.০০০ কোটি

১৯৫১-৬১ চনৰ ভিতৰত জনসংখ্যা বৃদ্ধিৰ হাৰ আছিল ২.২ শতাংশ, ১৯৬১-৭১ৰ ভিতৰত প্ৰায় ২.৫ শতাংশ ১৯৭১-৮১ চনৰ ভিতৰত প্ৰায় ২.৫ শতাংশ। ১৯৫১ৰ পৰা ১৯৮১ চনলৈ এই ত্ৰিশ বছৰত জনসংখ্যা বৃদ্ধি হৈছে শতকৰা ৫৩.১ ভাগ। এই বৃদ্ধিৰ হাৰ আশ্বৰ্যজনক। কাৰণ এই সময়ছোৱাত পৃথিৱীৰ প্ৰায়বোৰ উন্নত দেশত এই পৰিমাণ আছিল ভাৰতৰ তুলনাত অতি কম। যেনে— ১৯৭১-৮১ৰ ভিতৰত চীনত এই হাৰ আছিল ১.৫ শতাংশ, জাপানত ১.২ শতাংশ, আমেৰিকাত ১.১ শতাংশ আৰু ছোভিয়েটত আছিল মাত্ৰ ০.৯ শতাংশ। এনে ক্ষিপ্ৰ বৃদ্ধিৰ বাবে জনসংখ্যাৰ পৰিমাণেও এক বিস্ফোৰক ৰূপ পাইছিলগৈ। ১৯৫১ চনত যিখন ভাৰতত জনসংখ্যা আছিল মাত্ৰ ৩৬ কোটি আজি সেইখন ভাৰতত জনসংখ্যা ১০০ কোটি। বৰ্তমান দেশত প্ৰতি বছৰে প্ৰায় ১ কোটি ৩০ লাখকৈ লোক বাঢ়িব লাগিছে আৰু এক ভয়াৱহ সমস্যাৰ সৃষ্টি কৰিছে। এই প্ৰসংগতে অসমৰ জনসংখ্যাৰ বিস্ফোৰণৰ কথাও উল্লেখ কৰা উচিত। অসমৰ জনসংখ্যাৰ বৃদ্ধিৰ হাৰ ভাৰতৰ ভিতৰত উল্লেখনীয়। যি সময়ত ১৯৭১-৮১ ৰ ভিতৰত জনসংখ্যা বৃদ্ধিৰ সৰ্বভাৰতীয় হাৰ আছিল ২.৫ শতাংশ সেই সময়ত অসম এই বৃদ্ধিৰ হাৰ আছিল ৩.৬১ শতাংশ। অসমত অৱশ্যে ভালেমান বিদেশী লোকৰ আগমনেও এই আহুকালৰ সৃষ্টি কৰিছে, যিটোৰ বাবে ১৯৭৯ চনত ব্যাপিক ছাত্ৰ আন্দোলন চলিছিল। এই সন্দৰ্ভত এখন চুক্তি স্বাক্ষৰিত হৈছিল যদিও বাস্তৱ অৰ্থত বিদেশী বহিষ্কাৰ নহ'ল আৰু বিদেশীৰ আগমনো ৰোধ কৰিব পৰা নগ'ল। ফলস্বৰূপে অসমত জনসংখ্যাৰ হাৰ আৰু ব্যাপক গতিত বাঢ়িব লাগিছে।

**জন্ম-মৃত্যুৰ হাৰ ঃ**

ভাৰতত মৃত্যুৰ হাৰ ১৯২১ চনৰ পৰা ১৯৩১ চনৰ ভিতৰত আছিল শতকৰা ৩.৬৩। কিন্তু ১৯৬১ চনৰ পৰা ১৯৮১ চনৰ ভিতৰত ১.৮১ শতাংশ হ্ৰাস হৈছে। ১৯৪১-৫১ চনৰ ভিতৰত জন্মৰ হাৰ আছিল ৪০ জন আৰু মৃত্যুৰ হাৰ আছিল ২৭ জন; কিন্তু ১৯৭১-৮১ চনৰ ভিতৰত জন্মৰ হাৰ অলপ কমি ৩৬ জন হ'ল যদিও মৃত্যুৰ হাৰ ভালেখিনি কমি গৈ একেবাৰে ১৫ জন পালেগৈ। গতিকে জন্ম-মৃত্যুৰ ভাৰসাম্যতা নথকা বাবেই জনসংখ্যা প্ৰতি বছৰে বাঢ়িব লাগিছে। অথচ জনসংখ্যাৰ শতকৰা ৭০ জনতকৈ অধিক লোকৰ জীৱনৰ মানদণ্ড দৰিদ্ৰ সীমাৰেখাৰ তলতে আছে।

**বৃদ্ধিৰ কাৰণ ঃ**

জন্মৰ হাৰ দ্ৰুত বৃদ্ধিৰ বহুতো কাৰণ আছে। চিকিৎসা বিজ্ঞানৰ উন্নতি হোৱাত মেলেৰিয়া, কলাজ্বৰ, বসন্ত, কলেৰা, যক্ষ্মা আদি মহামাৰী কমি গৈছে। জনসংখ্যা বৃদ্ধিৰ আন কেতবোৰ উল্লেখনীয় কাৰণ হ'ল— নিৰক্ষৰতা, অন্ধবিশ্বাস, ধৰ্মীয় বাধা, কম বয়সতে বিবাহ হোৱা ইত্যাদি। ভাৰতৰ দৰে দেশ এখনত এতিয়াও শিক্ষাৰ যথাযথ প্ৰসাৰ নোহোৱাত জনসংখ্যাৰ সমস্যাৰ ভয়াৱহতাৰ দিশটো বহুতেই উপলব্ধি কৰিব পৰা নাই। তদুপৰি কেতবোৰ প্ৰচলিত অন্ধবিশ্বাসৰ বাবেও বহুতে জন্ম নিয়ন্ত্ৰণ কৰিব নিবিচাৰে। ধৰ্মীয়ভাৱেও দুই এক সম্প্ৰদায় জন্ম নিয়ন্ত্ৰণৰ পৰিপন্থী। তদুপৰি অৰ্থনৈতিকভাৱে অনগ্ৰসৰ, অশিক্ষিত লোকসকলে অধিক সন্তানৰ বাবে জুৰুলা হৈ পৰে যদিও তেওঁলোকে কোনোদিন জন্ম নিয়ন্ত্ৰণৰ কথা নাভাবে বা সাৱধানতাও অৱলম্বন কৰিব নোৱাৰে।

**বৃদ্ধিৰ ফলত হোৱা সমস্যা আৰু তাৰ সমাধান ঃ**

জনসংখ্যা বৃদ্ধিৰ ফলত দেশখন ভালেমান সমস্যাৰ মুখামুখি হ'ব লগা হৈছে। খাদ্য, বস্ত্ৰ, বাসস্থান আদি নিত্য প্ৰয়োজনীয় বস্তুৰ নাটনি হৈছে, প্ৰাকৃতিক সম্পদৰাজিৰ ওপৰত ওপৰঞ্চি হেঁচা পৰিছে, স্বাস্থ্য, শিক্ষা, পৰিবহণ আদি ব্যৱস্থাত মানুহৰ ভিৰ বাঢ়িছে ইত্যাদি। কিন্তু এইবোৰতকৈ ভয়াৱহ সমস্যা হ'ল অভাৱ-অনাটনৰ বৃদ্ধিৰ লগে লগে হিংসা, সন্ত্ৰাস আদিও বাঢ়িব লাগিছে। জনসাধাৰণৰ মাজত, বিশেষকৈ জনগোষ্ঠীবোৰৰ মাজত সদ্ভাৱ নাইকিয়া হৈছে আৰু গোষ্ঠীসংঘাতো বাঢ়ি আহিছে। চৰকাৰে লাখ লাখ ৰঘুমলা, ভগনীয়াক অসমত স্থাপন কৰাৰ ফলত অসমীয়া খেতিয়কৰ ভাগৰ মাটি বিদেশীৰ দখললৈ গ'ল। আনহাতেদি মানুহৰ জন্মৰ হাৰ বহুগুণে বৃদ্ধি পোৱাত, এঘৰে দহঘৰ হ'বলৈ যাওঁতে, এটা পৰিয়ালৰ পৰ্যাপ্ত খেতিৰ মাটি দহটা পৰিয়ালৰ বাবে নিচেই তাকৰ হৈ পৰিল। জনসংখ্যা বাঢ়িল; সেই অনুপাতে পৃথিৱীখন বহল হৈ নাযায়, ফলত উৎপাদন একেই থাকিল। সেইবাবে জনসংখ্যা যাতে অধিক বৃদ্ধি নাপায় তাৰ বাবে নিয়ন্ত্ৰণ ব্যৱস্থা গ্ৰহণ কৰাটো বিশেষভাৱে গুৰুত্বপূৰ্ণ কথা। সকলোবিলাক ব্যৱস্থা লোৱাৰ উপৰি জনসংখ্যা বৃদ্ধিৰ এই দুৰ্বাৰ গতিক ৰোধ কৰিব পাৰিলেহে খাদ্য সমস্যা সমাধান কৰিব পৰা যায়। ইয়াৰ উপৰি প্ৰতি বছৰে যাতে কোটি কোটি নিবনুৱাৰ সৃষ্টি হ'ব নোৱাৰে, তাৰ কাৰণে পৰিয়াল পৰিকল্পনাৰ যোগেদি জন্ম নিয়ন্ত্ৰণৰ দ্বাৰা ক্ৰমবৰ্দ্ধমান জনসংখ্যা বৃদ্ধি হ্ৰাস কৰিব লাগে। তদুপৰি অৰ্থনৈতিকভাৱে অনগ্ৰসৰ বহুতো পিতৃ-মাতৃয়ে অদিক সন্তান জন্ম দিলে তেওঁলোকৰ আয়ৰ পৰা সুচল হ'ব বুলি ভাবে, ফলত তেওঁলোক আৰ্থিকভাৱে বেছি জুৰুলা হৈ পৰে। পিছত সেই সন্তানবোৰে জনসংখ্যা বিস্ফোৰণৰ লগতে নিবনুৱা সমস্যা হৈ দেখা দি দেশৰ উন্নতিত হেঙাৰস্বৰূপ হৈ পৰে। এই অনগ্ৰসৰ লোকবোৰক বিভিন্ন আঁচনিৰ জৰিয়তে উন্নতিৰ পথলৈ আনি জন্ম সচেতনতা তেওঁলোকৰ মনত যোগাই তুলিব লাগিব। নিবনুৱা সমস্যা সমাধানৰ বাবে প্ৰকৃতিৰ বুকুত থকা সম্পদৰাজি আহৰণৰ বাবে চৰকাৰে শিক্ষিত নিবনুৱা যুৱকসকলক উপযুক্ত প্ৰশিক্ষণ দিয়াই পূৰ্ণ সংস্থাপন দিব পাৰে। দ্ৰুত জনসংখ্যা বৃদ্ধিৰ ফলত নগৰ চহৰত বসবাসৰ সমস্যা, কৃষিভূমিৰ অৱস্থা, বনাঞ্চল হ্ৰাস, শক্তি-সম্পদৰ অভাৱ, প্ৰদূষণ সমস্যা আদি বৃদ্ধি পাইছে। এইবোৰ সমস্যাই পৰিৱেশৰ ওপৰত বিৰূপ প্ৰভাৱ

বাবে পৰিৱেশৰ অৱনতি ঘটিছে। কোনো এখন ঠাইত
সংখ্যা বৃদ্ধিয়ে সেই ঠাইৰ স্বাস্থ্যসেৱা জনপৰিবহন সেৱা,
আদি সমাজ-সাংস্কৃতিক পৰিৱেশৰ ওপৰত ব্যাপক প্ৰভাৱ
ত জনসংখ্যা বৃদ্ধিয়ে বাসভূমিৰ প্ৰয়োজনত কৃষিভূমিৰ
াই সমগ্ৰিকভাৱে উৎপাদনৰ পৰিস [illegible] নহ'ল
উত্তৰ-পূৰ্বাঞ্চলৰ অসম, অৰুণাচল, [illegible] আদি
ঠাইত ঝুম খেতিৰ প্ৰচলন আছে। সেয়েহে এনেবোৰ
ীকৰণ বৃদ্ধি হৈ স্থানীয় জলবায়ুৰ পৰিৱৰ্তন আৰু ভূমিস্খলন
ৰে ভূমিস্খলন হৈ নদ-নদীৰ বুকুত জমা হৈ নদী তৰাং
বানপানীৰ প্ৰাবল্য বৃদ্ধি হয়। জনসংখ্যা বৃদ্ধিৰ অনুপাতে
ফল-মূল, শাক-পাচলি আদি খাদ্য সামগ্ৰীৰ উৎপাদন বৃদ্ধিৰ
কৃষি ক্ষেত্ৰত প্ৰয়োগ কৰা নতুন নতুন কৌশল-ব্যৱস্থাই
ৰেশিক সমস্যাৰ সৃষ্টি কৰিছে। যেনে ৰাসায়নিক সাৰ,
দ্ৰব্য, অপতৃণনাশক দ্ৰব্য
হাৰে উৎপাদন বৃদ্ধিৰ লগতে
দূষিত কৰাত অৰিহণা
জনসংখ্যা নিয়ন্ত্ৰণৰ বাবে
দূৰীকৰণ আৰু শিক্ষা বিস্তৰ
প্ৰয়োজন। দৰিদ্ৰতা দূৰ হ'লে
হাৰ বাঢ়িব। শিক্ষিতৰ হাৰ
ল মানুহ আত্ম-সচেতন আৰু
চেতন হ'ব। শিক্ষাৰ পোহৰে
মস্যাবোৰৰ প্ৰতি দৃষ্টি সজাই
উন্নতি-অবনতি, উত্থান-পতনৰ
াৰ মানুহৰ অৱগত হ'ব।
া মানুহে অন্ধবিশ্বস,
ৱবোৰ পৰিত্যাগ কৰি বহল
ী গ্ৰহণ কৰিব। শিক্ষাৰ হাৰ
ল— সীমিত সংসাৰ এখনৰ
গীতা আৰু শ্ৰেষ্ঠতা মানুহে উপলব্ধি কৰিব পাৰিব। শিক্ষিত
াৰ সদায় সংযমী আৰু আত্মসচেতন। আমাৰ উপাৰ্জন যেতিয়া
পৰিয়ালো সীমিত হোৱা বাঞ্চনীয়। বিশেষকৈ সন্তান জন্ম
পিতৃ-মাতৃৰ কৰ্তব্য শেষ নহয়। সন্তানক মানুহ কৰি গঢ়ি
পৰাতহে মানুহৰ কৃতিত্ব। অশিক্ষিত, নিৰক্ষৰ মানুহে এইবোৰ
ন কৰিব নোৱাৰে। শিক্ষিত সমাজ এই বিষয়ত সদা সচেতন
দা জাগ্ৰত।

**ৰিয়াল পৰিকল্পনাৰ ফলশ্ৰুতি**

নসংখ্যা নিয়ন্ত্ৰণৰ ক্ষেত্ৰত চৰকাৰী প্ৰচেষ্টা ফলদায়ক হৈ উঠা
ৰসকলৰ হাতত পৰিয়াল পৰিকল্পনাৰ নিচিনা অতি গুৰুত্বপূৰ্ণ
ায়িত্বপূৰ্ণ বিষয়টো এৰি দিয়া হৈছে, তেওঁলোকে প্ৰকৃতপক্ষে
ক্ষাসম্পন্ন আৰু উপযুক্ত প্ৰশিক্ষণপ্ৰাপ্ত নহয়। ইয়াৰ কেন্দ্ৰবোৰে
ঠাইতে জনসংযোগ ঘটাব নোৱাৰাৰ ফলত ই গাঁও-ভূঁইক
কৰিব পৰা নাই। ফলত বিষয়টোৰ উপযুক্ত জ্ঞানৰ অভাৱত
বহুতো লোক পৰিয়াল পৰিকল্পনাৰ বলি হৈছে। স্বাস্থ্য হানি হৈছে, বহুতো লোক পৰিয়াল পৰিকল্পনাৰ বলি হৈছে বহুতৰ জীৱনলৈ। জৰাগ্ৰস্ত হৈছে আৰু অকাল বাৰ্দ্ধক্য নামি আহিছে বহুতৰ জীৱনলৈ। দেশখনত নৈতিকতাৰো চৰম বিপৰ্যয় ঘটিছে। একে শ্ৰেণীৰ লোকে পৰিয়াল পৰিকল্পনাক ধন ঘটাৰ উপায় হিচাপে লৈছে এনেদৰে বহু লোক পৰিয়াল-পৰিকল্পনাৰ নামত দুৰ্নীতিত সোমাই পৰিছে।

**মন্তব্য**

আধুনিক মতবাদ অনুসৰি জনসংখ্যাৰ তিনিটা পৰ্যায় আছে

ক) আৰ্থিক উন্নয়ন নোহোৱা পৰ্যন্ত জন্মৰ হাৰ আৰু মৃত্যুৰ হাৰ বৰ উচ্চ হয় যদিও দুয়োটাৰ মাজত ব্যৱধান কম হোৱাৰ বাবে জনসংখ্যা বৃদ্ধিৰ হাৰো কম হয়।

খ) আৰ্থিক উন্নয়ন আৰম্ভ হ'লে মৃত্যুৰ হাৰ কমে কিন্তু জন্মৰ হাৰ উচ্চ হৈ পৰে ফলত জনসংখ্যা উচ্চ হাৰত বাঢ়ে।

গ) আৰ্থিক উন্নয়নে অগ্ৰগতি লাভ কৰিলে জন্মৰ হাৰ হ্ৰাস পায়, মৃত্যুৰ হাৰ ওচৰা ওচৰি হৈ এটা স্থিৰ অৱস্থা পায়গৈ।



সেই হিচাপে ভাৰতবৰ্ষত এতিয়াও অৰ্থনৈতিক বিকাশে পৰ্যাপ্ত অৱস্থা পোৱাগৈ নাই আৰু সেয়েহে জনসংখ্যা বাঢ়িব লাগিছে। এই সকলোবোৰৰ বাবে প্ৰয়োজন এক যথোপযুক্ত আঁচনিৰ। জনসংখ্যা যিদৰে সমস্যা, সেইদৰে সম্পদো। কিন্তু উপযুক্ত আঁচনি অবিহনে জনসংখ্যাক সমস্যাৰ পৰা সম্পদলৈ পৰিণত কৰা বৰ টান। অৰ্থনীতিয়ে সঠিকভাৱে বিকাশ লাভ নকৰিলে এনে আঁচনি কৰাও সম্ভৱ হৈ নুঠেগৈ। সেয়েহে আমাৰ দেশত ই এতিয়াও নিয়ন্ত্ৰণহীন ভয়াৱহ সমস্যা। সেইবাবে চৰকাৰে সুস্থ আৰু সু-পৰিকল্পিতভাৱে এই আঁচনি কাৰ্যকৰী কৰাৰ নিতান্ত প্ৰয়োজন আহি পৰিছে। দৰিদ্ৰতা আৰু নিয়ক্ষৰতা দূৰীকৰণ আৰু জন্ম নিয়ন্ত্ৰণ এই তিনিটাৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰি জনসংখ্যা নিয়ন্ত্ৰণ কৰিব নোৱাৰিলে এসময়ত ভয়াৱহ পৰিস্থিতিৰ সৃষ্টি হৈ সমগ্ৰ দেশকে গ্ৰাস কৰি পেলাব।



# নিবনুৱা সমস্যা আৰু ইয়াৰ সমাধানৰ উপায়

**হিমাশ্ৰী ঠাকুৰীয়া**
*স্নাতক তৃতীয় বৰ্ষ*




আধুনিক সভ্যতাই পৃথিৱীৰ বুকুত সৃষ্টি কৰিছে এক বিৰাট সংঘাত। এই সংঘাত সুস্থ জীৱন নিৰ্বাহৰ বাবে। দুবেলা দুমুঠি সুখেৰে স্বচ্ছন্দে খাই-বৈ জীয়াই থকাৰ সংঘাত। এই সংঘাতে ভাৰতৰ কোটি কোটি দৰিদ্ৰ জনসাধাৰণৰ সন্মুখত এটা বিৰাট প্ৰশ্নৰ সৃষ্টি কৰিছে। সেই প্ৰশ্নটো হৈছে বৰ্তমান সমস্যাজৰ্জৰ পৰিস্থিতিৰ সন্মুখীন হৈ তেওঁলোক মানুহ হিচাপে বাচি থাকিব নে? এই প্ৰশ্নৰ সমাধান শেষ নহওঁতে আৰু এটা প্ৰশ্ন আহি পৰিছে, সেয়া হ'ল স্বাধীনতাৰ পিছত শিক্ষা সম্প্ৰসাৰণৰ ফলত প্ৰতি বছৰে লাখ লাখ যুৱক-যুৱতী স্কুল, কলেজ, বিশ্ববিদ্যালয় আদিৰ পৰা শিক্ষা লাভ কৰি ওলাই আছে। ইয়াৰ মাজৰ পৰা চাকৰি পাইছে এটা সামান্য অংশই। ইয়াৰ ফলত বহুতো শিক্ষিত যুৱক-যুৱতী কৰ্মহীন হৈ বহি থাকিব লগা হৈছে, ইয়াৰ কাৰণতেই লাখ লাখ নিবনুৱা সৃষ্টি হৈছে।

নিবনুৱা সমস্যা এখন দেশৰ আটাইতকৈ ডাঙৰ সমস্যা। বৰ্তমানৰ শিক্ষিত যুৱক-যুৱতীসকল কৰ্মহীন হৈ বহি থাকিবলগা হৈছে কাৰণ তেওঁলোকে কৃষক, শ্ৰমিক, শিল্পী একো হ'ব নোৱাৰে। কাৰণ সেই বিষয়ৰ শিক্ষা তেওঁলোকৰ নাই। তেওঁলোকে মাত্ৰ গণিত, বুৰঞ্জী, অৰ্থনীতি, ৰাজনীতি কোনো এটা শাখাৰহে শিক্ষা লাভ কৰিছে। এইবোৰ শিক্ষাই উপযুক্ত শিক্ষক গঢ়িব পাৰে, আমোলা গঢ়িব পাৰে, কিন্তু কাৰিকৰ গঢ়িব নোৱাৰে। ইয়াৰ কাৰণতেই নিবনুৱা সমস্যাৰ সৃষ্টি হয়।

ভাৰতবৰ্ষত কেইবাটাও কাৰণত নিবনুৱা সমস্যাৰ সৃষ্টি হৈছে। তাৰ ভিতৰত উদ্যোগ আদিৰ প্ৰসাৰহীনতা, জনসংখ্যাৰ বৃদ্ধি আৰু অন্য চুবুৰীয়া দেশৰ পৰা হোৱা প্ৰব্ৰজন। দেশখনক আৰ্থিক ৰূপত আগবঢ়াই নিবলৈ বিভিন্ন পৰিকল্পনাবোৰে দেশৰ প্ৰগতিত অৰিহণা আগবঢ়াব পৰা নাই। শিল্পায়ন দ্ৰততৰ হোৱা নাই। আনহাতে জনসংখ্যা দ্ৰুততৰ ৰূপে বৃদ্ধি হৈ গৈ আছে। দেশৰ জনসংখ্যাৰ অনুপাতে কৰ্মসংস্থান গঢ়ি তুলিব নোৱাৰাৰ ফলতে এই সমস্যাৰ সৃষ্টি হয়। জনসংখ্যা দ্ৰুতৰূপে বৃদ্ধি হৈ গৈ আছে ফলত ন-পুৰণি যুৱক-যুৱতীসকল কৰ্মহীন

*অসমত স্থাপিত হোৱা বিভিন্ন উদ্যোগত কাৰিকৰী জ্ঞানৰ অভিজ্ঞতাৰে পুষ্ট হৈ অসমীয়া ডেকা ল'ৰাবোৰে তাত সোমাবলৈ চেষ্টা কৰিব লাগিব আৰু নিজে চৰকাৰ বা বেংকৰ ঋণ লৈ সৰু-সুৰা উদ্যোগ স্থাপন কৰি আত্মনিয়োগৰ জৰিয়তে আৰু অন্য মানুহকো সংস্থাপন দিব পাৰে। উন্নত যন্ত্ৰপাতিৰ সহায়ত কৃষি কাৰ্যত মনোনিৱেশ কৰিও ডেকাসকলে এই সমস্যাৰ সমাধান কৰিব পাৰে। নিয়োগ বিনিয়োগ কেন্দ্ৰৰ লগত সম্পূৰ্ণভাৱে সম্পৰ্ক নাইবা সেইধৰণৰ বাতৰি কাকতৰ পৰা নিয়োগৰ বা-বাতৰি লৈ তাত সংস্থাপনৰ চেষ্টা কৰিব লাগে।*

হৈ আছে। বৰ্দ্ধিত জনসংখ্যাই নিবনুৱা সৃষ্টিৰ এটি কাৰণ।

স্বাধীনতাৰ পিছত দেশৰ উন্নয়ন দ্ৰুততৰ কৰিবৰ কাৰণে উদ্যোগ গঢ়ি উঠিছিল। বৃহৎ শিল্প গঢ়ি উঠাত কুটিৰ শিল্পবোৰ নোহোৱা হ'ল। বৃহৎ উদ্যোগবোৰৰ গৰাকী অধিক ভাগেই ধনী শ্ৰেণী। তেওঁলোক কৃষকৰ মাটিবাৰী হস্তগত কৰি কল-কাৰখানা বহুৱালে। ফলত বহুতো কৃষক ভূমিহীন হৈ পৰিছে। তাৰ ফলতো নিবনুৱাৰ সৃষ্টি হৈছে। আনহাতে, কুটিৰ শিল্পবোৰ নোহোৱা হোৱাৰ ফলত তাত থকা বহু শ্ৰমিক কৰ্মহীন হৈ পৰিছে। কাৰিকৰী বিদ্যা আয়ত্ব কৰা ডেকা ল'ৰাসকলো বহি থাকিব লগা হোৱাত এই নিবনুৱা সমস্যাই ক্ৰমে ভয়াবহ ৰূপ ধাৰণ কৰিছে। নিবনুৱা সমস্যা এক জলন্ত সমস্যা।

অসম নিবনুৱা সমস্যা ক্ৰমে দ্ৰুত ৰূপত প্ৰকাশ পাইছে। অসমীয়া ডেকা ল'ৰাৰ মাজত ইয়াৰ ফলত এক গভীৰ নৈৰাশ্য ভাৱৰ জন্ম হৈছে। আজি কিছুদিনৰ পৰা অসমত ৰাজনৈতিক অস্থিৰতাৰ কাৰণে শিল্প উদ্যোগ বা আন আন ক্ষেত্ৰত সংস্থাপনৰ অভাৱ পৰিলক্ষিত হৈছে। উচ্চ বৰ্গৰ বিষয়াবোৰে দুৰ্নীতি কৰি নিবনুৱাসমাজ আৰু বেছি ভয়াবহ কৰি তুলিছে। আমাৰ ত্ৰুটিপূৰ্ণ শিক্ষানীতিৰ বাবেও শিক্ষিত নিবনুৱাৰ সংখ্যা ক্ৰমাগতভাৱে বাঢ়িব লাগিছে। কুটিৰ শিল্পৰ অৱনতিৰ বাবেও নিবনুৱা সৃষ্টি হৈছে। অসমীয়া ডেকা-ল'ৰাই কমাৰ, কুমাৰ, নাপিত আদিৰ ব্যৱসায় কৰিবলৈ লাজ পায়। এই শিল্পবোৰ সম্প্ৰতি অসমত জীয়াই আছে অসমৰ বাহিৰৰ পৰা অহা মানুহৰ হাতত। বৰ্তমানে অসমত যিবোৰ উদ্যোগ আছে তাৰ অধিকাংশ বাহিৰৰ পৰা অহা মহাজনৰ হাতত। তেওঁলোকৰ স্বজন প্ৰীতিৰ ফলত তাত অসমীয়া লোক নিযুক্তি নাপায়।

নিবনুৱা সমস্যা দূৰীকৰণৰ ক্ষেত্ৰত আমাৰ যুৱ শক্তিয়ে আগ ভাগ ল'ব লাগে। গতিকে এই ভয়াবহ সমস্যাৰ যাতে বিদ্ৰোহ, অন্তবিপ্লৱ, ধ্বংসাত্মক কাৰ্যকলাপ আদিৰ উদ্ভৱ হ'ব নোৱাৰে, তাৰ কাৰণে নিবনুৱা সমস্যা সমাধানৰ ব্যৱস্থা কৰিব লাগে। তলত দিয়া ধৰণে নিবনুৱা সমস্যা দূৰ কৰিব পৰা যায়—

বৰ্তমান শিক্ষিত যুৱক নিবনুৱাসকলক বৃত্তি দিয়াৰ ব্যৱস্থা কৰি উদ্যোগসমূহৰ প্ৰশিক্ষণ দিয়াই, সেই বৃত্তিত আত্মনিয়োগ কৰিবৰ সুবিধাৰ কাৰণে চৰকাৰী সাহায্য, ঋণ আদিৰ ব্যৱস্থা কৰিব লাগে আৰু কেঁচা সামগ্ৰী যাতে পৰ্যাপ্ত পৰিমাণে যোগান ধৰিব পৰা যায় তাৰ কাৰণেও চৰকাৰী ব্যৱস্থা হাতত লোৱা উচিত। সৰ্বোত পৰিমাণে জাতীয় চেতনা জগাই তুলি, জাতীয় ঐতিহ্যৰ প্ৰতি আগ্ৰহশীল কৰি তুলিলে শিক্ষিত লোকসকলক শিল্পপ্ৰাণ কৰি তোলাৰ জাতীয় ব্যৱস্থা হ'ব লাগে। তাকে কৰিব পাৰিলে জাতীয় কুটিৰ শিল্পবোৰৰ উন্নতি হ'ব আৰু ইয়াৰ লগতে নিবনুৱা সমস্যা সমাধানৰ পথো প্ৰশস্ত হ'ব।

দেশৰ বুকুত অজস্ৰ শিল্প সম্ভাৱ খনিজ, বনজ, পশুজাত আৰু আছে। নদীৰ বুকুতো মাছ-কাছ আদি আৰু বিদ্যুৎ সম্পদ আছে। এইবোৰ আহৰণৰ দ্ৰুত ব্যৱস্থা হাতত লৈ শিল্প উদ্যোগ গঢ়ি তুলিব লাগে। যেতিয়া ইয়াত বহুতো লোক কৰ্মসংস্থান পাব তেতিয়া নিবনুৱাৰ সংখ্যা কমি যাব।

দেশৰ উদ্যোগবোৰ ৰাষ্ট্ৰীয়কৰণ কৰাৰ লগতে সম্প্ৰসাৰণৰ ব্যৱস্থা কৰি অধিক লোকক নিয়োগৰ সুবিধা দি নিবনুৱা হ্ৰাস কৰিব পৰা যায়।

কৰ্মমুখী শিক্ষা নীতি গ্ৰহণ কৰি উৎপাদন কৰ্মৰ প্ৰতি শিক্ষিত যুৱক-যুৱতীসকলক শিক্ষা দি স্ব-নিয়োজনৰ ব্যৱস্থা কৰিব লাগে। উদাহৰণস্বৰূপে— কৃষি, শিল্প, বাণিজ্য আদি সকলো উৎপাদনশীল কৰ্মত যাতে তেওঁলোক নিয়োজিত হয় তেনে শিক্ষা নীতি গ্ৰহণ কৰিব লাগে। এই নীতি গ্ৰহণ কৰিলে শিক্ষিত লোকসকলে নিবনুৱা নাম লৈ বহি থাকিব লগা নহয়।

প্ৰতি বছৰে যাতে কোটি কোটি নিবনুৱাৰ সৃষ্টি হ'ব নোৱাৰে, তাৰ কাৰণে পৰিয়াল পৰিকল্পনাৰ যোগেদি জন্ম নিয়ন্ত্ৰণৰ দ্বাৰা ক্ৰমবৰ্দ্ধমান জনসংখ্যা বৃদ্ধি হ্ৰাস কৰিব লাগে।

বৃত্তিমূলক শিক্ষাৰ জৰিয়তে উচ্চ শিক্ষিত নিবনুৱা হৈ জীৱন ধাৰণ কৰা লোকক যোগ্যতা অনুযায়ী কাৰিকৰী শিক্ষা লাভ কৰি একোটা



বৃত্তি গ্ৰহণ কৰা বাঞ্ছনীয়। তাকে কৰিলে দেশৰ দাৰিদ্ৰতাৰ দূৰ হ'ব আৰু নিবনুৱা সমস্যাও সমাধান হ'ব।

অসমত স্থাপিত হোৱা বিভিন্ন উদ্যোগত কাৰিকৰী জ্ঞানৰ অভিজ্ঞতাৰে পুষ্ট হৈ অসমীয়া ডেকা ল'ৰাবোৰে তাত সোমাবলৈ চেষ্টা কৰিব লাগিব আৰু নিজে চৰকাৰ বা বেংকৰ ঋণ লৈ সৰু-সুৰা উদ্যোগ স্থাপন কৰি আত্মনিয়োগৰ জৰিয়তে আৰু অন্য মানুহকো সংস্থাপন দিব পাৰে। উন্নত যন্ত্ৰপাতিৰ সহায়ত কৃষি কাৰ্যত মনোনিৱেশ কৰিও ডেকাসকলে এই সমস্যাৰ সমাধান কৰিব পাৰে। নিয়োগ বিনিয়োগ কেন্দ্ৰৰ লগত সম্পূৰ্ণভাৱে সম্পৰ্ক নাইবা সেইধৰণৰ বাতৰি কাকতৰ পৰা নিয়োগৰ বা-বাতৰি লৈ তাত সংস্থাপনৰ চেষ্টা কৰিব লাগে।

এনেদৰে পৰিকল্পিতভাৱে কাৰ্যপন্থা হাতত ল'লেহে নিবনুৱা সমস্যা সমাধান কৰিব পৰা যাব।



# বনভোজ

**দীপজ্যোতি শৰ্মা**
*স্নাতক দ্বিতীয় ষাণ্মাসিক*



৯-০১-২০১৩ তাৰিখে আমি নিৰ্মল হালৈ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে পাটাছাৰকুছিৰ পৰা ভৈৰৱকুণ্ডলৈ বনভোজৰ বাবে গৈছিলোঁ। প্ৰায় ৪০জনমান ল'ৰা-ছোৱালী বনভোজৰ বাবে গৈছিল। যোৱাৰ বাবে আমি এখন বাছ ঠিক কৰিছিলোঁ আৰু বাছখন পাটাছাৰকুছিৰ পৰা ৰাতিপুৱা ৪.৩০ বজাত যাত্ৰা কৰিছিল। সেইদিনা বৰ ঠাণ্ডা আছিল আৰু গোটেই ৰাতি কুঁৱলী দি আছিল। তথাপিও আমি বনভোজৰ বাবে সকলোৱে নিজকে প্ৰস্তুত কৰি তুলিছিলোঁ আৰু আনন্দ মনেৰে গৈছিলোঁ। তাত আমি সকলোৱে চাহ-জলপান গ্ৰহণ কৰিছিলোঁ। খাৰুপেটীয়া পোৱাৰ লগে লগে এক ভূমিকম্পৰ সৃষ্টি হৈছিল। আমি দুজনমান ল'ৰাই হোটেলৰ কাষত থকা এডাল গছৰ কাষত থিয় দি আছিলোঁ আৰু একেবাৰে আচৰিত হৈ গৈছিল। ৭.১৫ বজাত ভৈৰৱকুণ্ড গৈ পোৱা হৈছিল। ভৈৰৱকুণ্ড গৈ পোৱাৰ পিছত আমি ভৈৰৱকুণ্ডৰ নিচেই কাষত থকা ভূটান সীমান্তলৈ গৈছিলোঁ। ভূটান সীমান্তত আমি বিভিন্ন মঠ-মন্দিৰ পৰিদৰ্শন কৰিছিলোঁ। ভূটান সীমান্তৰ পৰা ভৈৰৱকুণ্ডলৈ পুনৰ উভতি অহাৰ পিছত আমি সকলোৱে আনন্দ, ফূৰ্তি কৰিছিলোঁ। ভৈৰৱকুণ্ড আৰু ভূটান সীমান্তৰ স্মৃতি সংৰক্ষণ কৰি ৰাখিবৰ বাবে আমি সকলোৱে ফটোত উঠিছিলোঁ। সেইদিনা আমাৰ উপৰি বহুতো লোকে তাত বনভোজৰ বাবে গৈছিল। বনভোজৰ ছাত্ৰ-ছাত্ৰীসকলৰ তত্বাৱধায়ক হিচাপে নিৰ্মল হালৈ মহাবিদ্যালয়ৰ প্ৰৱক্তা ৰাজেন দাস ছাৰ আৰু প্ৰদীপ শৰ্মা ছাৰ আমাৰ লগত গৈছিল। ছাৰহঁতে আমাৰ লগত সমানে যোগদান কৰি আনন্দ কৰিছিল। দুপৰীয়া ২.৩০ বজাত আমি দুপৰীয়া আহাৰ গ্ৰহণ কৰিছিলোঁ। আহাৰ গ্ৰহণ কৰাৰ পিছত আমি ভৈৰৱকুণ্ডৰ ওচৰত থকা পাহাৰ বগাবলৈ গৈছিলোঁ। আবেলি ৪ বজাত উভতি আহিবৰ বাবে আমি প্ৰস্তুত হৈছিলোঁ। উভতি অহাৰ সময়ত বাছৰ ভিতৰতে আমি সকলোৱে আনন্দ, ফূৰ্তি কৰিছিলোঁ আৰু আমাৰ লগত ছাৰহঁতেও সহযোগ কৰিছিল। ৰাতি ৭ বজাত বাছখন বাইহাটা চাৰিআলিৰ হোটেলত ৰখোৱা হৈছিল আৰু তাত আমি সকলোৱে চাহ-জলপান গ্ৰহণ কৰিছিলোঁ। ৭.৪৫ বজাত বাছখন বাইহাটা চাৰিআলিৰ পৰা প্ৰস্থান কৰিছিল। আমি ৰাতি ১০ বজাত পাটাছাৰকুছি আহি পাইছিলোঁ। এনেদৰে আমি আমাৰ বনভোজৰ যাত্ৰাৰ সামৰণি মাৰিছিলোঁ।

আমাৰ এই বনভোজৰ অভিজ্ঞতা আছিল চিৰস্মৰণীয়, যাক আমি কেতিয়াও পাহৰিব নোৱাৰিম। এনেকুৱা অভিজ্ঞতা জীৱনত কেতিয়াবাহে পোৱা যায়। আশা কৰোঁ ভৱিষ্যতে আকৌ বনভোজলৈ যাম।

# এখন সাৰ্থক Tragedy নাটক হিচাপে ৰূপকোঁৱৰ জ্যোতি প্ৰসাদ আগৰৱালাৰ 'ৰূপালীম'

ৰুবুল ঠাকুৰীয়া
স্নাতক তৃতীয় ষাণ্মাসিক



'ৰূপালীম' জ্যোতি প্ৰসাদ আগৰৱালাৰ নাট্য সাহিত্যৰ এক অনুপম সৃষ্টি। চৰিত্ৰ সৃষ্টি, পৰিস্থিতি পৰিকল্পনা ইত্যাদিৰ ক্ষেত্ৰত নাটকখনৰ স্বকীয় বৈশিষ্ট্য অনস্বীকাৰ্য। নাটকীয় কাহিনী বা ঘটনাৰ জটিল বিন্যাস নাটখনত পোৱা যায় যদিও কাহিনীৰ তীব্ৰগতিৰ চৰিত্ৰৰ বৈচিত্ৰ্য আৰু ৰসবস্তুৰ ঐশ্বৰ্যৰ বাবে ই বিশ্বৰ যিকোনো নাট্য সাহিত্যৰ এখন অনন্য ত্ৰুটিহীন নাট হিচাপে বিবেচিত। নাটকখন জ্যোতি প্ৰসাদ আগৰৱালাৰ যদিও কাল্পনিক তথাপি নাট্যকাৰে নাটকৰ পাতনিত নিজে মেটাৰলিংকৰ 'মান্নাভান্না' নাটকৰ ক্ষীণ প্ৰভাৱ পৰা বুলি উল্লেখ কৰিছে। উক্ত নাটৰ চৰিত্ৰসমূহ নাট্যকাৰৰ মৌলিক সৃষ্টি।

জ্যোতি প্ৰসাদ আগৰৱালাৰ ৰূপালীম নাটকখনত Tragedy-ৰ কিছুমান লক্ষণ পৰিস্ফুট হোৱা বাবে উক্ত নাটকখনক এক সাৰ্থক Tragedy মূলক নাটক হিচাপে চিহ্নিত কৰিব পৰা যায়। ৰূপালীম নাটকখন Tragedy মূলক নাটক হিচাপে আলোচনা কৰাৰ আগতে Tragedy সম্পৰ্কে কিছু কথা জনা দৰকাৰ।

যি নাটকৰ পৰিণতিত গভীৰ বিষাদ বা বিচ্ছেদৰ সৃষ্টি হয় তাকেই Tragedy বা বিয়োগাত্মক নাটক বুলি কোৱা হয়। Tragedy-ৰ কিছুমান লক্ষণ দেখিবলৈ পোৱা যায়। যেনে ঃ—

(1) Tragedy হ'ল জীৱনৰ কোনো গুৰুত্বপূৰ্ণ কাহিনীৰ নাট্যৰূপ।

(2) Tragedy-ৰ কাহিনীৰ পৰিসৰ কিছু বহল হোৱা দৰকাৰ যাতে ই নাটৰ ৰস সৃষ্টি কৰাত সহায়ক হয়।



(3) Tragedy-ৰ ভাষা হ'ব লাগিব লয়যুক্ত আৰু ছন্দযুক্ত।

(4) প্ৰকাশ ৰীতি সংলাপ নিৰ্ভৰ, বৰ্ণনাত্মক হ'ব নোৱাৰিব।

ৰূপালীম নাটকখন সূক্ষ্ম দৃষ্টিভংগীৰে বিচাৰ কৰি চালে Tragedy-ৰ প্ৰায় আটাইকেইটা লক্ষণেই পৰিস্ফুট হোৱা দেখা যায়। যাৰ বাবে উক্ত নাটকখনক সাৰ্থক Tragedy নাটক হিচাপে বিবেচিত কৰিব পৰা যায়। Tragedy মাথোন এজন লোকৰ জীৱনৰ কাহিনী নহয়। এই কাহিনীৰ লগত জীৱন জগত, সংসাৰ সমাজৰ পৰিস্থিতিৰ কথা লিপ্ত হৈ থাকে। ৰূপালীম নাটকত জীৱন বুৰঞ্জীৰ যি কাৰুণ্যৰ সৃষ্টি হৈছে তাত কাহিনীৰ পৰিস্থিতি, জগত, সংসাৰ আৰু ব্যক্তিগত প্ৰতিহিংসাৰ অৱদান আছে। কিন্তু Direetly দৈৱ দুৰ্বিপাকে চৰিত্ৰৰ বিপৰ্যয় ঘটোৱা নাই। 'ৰূপালীম' নাটকত ৰূপালীমৰ মৃত্যুৰ কাৰণ তাই নিজে নহয়, পৰিৱেশে তাইক মৃত্যুৰ মুখলৈ ঠেলি দিছে। কামনা লোলুপ মণিমুগ্ধৰ হাতৰ পৰা তাই নিজৰ সতীত্ব ৰক্ষা কৰিব পাৰিলে যদিও ঈৰ্ষাপৰায়ণ ইতিভেনৰ প্ৰতিহিংসাৰ জুইত জাহ যাবলগীয়া হৈছিল। অসহায়া নিৰপৰাধী আজলী ৰূপালীমৰ মৃত্যুৱে নাটকখনৰ Tragedy অধিক উজ্জ্বল কৰি তুলিছে।

Tragedy নাটকৰ আন এটা লক্ষণ হ'ল— ইয়াৰ কাহিনীৰ পৰিসৰ বহল হ'ব লাগে, যাতে ই নাটৰ ৰস সৃষ্টি কৰাত সহায় হয়। ৰূপালীম নাটকত কাহিনীৰ পৰিসৰ ইমানেই বহল যে ঘটনাটোৰ লগত এক জীৱন যুদ্ধৰ পৰিণতি পৰিস্ফুট হোৱা দেখা যায়। নাটকীয় কাহিনীত কেনেদৰে প্ৰান্ত দেশৰ ৰজা মণিমুগ্ধৰ হাতত ৰুক্মী ৰাজ্যৰ গাভৰু ৰূপালী বন্দী হ'বলগীয়া হ'ল আৰু শেষত কেনেদৰে মণিমুগ্ধৰ পৰা স-সন্মানে মুক্তি পাই; ইতিভেনৰ ঈৰ্ষাৰ বশৱতী হৈ জীয়াই পুৰি মৰিব লগীয়া হ'ল। এই সকলোবোৰ যথাযথভাৱে দেখুওৱা হৈছে। কাহিনীৰ পৰিসৰ ইমানেই বহল আছিল যে গোটেই নাটকখন ভয় আৰু কৰুণ ৰসৰ দ্বাৰা আক্ৰান্ত হোৱা দেখা যায়। এই ফালৰ পৰা ৰূপালীম এখন সাৰ্থক Tragedy মূলক নাট। Tragedy-ৰ আন এটা লক্ষণ হ'ল ইয়াৰ ভাষাসমূহ হ'ব লাগিব লয়যুক্ত, ছন্দযুক্ত। ভাষা আৰু সংলাপৰ ব্যৱহাৰৰ ক্ষেত্ৰত নাটকখন কাব্যিক নাটকৰূপে গঢ়ি তুলিছে। 'ৰূপালীম' নাটকত নাট্যকাৰে ছন্দ পৰিহাৰ কৰিছে যদিও নাট্যকাৰে সংলাপ অতিপাত দীঘলীয়া কৰা নাই বা সংলাপৰ পুনৰুক্তি দোষ ঘটিবলৈ দিয়া নাই। কাহিনীৰ দৰে নাটকৰ সংলাপৰ ক্ষেত্ৰতো কেতিয়াবা কেতিয়াবা কল্পনাই স্থান পাইছে। ইতিভেনৰ দেশপ্ৰেমমূলক আৰু মণিমুগ্ধৰ কাম বিভোৰ ভাব প্ৰকাশক উক্তিবোৰত কাব্যধৰ্মিতা আৰু কল্পনাই স্থান হৈছে। উদাহৰণস্বৰূপে ঃ—

মণিমুগ্ধ ঃ— বাৰু নেলাগে থাকিব। মই তোমাক ইয়াৰ পৰা লৈ যাম সৌ দূৰ দূৰণিলৈ। সৌৱা নীলা আকাশৰ পৰা নিজৰি তৰাৰ হীৰা ফুলীয়া পোহৰবোৰ আহিছে। জোনৰ জোনাকে য'ত জোনালী সপোনৰ ৰাজ্য পাতিছে। তালৈ আমি দুয়ো ওলাই যাওঁ বলা। তুমি মোৰ কোলাত বহি তোমাৰ বুকুৰ মৰমৰ কথাবোৰ ক'বা, মই কাণ পাতি শুনিম মিলন পিয়াসী বুকুৰ স্পন্দন ৰূপালীম।

আনহাতে ইতিভেনৰ উক্তিবোৰতো কল্পনা আৰু দেশপ্ৰেমমূলক ভাব প্ৰকাশ কৰাৰ লগে লগে নাটকখনৰ সংলাপবোৰত কাব্যধৰ্মিতাই স্থান লাভ কৰিছে। যাৰ বাবে ই Tragedy-ৰ শাৰীলৈ উঠিবলৈ সক্ষম হৈছে। ইয়াৰ উপৰি Tragedy-ৰ আন এটা লক্ষণ হ'ল যে ভয় আৰু সহানুভূতিৰ উদ্ৰেক কৰি তেনেধৰণৰ ভাবাৱেগৰ বিশ্লেষণ কৰোৱা। 'ৰূপালীম' নাটকত হৰিণাৰ মাংসই বৈৰী হৈছে। সবলমতী যুৱতী এগৰাকী নিষ্ঠুৰ অন্যায়ৰ বলি হোৱাত নাটকৰ কাহিনী অধিক Tragedy হৈ পৰিছে। দৰ্শক-পাঠকৰ মনত সাধুলোকৰ অন্যায়ভাৱে হোৱা মৃত্যুৱে অধিক কৰুণ ভাবৰ সৃষ্টি কৰে। গতিকে ফুলৰ দৰে পৱিত্ৰ ছোৱালী ৰূপালীম ঈৰ্ষাৰ বশৱতী হৈ মৃত্যু হোৱাত আমাৰ চকুলো সৰি পৰে। আনহাতে Tragedy-ৰ কাহিনী বৰ্ণনাত্মক নহয়, ই সংলাপ নিৰ্ভৰশীল। এইবোৰ ক্ষেত্ৰত ৰূপালীম নাটক কোনো গুণেই পিছপৰা নহয়। ইয়াৰ কাহিনী ভাগ কোনো নাটকীয় অভিনয়ৰ উপযোগী আৰু সংলাপ নিৰ্ভৰশীল। নাটকখনৰ ক'তো বৰ্ণনাৰ দ্বাৰা কাহিনী বা ঘটনা বুজাই দিয়া দেখা নাযায়। সংলাপৰ দ্বাৰাহে দৰ্শক-পাঠকক কাহিনীভাগ বুজাই দিয়া হয়। উদাহৰণস্বৰূপে ঃ—

মণিমুগ্ধ ঃ— এৰা পোহৰ হ'ল, পোহৰ হ'ল।

নাটকখনৰ মণিমুগ্ধৰ এনেকুৱা সংলাপ আৰু ইতিভেনৰ প্ৰতিহিংসা আৰু দেশপ্ৰেমমূলক সংলাপৰ দ্বাৰা এই কথা পতিয়ন যাব পাৰি। এই ফালৰ পৰা ৰূপালীম এখন সাৰ্থক Tragedy নাট। আনহাতে Tragedy-ৰ নায়কজন এজন অসাধাৰণ গুণসম্পন্ন ব্যক্তি হ'ব লাগিব। সাধাৰণ মানুহৰ মনত দেৱসম, কিন্তু দেৱতা নহয়। দেখা যায় ৰূপালীম নাটকৰ নায়ক-নায়িকা মণিমুগ্ধ আৰু ৰূপালীমৰ লগতে ইতিভেনৰ ক্ষেত্ৰত এই লক্ষণ সম্পূৰ্ণৰূপে দেখা যায়। ইহঁতৰ কোনোজনেৰে ইচ্ছা, আকাংক্ষা পূৰণ হোৱা নাই। সন্দেহ নাই যে মণিমুগ্ধ অসাধাৰণ গুণসম্পন্ন ব্যক্তি। বহু গুণ থকা সত্ত্বেও তেওঁৰ দোষ আছিল যে তেওঁ আছিল কামুক-স্বেচ্ছাচাৰী, সৌন্দৰ্যৰ প্ৰতি স্পৃহা, অথচ আদৰ্শৰ প্ৰতিও তেওঁৰ দুৰ্বলতা কম নহয়। তেওঁৰ আদৰ্শনিষ্ঠ মনোভাব আৰু কামনাৰ ভাবেই তেওঁক ক্ষত-বিক্ষত কৰি তুলিছে। ইয়াৰ বাবেই তেওঁৰ জীৱনলৈ দুৰ্যোগ নামি অহা বুলি ক'ব পাৰি। তেওঁৰ কামনা মনোভাব তেওঁৰেই শিল্পী মনোভাবৰ ওচৰত পৰাজয় স্বীকাৰ কৰিছে। এইখিনিতে নায়িকা ৰূপালীমৰ ক্ষেত্ৰত কিন্তু নিজৰ দোষৰ বাবে বিপৰ্যয় নামি অহা নাই। পৰিস্থিতিৰ দাস হৈ পৰাজয় স্বীকাৰ কৰি তাই চকুলো টুকিব লগীয়া হৈছে। ইতিভেনে ৰূপালীমৰ প্ৰতি ঈৰ্ষান্বিত বিদ্ৰোহ কৰি মণিমুগ্ধৰ হাতত বন্দী হ'বলগীয়া হয়। যাৰ বাবে তাইৰ সাহস আৰু শক্তি থকা সত্ত্বেও ইতিভেনৰ জীৱনলৈ নামি আহিছিল অনাকাংক্ষা। তাইৰ ভাবীস্বামীক কেতিয়াও তাই স্বামীৰূপে বৰণ কৰিব নোৱাৰিলে। কিন্তু তাইৰ ঈৰ্ষাৰ ফলতেই ৰূপালীমৰ আশা-আকাংক্ষা অপূৰ্ণ হৈ জীয়াই জীয়াই পুৰি মৰিব লগীয়া হৈছিল। এইখিনিতে উল্লেখ কৰিব পাৰি যে মণিমুগ্ধ, ৰূপালী আৰু ইতিভেন— এই তিনিওটা চৰিত্ৰৰ কোনোটোৰে আশা-আকাংক্ষা পূৰণ নহ'ল। সেয়ে নায়ক-নায়িকাৰ ফালৰ পৰা ই এখন সাৰ্থক Tragedy মূলক নাটক।

# বুদ্ধিৰ মাপ
## (Intelligence Quotient)

মনোজ জ্যোতি মেধি
স্নাতক প্ৰথম যান্মাসিক

বিদ্যালয় এখনৰ শ্ৰেণীকোঠা এটাত একেলগে বহুতো ছাত্ৰ-ছাত্ৰীয়ে ঢ়ে। সকলো ছাত্ৰ-ছাত্ৰীকে শিক্ষকে একেদৰে শিকায়। কিন্তু পৰীক্ষাত ছুমান ছাত্ৰ-ছাত্ৰীয়ে খুব ভাল আৰু কিছুমান ছাত্ৰ-ছাত্ৰীয়ে কম নম্বৰ য়। ইয়াৰ কাৰণ ভাল নম্বৰ পোৱা ছাত্ৰ-ছাত্ৰীসকলে সোনকালে বুজি য় আনহাতে কম নম্বৰ পোৱাবিলাকে বুজি পোৱাত পলম হয় বা জি নাপায়। এই সোনকালে বুজি পোৱা আৰু নোপোৱাটো নিৰ্ভৰ ৰে ছাত্ৰ-ছাত্ৰীৰ I.Q (Intelligence Quotient)ৰ ওপৰত। ই নিৰ্ভৰ ৰে ছাত্ৰ-ছাত্ৰীৰ বুদ্ধি আৰু মানসিক বয়সৰ ওপৰত।

বুদ্ধি (Intelligence)

ব্যক্তিত্বৰ এটা গুৰুত্বপূৰ্ণ কাৰ্য হ'ল বুদ্ধি। বুদ্ধিৰ সংজ্ঞাটো এনে ৰণৰ— মনোবিদ ষ্টাৰ্ডাডৰ মতে 'আপেক্ষিকভাৱে কঠিন, জটিল আৰু বিমূৰ্ত পৰিস্থিতিত আৱেগিক শক্তি ৰোধ কৰি একাগ্ৰতাৰ দ্বাৰা সামাজিক মূল্যসম্পন্ন উদ্দেশ্যমুখী সৃজনাত্মক কাম কৰাৰ ক্ষমতাই হ'ল বুদ্ধি। Intelligence is the ability to undertake activities that ire characterized by difficulty Complexity, abstracters, conomy adaptive mess to goal, Social value and mergence of originals and to maintain such activities inder can editions that demand a can centration of nergy and a resistance to emotion of forces.) কিছুমান মনোবিজ্ঞানীয়ে বুদ্ধি বংশানুক্ৰমে অহা বুলি কয়। আৰু আন কিছুমানে বুদ্ধি পাৰিপাৰ্শ্বিকতাৰ ওপৰত নিৰ্ভৰ কৰে বুলিও কয়।

মানসিক বয়স (Mental age)

১৮৯৬ চনত Binet আৰু Simon নামৰ দুজন মনোবিজ্ঞানীয়ে মানসিক বয়সৰ ধাৰণাটো উলিয়াইছিল। ধাৰণাটো এনেধৰণৰ— যদি এজন ১১ বছৰীয়া ছাত্ৰই ১৪ বছৰীয়া ছাত্ৰ এজনক দিয়া সকলো সমস্যা সমাধান কৰিব পাৰে, তেন্তে ১১ বছৰীয়া ছাত্ৰজনৰ মানসিক বয়স ১৪ বছৰ বুলি ধৰা হয়। ঠিক তেনেকৈ যদি ১৪ বছৰীয়া ছাত্ৰজনে ১১ বছৰীয়া এজন ছাত্ৰক দিয়া সমস্যাবোৰ সমাধান কৰিব নোৱাৰে তেন্তে ১৪ বছৰীয়া ছাত্ৰজনৰ মানসিক বয়স ১১ বছৰ বুলি ধৰা হয়। ছাত্ৰ-ছাত্ৰীসকলৰ মানসিক বয়স উলিয়াবলৈ 'সমস্যা সমাধান' পদ্ধতি ব্যৱহাৰ কৰা হয়।

বুদ্ধ্যাংক বা বুদ্ধিৰ মাপ— (I.G.)

বুদ্ধিৰ মাপ সম্পৰ্কে ধাৰণাটো প্ৰথম অৱতাৰণা কৰিছিল জাৰ্মান মনোবিদ উইলিয়াম ষ্টাৰ্নে, ১৯১৪ চনত। তেওঁৰ মতে মানসিক বয়স আৰু প্ৰকৃত বয়স অনুপাতেই হ'ল বুদ্ধ্যাংক।

সেয়ে বুদ্ধিৰ মাপ নিৰ্ণয়ৰ সূত্ৰটো হ'ল—

$$I.Q. = \frac{\text{মানসিক বয়স (Mental age)}}{\text{প্ৰকৃত বয়স (Chronological age)}} \times 100$$

ধৰা হ'ল এজন ছাত্ৰৰ প্ৰকৃত বয়স ৪ বছৰ আৰু মানসিক বয়স ৯ বছৰ। এই ক্ষেত্ৰত তেওঁৰ বুদ্ধ্যাংক হ'ব—

$$I.Q. = \frac{MA}{CA} \times 100$$
$$= \frac{9}{8} \times 100$$
$$= 113$$


সেইদৰে তেওঁৰ মানসিক বয়স ৪ বছৰ হ'লে তেওঁৰ বুদ্ধ্যাংক হ'ব $(\frac{8}{8} \times 100) = 100$ বা মানসিক বয়স ৭ বছৰ হ'লে তেওঁৰ বুদ্ধ্যাংক হ'ব $(\frac{7}{8} \times 100) = 88$।

যেতিয়া মানসিক বয়স আৰু প্ৰকৃত বয়স একে হয় তেতিয়া I.Q. হ'ব ১০০। সাধাৰণতে শতকৰা ৪০ শতাংশ ছাত্ৰ-ছাত্ৰীৰে I.Q.= 90ৰ ওপৰত হোৱা দেখা যায়। যিবিলাক ছাত্ৰ-ছাত্ৰীৰ I.Q.ৰ মান ৭০ ৰ তলত হয় সেই ছাত্ৰ-ছাত্ৰীবিলাকক মানসিকভাৱে বাধাগ্ৰস্ত (Mantally Retarded) বুলি ধৰা হয়। যিবিলাক ছাত্ৰ-ছাত্ৰীৰ I.Q.ৰ মান 70-90ৰ ভিতৰত সেইসকল ছাত্ৰ-ছাত্ৰীক কিছু কষ্ট কৰি শিকাই বুজাই সিহঁতৰ I.Q.ৰ মান 90ৰ ওপৰলৈ আনিব পাৰি। তলত I.Q.ৰ তালিকাখন উল্লেখ কৰা হ'ল—

| Leavels of Interringence | I.Q. Range |
|---|---|
| | 0-24 |
| ⇨ Idiot | 25-49 |
| ⇨ Imbecile | 50-69 |
| ⇨ Maron | 70-79 |
| ⇨ Borderline | 80-89 |
| ⇨ Low Normal | 90-109 |
| ⇨ Narmal | 110-119 |
| ⇨ Superior | 120-139 |
| ⇨ Very Superior | $\geq 140$ |
| ⇨ Never Genius | |

I.Q. যিমানে বেছি হয় সিমানে ছাত্ৰ-ছাত্ৰীসকল মেধাৱী (Brilliant) হয়। গতিকে দেখা যায় যে I.Q.ৰ মান ১০০ৰ ওপৰৰ ছাত্ৰ-ছাত্ৰীসকলে স্কুলত সোনকালে বুজি পায় আৰু পাৰদৰ্শিতা দেখুৱাব পাৰে।





# সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ কিছু চিনাকি

ব্ৰজেন তালুকদাৰ
স্নাতক দ্বিতীয় যান্মাসিক

অসমীয়া ভাষা-সাহিত্যৰ উন্নতিৰ হকে আপ্ৰাণ চেষ্টা কৰা এগৰাকী ব্যক্তি হ'ল লক্ষ্মীনাথ বেজবৰুৱা। তেওঁ ১৯ শতিকাত কেইবাখনো গদ্য, নাটক, উপন্যাস, চুটিগল্প আদিৰ পুথি ৰচনা কৰি অসমীয়া ভাষা-সাহিত্যৰ উন্নতি সাধন কৰি এগৰাকী উচ্চ পৰ্যায়ৰ সাহিত্যিক পৰিগণিত হয়।

১৮৬৪ চনৰ নৱেম্বৰ মাহত অসমী আইৰ সু-সন্তান লক্ষ্মীনাথ বেজবৰুৱাৰ জন্ম হয়। তেওঁৰ পিতৃ দীননাথ বেজবৰুৱাই চাকৰি সূত্ৰে নগাঁৱৰ পৰা বৰপেটালৈ বদলি হৈ ব্ৰহ্মপুত্ৰৰ বুকুৰেদি সপৰিয়ালে যাত্ৰা কৰে আৰু সেইদিনাই নাৱৰ বুকুত আঁহতগুৰিত তেওঁৰ জন্ম হয়। লক্ষ্মীনাথ বেজবৰুৱাৰ জন্মৰ দিনা লক্ষ্মী পূৰ্ণিমা আৰু লক্ষ্মীপূজা আছিল, সেয়েহে তেওঁৰ নাম লক্ষ্মীনাথ ৰখা হয়।

বেজবৰুৱাদেৱে উত্তৰ লখিমপুৰত প্ৰাথমিক শিক্ষা আৰম্ভ কৰে। ১৮৮৬ চনত শিৱসাগৰৰ গৱৰ্ণমেন্ট হাইস্কুলৰ পৰা এণ্ট্ৰেন্স পৰীক্ষাত উত্তীৰ্ণ হৈ কলিকতাত উচ্চ শিক্ষা গ্ৰহণ কৰিবলৈ যায়। আৰু তাৰ দুবছৰ পিছত ১৮৮৮ চনত এফ. এ. পৰীক্ষাত উত্তীৰ্ণ হয়। এজন মেধাৱী ছাত্ৰ হিচাপে তেওঁ সকলোবোৰ পৰীক্ষাত সুনাম অৰ্জন কৰি পাছ কৰিছিল।

সেই সময়ত, অৰ্থাৎ ভাৰত পৰাধীনতাৰ কালত ইংৰাজ চৰকাৰে ৰোৱো হাকিম পদ যাচিছিল। কিন্তু স্বাধীনচেতীয়া লক্ষ্মীনাথ বজবৰুৱাদেৱে ইংৰাজৰ অধীনত কাম কৰিবলৈ ভাল নাপালে। তওঁ প্ৰথমতে ভোলানাথ বৰুৱাৰ লগত ব্যৱসায়িক জীৱনৰ পাতনি মলে। ইয়াৰ পিছত ৱাৰ্ড নামৰ ইংৰাজ কোম্পানী এটাৰ লগত ৱসায়ত নামে। অৱশেষত তেখেতে সম্বলপুৰত নিজাকৈ কাঠৰ ৱসায় আৰম্ভ কৰিবলৈ লয়। বেজবৰুৱাদেৱে ১৮৯১ চনত ২৩ ৰ বয়সত বংগদেশৰ বিখ্যাত ঠাকুৰ পৰিয়ালৰ কন্যা প্ৰজ্ঞাসুন্দৰী বীৰ লগত বিবাহ সম্পন্ন কৰে।

লক্ষ্মীনাথ বেজবৰুৱাদেৱ এজন বিখ্যাত সাহিত্যিক। ল'ৰালি লৰ পৰাই তেওঁৰ হৃদয়ত সাহিত্যৰ বীজ অংকুৰিত আছিল। লিকতাৰ কলেজত পঢ়ি থকা সময়ত তেওঁ জোনাকী আলোচনী াদি প্ৰতিষ্ঠা কৰি অসমীয়া ভাষা-সাহিত্যৰ একনিষ্ঠ সেৱক হিচাপে

লক্ষ্মীনাথ বেজবৰুৱাদেৱ এজন বিখ্যাত সাহিত্যিক। ল'ৰালি কালৰ পৰাই তেওঁৰ হৃদয়ত সাহিত্যৰ বীজ অংকুৰিত আছিল। কলিকতাৰ কলেজত পঢ়ি থকা সময়ত তেওঁ জোনাকী আলোচনী আদি প্ৰতিষ্ঠা কৰি অসমীয়া ভাষা-সাহিত্যৰ একনিষ্ঠ সেৱক হিচাপে আত্মনিয়োগ কৰিছিল। ১৯০৯ চনত তেওঁ বাঁহী আলোচনীৰ সম্পাদক আছিল।

আত্মনিয়োগ কৰিছিল। ১৯০৯ চনত তেওঁ বাঁহী আলোচনীৰ সম্পাদক আছিল। এই কাকতৰ জৰিয়তে তেখেতে নানা ধৰণৰ গল্প, প্ৰবন্ধ, কবিতা আদি লিখি অসমীয়া ভাষাক চহকী কৰে। তাৰ বাহিৰেও তেওঁ তেওঁৰ লিখনিৰ দ্বাৰা অসমীয়া জাতিৰ মনত আত্মচেতনা, দেশপ্ৰেম আদিও জগাই তোলে।

লক্ষ্মীনাথ বেজবৰুৱাই জীৱনৰ বেছিভাগ সময় অসমৰ বাহিৰতে কটাবলগীয়া হয়। তথাপি অসমী আইৰ সৰ্বতোপ্ৰকাৰ উন্নতিৰ হকে তেওঁ যৎপৰোনাস্তি চেষ্টা কৰিছিল। তেওঁৰ লিখনিত অসমী আইৰ প্ৰতি থকা দেশপ্ৰেম প্ৰকাশ পায়। 'জোনাকী' প্ৰকাশৰ পৰা সুদীৰ্ঘকাল অসমীয়া ভাষা-সাহিত্যৰ বিভিন্ন দিশত নেতৃত্ব দিয়া বাবে 'সাহিত্যৰথী' আৰু ৰচনাৰ মাজেৰে ফুটি ওলোৱা বিমল হাস্যৰসৰ বাবে লক্ষ্মীনাথ বেজবৰুৱাক 'ৰসৰাজ' খিতাপেৰে সন্মানিত কৰা হৈছে। তেওঁৰ হাস্য ৰসাত্মক ৰচনাই পাঠকক মুখ খুলি হাঁহিবলৈ শিকায় আৰু আন কিছুমান ৰচনাই অসমীয়া মানুহক আত্মবিশ্লেষণ কৰিবলৈ বাধ্য কৰে।

লক্ষ্মীনাথ বেজবৰুৱা আধুনিক অসমীয়া সাহিত্যৰ যুগনায়ক। জোনাকী' আলোচনীৰ যোগেদি অসমীয়া সাহিত্যলৈ তেখেতে নৱন্যাসৰ ঢল প্ৰবাহিত কৰে। 'জোনাকী'ৰ পাততে তেওঁৰ ধেমেলীয়া নাটক লিতিকাই আৰু গল্পসমূহ প্ৰকাশ পায়। বেজবৰুৱাৰ প্ৰতিভা বহুমুখী, তেখেতৰ ৰচনাসমূহ হ'ল— ধেমেলীয়া নাট— 'লিতিকাই', 'পাচনী', 'নোমল', 'চিকৰপতি আৰু নিকৰপতি'। উপন্যাস— 'পদুম কুঁৱৰী'; কবিতা পুথি— 'কদমকলি', 'পদুমকলি'। চুটিগল্প— 'সুৰভি', 'সাধুকথাৰ কুঁকি', 'জোনবিৰি', 'কেহোঁকলি'; সাধুকথা— 'বুঢ়ী আইৰ সাধু', 'ককা দেউতা আৰু নাতি ল'ৰা', 'জুনুকা'। বুৰঞ্জীমূলক নাট— 'জয়মতী', 'চক্ৰধ্বজ সিংহ', 'বেলিমাৰ'। হাস্য-ব্যংগ ৰচনা— 'কৃপাবৰ বৰুৱাৰ ওভতনি', 'কৃপাবৰ বৰুৱাৰ কাকতৰ টোপোলা', 'কৃপাবৰ বৰুৱাৰ ভাবৰ বুৰবুৰণি'; 'বৰবৰুৱাৰ বুলনি'। জীৱনীমূলক পুথি— 'শ্ৰীশ্ৰীশংকৰদেৱ', 'দীননাথ বেজবৰুৱাৰ সংক্ষিপ্ত জীৱন চৰিত', 'মহাপুৰুষ শ্ৰীশংকৰদেৱ আৰু শ্ৰীমাধৱদেৱ'। তেখেতৰ আত্মজীৱনীখন হৈছে— 'মোৰ জীৱন সোঁৱৰণ'। আলোচনামূলক গ্ৰন্থ— 'The Religion of Love and Devotion', 'শ্ৰীকৃষ্ণ কথা', 'কামত কৃতিত্ব লভিবৰ সংকেত', 'ভাগৱত কথা'। তেখেতৰ অন্যান্য গ্ৰন্থ— 'ভাৰতবৰ্ষৰ বুৰঞ্জী' 'History of Vaishnavism in India and Rasa Lila of Sri Krishna আদি।

জোনাকী যুগৰ বিখ্যাত ত্ৰিমূৰ্তিৰ অন্যতম লক্ষ্মীনাথ বেজবৰুৱাও হৈছে এগৰাকী। তেখেতক অসমীয়া সাহিত্যত তেখেতক অসমীয়া চুটিগল্পৰ জনক বুলিও জনা যায়। বেজবৰুৱাদেৱৰ এই জনপ্ৰিয় সাহিত্যৰাজিৰে অসমীয়া জাতিৰ মাজত সঁচাকৈয়ে তেখেতক উচ্চতম আসনত প্ৰতিষ্ঠা কৰিলে। ১৯২৪ চনৰ ডিচেম্বৰ মাহত গুৱাহাটীত বহা অসম সাহিত্য সভাৰ সপ্তম অধিৱেশনৰ তেওঁ সভাপতি আছিল। সভাপতিৰ আসনৰ পৰা দিয়া তেওঁৰ ভাষণটো অসমীয়া সাহিত্যলৈ আগবঢ়োৱা এটা মূল্যৱান বৰঙণি। তেখেতৰ অমৃতময় কাপৰ পৰা নিগৰি ওলোৱা 'অ' মোৰ আপোনাৰ দেশ' নামৰ জাতীয় সংগীতটোৱে শদিয়াৰ পৰা ধুবুৰীলৈ সমগ্ৰ অসমীয়া জাতিটোক একতা আৰু জাতীয় ভাবেৰে উদ্বুদ্ধ কৰি এনাজৰীৰে বান্ধি ৰাখিছে।

দেশপ্ৰেমত উত্তাল বংগত উদ্বুদ্ধ বেজবৰুৱাদেৱে অকল অসমীয়া ভাষা-সাহিত্যৰ শ্ৰীবৃদ্ধি সাধন কৰিয়েই নেৰিলে। কু-সংস্কাৰেৰে আৱৰি ৰখা অসমীয়া সমাজখনক সাৰি-পুচি নিকা কৰি অসমীয়া জাতীয় অন্তৰত চেতনাৰ বীজ ৰোপণ কৰিলে। এইগৰাকী মহান ব্যক্তিৰ অমৰ আদৰ্শই অসমীয়া জাতিৰ কৰ্মপথ উজ্জ্বল কৰাই তেখেতৰ সাহিত্য সাধনাৰ আদৰ্শই সাহিত্যানুৰাগী অসমীয়া জাতিৰ মনত অসীম অনুপ্ৰেৰণা যোগাওক। ১৯৩৮ চনত এইগৰাকী সিংহপুৰুষে সকলো অসমীয়াক কন্দুৱাই পৃথিৱীৰ পৰা চিৰদিনৰ বাবে চকু মুদে।



# অসমীয়া সাহিত্য-সংস্কৃতিলৈ জ্যোতিপ্ৰসাদৰ অৱদান

ডলীমণি বৰুৱা
দ্বিতীয় যান্মাসিক



ধৰ্ম, সাহিত্য, কলা-সংস্কৃতি আদি সকলো দিশতে পিছ পৰি থকা অসমীয়া জাতিটোক পঞ্চদশ শতিকাত যিদৰে শংকৰ-মাধৱ গুৰু দুজনাই জ্ঞানৰ পোহৰেৰে উদ্ভাসিত কৰিছিল, শুদ্ৰূপ বিষ্ণু-জ্যোতিয়ে কুৰি শতিকাত একেই পদক্ষেপেৰে আগবাঢ়ি গৈ অসমীয়া সাহিত্য-সংস্কৃতিক বিশ্বৰ দৰবাৰত প্ৰতিষ্ঠা কৰাৰ বাবে অহোপুৰুষাৰ্থ কৰিছিল। এই লেখাত ৰূপকোঁৱৰৰ সাহিত্যিক অৱদানৰ বিষয়ে এটি চমু আলোচনা আগবঢ়োৱা হ'ল।

অসমীয়া সাহিত্য-সংস্কৃতি পোহৰাবলৈ জীৱনজোৰা সাধনা কৰিছিল ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাই। সেয়েহে তেখেতে নিজে কলম হাতত লৈ নাটক, কবিতা, গীত, গল্প, প্ৰবন্ধ, সাংবাদিকতা আদি বহুত দিশত অৰিহণা যোগাইছিল।

জ্যোতিপ্ৰসাদৰ সময়ছোৱাত অসমত বাংলা নাটক অসমীয়ালৈ অনুবাদ কৰি মঞ্চস্থ কৰা হৈছিল। সেই সময়ত তেজপুৰৰ বাণ ৰংগমঞ্চ আছিল অসমৰ নাট্য চৰ্চাৰ প্ৰধান ঘাটি। তেখেতৰ দেউতাক এই বাণ ৰংগমঞ্চৰ সংগীত বিভাগৰ লগত বিশেষভাৱে জড়িত হৈ আছিল। জ্যোতিপ্ৰসাদ ডাঙৰ হৈ অহাৰ লগে লগে ১৯১৯ চনৰ পৰা এই

বাণ ৰংগমঞ্চৰ লগত জড়িত হৈ পৰে।

আগৰৱালাদেৱে প্ৰথমতে বিভিন্ন বাংলা নাটকৰ পৰা অনূদিত নাটকেইখনমান অভিনয়ৰ কাৰণে যুগুত কৰি উলিয়ায়। তেখেতে নাটৰ নাৰী চৰিত্ৰত সফল অভিনয় কৰাৰ উপৰি নৃত্যাংশতো অংশ গ্ৰহণ কৰিছিল। আগৰৱালাদেৱে স্কুলীয়া জীৱনতে শোণিত কুঁৱৰী নাট ৰচনা কৰে আৰু নাটখন বাণ ৰংগমঞ্চত মঞ্চস্থ কৰি দৰ্শকৰ ভূয়সী প্ৰশংসা লাভ কৰিবলৈ সক্ষম হয়। পিছলৈ তেখেতে ১৯৩৭ চনত 'কাৰেঙৰ লিগিৰী', ১৯৪০ চনত 'ৰূপালীম' আৰু ১৯৪৮ চনত 'লভিতা' নাট ৰচনা কৰে। সোণপখিলী নাটখন অসমাপ্ত হৈ থকাত সাহিত্যাচাৰ্য অতুলচন্দ্ৰ হাজৰিকাদেৱে নাটখন সম্পূৰ্ণ কৰি উলিয়ায়।

জ্যোতিপ্ৰসাদ আগৰৱালাই বহুতো কবিতা লিখিছিল। তেখেতৰ কবিতাবোৰত দেশৰ প্ৰতি, জাতিৰ প্ৰতি গভীৰ অনুৰাগ প্ৰকাশ পাইছে। ভাৰতৰ স্বাধীনতা আন্দোলনৰ সময়ত জ্যোতিয়ে বিপ্লৱী কবিতাৰে জনতাক সংগ্ৰামত জঁপিয়াই পৰিবলৈ আহ্বান জনাইছিল। তেখেতৰ অপূৰ্ব কাব্য প্ৰতিভাৰ সৃষ্টিসমূহ হ'ল— লাচিতৰ আহ্বান, জয়মতীৰ আষাৰ উক্তি মুক্তি, নৱ বিপ্লৱী কবি জাগে, কনকলতা, এটা পগলা খেতিয়ক, ভলেণ্টিয়াৰৰ দুখ, অসমীয়া ডেকাৰ উক্তি, অসমীয়া ছোৱালীৰ উক্তি, পোহৰৰ গান, চিৰ বিদ্ৰোহী, জনতাৰ আহ্বান, অসমৰ নবীন জোৱানৰ সংকল্প, কাঞ্চনজঙ্ঘা ইত্যাদি। কবিতাসমূহৰ ভাব-ভাষাও অতি প্ৰাঞ্জল। তেখেতৰ গীত, কবিতাই প্ৰতিজন অসমীয়াৰ অন্তৰ স্বদেশ প্ৰেমেৰে জাগ্ৰত কৰিছে। 'অসমীয়া ডেকাৰ উক্তি' কবিতাত তেখেতে লিখিছে—

শক্তিপুত্ৰ মই<br>
ভক্তি বুকুত লই<br>
মুক্তি প্ৰয়াসী হই<br>
অৰ্জুন মই, গান্ধীজী মই<br>
ময়েই ধনঞ্জয়-মৃত্যু কৰিছোঁ জয়।

কবিতাৰ দৰে জ্যোতিপ্ৰসাদৰ গীতবোৰো অতি সুন্দৰ। তেখেতে নাটকৰ বাবে প্ৰথমে গীত ৰচনাত মনোনিৱেশ কৰে।

অসমীয়া জনজীৱনৰ প্ৰতিচ্ছবি তথা স্বদেশপ্ৰেম তেখেতৰ গীতত মনকৰিবলগীয়া।

জ্যোতিপ্ৰসাদ ৰচিত আৰু সুৰাৰোপিত গীতবোৰক জ্যোতি সংগীত আখ্যা দিয়া হৈছে। তেখেতে সৰুৰে পৰাই হাৰমনিয়াম আৰু বেহেলা বজাবলৈ শিকে। ভাৰতীয় হিন্দুস্তানী ৰাগ-সংগীত আৰু পশ্চিমীয়া সংগীতৰ সুৰ কৌশলো কঠোৰ সাধনাৰে আয়ত্ত কৰিছিল। জাতীয় চেতনা জাগ্ৰত কৰাৰ মানসেৰে তেখেতে লিখা 'লুইতৰ পাৰৰে আমি ডেকা ল'ৰা মৰিবলৈ ভয় নাই', 'কোন কোন আহিছা আইক পূজিবলৈ আইক পূজাৰ বেলি হ'ল', 'জননীৰ সন্তান জাগা', 'অ' আমাৰ গাঁও', 'বিশ্ববিজয়ী ন-জোৱান', 'লুইতৰ আকাশত তৰাৰ তৰাৱলী', 'জননী পূজাৰ মন্দিৰ শুদা' আদি গীতসমূহ অসমীয়া সংস্কৃতিৰ আপুৰুগীয়া সম্পদ।

জ্যোতিপ্ৰসাদ আগৰৱালা আছিল অসমীয়া কথাছবিৰো পথ প্ৰদৰ্শক। তেখেতেই প্ৰথমে জয়মতী কথাছবি নিৰ্মাণ কৰি অসমত এক নতুন ধাৰাৰ সূচনা কৰে। অসমীয়া দ্বিতীয়খন কথাছবি 'ইন্দ্ৰমালতী'ও তেখেতৰেই অৱদান। চাবলৈ গ'লে আগৰৱালাদেৱে অসমীয়া সাহিত্য-সংস্কৃতিৰ ক্ষেত্ৰত প্ৰভূত বৰঙণি আগবঢ়াইছে। তেখেতে নিজেই কৈছে— 'সংস্কৃতি মানৱ জীৱনৰ পোহৰ, সৌন্দৰ্য আৰু আনন্দ।' সংস্কৃতিয়ে পশু আৰু মানুহক পাৰ্থক্য কৰিছে। নানা জাতি-উপজাতিৰ সমন্বয়ৰ সেতু গঢ়াৰ চিন্তা কৰিয়েই তেখেতে কামত অগ্ৰসৰ হৈছিল। তেখেতৰ সাহিত্য-সংস্কৃতিৰ সম্পদখিনি সমাজত জীয়াই ৰাখিবলৈ আমি আগবাঢ়ি যাব লাগিব। তেখেতৰ আধৰুৱা কামখিনি আমি সম্পূৰ্ণ কৰিব লাগিব। তেতিয়াহে জ্যোতিপ্ৰসাদৰ আদৰ্শেৰে অনুপ্ৰাণিত হৈ আমি অসমখনক সকলো দিশতে আগবঢ়াই নিয়াৰ লগতে তেখেতক বিশ্ব দৰবাৰত প্ৰতিষ্ঠা কৰাৰ বাবে চেষ্টা অব্যাহত ৰাখিব লাগিব। এই ক্ষেত্ৰত আগভাগ ল'বলৈ সৰ্বস্তৰৰ জনসাধাৰণলৈ সশ্ৰদ্ধ নিবেদন জনাই লিখনিৰ ইমানতেই সামৰণি মাৰিলোঁ।

## কৌতুক

পত্নী :— আমাৰ কাম কৰা ল'ৰাটো বৰ চোৰ স্বভাৱৰ বুজিছা?<br>
পতি :— চোৰ বুলি কেনেকৈ জানিলা?<br>
পত্নী :— সিদিনা বাইদেউহঁতৰ ঘৰলৈ যাওঁতে মই মনে মনে লৈ অহা ৰূপৰ চামুচখন বিচাৰি পোৱা নাই।

এদিনাখন শৰ্মাই গধূলি সময়ত বাথৰুমত সোমাল। হঠাতে বাথৰুমত ধমৃকৈ কিবা এটা পৰাৰ শব্দ শুনি পত্নীয়ে সুধিলে— হেৰি, কি হ'ল, কি পৰিল?<br>
শৰ্মা :— নাই, একো হোৱা নাই দিয়া, মোৰ চোলাটোহে মজিয়াত পৰিছে।<br>
পত্নী :— চোলাটো পৰোঁতে ইমান শব্দ হ'লনে?<br>
শৰ্মা :— নহয়, চোলাটোৰ ভিতৰত ময়ো সোমাই আছিলোঁ।

সংগ্ৰাহক :— অংকু দাস<br>
দ্বিতীয় ষাণ্মাসিক।



*Proverty can also be reduced through land acquisitions to the poor. Land is a critical asset, particularly for the rural poor, as it provides a means of livelihood, and the landless are often among the acorld's poorest.*

# Poverty : The Bane of Modern Times

**Ramen Medhi**
T.D.C 2nd semester

"Overcoming poverty is not a task of charity; it is an act of justice. like slavery and apartheid poverty is not natural. It is man made and it can be overcome."– Nelson Mandela.

'Poverty' is measured by one's income according to the world health organisation (WHO), with regard to the access to barest minimum desirable nutritional standards of calorie intake. It is alarming to know that even by these these standards, one in every four people is living below the poverty line. On one side, we have a fast progressing and the so-called 'vibrant economy' but on the flip side, we have a population that is still struggling to come to terms with poverty. We can not ignore poverty, which in turn is a factor for many of the other social problems like hunger, spread of disease, increase in crimes, etc. and to say that the world is progressing and developing, when around 1.4 billion people in the world are living in abject poverty, i.e. below the poverty line, would be more than a farce.

The world Bank measures poverty based on income, if yours income is $ 1.25 or less a day, then you live in extreme poverty. Poverty is endured and created by people itself and it is the responsibility of people to eradicate it.

Poverty is the major cause for hunger related deaths all around the

world. According to the United Nation, about 25,000 people die every day from hunger, and many people don't have access to even a day's meal. Poverty is also a cause for the spread of many centagious diseases are often curable, but the problem is that in poor villagers or communities, there are often no doctors or health centres for treatment.

Poverty is also indirectly linked to the spread of AIDS one of the deadly diseases. AIDS kills approximately over 1.5 million people a year. AIDS is a preventable and increasingly treatable disease, but again poverty is major hindrance in preventing this disease, as proper education about the prevention and treatment of AIDS is not accessible to the poor. Through proper education in general and about the spread and prevention of the disease, in particular and proper medicine, ADIS has been brought under control in the developed countries. The same canbe true for nations where AIDS is at its peak– AIDS case abound especially, in poverty ridden areas.

A child, who is born in to poverty, undergoes extreme hardships during his growing up years. When he sees children of his age having and enjoying all the luxuries of life then he thinks of short cuts to achieve those luxuries, which eventually leads to a criminal being born. Thus, the rice in crime graph of a city can directly be attributed to the rice in property.

The UN definition of proverty is "Fundamentally, poverty is a denial of choices and opportunities a violation of human dignity. It means lack of basic capacity to participate effectively in society. It means insecurity, powerlessness and exclusion of individuals, households and communities. It means susceptibility to violence, and it often implies living on marginal or fragile environments, without access to clean water or sanitation".

In today's modernized world where fast-food jaints and malls have mushroomed in every corner of the city, we can still see people outside these complexes begging for food and money. We still see mothers with their infants on their shoulders begging for money at traffic lights.

The central government has also implemented many schemes to benefit people living below the poverty line. The India Awaas Yojana is one such social welfare scheme in which house are being constructed for below poverty line (BPL) families in rural India.

The National Rural Livelihood Mission (NRLM) aims at creating efficient and effective institutional platforms for the rural poor enabling them to increase household income through sustainable livelihood enhancements and improving their access to financial services of the poor by improving living standards.


The employment Guarante scheme is one of the most viable solution to reduce poverty that most countries have implemented to have a long term solutions. These programmes aim to help people living in poverty by providing them with paid employment in rebuilding affected areas after a disaster, or in creating needed infrastructure, which in turn enhances their welfare.

The majority of these programmes are temporary, but a few offer employment guarantee schemes that seenre some minimum employment on an ongoing basis. In India, the MGNREGS (Mahatma Gandhi National Rural Employment Guarantee Scheme) aims at enhancing the livelihood and security of people in rural areas by guaranteeing hundred days of wage employment in a financial year to a rural household which volunteers to do unskilled manual work.

Proverty can also be reduced through and acquisitions to the poor. Land is a critical asset, particularly for the rural poor, as it provides a means of livelihood, and the landless are often among the acorld's poorest. In rural societies, landless or near-landless people, and people with insecure tenure sights often constitute the poorest and the most vulnerable groups. In India, for enample, ever 30 percent of the landless and near landless line in povery.

In modern times when one part of the world is progressing and developing other part of human face. It is our duty to provide them with the support to stand up on their feet and live a dignified life in society. As coin with two indiseriminate faces, the world should be equal for one and all, irrespective of caste, race and religion. The day this happens, we can proudly say that we live in the modern times.






# গল্প



# ডাইনী

মীনা কলিতা (বৃষ্টি)

আহিন মাহৰ এটি ফৰকাল দিন। ধনবৰ পেগুৱে গুৱাহাটীৰ পৰা নাইট ছুপাৰেৰে আহি লখিমপুৰত নামিল। বি. এ. পাছ কৰি উঠি গুৱাহাটীৰ 'ব্ৰহ্মপুত্ৰ ব'ৰ্ড'ত এটা কেৰাণীৰ চাকৰি কৰে সি। আজি দুবছৰৰ মূৰত সি ঘৰলৈ আহিছে। ৰাতিপুৱা পাঁচ বাজি পোন্ধৰ মিনিট যোৱাত ছুপাৰখন লখিমপুৰ আহি পালে। তাৰ লগত আৰু ছয়জন যাত্ৰী বাছ ষ্টেণ্ডত নামিল। দিনৰ ভাগৰ বিভিন্ন হাই-উৰুমি, নানা ধৰণৰ যান্ত্ৰিক শব্দ বৰ্তমান নাই। কেৱল কাউৰীবোৰে কা কা কৰি চিঞৰ-বাখৰ কৰি আছে। কিছুমান ৰাষ্টাতে কিবা খোৱা বস্তু খুটি খাই আছে। শাৰী শাৰীকৈ থকা প্ৰকাণ্ড অট্টালিকাবোৰে দৈত্যৰ দৰে থিয় হৈ আছে। বাছষ্টেণ্ডৰ কাষত এজন মানুহে টেবুল এখনত বিক্ৰীৰ কাৰণে চাহ বনাই আছে। ধনবৰে মানুহজনৰ ওচৰলৈ গৈ একাপ চাহৰ অৰ্ডাৰ দিলে। বিস্কুটেৰে ৰঙা চাহ কাপ খাই তিতা লাগিছিল যদিও সি ভালেই পালে। গাটো তাৰ সতেজ লাগিল।

তাৰ গন্তব্য স্থান হ'ল এছেৰাকটা গামচুক। সোৱণশিৰি নদীৰ দক্ষিণ পাৰৰ বিস্তীৰ্ণ অঞ্চলটোক অৰনৰী বোলে। অৰনৰীৰ অৰ্থ হ'ল নৈপৰীয়া মানুহ। এই অৰনৰী অঞ্চলৰ গাঁওবোৰ যথাক্ৰমে এছেৰাকটা মহৰিচুক, এছেৰাকটা গামচুক, এছেৰাফটা বালিজান, আদি সুঁতি, শিঙিমাৰী, মটমচুক বালি গাঁও, ন-আলি গাঁও, চাপৰি গাঁও, কৰপমুৱা গাঁও, জেংৰাইমুখ, ঘুণাসুঁতি ইত্যাদি। এই আটাইবোৰ গাঁৱৰ বাসিন্দাই মূলতঃ মিচিং সম্প্ৰদায়ৰ।

লখিমপুৰৰ পৰা খগালৈকেহে বাছ চলে। খগা হ'ল সোৱণশিৰি নদীৰ উত্তৰ পাৰৰ এখন বাণিজ্যিক ঠাই। ইয়াত কেইবাখনো সৰু-ডাঙৰ দোকান আছে। সপ্তাহটোৰ প্ৰতি বৃহস্পতিবাৰে ইয়াত বজাৰ বহে। লখিমপুৰৰ পৰা প্ৰায়

াহ্মৰ কিলোমিটাৰ দক্ষিণত ই অৱস্থিত। ইয়াৰে পৰা ঘাটৰ ভাৰা
দদ দহ টকা ভৰি হাতেৰে বোৱা পাওঁতে নদী পাৰ হ'ব লাগে। নদী
ৰ হৈ প্ৰায় সাত কিঃমিঃ মান খোজ কাঢ়ি বা চাইকেলেৰে গ'লে
মচুক গাঁও পোৱা যায়। কিয়নো নদী পাৰৰ পৰা গাঁৱলৈ যাৱলৈ
শেষ ৰাস্তাৰ ব্যৱস্থা নাই। নল-খাগৰি, বিৰিনা, কঁহুৱাবন আদিৰ
জদি লুংলুঙীয়া বাটেৰেহে মানুহে চাইকেল বা খোজ কাঢ়ি অহা-
ৱা কৰে।

ৰাতিপুৱা আঠ বজাত খগালৈ প্ৰথমখন বাছে যাত্ৰা কৰিলে।
ন আন যাত্ৰীৰ সৈতে সিও বাছত উঠিল। দুপৰীয়া প্ৰায় বাৰ
াত আহি সি ঘৰ পালে। মাকে দৌৰা-দৌৰিকৈ তাক এবাটি
পং' যাচিলে। আপং বাটি কট্ কট্‌কৈ পি সি ঘৰৰ সন্মুখৰ ঘাটলৈ
ধুবলৈ গ'ল।

আবেলি তিনিমান বজাত সি গৈ ঘাটৰ ওচৰৰ ওখ ঠাইখিনিত
। তাৰ লক্ষ্যত পৰিল সিপাৰৰ বালিচৰত থকা কঁহুৱা বনবোৰলৈ।
বনবোৰ ফুলি এনেকুৱা দেখা গৈছে যেন এটা বগা আস্তান
খিনিক আচ্ছাদিত কৰিছে।

'অক্ক'ম ইদুন বন্দা?' (কি কৰিছা বন্ধু?) "ন অদিল গিদ্দুকুন?'
 কেতিয়া আহিলা)

ধনবৰৰ তন্ময়তা ভাঙিল। সি ঘূৰি চাই দেখে যে তাৰ বন্ধু
মকান্ত দলে আহি তাৰ পিছত থিয় হৈ আছে।

'অ বন্দা, চিৰ গিদ্দুকুন।' (অ' বন্ধু আজি আহি পালোঁ।)

দুই বন্ধুৰ মাজত বহু কথা হ'ল। এটা সময়ত প্ৰেমকান্তই
বলৈ ওলাল। যোৱাৰ আগে আগে সি ধনবৰক ক'লে—

'এটা কথা নহয় বন্ধু। পৰহিলৈ আদি সুঁতি গাঁৱৰ এখন
জহুৱা বিচাৰ আছে। গাঁৱত হেনো এজন ডাইনী ওলাইছে। তাৰে
চাৰ হ'ব।' ধনবৰে একে ঠাইতে বহি থাকিল। বেলিটো পশ্চিমৰ
াকাশত মাৰ যাব ওলাইছে। তাৰ মনত পৰিল তাৰ অতি প্ৰিয় বন্ধু
নবৰ পেগুলৈ। এনেকুৱা কিমান আবেলিত সি মনবৰৰ লগত এই
াইটুকুৰাতে বহি নানা ধৰণৰ গল্প কৰি সময় পাৰ কৰিছিল। পানী
াঢ়িলে এই সোৱণশিৰি নদীয়ে কি যে ভয়ংকৰ ৰূপ ধাৰণ কৰে।
ানীৰ সোঁতৰ মাজে মাজে চাকনৈয়াৰ সৃষ্টি হয়। একোটা থিয়
ঁুৰাৰ ৰূপ লৈ এই চাকনৈয়া যেন নদীৰ অটল তলিত লীন লৈ
ায়। তাৰ মাজে মাজে শিহুবোৰ ওপৰলৈ উঠি আহি ওলোটাখট
দিয়ে।

মনবৰ পেগু। সঁচাকৈয়ে তাৰ নামটো সাৰ্থক আছিল। গাঁৱৰ
বিভিন্ন কামত সি আগৰণুৱা আছিল। কাৰোবাৰ কিবা বিপদ হ'লে
নবৰে লগে লগে সেই ঠাইত উপস্থিত হৈ সহায়ৰ হাত আগবঢ়াইছিল।
াতীসূৰীয়া উৰু, বহল বুকু, চিএগ্ৰা কঁকালৰ এই পাহুৱাল ডেকাজন
মান বহুতৰে ঈৰ্ষাৰ পাত্ৰ আছিল। এটি দুখীয়া খেতিয়ক পৰিয়ালৰ
তিনিজন ভাই-ককাইৰ ভিতৰত মনবৰ ডাঙৰ আছিল। সি দশম
শ্ৰেণীত পঢ়ি থাকোঁতেই এক অচিন বেমাৰত তাৰ দেউতাক শয্যাশায়ী
হৈছিল। তেতিয়াৰ পৰা সি নিজেই খেতি-বাতি চম্ভালিব লগীয়াত
পৰিছিল। যাৰ ফলত মেট্ৰিকৰ ডেওনা পাৰ হোৱাৰ পিছত তাৰ
আৰু পঢ়া নহ'ল।

গাঁৱৰ সিটো মূৰত দণ্ডেশ্বৰ দলেৰ ঘৰ। দণ্ডেশ্বৰৰ মাজু জীয়েক চেনীমাই দলে। বয়স ১৯-২০ বছৰ মান হ'ব। ৰূপে ফাটি যাওঁ-ফুটি যাওঁ নহ'লেও চেহেৰা আকৰ্ষণীয়। গাৰ বৰণ ঈষৎ সেন্দূৰীয়া। শৰীৰৰ গঠন মজবুত, চুলি দীঘল। মুঠতে ওখই-পাখই দেখনিয়াৰ। যোৱা বছৰ বিহু মাৰোঁতে তাৰ ঢোলৰ ছেৱে ছেৱে চেনীমাইয়ে কঁকাল ঘূৰাই ঘূৰাই নাচিছিল। ঢোল বজোৱাত মনবৰ যিদৰে অপ্ৰতিদ্বন্দ্বী আছিল, সেইদৰে বিহুনাচতো চেনীমাইৰ সমকক্ষ কোনো গাভৰু এইখন গাঁৱত নাছিল। যোৱাবছৰ বিহুৰ পৰাই দয়ো দুয়োৰে প্ৰতি আকৰ্ষিত হৈছিল আৰু ভৱিষ্যৎ যুগ্ম জীৱনৰ অংগীকাৰ কৰিছিল।

গামচুক গাঁৱৰে এজন ডেকা হ'ল হৰেণ পেগু। হৰেণৰ গাৰ বৰণ ক'লা। চকু দুটা সোমাই যোৱা। তাৰ এই সুমোৱা চকু দুটাত অনবৰতে ধূৰ্তালিৰ হাঁহি লাগি থাকে। সিও ভাল পাইছিল চেনীমাইক। চেনীমায়ে কিন্তু সি আলেঙে আলেঙে চেনীমাইলৈ লক্ষ্য কৰে। সেই কথা সি গম পায়। সি জানে তাক চকু পাৰি দেখিব নোৱাৰে। কি উপায়েৰেনো সি চেনীমাইক যে চেনীমাইয়ে ধনবৰকহে ভাল পায়। সি দিনে-ৰাতিয়েই ভাবি থাকে। লাহে নিজৰ কৰি ল'ব পাৰে, তাকে সি দিনে-ৰাতিয়েই ভাবি থাকে। লাহে লাহে মনবৰৰ ওপৰত প্ৰতি তাৰ হিংসা জাগি উঠে। যিকোনো প্ৰকাৰে মনবৰক আঁতৰাই চেনীমাইক নিজৰ কৰি ল'বলৈ সি দৃঢ় প্ৰতিজ্ঞা কৰিলে।

আজি এমাহ মানৰ পৰা গাঁওখনত ডায়েৰীয়া সদৃশ বেমাৰৰ প্ৰাদুৰ্ভাৱ হৈছে। ইতিমধ্যে চাৰি-পাঁচজন সৰু সৰু ল'ৰা-ছোৱালীৰ এই বেমাৰত মৃত্যু হৈছে। নদীপৰীয়া এই গাঁওবোৰত সু-চিকিৎসা বুলি বিশেষ একো ব্যৱস্থা নাই। সাধাৰণতে বেমাৰ হ'লে বেজ আহি জৰা-ফুকা কৰে। অতি টান নৰীয়া হ'লে ৰোগীক সাত কিঃ মিঃ মান নাৱেৰে ভাটিয়াই নি খগালৈ লৈ যাব লাগে। তাৰ পৰা বাছ, টেম্পো বা আন সৰু গাড়ীৰে লখিমপুৰ টাউনলৈ নিলেহে ডাক্তৰ লগ পাব পাৰি। সৰু-সুৰা বেমাৰ হ'লে মংগলতীয়ে মংগল চাই বিধান দিয়ে। সেই মতে বেজৰ চিকিৎসা বা অপদেৱতাৰ পূজা-পাঠ কৰা হয়।

সিদিনা মংগলতী বাই আঘোণী দলেয়ে বাৰান্দাত বহি এৰি সূতা কাটি আছিল। বাই অকলশৰীয়া মানুহ। ভৰ যৌৱনতে স্বামী য়াকা দলে তাইক এৰি সিপুৰীলৈ গৈছিল। অকণমানি ছোৱালী পদ্মেশ্বৰীক বুকুত বান্ধি লৈ তাই এই জটিল সংসাৰত দিন কটাইছিল। আজি চাৰি বছৰ আগেয়ে পদ্মেশ্বৰীক এঘৰলৈ উলিয়াই দি তাই অকলশৰীয়া জীৱন যাপন কৰি আছে। অভাৱ-অনাটনে আগুৰি ৰখা সংসাৰখনত তাই হাঁহ-কুকুৰা, গাহৰি আদি পোহাৰ উপৰি মঙল চাই দুই-এপইচা উপাৰ্জন কৰে।

'বাই কি খবৰ?'

আঘোণী বায়ে বাৰান্দাত বহি এৰি সূতা কাটি আছিল। মাত শুনি সূতা কাটিবলৈ এৰি চাই দেখে যে গাঁৱৰে হৰেণে আহি আগত থিয় দিছে।

'কিনো কৰিবি অ' বোপাই, আমাৰ নিচিনা দুখীয়া-নিচলা বাৰী-বিৱধাৰনো কি ভাল খবৰ হ'ব?' বুলি কৈ ভিতৰৰ পৰা এটা ভগা মূঢ়া আনি হৰেণক বাৰান্দাতে বহিবলৈ দিলে। হৰেণে মূঢ়াটোত বহিল। সি লক্ষ্য কৰিলে, আঘোণী বাইৰ ঘৰৰ বেৰবোৰ জহি-খহি যাবলৈ উপক্ৰম কৰিছে। বাৰান্দাৰ চালখনো উৱলি গৈছে।

হৰেণে মাত লগালে— 'বাই তুমি মন কৰিছানে? গাঁওখনত আজিলৈ চাৰি-পাঁচজনে চকু মুদিলে। কিহৰ বাবে এনেকুৱা হ'বলৈ পালে?'

'জানো পাই, কিবা অপদেৱতাৰে চকু পৰিলে নে আন কিবাই হৈছে। মই হ'লে একো তৎ ধৰিব পৰা নাই।'

'তুমি দেখো মঙল চাই ৰাইজক কথাটো জনাব পাৰা।'

'কি মঙল চাবি বোপাই? হাতত এটা ফুটা কড়িও নাই। মঙল চাবলৈ ধূপ-ধূনা, তেল-শলিতা আদি কিনিবলৈ নাই বুলিলেও ২০-২৫ মান টকাৰ আৱশ্যক। মইনো ক'ত পাওঁ?'

হৰেণে ইফালে চাই লৈ জেপৰ পৰা পঞ্চাশ টকা উলিয়াই বাইৰ হাতত গুঁজি দি ক'লে— 'বাই এই পঞ্চাশ টকা তেল, ধূপ-ধূনা, শলিতা আদিৰ খৰচৰ বাবে ল। তই মঙল চাই ক'বি যে মনবৰে ডাইনী পুহিছে। ডাইনীক নৰ ৰক্ত খুৱাবলৈ সি বান মৰি ৰাইজৰ ল'ৰা-ছোৱালীবোৰক কু-মন্ত্ৰ কৰিছে। তাক নামাৰিলে কোনো লোকেই বাচি নাথাকিব। গাঁও উছন হ'ব। আৰু শুন, তাক ডাইনী সজাব পাৰিলে মই তোক আকৌ নগদ পাঁচ কুৰি ধন দিম' বুলি কৈ হৰেণ অন্তৰ্ধান হ'ল।

আঘোণী বাইয়ে টকাকেইটা হাতত লৈ চিন্তা কৰিলে। এৰা, যোৱা বছৰ মনবৰে তাইৰ উপাৰ্জনৰ মূল গাহৰীজনীক কাটি মাৰিলে। (আচলতে ধান খাই থকা দেখি মনবৰে হাত দাখন খঙতে গাহৰিজনীৰ ফালে মৰিছিল। দুৰ্ভাগ্যবশতঃ দাখনৰ আগটো গাহৰিজনীৰ পেটত পৰাত থিতাতে গাহৰিজনী মৰি থাকিল।) গতিকে এহাতে তাই মনবৰৰ ওপৰত প্ৰতিশোধ লোৱা হ'ল আৰু আনহাতে হাতলৈও দুপইচা আহিল।

ইয়াৰ দুদিনৰ পিছত ৰাইজৰ বিচাৰ চলিল। মঙলতী বাইৰ পৰা সকলো কথা শুনি ৰাইজে মনবৰক ধৰি-বান্ধি আনিলে। মনবৰে অনেক কাকূতি-মিনতি কৰি ৰাইজক কান্দি কান্দি কোৱা সত্ত্বেও সি যে নিৰ্দোষী, সি যে মন্ত্ৰ-তন্ত্ৰ একো নাজানে সেই কথা ৰাইজে নামানিলে। ৰাইজৰ চৰ, লাঠি, ভুকু আদিত এটা সময়ত সি চকু মুদিলে। ৰাইজে তাৰ মৃত দেহটো বস্তাত ভৰাই সোৱণশিৰি নদীত উটুৱাই দিলে।

এই ঘটনাৰ এসপ্তাহমান পিছত ধনবৰে গুৱাহাটীত থাকিয়েই সকলোবোৰ কথা শুনিলে। সি হতবাক হৈ পৰিছিল। সেইদিন ধৰি আজি দুবছৰ পৰ্যন্ত সি গাঁৱলৈ অহা নাছিল।

'অ' এইটো ধনবৰ নহয়নে।' তাৰ তন্দ্ৰা ভাগিল। সি দেখিলে যে সন্ধিয়া হ'ব ধৰিছে। তাৰ গাঁও সম্বন্ধীয় খুৰাক দেৱীৰাম পেগু ওচৰত থিয় হৈ আছে।

'কেতিয়া আহিলি?'

'আজি দুপৰীয়া আহি পালোঁ।'

'যা এন্ধাৰ হ'বৰ হ'ল। আমাৰ খুৰীয়েৰাই আপং চাকিবলৈ ধৰিছে। এবাটি খাবিগৈ' বুলি কৈ দেৱীৰাম পেগু আঁতৰি গ'ল।

ধনবৰে এখোজ-দুখোজ কৰি ঘৰলৈ খোজ ল'লে। ৰাতি ভাত-পানী খাই উঠি বিছনা ল'লে যদিও বহু সময়লৈ তাৰ টোপনি নাহিল। স্বাধীনতাৰ তিনিকুৰি বছৰ পিছটো এই নৈপৰীয়া মিচিং সমাজ এতিয়াও অন্ধবিশ্বাস, কু-সংস্কাৰত নিমজ্জিত হৈ আছে। বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ আজিৰ দিনত মানুহে গৈ চন্দ্ৰলোকত ভৰি দিছে, মংগল গ্ৰহত প্ৰাণীৰ সন্ধান বিচাৰিছে, অথচ এই নৈপৰীয়া অশিক্ষিত মানুহখিনি আজিও ভূত-প্ৰেত আদি অন্ধবিশ্বাসত বিশ্বাসী হৈয়ে আছে। এনেকৈ আৰু নহ'ব। সমাজৰ পৰা এই অন্ধবিশ্বাস, কু-সংস্কাৰ আঁতৰাই এখন আধুনিক সু-সভ্য সমাজ গঢ়িব লাগিব। তাৰ বাবে লাগিব মনৰ দৃঢ়তা আৰু অধ্যৱসায়। কালি ৰাতিপুৱা উঠিয়েই সি পোনাৰাম, মোহন, বুধেশ্বৰ, বিজু, মহেন্দ্ৰ, গোবিন্দ, গজেন, যগেন, ৰবিনাথহঁতক লগ ধৰি অন্ধবিশ্বাসৰ কথা বুজাই দি যুৱ শক্তিটোক একত্ৰিত কৰিব আৰু লখিমপুৰ টাওনলৈ গৈ থানত খবৰ দি আদি সুঁতিত হ'ব লগা নৰহত্যা বন্ধ কৰিব। তাৰ বিশ্বাস সি কৃতকাৰ্য হ'ব আৰু দ্বিতীয় এজন ডাইনী আখ্যা পোৱা সহজ-সৰল হোজা মানুহৰ প্ৰাণ ৰক্ষা কৰিব পাৰিব।

দোকানত এজন চৰ্দাৰ—
ঃ— মোৰ Free চেনিখিনি দিয়া।
ঃ— কিন্তু দাদা আপুনি কিনা বিস্কুটৰ লগত একোতো Free নাই।
ঃ— ক'লৈই হ'বনে? ইয়াত লিখা আছে 'ছুগাৰ ফ্ৰী'। ভালে ভালে দিয়া বুজিছা নহয়।

সদৌ অসম কুপনৰ প্ৰতিযোগিতাত কণটিলৌক বিশেষভাৱে সম্বৰ্ধনা জনোৱা হ'ল। কাৰণ, সি তাৰ মাৰুতি গাড়ীখনত একেবাৰতে ত্ৰিশজন কুপনক কঢ়িয়াই আনিছিল। এইটো কেনেকৈ সম্ভৱ হ'ল বুলি আয়োজকে সোধোঁতে সি ক'লে— এটা দলি মাৰি দিলোঁ। বছ...।

সংগ্ৰাহক ঃ— .............

# নিয়তি

কাকলি চৌধুৰী
*ইংৰাজী বিভাগ*



নিমিষতে ভাগি পৰে এটা সপোন,
ভাগি যায় এসোপা পূৰঠ হ'বলৈ ধৰা আশা,
শেষ হৈ ৰ'ল এটা জীৱনৰ অধ্যায়...

দিন চুটি। কলেজৰ পৰা ঘূৰি আহি ভাত-পানী খাই আজৰি হোৱা ানে বেলি পৰোঁ পৰোঁ হয়। বিছ্নালৈ যাবও সময় নহয়, মনো নাযায়। 'লে আবেলি টিউচনলৈ উঠি আহিব লাগে। সেয়ে অদিতিয়ে াগফালৰ বাৰান্দাত হেলোন চকীখনত বহি বাতৰিকাকতখনকে হাতত লি ল'লে।

চেঁচা বতাহ এজাক আহি অদিতিৰে গালে-মুখে স্পৰ্শ কৰিলেহি। াই বতাহজাক তাইৰ বৰ প্ৰিয়। বাতৰিকাকতখনৰ পাতকেইটা লুটিয়াই াকোঁতে অদিতিৰ দৃষ্টি এটা হেডলাইনত পৰিল। ক'লা ডাঠ আখৰেৰে লিখা আছে— "3 people died in spot at car Accident"। তাইৰ বুকুখন চিৰিঙকৈ উঠিল। পুৰণি ঘা এটুকুৰা মুহূৰ্ততে সতেজ হৈ উঠিল। স্মৃতিৰ বেটুপাতত সেই কালিমা সনা দিনটো কাঠফুলাৰ নিচিনা ান ধৰি উঠিল।

পাঁচ বছৰ আগৰ কথা। অদিতিৰ বিয়া মন্দিৰত হৈছিল। সৌৰভৰ জাতি বেলেগ হোৱা বাবে অদিতিৰ পৰিয়ালে সিহঁতৰ সম্বন্ধটোক সমৰ্থন কৰা নাছিল। ফলত তাই ঘৰৰ অমতত সৌৰভৰ লগত বিয়াত বহিবলগীয়া হৈছিল। সৌৰভ চৰকাৰী চাকৰিয়াল আছিল আৰু অদিতিও নতুনকৈ কলেজত নিয়োগ হৈছিল। সিহঁতৰ সংসাৰ ঠিকেই চলিছিল যদিও অদিতিয়ে মাক-দেউতাকৰ লগত অহা-যোৱা কৰিবলৈ বহুত চেষ্টা কৰিও ব্যৰ্থ হৈছিল। অদিতিৰ দেউতাক ৰবীন্দ্ৰ পৰাশৰ আৰু মাক নীলিমাই নিজৰ জাতি সম্পৰ্কে লোৱা ধাৰণাত অলৰ-অচৰ আছিল। এই কথাটোত অদিতি যথেষ্ট মানসিক কষ্টত ভুগিছিল যদিও সৌৰভক জানিবলৈ দিয়া নাছিল।

নিয়মীয়াভাৱে অদিতি আৰু সৌৰভে ৰাতিৰ ডীনাৰ কৰিবলৈ ডাইনিঙত বহিছিল। ভাত খাই থাকোঁতে সৌৰভে তাইক কৈছিল— 'তি, মই কালি অফিচৰ পৰা ৰাগ আৰু স্বপ্নীলৰ সৈতে ৰাজদীপৰ অফিচিয়েল পাৰ্টিত যাম, আহোঁতে দেৰি হ'ব পাৰে।'— অদিতিয়ে লাহেকৈ হাঁহি হ'ব বুলি ক'লে।

পিছদিনা ৰাতিপুৱা সৌৰভে অদিতিক বাইকেৰে কলেজত নমাই থৈ কৈছিল— 'তি, মোৰ দেৰি হ'লে চিন্তা নকৰিবা।' অদিতিয়ে আৱেগ মিশ্ৰিত সুৰেৰে সৌৰভক উদ্দেশ্যি কৈছিল— 'সোনকালে আহিবা, মই বৈ থাকিম। বাই।' তাৰপিছত অদিতি দৌৰি গৈ কলেজত সোমাল আৰু সৌৰভে অফিচলৈ বুলি বাইক ষ্টাৰ্ট দিলে।

কিন্তু নিয়তিৰ কি নিষ্ঠুৰ পৰিহাস! ৰাতি আঠমান বজাত সৌৰভৰ বন্ধু ৰাগৰ অল্ট' গাড়ীখন তেলৰ টেংকাৰে মহটিয়াই নিয়াত সৌৰভ আৰু ৰাগৰ থিতাতে মৃত্যু হয়। সৌৰভৰ আৰু ঘৰলৈ, অদিতিৰ ওচৰলৈ আৰু ৰাগৰ ঘৰলৈ খবৰ পঠোৱা হৈছিল যদিও অদিতিক উভতি যোৱা নহ'ল। মৃতকৰ ঘৰলৈ খবৰ পঠোৱা হৈছিল যদিও অদিতিক ক'বলৈ কোনেও সাহস কৰা নাছিল।

অদিতিৰ এইফালে ভীষণ টেনচন। সৌৰভৰ মোবাইল ছুইটচ অফ। হঠাৎ গে'টৰ সমুখত গাড়ী ৰোৱা শব্দ শুনি তাই সৌৰভ অহা বুলি বাহিৰলৈ দৌৰি গ'ল। কিন্তু এয়া কি??? ৰাগৰ গাড়ীৰ পৰিৱৰ্তে এম্বুলেঞ্চ?? অদিতিৰ চিন্তাশক্তি ক্ৰমান্বয়ে শেষ হৈ আহিছিল। এটা বগা কাপোৰেৰে ঢাকি থোৱা তেজেৰে ৰাঙলী হোৱা নশ্বৰ দেহ উলিয়াই আনি চোতালত থোৱা হৈছিল; কিন্তু অদিতি একে ঠাইতে থিয় হৈ আছিল। তাইক জোৰ কৰি টানি আনি মৃতদেহটোৰ ওচৰত বহুৱাই দিছিল। তথাপিও অদিতি নিৰ্বিকাৰ। বিয়াৰ তিনি মাহ পিছতে নিজৰ প্ৰিয় মানুহজনৰ আকস্মিক মৃত্যু মানি ল'ব পৰা নাছিল অদিতিয়ে। দুজনীমান তিৰোতাই তাইৰ শিৰৰ সেন্দূৰখিনি মচি দিয়াতহে অদিতিয়ে তত্ ঘূৰাই পাই চিঞৰি চিঞৰি কান্দি কৈছিল— 'অ' আই, অ' দেউতা! কি ভুল কৰিছিলোঁ মই? অভিশাপৰ ঠাইত যদি এটি আশীৰ্বাদ দিলাহেঁতেন তোমালোকে...।'

দুধাৰি উষ্ণ চকুলো তাইৰ অজ্ঞাতে বৈ আহি বাতৰিকাকতখনত পৰিল। তাইৰ একমাত্ৰ ছোৱালী চাৰিবছৰীয়া নিমিয়ে মাকক টোপনিৰ পৰা সাৰ পাই মতাতহে অদিতিয়ে সম্বিৎ ঘূৰাই পালে। আৰু নিজকে সচকিত কৰি স্মৃতিৰ গঁৰালৰ পৰা উভতি আহিল। বাতৰিকাকতখন টি-টেবুলতে থৈ অদিতি টিউচনৰ প্ৰস্তুতিত লাগিল।





# বতাহ চাকিটো নুমুৱাই নিনিবা

নিতুল কলিতা
স্নাতক পঞ্চম ষান্মাসিক

এজোপা ফুল গছ ৰুলেই নহ'ব। আৰু ভাবিব নালাগিব যে তাৰ একো কাম নাই। মাথোঁ তাক অতি মৰম তথা আদৰ কৰিব লাগিব। গছজোপাক মৰম কৰিব লাগিব, তাক সময়মতে সাৰ, পানী দিব লাগিব। তেতিয়া সি ফুলবোৰ মনোৰম কৰি চৌদিশ আপ্লুত কৰিব। ফুলিব ধৰা তথা কলিতে সৰু বুলি তাক ছিঙি পেলাই নিদিব, কাৰণ এটা সময়ত সি ফুলি ডাঙৰ হ'ব আৰু অন্ধকাৰ আঁতৰাই পোহৰ বিলাব।

স্কুললৈ মই বাইদেউৰ লগত অহা-যোৱা কৰিছিলোঁ। কিন্তু মই পঢ়া মানে কি একো বুজি পোৱা নাছিলোঁ। মাথোন অহা-যোৱাহে কৰি আছিলোঁ। আৰু পঢ়া মানে কি মই বুজি নোপোৱাৰ একমাত্ৰ কাৰণ হ'ল মোৰ অমনোযোগৰ কাৰণে। ঘৰত শিকাৰ পৰা আৰু আন কোনো নাছিল। লাহে লাহে মই ডাঙৰ হৈ আহিলোঁ আৰু তাৰ লগতে মোৰ লাজ লগা হ'ল। শিক্ষাগুৰুৱে পঢ়াশালিত শিকাই থকাতে মই একো আঁত ধৰিব পৰা নাছিলোঁ। গুৰুৱে মোক সুধিলে একো উত্তৰ দিব নোৱাৰিছিলোঁ। মোৰ লগৰবোৰে মাতিব আৰু লিখিব পাৰে, কিন্তু মই নোৱাৰোঁ। তাৰ বাবে লগৰবোৰে মোক বেলেগকৈ বহিবলৈ দিয়ে। তাৰ লগে লগে মই সেই শ্ৰেণীত আকৌ এবাৰ থাকিব লগা হ'ল। তাৰ পিছত মই নিজকে প্ৰশ্ন কৰিলোঁ— সিহঁতে আগুৱাই গ'ল কিন্তু...। কিন্তু যিদৰে সৈণিকৰ গুলী ঠিক পথেৰে যায় তেনেদৰে প্ৰতিদিনে কিতাপ মেলি মেলি আৰম্ভ কৰিলোঁ পঢ়া। এনেদৰে মই কিছু মাতিব পৰা হ'লোঁ। তাৰ পিছৰ বৰ্ষৰ পৰীক্ষাত মই উত্তীৰ্ণ হ'লোঁ। ঘৰত আহি মাক কোৱাৰ পিছত মোক মায়ে এনেকৈ উৎসাহ দিলে যে মই মাক আগত লৈয়ে জীৱন গতিপথত আগুৱাবলৈ আগ বাঢ়িলোঁ। এনেকৈ মই গতানুগতিকভাৱে উত্তীৰ্ণ হৈ থাকিলোঁ। পঢ়াৰ কাৰণে দেউতায়ো ঠিক একেদৰে উৎসাহ দিয়ে। যেতিয়া মই বুজিব পৰা হ'লোঁ তেতিয়া মই



> মই যেতিয়া দেৱীৰ ওচৰত প্ৰাৰ্থনা জনাওঁ তেতিয়া মোৰ একান্ত সেৱা হৈছে দেৱী, মই নিজৰ লগতে মোৰ দেশখন তথা জগতখনকো এধানি পোহৰ দিব বিচাৰোঁ। আৰু সেই পোহৰৰ সহায়ত যিসকলে অন্ধকাৰত ডুব গৈ আছে তেওঁলোকে যাতে পৰিত্ৰাণ পাব পাৰে। তাৰ পিছত কিছুমান মানুহৰ চৰিত্ৰ দেখি এনে যেন লাগে যে তেওঁলোকক সদা শিৱই অমৰ শক্তি দিছে।

অনুভৱ কৰোঁ যে মোক মায়ে ইমানে মৰম কৰে। তাৰ লগে লগে মই যেতিয়া ৰাতি শুবলৈ ওলাওঁ তেতিয়া মাক কওঁ— 'মা মোক সোনকালে মাতিবা, মই পঢ়িব লাগিব।' এনেকৈ মোৰ সময়বোৰ গতি কৰি থাকিল।

এনেকৈ এটা সময়ত মই কলেজীয়া জীৱন আৰম্ভ কৰিলোঁ। ভাল-বেয়া চিন্তা কৰিব পৰা হ'লোঁ। তেতিয়া মই জীৱনটোক এটা নাম দিলোঁ 'এগছি বন্তি'। বাৰে বাৰে বতাহ আহে সেই বন্তিগছি নুমুৱাবলৈ, কিন্তু তাক নিশ্চয় যত্ন কৰিলে তাৰ নিৰ্ধাৰিত সময়খিনি থাকিব। কিন্তু ধ্বংস তথা মৃত্যু আছেই। তাৰ লগে লগে বহু লগ সমনীয়াৰ লগত কলেজত দিন কটালোঁ। মোৰ প্ৰিয় বন্ধু আছিল পৱন। সি বুজি পায় আৰু মইয়ো তাক বুজি পাওঁ। মোৰ মায়ে মোৰ দৰে তাকো উৎসাহ দিয়ে। এদিন মই ভাবিলোঁ যে মানুহে কয়— লিখা-পঢ়া কৰিব নাজানিলে সি বা তাই হয় মূৰ্খ। কিন্তু মই হঠাৎ স্তব্ধ হৈ গ'লোঁ তেতিয়া হ'লে মোৰ মায়ে মোক ইমান প্ৰেৰণা তথা উৎসাহ কেনেকৈ দিয়ে। মই মাক বুজি পালোঁ, যে মোৰ ইমান সপোন যে পঢ়াই-শুনাই মোক পোহৰ দিব বিচাৰে, তেতিয়া মই এটা সৰু উদাহৰণক লৈ অতি সহজতে বুজি পালোঁ। যে এটা কোঠাৰ দুৱাৰ-খিৰিকী মাৰি দিলে কোঠাটো অন্ধকাৰ হৈ যাব। কিন্তু মানুহেতো অন্ধকাৰত থাকিব নোৱাৰে। তাৰ বাবে কোঠাৰ গৰাকীক লাগিব জ্ঞান তথা শিক্ষা। বতাহজাক জোৰকৈ আহে বন্তিগছি নুমুৱাবলৈ। কিন্তু তাক বাধা দি ৰাখিব নোৱাৰি— যেতিয়াই-তেতিয়াই আহে। মোৰ মায়ে বন্তিগছিত কেতিয়া তেল দিব লাগে তাক মায়ে ভালদৰে জানে। মই বহুদিনৰ পৰা তথা জানিব হোৱাৰ পৰা মোৰ এটা সপোন আছে। সপোনটো মই মনে মনে ভাবি আছোঁ। সপোনটো হ'ল— মোৰ অকণমান যি ভাল জ্ঞানৰ থলী আছে, তাৰ পৰা মই অকল নিজেই উপকৃত বা স্বাৰ্থ ভাব নকৰোঁ। মই দেশক-জগতক পোহৰাব বিচাৰোঁ। কাৰণ মানুহ স্বাৰ্থপৰ আৰু অহংকাৰী হ'ব নালাগে।

মই যেতিয়া দেৱীৰ ওচৰত প্ৰাৰ্থনা জনাওঁ তেতিয়া মোৰ একান্ত সেৱা হৈছে দেৱী, মই নিজৰ লগতে মোৰ দেশখন তথা জগতখনকো এধানি পোহৰ দিব বিচাৰোঁ। আৰু সেই পোহৰৰ সহায়ত যিসকলে অন্ধকাৰত ডুব গৈ আছে তেওঁলোকে যাতে পৰিত্ৰাণ পাব পাৰে। তাৰ পিছত কিছুমান মানুহৰ চৰিত্ৰ দেখি এনে যেন লাগে যে তেওঁলোকক সদা শিৱই অমৰ শক্তি দিছে। কিন্তু তেওঁলোকে এবাৰো ভাবি নাচায় যে— পৃথিৱীত শৰীৰৰ সমান মূল্যৱান বস্তু একো নাই। কিন্তু মৃত্যু হ'লে তাৰ সমান অমূল্য বস্তু আৰু একো নাই। সা-সম্পত্তি থাকিলে তাক সাবটি দিন কটাব নালাগে। কাৰণ আমিবোৰৰ জীৱন হৈছে অস্থায়ী। সেই বাবে মই নিজকে বাৰে বাৰে সোধোঁ যে অকণমান সময়ো অবাবত নষ্ট কৰিব নালাগে। কাৰণ সময়ে শেষলৈ গতি কৰি আছে। আকৌ তাৰ লগে লগে আহে জাকে জাকে বন্তিগছি নুমুৱাবলৈ কিছুমান বতাহ। সি কিন্তু বাহিৰত নালাগে মাথোঁ লাগে হৃদয়ত। তেতিয়া মই নিজে অনুতপ্ত হ'লোঁ যে আমাৰ দেহৰ ভিতৰত কিমান মূল্যৱান বস্তু আছে। গতিকে মই তাক কষ্ট দিবলৈ নিবিচাৰোঁ, কাৰণ বতাহ আহিয়ে থাকে প্ৰতি মুহূৰ্তত বন্তিগছি নুমাব। সেই বতাহত মই স্থিৰ হৈ থিয় দি তাক য'ৰ পৰা আহে তালৈ ঠেলি দিওঁ। মাথোন বন্তিগছি নুমাব নিদিওঁ। নুমাব যেতিয়া তাৰ অন্তিম সময় আহি পৰে।

এদিন মাজনিশা সাৰ পালোঁ, কাৰণ ক'ৰবাইদি এটা মহ আহিছে আৰু কাণৰ কাষত চিঞৰি আছে। টোপনি কিছু সময় অহা নাছিল। সেই মাজনিশা আকৌ মোৰ মনত 'মা' শব্দ। তাৰ পিছত মনত এখন ধুনীয়া ফুলনিৰ কথা মনত পৰিল। আৰু ফুলি থকা ফুলনিৰ সৰু সৰু বাটেৰে মই গৈ আছিলোঁ। তাৰ পিছত বাহিৰত কিবা এটা শব্দ পালোঁ। বিছনাৰ পৰা টেবুলত চপৰিয়াই দিলোঁ। এনেতে এখন কিতাপ পৰি গ'ল। বিছনাৰ পৰা উঠি আহি কিতাপখন পোহৰত মেলি চালোঁ। লগে লগে মই দেখা পালোঁ যে সুভাষ চন্দ্ৰ বসুৰ এফাকি বাক্য। যে— 'তোমালোকে মোক অলপ তেজ দিয়া মই তোমালোকক স্বাধীনতা দিম'। সেই দিনা ৰাতি মোৰ আৰু টোপনি...।

সময়বোৰ পাৰ হৈ গৈ থাকিল। মই সৌ সাগৰলৈ চাই ক'লোঁ— 'মা' সৌ সূৰ্যটো ইমান ৰঙা হৈ ওলাইছে। মায়ে ক'লে— সূৰ্যটোৱে আমাক তথা গোটেই বিশ্বত কাকো আপোন-পৰ নকৰাকৈ পোহৰ দিয়ে। আৰু জ্ঞানীবোৰে সমাজৰ অন্ধকাৰ দূৰ কৰি পোহৰ দিয়ে। — মা, ঠিক তেনেদৰে পোহৰাব বিচাৰোঁ।



# অভিনয়

ডলী দাস
*স্নাতক প্ৰথম বাৰ্ষিক*



ঃ এইবোৰ মিছা কথা। সময়বোৰ কটাবৰ বাবেহে মই ইমানদিনে তাইৰ লগত প্ৰেমৰ অভিনয় কৰি আহিছোঁ।

ঃ সঁচা! আৰু মই?

ঃ সঁচা! তুমি বহুত বেলেগ কাকলি, তুমি ডিম্পীৰ দৰে নহয়।

দুয়োগৰাকী প্ৰেমিক যুগল আলিংগনৰ বাবে উদ্যত হ'ল। লগে লগে ভিডিঅ' ক্লিপিংছটো ৰখাই দিয়া হ'ল।

পলাশ নামৰ সুদৰ্শন এংকৰগৰাকীয়ে ডিম্পীলৈ চালে। ডিম্পীৰ চকুত ধাৰাসাৰ বৰষুণৰ দৰে চকুলো বৈ আহিল।

ঃ অস্ ৰাজদীপ। মই এইবোৰ কি দেখিছোঁ! ডিম্পীৰ মনত প্ৰশ্ন।

পলাশৰ দুই ওঁঠেদি এটা হাঁহিয়ে ভুমুকি মাৰিলে। নিঃশব্দ হাঁহি। হাঁহিটোৰ বাবে পলাশ বিখ্যাত। লগতে বিখ্যাত কৰিছে তেওঁৰ কাৰ্যসূচীকো।

ঃ ডিম্পী আৰু চাবানে তোমাৰ আপোনজনৰ স্বৰূপ? যাক তুমি ভালপাওঁ বুলি কৈ ফুৰা সকলোকে। তেৰোঁ যে এজন ভণ্ড তাক নিজে লক্ষ্য কৰা।

ডিম্পীয়ে একো নমাতিলে আৰু পলাশে ভিডিঅ' ক্লিপিংছটো চলাবলৈ আৰম্ভ কৰিলে। তাইৰ চকু পৰিল ডাঙৰ পৰ্দাখনত।

ঃ আচলতে কাকলি, ডিম্পী মহা ব'ৰ জানা। পাৰ্কলৈ গ'লে অথবা কোনোবা নিৰ্জন, নিৰিবিলি ঠাইলৈ গ'লে



ঠাৎ ডিম্পী ডিঅ'ৰ পৰা ওলাই আহিল। গ্ৰেমটো তেতিয়াও লি আছিল। লাশে নিজা শৈলীত ডিম্পী, জদীপ আৰু াকলিৰ কথা কৈ আছে। াৰু ডিম্পীয়ে ষ্টুডিঅ'ৰ বাহিৰত চিঞৰি চিঞৰি কান্দি ভগৱানক প্ৰশ্ন কৰিলে— কিয় মানুহবোৰ নিষ্ঠুৰ?

মাত্ৰ এটা চুমা। এনেকৈ কোনোবাই প্ৰেম কৰে জানো?

ঃ হয়তো। মই কিন্তু তোমাৰ কথাত ছাপ্‌ট কৰিছোঁ। এই বাৰ আকৌ তেওঁলোকৰ কথোপকথনখিনি ৰখাই দিয়া হ'ল।

ঃ ডিম্পী! পলাশে মাত দিলে কি ক'বা?

পলাশে এইবাৰ কিন্তু হঁহা নাই। বোধহয় কাকলি-ৰাজদীপৰ শেষৰ কথাখিনিয়ে তাক হতাশ কৰিছে। বিশ্বাসৰ ওপৰত মৰা কুঠাৰৰ আঘাতটো তেওঁৰ হয়তো সহ্য হোৱা নাই।

ঃ কি ক'ম?— হতাশভাৱে ক'লে ডিম্পীয়ে।

ঃ বাৰু ডিম্পী, কোৱাচোন তুমি প্ৰেমক মনৰ মিলন নে দেহৰ মিলন বুলি ভাবা।

ঃ মই প্ৰেমক মনৰ মিলন বুলি ভাবোঁ। কিন্তু কেতিয়াবা প্ৰেমৰ বাটত দেহৰ মিলন আহি পৰিব পাৰে ইয়াক মই অস্বীকাৰ নকৰোঁ।

ঃ তেনেহ'লে ৰাজদীপক তুমি এইক্ষেত্ৰত সহযোগিতা কৰা নাই কিয়? পলাশৰ কঠোৰ প্ৰশ্ন।

ঃ যদি শাৰীৰিক মিলনক লক্ষ্য কৰি প্ৰেম কৰে তাক জানো প্ৰেম বুলিব পাৰি? কেতিয়াবা ৰাজদীপৰ কথাত মই এই মনোভাব দেখোঁ। এইটোৱে মোক হতাশ কৰে।

ঃ ইয়াৰ পিছতো তুমি তাক ভাল পাইছিলা।

ঃ অঁ। কিয় ভাল পাইছিলোঁ ক'ব নোৱাৰোঁ।

আকৌ উচুপিবলৈ আৰম্ভ কৰিলে ডিম্পীয়ে। কেনেকৈ ক'ব তাই এই কথা!

ঃ আৰু চাবানে? পলাশে ডিম্পীক সুধিলে।

ঃ চাওঁচোন।

ঃ আমাৰ কেমেৰা এতিয়া জেছমিন নামৰ ৰেষ্টুৰেণ্টখনত। এই গোটেই ঘটনা বৃহস্পতিবাৰৰ আবেলি।— পলাশে ক'লে।

ভিডিঅ' পৰ্দাত এইবাৰ ৰাজদীপ আৰু কাকলিক দেখা গ'ল, ৰেষ্টুৰেণ্টৰ চুকৰ এযোৰ চকী-টেবুলত দুয়োটা। কাকলিয়ে ৰাজদীপৰ বাহুত মূৰটো পেলাই প্ৰেমৰ সাগৰত সাঁতুৰি আছে। হঠাৎ ৰাজদীপৰ ফোনটো বাজি উঠিল।

ঃ অঁ, কোৱা।

সিফালৰ পৰা কি কৈছে শুনিবলৈ পোৱা নাই।

ঃ নাই নাই, এতিয়া যাব নোৱাৰোঁ। কলেজতে আছোঁ এতিয়াও।— ৰাজদীপে ফোন লাইন বিচ্ছিন্ন কৰি দিলে।

ঃ কোনে ফোন কৰিছিল?— কাকলিৰ প্ৰশ্ন।

ঃ কোন হ'ব আৰু? ডিম্পী। ব'ৰিং আৰু দেই।

ভিডিঅ'টো ৰখাই দিলে পলাশে। সি ডিম্পীৰ মুখলৈ চালে এইবাৰ। ডিম্পীয়ে কল্পনা কৰিব নোৱাৰা হাঁহি এটা মাৰিছে। তাৰ বুকু কঁপি গ'ল।

ঃ ক্লিপিংছটো কোন দিনাৰ আছিল? ডিম্পীয়ে সুধিলে।

ঃ যোৱা বৃহস্পতিবাৰৰ, আজি দেওবাৰ। পলাশে ক'লে।

ঃ হয় ঠিকেই। আগবেলা মই ৰাজদীপক ফোন কৰিছিলোঁ। এখন চিনেমা চাবলৈ লগ [illegible]লোঁ। সি মোক ফাকি দি কাকলিৰ লগত...। [illegible] কান্দিলে ডিম্পীয়ে।

[illegible] নাই ডিম্পী। প্ৰতিশোধ ল'ব [illegible] ওপৰত। পলাশে ক'লে।

ঃ প্ৰতিশোধ? কিহৰ প্ৰতিশোধ ল'ম মই?

ঃ প্ৰেমৰ প্ৰতাৰণাৰ প্ৰতিশোধ। তোমাৰ বিশ্বাসৰ ওপৰত ৰাজদীপে জানো প্ৰতাৰণা কৰা নাই?

সৰ্বশৰীৰ কঁপিবলৈ ধৰিলে তাইৰ। তাই যে এটা ষ্টুডিঅ'ত বহি আছে পাহৰি গ'ল।

ঃ এতিয়া ৰাজদীপ কাকলিৰ লগত 'মনীষা' নামৰ ৰেষ্টুৰেণ্টখনত আছে। আমি আমাৰ ইউনিটৰ মানুহৰ পৰা খবৰ পাইছোঁ। যদি তুমি বিচৰা তাক হাতে-লোটে ধৰা পেলাব পাৰা।

ইচ্ছা গৈছিল ডিম্পীৰ তাক ধৰা পেলাবলৈ, কিন্তু হঠাৎ কিবা এটা ভাবে তাইক বাধা দিলে।

ঃ নালাগে। নলওঁ প্ৰতিশোধ। দোষ কৰিলে মানুহক ভগৱানে শাস্তি দিয়ে, মানুহে দিব নালাগে। তাক যিহেতু মই ভাল পাইছিলোঁ, এতিয়াও ভাল পাই থাকিম।

হঠাৎ ডিম্পী ষ্টুডিঅ'ৰ পৰা ওলাই আহিল। প্ৰগ্ৰেমটো তেতিয়াও চলি আছিল। পলাশে নিজা শৈলীত ডিম্পী, ৰাজদীপ আৰু কাকলিৰ কথা কৈ আছে। আৰু ডিম্পীয়ে ষ্টুডিঅ'ৰ বাহিৰত চিঞৰি চিঞৰি কান্দি ভগৱানক প্ৰশ্ন কৰিলে— কিয় মানুহবোৰ নিষ্ঠুৰ? কিয় প্ৰেমৰ অভিনয় কৰি কোমল হৃদয়বোৰ ভাঙি থান-বান কৰে, কিয় তাইৰ লগত এনে হ'ল, কিয় কৰিলে অভিনয়... কিয়?



# অজানিতে ভাগি গ'ল মোৰ বুকুৰ ঘৰ

মিণ্টু দাস
স্নাতক দ্বিতীয় ষান্মাসিক

খোলা খিৰিকীখনেৰে সোমাই অহা আবতৰীয়া বতাহজাকে নুমুৱাই থৈ গ'ল জ্বলি থকা মমডাল। যি অকণমান পোহৰ কোঠাটোত সিঁচৰতি হৈ আছিল, তাতো এতিয়া আন্ধাৰৰ ৰাজ। জ্বলি থাকোঁতে মমডালে এটা প্ৰতিশ্ৰুতি দিছিল পুৰি শেষ নোহোৱালৈকে পোহৰ দিয়াৰ। নিষ্ঠুৰ বতাহজাকে ভংগ কৰিলে সেই প্ৰতিশ্ৰুতি। যিটো সঁচা আছিল নে মিছা মই নাজানো, কাক দোষ দিম? সেই বতাহজাকক, খিৰিকীখন খুলি ৰখাৰ বাবে নিজকে, নে বতাহজাকৰ অজুহাতত মোক এন্ধাৰত এৰি থৈ যোৱা মমডালক??

আকাশ অকলশৰে একান্ত মনোযোগেৰে নিজৰে পাঠ পঢ়ি আছিল। উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষৰ এখন ব্যক্তিগত মহাবিদ্যালয়ৰ ছাত্ৰ আকাশ। ৰাতি তেতিয়া আঠ মান বাজিছিল। আকাশে পঢ়ি থকা সময়তে তাৰ ম'বাইলৰ মৃদু অথচ আবেগিক সুৰৰ ৰিংটনটো বাজি উঠিছিল। ৰিচিভ কৰিলে যদিও কোনো সঁহাৰি নাপালে। কিছু সময় পিছত আকৌ ম'বাইলটো বাজি উঠিল। ৰিচিভ কৰাৰ পিছত—

ঃ হেল্ল' আকাশ

ঃ হয়, কোনে কৈছে

ঃ মই প্ৰিয়া.....।

অচিনাকিৰ পিছত চিনাকি, এনেদৰে দুয়ো বন্ধুত্বৰ কবলত বন্দী হৈছিল। দুয়ো দুয়োৰে ফোনৰ যোগেৰে আলাপ কৰে। প্ৰিয়া উচ্চতৰ মাধ্যমিকৰ দ্বিতীয় বৰ্ষৰ এখন চৰকাৰী মহাবিদ্যালয়ৰ ছাত্ৰী।

দিন যোৱাৰ লগে লগে সময়ৰো পৰিবৰ্তন। আকাশ আৰু প্ৰিয়া দুয়ো দুয়োকে অন্তৰেৰে ভাল পায়, কিন্তু কোনেও কাকো খুলি কোৱাৰ সাহস গোটাব পৰা নাছিল। কেৱল বন্ধুত্বৰ কথাহে পাতিছিল। ইতিমধ্যে আকাশৰ বন্ধুবৰ্গ আৰু প্ৰিয়াৰ বান্ধৱীসকলৰ মাজত দুয়োৰে মাজত থকা সম্বন্ধৰ কথা জনাজাত হৈছিল যদিও আকাশ আৰু প্ৰিয়াৰ মাজত খোলা-খুলি হোৱা নাছিল। প্ৰিয়াৰ ঘৰৰ সকলো মানুহে আকাশৰ লগত বন্ধুত্ব থকাটো জানিব পাৰিছিল। দুয়োৰে যদি এদিন কথা পাতিব নোৱাৰিছিল এটা যুগ যেন হৈ পৰিছিল। দুয়ো দুয়োৰে অবিহনে জীয়াই থকাটো কঠিন হৈ পৰিছিল।

সময়ে কয় ইতিহাসৰ কথা, সময়ে দিয়ে ভৱিষ্যতৰ বতৰা, সময়ে দিলে সময়ৰ বতৰা। এদিন দুয়োৰে আশাৰ পদুমপাহি ফুলিল। আকাশে দিলে প্ৰিয়াক ভালপোৱাৰ প্ৰস্তাৱ। প্ৰিয়াই আনন্দতে দুহাত মেলি আঁকোৱালি ল'লে। যেন ব'হাগ মাহৰ প্ৰথমজাক বৰষুণ। এজনে আনজনক এৰি চলিব নোৱাৰা হ'ল। দুয়ো ফোনৰ যোগেৰে প্ৰেমালাপ কৰে।

সময় পলাশ, নাহৰ ফুলাৰ বাটে-পথে ফুলিব ধৰিলে মৰমৰ ফুল হৃদয় বাগিচাত। আকাশে প্ৰিয়াক দুগুণ উৎসাহেৰে ভাল পাব ধৰিলে। দুয়ো দুয়োকে হেৰুৱাব নুখুজে। সময়বোৰ এনেদৰে গৈ আছে। চাওঁতে এদিন প্ৰিয়াৰ জন্মদিন আহিল, কথাটো আকাশে জানে, কিন্তু কি হ'ব 'ভবা কথা নহয় সিদ্ধি বাটত আছে কণা বিধি'। প্ৰিয়াৰ জন্মদিনৰ দিনা আকাশ যোৱাটো দূৰৰে কথা, ফোন কৰিও ফোন নাপালে, বাৰ্তা পঠিয়ায়ো বিফল হৈছিল। সময় পাৰ হৈ গৈছে, কোনো সঁহাৰি নাই। ৰাতি আকাশে আকৌ ফোন কৰিলে, কিন্তু ফোন ৰিচিভ কৰিলে মাকে। লগে লগে আকাশৰ গোটেই দেহৰ মাজেৰে এটা বিজুলীৰ সোঁত পাৰ হৈ যোৱা যেন লাগিল। তাৰ পিছত কিংকৰ্তব্যবিমূঢ় হৈ প্ৰিয়াৰ কথা সোধাৰ লগে লগে মাকে ফোনৰ লাইন কাটি দিয়ে। পিছত জানিব পাৰিলে যে তাইৰ জন্মদিনৰ দিনা ম'বাইল ফোনটো তাইক দিয়া নাছিল। এই কাৰণে যে তাই যাতে আকাশৰ লগত কোনো সংযোগ নাৰাখে। আকাশৰ আশাত চেঁচা পানী চালিলে। প্ৰিয়াৰ জন্মদিনত দিবলৈ অনা উপহাৰবোৰ আকাশৰ কমৰ চুকতে পৰি থাকিল।

প্ৰিয়াই আকাশৰ অবিহনে চলিব নোৱাৰা হ'ল। আনফালে সম্পূৰ্ণ বিপৰীত, ঘৰৰ মানুহে আকাশৰ নাম শুনিব নোৱাৰা হ'ল। তথাপি দুয়োৰে সু-সম্বন্ধ চলি থাকিল।

কেতিয়াবা হেৰাই যায় সুখৰ মালিতাবোৰ? আনন্দৰ চিঞৰবোৰ, দুখৰ পাহাৰত খুন্দা খাই প্ৰতিধ্বনি হৈ উঠি বাৰে বাৰে। সময় চাগে এনেকুৱাই। যিয়ে মাথোঁ পৰিৱৰ্তন ঘটায় ইয়াৰ গতিশীলতাই পৰিৱৰ্তন আনে। কথাষাৰ শুনিয়েই আকাশ সৰগ পৰা মানুহৰ দৰে হ'ল। বিনা মেঘে বজ্ৰপাত হোৱা কাক কয় আকাশে আজিহে জানিলে। ঘৰৰ মানুহে প্ৰিয়াক বিয়া দিবৰ বাবে আন এজন ল'ৰা ঠিক কৰিছে।

আকাশৰ চকুত যেন নাই আগৰ আবেগময় চাৱনি, নাই ওঁঠৰ হাঁহি, আছে মাথোঁ তাৰ পৰিৱৰ্তে এখন ক'লা পৰা মুখ, শেঁতা পৰা শৰীৰ। আকাশ এতিয়া দিনে-নিশাই চিন্তাত ব্যস্ত। প্ৰিয়াৰ লগত কোনো সংযোগ নাই, অনবৰতে কোঠাৰ ভিতৰত সোমাই থাকে। আকাশৰ মন ভাল নহয়। বন্ধুবৰ্গৰ সৈতে আড্ডা নামাৰে, বেছি কথা নকয়।

কিছুদিন পিছত (বিয়াৰ আগত) আকাশলৈ প্ৰিয়াই ফোন কৰিলে আৰু খবৰ সুধিলে, আকাশে প্ৰত্যুত্তৰ দিলে প্ৰিয়া, প্ৰেম সহজ, তাতকৈ সহজ প্ৰেমত পৰি নিজৰ জীৱনটো ধ্বংস কৰা, সহজ কামবোৰ স্থায়ী নহয়। সঁচা ভালপোৱাত নিস্বাৰ্থ প্ৰেম থকা হেতুকে তাক টকাৰে জুখিব নোৱাৰি। যদিও জীৱনৰ লগত টকা জড়িত হৈ থাকে। কথাখিনি শুনি প্ৰিয়াই উচুপি উচুপি কান্দিবলৈ ধৰিলে। কান্দোনৰ মাজত প্ৰিয়াই আকাশক কোৱা শুনিবলৈ পালে যে মোক ক্ষমা কৰা আকাশ, মোক ক্ষ-মা ক-ৰা। এইবুলি কৈ প্ৰিয়াই ফোন কাটি দিলে।

প্ৰিয়া আহিছিল আকাশৰ জীৱনলৈ এজাক ধুমুহা হৈ, যি পলকতে সকলো ভাঙি-ছিঙি চুৰমাৰ কৰি থৈ গ'ল।

# বাস্তৱ

ডলী মণি বৰুৱা
দ্বিতীয় ষাণ্মাসিক

াতিপুৱাৰে পৰা কিন্ কিন্কৈ দি থকা বৰষুণজাকে ঘৰখনলৈ
ৰু নিঃস্তব্ধতা কঢ়িয়াই আনিছিল। পাহাৰীয়া অঞ্চল, তাতে ওচৰে-
মাত এষাৰ লগাবলৈও কোনো নাই। অকলে অকলে খিৰিকীৰ
ই মিতালীয়ে যেন একান্তমনে কিবা গভীৰ ভাবত বুৰ গৈছে।
এটি দীঘলীয়া আলিবাট বৰষুণজাকৰ বাবে মনিব নোৱাৰা
ন্মুখত গছ-গছনিবোৰে ঠাইখিনি আৰু মনোৰম কৰি তুলিছে।
ক্রিং.... ক্রিং... কৈ ফোনটো বাজি উঠিল। মিতালীয়ে কাণৰ
তুমি মৈ 'হেল্লো' বুলি কোৱাৰ লগে লগে আন ফালৰ পৰা শুনা
ৰে যেন তাইক নিশ্চুপ কৰি পেলালে। তাই মাথোঁ হ'ব বুলিয়েই
নটো থৈ দিলে। তাইৰ চকুৰে নিৰৱধি অশ্রু ব'ব ধৰিলে। তাইৰ
াজত সুপ্ত বেদনা, স্মৃতি যেন অকাৰণতে সাৰ পাই উঠিল।
ফোনটো অহাৰ পৰাই তাইৰ মনটো কিবা নিৰস হৈ পৰিল। ফোনটো
ল বিৰাজ চলিহাই, তাইৰ কলেজীয়া দিনৰে বন্ধু অথবা তাইৰ
ানুহজন। যদিও বিৰাজে তাইক কোনোদিনেই প্রেমিকা ৰূপে
ই নিদিলে, তথাপিও বুজা হোৱা দিনৰে পৰা তাই যেন কেৱল
কেই ভাল পাই আহিছিল। কিন্তু সেই বিৰাজেই এদিন তাইক
ৱা কৰি এৰি আহিছিল। বিৰাজ আছিল তাইতকৈ দুবছৰে ডাঙৰ।
জত পঢ়া দিনৰে পৰা তাইৰ লগত বন্ধুত্ব গঢ়ি তুলিছিল। দুয়ো
জলৈ, ফুৰিবলৈ, চিনেমা চাবলৈ, বন্ধু-বান্ধৱীৰ ঘৰলৈ একেলগে
যোৱা কৰিছিল। বিৰাজেও তাইক অতি মৰম কৰিছিল। লাহে
সিহঁতৰ বন্ধু-বান্ধৱীবোৰেও সিহঁতক জোকাবলৈ আৰম্ভ কৰিছিল।
ল, মিতালীৰ বন্ধু আৰু প্রতিটো ক্ষেত্রত তাইক সহায় কৰিব পৰা
জন, যিজনে মিতালীৰ মনত বিৰাজক ভালপোৱাৰ বাবে সাহস
াই দিছিল, সিয়ে মিতালীক বিৰাজৰ প্রতি থকা দুৰ্বলতাৰ উমান
ল, আৰু হয়তো সেয়েহে তাই ভাবিবলৈ বাধ্য হৈছিল বিৰাজেও
ক ভাল পায় বুলি। সেই গভীৰ ভালপোৱাৰ মূল্য বিৰাজে মিতালীক
নাছিল। তাইৰ সঁচা ভালপোৱাৰ বিনিময়ত সি তাইক দিছিল কেৱল
স্কাৰ, লাঞ্ছনা আৰু অপমান। তাই সেই সকলোবোৰ নীৰৱে সহ্য
গৈছিল। কিন্তু তাই সঁচাকৈয়ে আচৰিত হৈছিল যিদিনা বিৰাজে
জীৱনত এজনী বেলেগ ছোৱালীক স্থান দিছিল, আৰু এদিন তাইক
কন্দুৱাই বিৰাজে চিৰদিনৰ বাবে তাইৰ জীৱনৰ পৰা আঁতৰি গৈছিল। মাথোঁ কৈ গৈছিল যে তাই যেন তাক চিৰদিনৰ বাবে পাহৰি যোৱাৰ চেষ্টা কৰে।

আজি প্রায় পাঁচ বছৰৰ মূৰত বিৰাজৰ ফোনটোৱে তাইক আচৰিত কৰি তুলিলে। সি তাইক লগ কৰিব বিচাৰিছে। কিন্তু কি কাৰণত? এইবোৰ কথা ভাবিয়েই তাই গোটেই সন্ধিয়াটো পাৰ কৰিলে। ৰাতি ১০ বজাত বিছনালৈ গ'ল যদিও শুব নোৱাৰিলে। তাই যেন মাথোঁ ৰাতিপুৱাটোৰহে কল্পনা কৰি আছিল। ৰাতিপুৱা শুই উঠি ঘৰৰ কিছু কাম-বন কৰি তাই গা-পা ধুই ধুনীয়াকৈ সাজি-কাচি ১০ মান বজাত ঘৰৰ পৰা ওলাই গ'ল। তাই বিৰাজক ১০.৩০ মান হজাত হোটেল ৰাজমহলত লগ কৰিলে। সি যেন আগতকৈ বহু বেলেগ হৈ গৈছিল। আগতকৈ বহুখিনি শকতো হৈছিল। বিৰাজক দেখা পাই তাইৰ অশ্রু গতিশীল হ'ল। দুয়ো একেলগে বহু সময় কথা পাতিলে। সি তাইক তাৰ জীৱন সংগিনী কৰিব বিচাৰিলে। সি তাইক বিয়া কৰাব খোজে। তাই তাক একো নোকোৱাকৈ তাৰ পৰা গুচি আহিল।

ঘৰলৈ আহি তাই তেনেই অৱশ হৈ পৰিছিল। তাই হয়তো কল্পনাও কৰিব পৰা নাছিল এনে এটি বাস্তৱৰ, যি বাস্তৱ কঠোৰ আৰু নিৰ্দয়। তাই ভাবিবই পৰা নাছিল তাই এতিয়া কি কৰিব? এফালে তাইৰ প্রথম প্রেম আৰু আনফালে তাইৰ কৰ্তব্য, তাইৰ দায়িত্ব। ইমান বছৰৰ আশা তাইৰ বিৰাজ আজি পুনৰ তাইৰ ওচৰলৈ ঘূৰি আহিছে। তাইৰ মনটো হয়তো অলপ চঞ্চলো হৈ পৰিছিল। তাই কি কৰিব ঠিৰাং কৰিব পৰা নাছিল। হঠাৎ তাইৰ ভাবনাত যতি পৰিল। পিছফালৰ পৰা চিমিয়ে তাইৰ চকুত ধৰি সুধিলে— '... কোৱাচোন মা, মই কোন?' মিতালীয়ে চিমিক সাবটি ধৰি এটি চুমা খালে। তাই তেতিয়াহে বাস্তৱৰ সন্মুখীন হ'ল।

এতিয়া যে চিমিয়েই তাইৰ জীৱন। চিমিক পঢ়াই-শুনাই ডাঙৰ মানুহ কৰাটোৱেই তাইৰ লক্ষ্য। কাৰণ তিনি বছৰীয়া চিমিৰ তাই যে অসহায়া বিধৱা মাতৃ। বিৰাজক তাই পাহৰিবই লাগিব। চিমিক লৈয়েই তাই জীৱনটো নতুনকৈ গঢ়িব লাগিব।



# এটা সপোন, সপোন হৈয়ে ৰ'ল

চন্দামিতা কলিতা
দ্বিতীয় ষাণ্মাসিক

*মই এনেকৈ যাব ওলোৱাৰ বাবে মোক বেয়া নাপাবা। মোৰ দুইদিনমান পিছত যোৱা কথা আছিল। কিন্তু মামাই অকস্মাতে মতা বাবে মই যাব লগা হ'ল। মোক ভুল নুবুজিবা। ভালকৈ থাকিবা। দুখ নকৰিবা। মই ফোন কৰিম দিয়া। তোমাৰ নম্বৰটো দিবা, মানে মোক sms বা miss call এটা দিবা।*

সময় ৫ বাজি ৩০ মিনিট। ৰমেন Physics-ৰ টিউচনলৈ বুলি ৰাওনা হ'ল।

'তোমালোকৰ লগত আজি এজনী নতুন ছোৱালী আহিব। তাইক যাতে তোমালোকে এইকেইদিন হৈ যোৱা পাঠকেইটাৰ অলপ help কৰি দিয়া।'

'হ'ব ছাৰ।'

এনেতে 'ছাৰ সোমাব পাৰিম নেকি' বুলি কৈ নিশিতা সোমাই আহিল। আৰু ৰমেনৰ কাষত বহিলে। তেনেতে নিশিতাৰ কাষৰ খিৰিকীখনেৰে এজাক শীতল বতাহ আহি তাইৰ চুলিখিনি ইফাল-সিফাল কৰি দিলে। তেতিয়া ৰমেনৰ চকু নিশিৰ মুখখনলৈ গ'ল। কিয় নাজানো ৰমেনৰ চুলিখিনি ঠিক কৰি দিবৰ মন গ'ল।

'ঐ ছাৰ গ'ল, কি ভাবি আছ' বুলি কৌশিকে তাৰ পিঠিত এক কোব দিয়াত সি উচাপ খাই উঠিল—

'ছাৰ কেতিয়া গ'ল অ'?'

'কেতিয়াবাই গ'ল, তই সঁচাকৈ ক'চোন কি হ'ল তোৰ অকস্মাতে?'

'নাই একো হোৱা, ব'ল এতিয়া।'

'ঐ কালি যে টিউচনলৈ আহিছিল ছোৱালীটো কিবা এটা ভাল লাগে ন' কৌশিক?'

'অ' কথা তাৰমানে আচলতে। তই মানে প্রেমত পৰিছ।'

'ধেৎ পাগল, কি যে কোৱা। এনেয়ে ভাল লাগিব নোৱাৰে নেকি?'

'পাৰে, কিন্তু তোৰ এদিনতে... ক'ব নোৱাৰোঁ দেই। মই help কৰিব পাৰিম লাগে যদি।'

'এ তইয়ো যে আৰু....' বুলি ৰমেন অলপ আঁতৰি যাব ধৰিলে।

'ৰচোন ৰহ, মই তাইক ভালকৈ চিনি পাওঁ, তেনেকৈ নামাতো কিন্তু ক'ত ঘৰ, ঘৰত কোন কোন আছে সকলো জানো। তাইৰ ঘৰ....'

'অ'ই তই বলিয়া হৈছ? নালাগে মোক এইবিলাক। ব'ল এতিয়া টিউচনলৈ দেৰি হ'ব।'

'অ' ব'ল।'

'Hi মোক এটা help কৰিব লাগিছিল। মানে মই দুদিনমান টিউচনলৈ আহিব নোৱাৰিম, বিয়া আছে আমাৰ। মোক বহীটো দিবানে? এতিয়াই মানে আগতীয়াকৈ কৈ থ'লোঁ, তেতিয়া মই নিশ্চিত হৈ থাকিম।'

'অ' Sure নিব পাৰিবা। কিন্তু তোমাৰ নামটো...?'

'মোৰ নাম নিশিতা। তোমাৰ ৰমেন নহয় জানো?'

'হয়, কিন্তু তুমি কেনেকৈ জানিলা?'

'মানে খুৰাই কৈ থাকে। টিউচন যে কৰা সেইটো মোৰ খুৰা। তোমাৰ কথা খুৰাই কৈ থাকে আৰু কিবা বহী লাগিলে তোমাৰ পৰা ল'ব দিছে। So তোমাকে ক'লোঁ।'

'অ' ঠিক আছে দিয়া।'

'Ok এতিয়া যাওঁ দিয়া পিছত লগ পাম।'

এনেকৈ দুয়ো দুয়োৰে বহুত ভাল বন্ধু হৈ গ'ল। দুয়ো এটাই আনটোক সকলো মনৰ কথা ক'বলৈ ল'লে।

'নিশি, Final Exam আহিলেই। পৰীক্ষা গ'লে কিমান যে বেয়া লাগিব। তোমাক লগ কেতিয়ালৈ পাম বা ঠিকো নাই।'

'তুমি ক'ত যাবা? কি পঢ়িবা?'

'মই দিল্লীলৈ যাম। তাতে Medical Course এটা কৰিম ৷'

'কিনো কোৱা, তুমি গ'লে মই কাৰ লগত সুখ-দুখৰ কথা পাতিম।'

'উপায় নাই অ' নিশি। সৰুতে মা-দেউতাক হেৰুৱালোঁ। সৰুৰে পৰা মামাহ'তেই চালে। এতিয়া সিহঁতে সিদ্ধান্ত লৈছে তাত পঢ়োৱাটো।'

'Ok ইমান Emotional হ'ব নালাগে দিয়া। পঢ়িবা ভালকৈ। তাত গৈ মোক আৰু পাহৰি নাযাবা।'

'হাৰে কিয় যাম। তুমিয়েতো মোৰ best friend. best friendক পাহৰিব পাৰি নেকি?'

'বাৰু, তোমাক লগ কেতিয়া পাম?'

'সেইটো ক'ব নোৱাৰিম। এই দুবছৰতো নোৱাৰিম। ফোন কৰিম দিয়া।'

'ঠিক আছে এতিয়া যাওঁ ব'লা। দেৰি হ'ল। ঘৰত গালি দিব।'

'Ok ব'লা।'

'নিশি... নিশি বুলি কৌশিকে সিহঁতৰ বাটত থিয় দিলে।

'অ' কৌশিক, কি হ'ল? ইমান চিঞৰি আহিছা যে?'

'এইখন লোৱা ৰমেনে দিছে। সি অকস্মাতে গুৱাহাটী যাব লগা হোৱাত মোক দিবলৈ ক'লে। মই এতিয়া যাওঁ।'

নিশিয়ে চিঠিখন মেলি পঢ়িবলৈ ল'লে—

নিশি,

মই এনেকৈ যাব ওলোৱাৰ বাবে মোক বেয়া নাপাবা। মোৰ দুইদিনমান পিছত যোৱা কথা আছিল। কিন্তু মামাই অকস্মাতে মতা বাবে মই যাব লগা হ'ল। মোক ভুল নুবুজিবা। ভালকৈ থাকিবা। দুখ নকৰিবা। মই ফোন কৰিম দিয়া। তোমাৰ নম্বৰটো দিবা, মানে মোক sms বা miss call এটা দিবা। আৰু শুনা, নিশি তোমাক এটা কথা ক'ম বুলি আজিলৈ কোৱা নহ'ল তোমাক হেৰুওৱাৰ ভয়ত। কিন্তু আজি ক'ব লাগিব, নহ'লে মোৰ বহুত ডাঙৰ ভুল হ'ব। তুমি মোক যি ভাবা ভাবা। মই তোমাক প্ৰথম দেখাতে ভাল পাই পেলাইছোঁ। কিন্তু তোমাক ক'ব পৰা নাছিলোঁ। মোক ভুল নুবুজিবা। মোক তুমি ৯৮৬৪..... এইটো নম্বৰত Contact কৰি উত্তৰটো দিবা।

ইতি....

ৰমেন...

নিশিয়ে বজ্ৰ পৰা মানুহৰ দৰে বহি পৰিল। তাইৰ দুগালেৰে তপত অশ্ৰু ব'বলৈ ধৰিলে।

'মাজনী এইখন কি?' বুলি কোৱাত তাই উচাপ খাই উঠিল। আৰু মাকৰ হাতৰ পৰা সেইখন আনিবলৈ চেষ্টা কৰিলে, কিন্তু নোৱাৰিলে।

'তই ইমান তললৈ গৈছ। তোক আজি দেউতাৰে দিব।'

'কি হৈছে ইয়াত? তাইক গালি কিয় পাৰি আছা?'

'চাওক, এইখন, আপোনাৰ ছোৱালী ডাঙৰ হ'ল। ল'ৰাই চিঠি দিব পৰা হ'ল।' বুলি মাকে উচুপি ভিতৰলৈ গ'ল।

'মাজনী, এইবোৰ কি?'

'নহয় পাপা, তোমালোকে ভুল বুজিছা।'

'কি ভুল বুজিলোঁ। আজিৰ পৰা তোমাৰ বাহিৰত যোৱা বন্ধ। কিবা কৰিব লগা থাকিলে বাহিৰত মই যাম তোমাৰ লগত।'

তিনিবছৰমান পিছত—

'মাজনী, কাইলৈ তোমাক চাবলৈ অমিত আহিব। মোৰ সৰুকালৰ বন্ধুৰ ল'ৰা। তুমি সাজু হৈ থাকিবা।'

'মা, তুমি please পাপাক বুজোৱা, তোমালোকে নুবুজা কিয়। মোলৈ কোনোবাই বাট চাই আছে। মই বেলেগত বিয়া হ'ব নোৱাৰোঁ।'

'তুমি মনে মনে থাকা। পাপাই যি কৈছে সেই শুনা।'

'ঠিক আছে হ'ব বাৰু। কিন্তু মোক সেই চিঠিখনতো দিয়া। মোক এবাৰতো তাক ফোন কৰিবলৈ দিয়া। please মা যদি তোমাৰ সঁচাই এখন দয়ালু হৃদয় আছে মোক এবাৰ ফোন কৰিবলৈ দিয়া।'

'বাৰু ঠিক আছে, কিন্তু আজিয়ে last.'

'হেল্ল' ৰমেন, হেল্ল''

'অ' কওক কোননো?'

'মই নিশি, চিনি পাইছা?'

'অ' নিশি কোৱা।'

'ৰমেন, মোক বেয়া নাপাবা। মই বহুত problem-ৰ বাবে তোমাক উত্তৰ দিব পৰা নাছিলোঁ। সেইবোৰ পিছত ক'ম। মইয়ো তোমাক ভাল পাইছিলো আৰু পাওঁ এতিয়াও। মোক please নিবলৈ আহা। মোক চাবলৈ ল'ৰা আহিছে।'

'কিন্তু নিশি...'

'কি কিন্তু....?'

'মই বিয়া কৰালোঁ নিশি।'

'কি? কিন্তু তুমিতো মোক....'

'তোমাৰ একো খবৰ নোহোৱাত মই তোমাৰ উত্তৰ না বুলি ভাবিলোঁ আৰু মই অহাৰ দুইবছৰ পিছতেই চাকৰি পালোঁ। মই তোমাৰ ঘৰলৈ দুদিন গ'লোঁ। কিন্তু তোমাৰ পাপাই তুমি নাই বুলি কয়। মোক ভুল নুবুজিবা।'

নিশিৰ আৰু শুনিবলৈ ধৈৰ্য নহ'ল। ফোন কাটি দিলে আৰু...

'মাজনী, তুমি এয়া কি কৰিলা। তোমাৰ কথা আমি এবাৰো নুশুনিলোঁ'... বুলি মাকে চিঞৰি কান্দি কান্দি কৈ থাকিল। আৰু দেউতাকেও নিশিৰ মৃতদেহটোলৈ একেথিৰে চাই ৰ'ল।



# আপুনি কি হ'বলৈ বিচাৰে?

সংগ্ৰাহক— হিমাক্ষী কলিতা
স্নাতক দ্বিতীয় ষান্মাসিক

আপুনি ছাত্ৰঙ্গ লগৰসকলে যি কৰিছে আপুনিও তাকে কৰক। টোপনি খতি কৰি শৰীৰক কষ্ট দি নপঢ়িলেও হ'ব। চাধা-চুৰটৰ অভ্যাসটো কিন্তু লাগিব। পৰীক্ষাৰ আগৰ দেওবাৰটোত 'পদুমিনি' থানলৈ যাবলৈ নাপাহৰিব। দাড়ি-মোচ নিমজকৈ খুৰাব। কাণৰ লতিত ৰিং এটা হ'লে বেছি 'হিৰো' 'হিৰো' লাগে। ছাৰসকলক পাৰিলে চেলেকো নহ'লে কামোৰো তেনেকৈ থাকিব। আপুনি যদি কেইবা বছৰো বৈ অহা গহীন ছাত্ৰ, তেনেহ'লে ছাত্ৰ সন্থাত মূৰটো সুমুৱাবলৈ চেষ্টা কৰি থাকিব। এবাৰ ছাত্ৰ সন্থাত সোমালে আৰু আপোনাক কোনে পায়। ইয়াত বয়সৰ ঊৰ্দ্ধসীমা নাই। মিউজিক স্কুলত এডমিছন লৈ ল'ব। চলি থাকিব।

আপুনি শিক্ষকঙ্গ হেৰি কি ভাবিছে? নাখায় মৰে নেকি? আজিকালি সেই বিশ্বামিত্ৰ-দধীচিৰ দিন নাই বুজিছে। দুপইচা আহিব। পাৰিলে গড়কাপ্টানি বা কোনোবা এটা বিভাগত নামটো ৰেজিষ্টাৰ কৰাই লওক। পাঠদানঙ্গ হেঃ হেঃ সেইফেৰা বৰকৈ নহ'লেও হ'ব। হেডছাৰনো কেইদিন আহে স্কুললৈ? সেইমখাক পঢ়াইও যি নপঢ়াইও সেই। তেওঁক যদি পঢ়াবই লাগে, ঘৰলৈ মাতক। বেঞ্চ দুখনমান যোগাৰ কৰি লওক। শ্ৰীমতীয়েও বেয়া নাপায়। পিছে একেবাহে নপঢ়াব দেই। এটা শিকাব আৰু এগালমান কৰিবলৈ দিব। Learning by doing। কৰি কৰি শিকিবলৈ দিব লাগে। সেইখিনি পৰতে আপুনি লাওজোপাত জেং এডাল দিয়ক। পানীকণ ধৰক। সব হ'ব।

আপুনি সাংবাদিকঙ্গ একদম স্পটত নাযাব, আক সুধি তাক সুধি আনৰ ধাৰ কৰা নিমখ-মচলা দি গৰমে পৰিৱেশন কৰক। যদি ধৰা পৰে বাগী দিয়ক। উপায় নহ'লে নীৰৱতা অৱলম্বন কৰক। পাৰিলে চিয়েম, পিয়েমৰ প্ৰ'গ্ৰামবোৰত ভাগ ল'বলৈ চেষ্টা কৰি থাকিব দেই। কোনোবাই কোনোবাই পুৰস্কাৰ পাইছে কিন্তু, নাপাহৰিব।

আপুনি চিকিৎসকঙ্গ আই মীন ডাক্তৰ। গহীন হওক। অন্য গ্ৰহৰ প্ৰাণী আৰু আপোনাৰ মাজত একো পাৰ্থক্য নাই। বেমাৰীক হাঁহি কথা নক'ব, মৰমেৰে নামাতিব আৰু পেছেন্টক আপুনি হাতেৰে নুচুবই। সুধিব কি হৈছে। কিন্তু পেছেণ্টে আধা কওঁতেই আপুনি দৰব লিখিব। আখৰবোৰ চিনি পোৱাকৈ নিলিখিব দেই। বহুত খৰচ কৰি আপুনি ডাক্তৰ হৈছে। কথাষাৰ নাপাহৰিব।

আপোনাৰ প্ৰায় লগৰে শইকীয়াক মেলে-মিটিঙে গামোচা দি আদৰা দেখি আপোনাৰ হ'বলা লেখক হ'বলৈ মন গ'ল। এক দিস্তা কাগজ শেষ কৰি যিটো পেৰাগ্ৰাফ লিখিলে সেইটো শুনি শ্ৰীমতীৰ বোলে নাড়ী ডাল ডাল হ'ল। শুনক, হিন্দী, বাংলা আলোচনী কিনক। ভাল লগা গল্প এটা বাছি লওক। চৰিত্ৰ আৰু ঠাইৰ নাম সলনি কৰক। পংকজ ডুবেৰ ঠাইত হৰেণ কলিতা কৰক। 'চাঁদনী চক'ৰ ঠাইত চাবতি তিনিআলি কৰক। কোন মাইকা লালে আপোনাৰ লেখা প্ৰকাশ নকৰি পাৰে। পাৰিলে বালজাক, টুৰ্গেনিভ, মোপাঁচা আদি কেইটামান নাম মুখস্থ কৰি ল'ব। এটা কথা মনত ৰাখিব, খাটি লিখা সাহিত্যিক অহা ঠাইলৈ আপুনি ভুলতো নাযাব।

আপুনি অলপ ষ্টেণ্ডাৰড্ মানুহ হ'ব খোজে নেকি? তেনেহ'লে আপোনাৰ মুখৰ উচ্চাৰণত মাতৃভাষাৰ দহা-কাজ পাতি দিয়ক। আপুনি বাছৰ বাবে 'ৰখি ৰখি ব'ৰ' হৈ যাওক। 'ভাতটো' খাওক। 'চুলিটো' কটাওক। 'দাড়িটো' বনাওক। কোনোবাই আপোনাৰ ঘৰলৈ 'আহিম' কৈছিল, আপুনি তেওঁৰ ঘৰলৈ 'যাম' কওক। আপুনি বৰুৱাৰ ঘৰলৈ নহয় 'বৰুৱাৰ তাতে' যাওক। 'খন'বোৰ 'টো' কৰক। দেখিব আপুনি স্মাৰ্ট হৈ পৰিছে।

# বিদায় বেলাৰ এমুঠি অনুভৱ...

প্ৰণৱ কুমাৰ দাস

আজি বিদায় বেলা সমাগতঙ্গ যদিও ক্ষন্তেকীয়া এই বিদায় বুকু বিদীৰ্ণ কৰি যায়চোন ভাবিলে। তিনিটা বছৰ যেন বতাহত মিলি গ'ল। হাঁহি, ধেমালি, খং-অভিমানত শেষ হ'ল বহু সপোনৰ এন এইচ্চ কলেজৰ তিনিটা বছৰ। চৰাই পোৱালি পাখিৰ তলত উমনি দি উৰিব পৰা কৰাৰ দৰে এন এইচেও আমাক উৰিব পৰা কৰি দিলে। তপন কাকতি ছাৰৰ অৰ্থপূৰ্ণ কথাবোৰ মৰ্মে মৰ্মে উপলব্ধি কৰিছোঁ। প্ৰিয় সতীৰ্থসকল, তোমালোকেও এদিন অনুভৱ কৰিবা ছাৰৰ কথাবোৰ মোৰ দৰে। এন এইচ্চৰ বিশাল বাৰান্দাত উৰি ফুৰিছে দুখৰ শিমলুবোৰ। আৰু কেইটামান বছৰ থাকিব পৰা হ'লেঙ্গ আৰু যে আহিব নোৱাৰোঁ কেতিয়াও উভতি সেই দুখে একাকাৰ কৰিছে বুকু। দৰ্শন বিভাগত ক্লাছ কৰাৰ বাবে আৰু বৈ নাথাকোঁ। লাইব্ৰেৰী, কেণ্টিন, কমন ৰুমত বহি আড্ডা মাৰিব আৰু নাহো। বগৰী পকিল নে চাব আৰু নাহো। মাণিক ছাৰৰ কথাবোৰে জীয়াই থকাৰ পথ দেখুৱালে। প্ৰতিটো কথাই জীৱনৰ প্ৰতি ক্ষণত উপলব্ধি কৰিছোঁ। বাছত অহা-যোৱা সময়বোৰৰ মিঠা অনুভৱে চুই থাকিব হৃদয়ৰ চপলা ঘাট।

এৰি যাম, এৰি যাবই লাগিব, আৰুতো উভতি নাহো কাহানিও। সেয়ে এই শেষ দিনটোত অকণমান বহিবলৈ দিয়ক। সকলোৱে কান্দিব এদিন মোৰ দৰে যেতিয়া ওলাই যাব লাগিব এই বিশাল পৰিয়ালটোৰ পৰা। আৰু যে নোৱাৰোঁ আহিব উভতি মোৰ হেপাহৰ এই ভূমিলৈ। হাবিয়াস থাকি গ'ল নতুনকৈ হোৱা খেলপথাৰখনত খেলিবলৈ নাপালোঁ। তিনি বছৰ বহুত দীঘলীয়া সময় যেন লাগিছিল আৰু আজি সেই তিনিবছৰৰ শেষ দিনটোত থিয় হৈ ভাবিছোঁ, তিনি বছৰ আজি যেন তিনি ছেকেণ্ড মাত্ৰ। বুৰঞ্জী বিভাগৰ প্ৰতিজন ছাৰকে বুকুত গোপনে সাঁচি থ'লোঁ। প্ৰতিটো বিভাগৰ ছাৰ-বাইদেউক মনৰ কেমেৰাৰে ফটো আঁকি আনিলো। বুৰঞ্জী বিভাগৰ তপন কলিতা ছাৰে প্ৰথম বৰ্যত কৈছিল— 'আমি যদিও এৰা-এৰি হ'ম এদিন তথাপিও চিনাকি থাকিবই।' আজি এই তিনিবছৰীয়া যাত্ৰাপথৰ শেষ ষ্টপেজত নামি অনুভৱ কৰিছোঁ— সঁচাকৈয়ে থাকিবনে? এতিয়া ভাবিছোঁ দৰ্শন বিভাগত বহি ৰাজেন ছাৰৰ পৰা কেইটামান কথা শুনিব পৰা হ'লেঙ্গঙ্গ ক্লাছ অফ মাৰি এতিয়া নীৰৱে কান্দিছোঁ। মাজে মাজে ক্লাছবোৰ এৰি কি যে মূৰ্খামি কৰিছিলোঁ এতিয়াহে ভাবিছোঁ। হে সতীৰ্থবৃন্দ ক্লাছ অফ মাৰি জীৱনৰ কেইটামান ৰঙীণ দিন শেষ নকৰিবা। হেৰুৱালে যে পাবলৈ নাই আৰু।

আমলখিঙ্গ তই জুপুকা মাৰি বহি থাকিবি আমি আৰু নাহো তোৰ ছাঁত জিৰণি ল'বলৈ। আমি বহু দূৰলৈ গুচি আহিলোঁ। তোৰ কুমলীয়া দেহত নিৰ্যাতন কৰিবলৈ নাহো উভতি। শীতৰ ৰাতিপুৱাবোৰত বাগিচাৰ সৌন্দৰ্য উপভোগ কৰি কোমল ৰ'দ ল'বলৈ আৰু নাহো। বাছৰ বাবে বৈ থাকিব নাহো বাছ ষ্টেণ্ডত। ৰূপালীমৰ সন্মুখত আৰু ভিৰ কৰিব নোৱাৰোঁ। স্মৃতি হৈ ৰ'ল মনৰ আছুতীয়া কোঠালিত এই তিনিটা বছৰৰ কথাবোৰ।

নৱাগত আদৰণি সভাত গধূলিলৈ অনুষ্ঠান উপভোগ কৰিব আহিব নোৱাৰোঁ কেতিয়াও। আটক ধুনীয়া বিশাল ড° ভূপেন হাজৰিকা প্ৰেক্ষাগৃহত বহি বঁটা গ্ৰহণ কৰিব নোৱাৰোঁ সঁচাকে। সময় ইমান নিষ্ঠুৰ কিয় তইঙ্গ আমাক দুখৰ মাজত কোঙা কৰি তই নিৰাপদে টিঘিলঘিলাই ফুৰিছ। ধৰিব পৰা হ'লে তোক পাখি কাটি পেলালোঁ হয়। আইচক্ৰীমৰ দৰে চুহি চুহি নিশেষ কৰিলোঁ হয় তোক। তোৰ বাবেই কমন ৰুমত বহুৰূপী কথাৰ আমেজ ল'বলৈ আহিব নোৱাৰোঁ, ৰিডিং ৰুমত টোপনি মৰাৰ বাবে ভৰেশ খুৱাৰ গালি আৰু খাব নাহো কেতিয়াও। তই সকলো লৈ গ'লি সময়; ধৰিব পৰা হ'লে তোক আইতাৰ তামোল খুন্দনাৰে তোৰ মূৰটো ধঁপাতেৰে খুন্দি পেলালো হয়।

ধ্ৰুৱ, যি মোৰ অতি মৰমৰ ভাতৃসম বন্ধু, তোমাকো এৰিলোঁ। আজি সময়ে যে নিদিয়ে আৰু তোমাৰ লগত আড্ডা মাৰিব। কমন ৰুম, অৰ্জুন গছৰ তলত বহি ঘণ্টাৰ পিছত ঘণ্টা সকলো মৰমেই থাকি গ'ল তোমাৰ-মোৰ স্মৃতিৰ কাৰেঙত। আমি যাত্ৰা কৰিলোঁ সুদূৰলৈ... অন্তহীন যাত্ৰা। নৱনীতা মেম আপুনিও আজি নিমাত। কিয় বাৰু বুকুৰ পাৰত শোকৰ ঢৌৱে খুন্দিয়াই খহাই পেলাইছে কোমল হিয়া। আপুনি এবাৰ বুজাওক 'ভাগ বটোৱাৰা'— আমি কাণ উনাই শুনিম। ৰাতি টোপনিতো আপোনাৰ পাঠ শিকিম; ৰুমমেটৰ থাপৰত টোপনি ভাগিব। এবাৰ বুজাওক মেম জীৱনৰ শেষৰ এই বিদায় বেলাত আপোনাৰ পাঠে বৰকৈ আমনি কৰিছে। আকৌ উভতি যাওঁ আপোনাৰ ক্লাছবোৰলৈ, য'ত আমনিবোৰ দূৰতে পলায়। আমাক কিয় আঁতৰাই নিলে সময়েঙ্গ উত্তৰ যে নাই দিবলৈ।

বিভাগৰ সকলোকে এৰিলোঁ। এৰি যাব ওলালোঁ বুকুৰ আপোন কলেজখনক। এৰি যাব ওলালোঁ প্ৰতিজন শিক্ষক-শিক্ষয়িত্ৰীক। অৰ্জুন গছজোপায়ো বুজিছে চাগে এৰি অহাৰ দুখত অলসভাৱে থিয় হৈ আছে। প্ৰতিজন গছক এবাৰ স্পৰ্শ কৰিছোঁ বিদায়ৰ স্বাগতম জনাইছোঁ। মাথোঁ সময়ে নুবুজিলে আমাৰ দুখ। নিপন আৰু নাহো দিয়া কলেজ সপ্তাহত তোমাৰ লগত ঘৰলৈ যাবলৈ। তোমাৰ হেঁপাহৰ কথাবোৰ স্মৃতি হৈ বৈ যাব। কাকো আৰু আমনি নকৰোঁ। আমি নীৰৱে গুচি যাম আমাৰ শেষ ঠিকনালৈ। চিএৰি চিএৰি কথা ক'বলৈ আৰু নাহো আমি অচিনাকি হৈ গুচি যাম....। তুমি খুউব হৃদয়দীন এন এইচ্চ— আমাক তোমাৰ নিয়মেৰেই খেদি দিলা। আমি যাম; যাবইতো লাগিব, তাত দোষ কাৰো নাই; মাথোঁ দোষ সময়ৰ— সেয়ে আক্ষেপ থাকি গ'ল সময় তোলৈ। লগ পালেই 'মুন্না ভাই' চেলুনত তোৰ চুলি খুৱাই মূৰটো অপাৰেচন কৰি দিলোঁ হয়ঙ্গঙ্গ তোৰ বিযাক্ত পোকটো মূৰৰ পৰা টানি আনিলোঁ হয়।

আমাক শেষবাৰলৈ চাবলৈ দিয়ক এই কেম্পাছৰ প্ৰতি অণু-পৰমাণু। প্ৰতিটো ক্লাছ ৰুমত সোমাই অনুভৱ কৰিছোঁ পুৰণি দিনবোৰৰ সুৱাস। আত্মিক সম্পৰ্কই বান্ধি পেলালে আমাক, আৰু কেইটামান উশাহ দীঘলকৈ ল'বলৈ দিয়ক। হাওঁফাওঁত সাঁচি ৰাখোঁ এন এইচ্চৰ উশাহ। কলেজ কেম্পাছৰ চাৰিওফালে দুখৰ উশাহবোৰে পিয়াপি দি ফুৰিছে। ইফাল-সিফাল কৰি ঘূৰিছে অনামী বেজাৰে। মনৰ পৰা মই ওলাই চাৰিওফালে এপাক মাৰিছোঁ। এৰি যোৱাৰ দুখত কোনেও নেদেখাকৈ চকুলো মচিছোঁ। বিদায়ৰ যন্ত্ৰণা বিদায়ীজনেহে বুজিব পাৰে মাথোঁ। কিমান বিষ বিদায় নামৰ তিনিটা আখৰৰ...।

এন এইচ্চৰ বিশাল পৰিয়ালটো এৰিলোঁ। হৈ যোৱা ভুলৰ বাবে সকলোৰে ক্ষমা বিচাৰিলোঁ। শ্ৰদ্ধাৰ শিক্ষাগুৰুসকলৰ চৰণ চুমিলোঁ। যিসকলে বহল পৃথিৱীখনত আমাৰ টুলুঙা জীৱনৰ নাও চলোৱাৰ সাহস প্ৰদান কৰিলে, জ্ঞানৰ বহল পৃথিৱীত আমাক মেলি দিলে সেইসকল মহান শিক্ষাগুৰুলৈ অশ্ৰুভৰা শ্ৰদ্ধা জ্ঞাপন কৰিলোঁ। সকলো প্ৰিয় বন্ধু-বান্ধৱী, ভাই-ভনীসকললৈ মৰম নিবেদিলোঁ। এন এইচ্চৰ বিশাল পৰিয়ালটো যুগে যুগে জ্ঞানৰ সাগৰত জাজ মেলি যাওক তাকে কামনা কৰি বিদায়ৰ শেষ ক্ষণত সেই মহান দাতাজনলৈ মোৰ সশ্ৰদ্ধ প্ৰণিপাত নিবেদি বিদায় মাগিলোঁ...।

'আৰুতো নাই সময়
গুচি গ'লোঁ বহু দূৰলৈ
তোমাক বিচাৰি আকৌ যে উভতি আহিম
সেয়াওতো নোৱাৰোঁ ক'ব।'



## অনুপ কুমাৰ শৰ্মাৰ পি এইচ ডি ডিগ্ৰী লাভ

সাপ্তাহিক 'জিজ্ঞাস'ৰ নিয়মীয়া লেখক তথা বৰপেটা জিলাৰ পাটাছাৰকুছিস্থিত নিৰ্মল হালৈ মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ সহযোগী অধ্যাপক তথা মুৰব্বী শ্ৰীযুত অনুপ কুমাৰ শৰ্মাক অলপতে গুৱাহাটী বিশ্ববিদ্যালয়ে 'Teaching and Evaluation of English at the secondary School level' শীৰ্ষক গৱেষণা গ্ৰন্থৰ বাবে পি এইচ ডি উপাধি প্ৰদান কৰিছে। গুৱাহাটী বিশ্ববিদ্যালয়ৰ English Language Teaching বিভাগৰ অধ্যাপিকা তথা মুৰব্বী ড° অনিতা তামুলীৰ তত্ত্বাৱধানত শৰ্মাই গৱেষণাক কাম সমাপ্ত কৰিছিল।

# সপোন আহে সপোন ভাগে

জুমি শৰ্মা
পঞ্চম ষান্মাসিক

'মা মই আহিলোঁ', এই বুলি মাতষাৰ লগাই ৰাহুল গ'লগৈ। মাকেও অৰম সনা মাতষাৰেৰে বিদায় দিলে— 'যোৱা বাবা'। ৰাহুল গৈ স্কুল পালেগৈ, ৰাহুল হৈছে ব্যক্তিগত স্কুল এখনৰ দশম মানৰ ছাত্ৰ। হঠাৎ বন্ধুকেইজনৰ কাষত ৰাহুলে 'ছেহ 'বুলি ক'লে। তেতিয়া বন্ধুকেইজনে সুধিলে— 'কি হ'ল অ' তোৰ?' 'নহয় মানে আজি ল'ৰালৰিতে মাক সেৰা কৰি আহিবলৈ পাহৰি থাকিলোঁ।'

ৰাহুল হৈছে মাক-দেউতাকৰ একমাত্ৰ সন্তান। তাক লৈয়ে মাক-দেউতাকৰ অলেখ সপোন। ল'ৰাজন সঁচাকৈয়ে প্ৰশংসনীয়। পঢ়া-শুনাতো অতি চোকা। লাহে লাহে তাৰ মেট্ৰিক পৰীক্ষাও আহিল। মাক-দেউতাৰ লগতে ৰাহুলো অতি সচেতন হৈ আহিল। ৰাহুল স্কুলৰ ...ক নম্বৰ। সেয়েহে শিক্ষাগুৰুসকলেও তাক লৈ যথেষ্ট আশা কৰি ...াছে, লগতে যিমান সম্ভৱ সিমান সহায়ো কৰি আহিছে। অৱশ্যে ৰাহুলৰ ...কানো ব্যক্তিগত টিউচন নাছিল। সি গণিত বিষয়টোত অতি চোকা ...াছিল। এদিন তাৰ টেবুলৰ কাষত দেউতাকে গৈ সুধিলে— 'বাবা ... পঢ়ি আছা? কোনটো বিষয় পঢ়ি আছা?' তেতিয়া সি তপৰাই উত্তৰ ...লে— 'মই Maths কৰি আছোঁ দেউতা। তেতিয়া দেউতাকে তাক ...লৈ— 'শুনা বাবা তুমি হৈছা আমাৰ সোণৰ পুতলা। তোমাক লৈয়ে আমাৰ সকলোবোৰ সপোন, আমাৰ সপোনবোৰ যেন তুমি দিঠকত পৰিণত কৰা।' তেতিয়া সি টেবুলৰ পৰা উঠি দেউতাকৰ কাষত বহি দেউতাকক সাবট মাৰি ধৰি ক'লে— 'দেউতা তোমালোকে মোৰ ওপৰত বিশ্বাস ৰাখা আৰু আশীৰ্বাদ কৰা তেতিয়াহে মই সফল হ'ব পাৰিম।' এদিন-দুদিনকৈ ৰাহুলৰ মেট্ৰিক পৰীক্ষা ওচৰ চাপি আহিল। ৰাহুলেও পাৰে মানে চেষ্টা চলালে। এদিনত ১০-১২ ঘণ্টাকৈ পঢ়িবলৈ ল'লে। হঠাৎ এদিন বাতৰি কাকতত মেট্ৰিকৰ ৰুটিন দিলে, পৰীক্ষা হেনো ২০ ফেব্ৰুৱাৰীৰ পৰা। ৰুটিনখন পাই ৰাহুল আৰু সচেতন হৈ পৰিল। বন্ধু-বান্ধৱৰ লগত অকমান খেলা-ধূলা কৰিছিল যদিও সেইখিনিয়ো বন্ধ কৰি দিলে। তাৰ মনত এটা আশা সদায় পুহি ৰাখিছিল যাতে কেনেবাকৈ সি মেট্ৰিকত এটি স্থান দখল কৰিব পাৰে।

২০ ফেব্ৰুৱাৰী ৰাতিপুৱা ৯ বজাৰ পৰা পৰীক্ষা আৰম্ভ হ'ব। মাকে ৰাতিপুৱাই উঠি গোসাঁইৰ থাপনাত চাকি-বন্তি জ্বলালে। দেউতাকেও আজি "Office"-লৈ নাযায়, কিয়নো আজি তেওঁৰ সোণৰ পুতলাটোৰ জীৱনৰ প্ৰথম ফাইনেল পৰীক্ষা। ৩ মাৰ্চ— আজি ৰাহুলৰ পৰীক্ষা শেষ, সি আজি আনন্দত আত্মহাৰা। আজি সি কি কৰিব, ক'ত ক'ত ফুৰিবলৈ যাব? এনেদৰে এদিন-দুদিনকৈ গৈ গৈ শেষত এদিন ফলাফলৰ দিন আহিল। আজি মেট্ৰিকৰ ফলাফল ঘোষণা কৰিব। তাৰ মনত যদিও বিশ্বাস আছে তথাপি মনটোক সি বুজাব পৰা নাই। সি ৰাতি পুৱাৰে পৰা বাৰে বাৰে মাকক সোধে— 'মা মোৰ বাৰু ফলাফল কেনেকুৱা হ'ব?' মাকে ক'লে— 'বাবা নিজৰ ওপৰত বিশ্বাস ৰাখা তোমাৰ ফলাফল ভাল হ'বই।' দেউতাক-মাক আৰু ৰাহুল তিনিও সি পঢ়া স্কুলখনলৈ গ'ল। গেটৰ সন্মুখত যথেষ্ট ভিৰ। তেওঁলোক তিনিওজনে গাড়ীৰ পৰা নামিল। এনেতে সকলো শিক্ষক-শিক্ষয়িত্ৰী আৰু লগতে ছাত্ৰ-ছাত্ৰীসকলেও তাক আগুৰি ধৰিলে আৰু ক'লে— "Congrasulation"। তেতিয়াহে তেওঁলোকে গম পালে যে ৰাহুল কাশ্যপে দ্বিতীয় স্থান দখল কৰিছে। তেওঁলোকে মাক, দেউতাকৰ লগতে তাকো নানা ধৰণৰ প্ৰশ্ন কৰিলে, লগতে শুভেচ্ছাও জনালে।

ৰাহুলৰ হেনো উচ্চ শিক্ষাৰ বাবে বাহিৰলৈ যাবৰ মন। তাৰ আশা পূৰণৰ বাবে মাক-দেউতাকেও অৱহেলা নকৰি বাহিৰলৈ পঠোৱাটোকে স্থিৰ কৰিলে। সিও দিল্লীলৈ গ'ল আৰু তাতে সি উচ্চ শিক্ষা আৰম্ভ কৰিলে। চাৰি মাহমানৰ পিছত হঠাৎ এদিন লেন ফোনটো বাজি উঠিল, মাকে আহি ফোনটো ৰিছিভ কৰিলে, তেতিয়া বিপৰীত দিশৰ পৰা কৈ উঠিল— 'ৰাহুল কাশ্যপ আপোনালোকৰ সন্তান হয় নে?' তেতিয়া মাকে উত্তৰ দিলে— 'হয় হয় সি আমাৰে সন্তান। কওকচোন আপুনি কোন, ক'ৰ পৰা ফোন কৰিছে?' বিপৰীত দিশৰ পৰা উত্তৰ দিলে— 'আপোনালোক সোনকালে ইয়ালৈ আহক সকলো গম পাব।' এইবুলি কৈ তেওঁ ফোনটো কাটি দিলে। মাক আৰু দেউতাকে ফ্লাইটেৰে গৈ ৩ ঘণ্টাত দিল্লী পালেগৈ, ল'গে ল'গে হস্পিতালো পালেগৈ। মাকৰ তেতিয়ালৈকে প্ৰায় অচেতন অৱস্থাৰ নিচিনা হৈ পৰিছিল। পাছত দেউতাকে ডাক্তৰৰ লগত আলোচনা কৰি গম পালে যে তেওঁৰ একমাত্ৰ সন্তানটি H. I. V. ৰোগত আক্ৰান্ত হৈছে। আৰু তাৰ কোনো চিকিৎসাও নাই বুলি ক'লে। ডাক্তৰৰ কথা শুনি ৰাহুলৰ দেউতাকৰ গাত বজ্ৰ পৰা যেন হৈ পৰিল। তেওঁৰ মুখ বোবা হৈ পৰিল। হঠাৎ ডাক্তৰজনে ক'লে— 'মিষ্টাৰ শৰ্মা আপোনাৰ ল'ৰাৰ গালৈ এই ৰোগ কেনেকৈ বিয়পিলে আপুনি জানেনে? আপোনাৰ ল'ৰাক ৰেংগী নামৰ এটা বিষাক্ত বস্তুৱে এই ৰোগ তাৰ গালৈ বিয়পালে।' আকৌ ডাক্তৰজনে ক'লে— 'হয় মিষ্টাৰ শৰ্মা, আপোনাৰ ল'ৰাৰ সহপাঠী এজনে কোৱা মতে তাক হেনো প্ৰথমে নিচাযুক্ত দ্ৰব্য সেৱনৰ বাবে প্ৰচেষ্টা চলাইছিল যদিও একো কৰিব নোৱাৰাত তাক জোৰ-জবৰদস্তি ড্ৰাগছ সেৱন কৰালে আৰু যিটো চিৰিঞ্জেৰে তাক ড্ৰাগছ সেৱন কৰাইছিল সেই চিৰিঞ্জটো এজন H. I. V. আক্ৰান্ত ব্যক্তিয়ে ব্যৱহাৰ কৰিছিল আৰু ইয়াৰ পৰাই আপোনাৰ ল'ৰাৰ গালৈও এই মাৰাত্মক ৰোগটো বিয়পালে। তেতিয়া ৰাহুলৰ দেউতাকে ডাঙৰকৈ এটা হুমুনিয়াহ কাঢ়িলে আৰু ক'লে— 'সপোন জানো এনেকৈয়ে আহে আৰু এনেকৈয়ে ভাগে!'






# কবিতা

# চেনাবৰ সোঁত শুকাই গ'ল নৰগ্ৰহত

ৰাজেন দাস

নৰগ্ৰহত এগৰাকী ৰঙা নাৰীৰ আঁচল উৰিছিল
মানুহৰ শাৰী ভাঙি এখন নদী বগাইছিল
শুক্লেশ্বৰৰ হালধীয়া ফুলবোৰ বাগিচা পাতি বহিছিল
নিদ্ৰাৰত উশাহবোৰ সকলোৰে কলিজাত ফুলি উঠিছিল
আৰু এগৰাকী ৰঙা নাৰী কঁহুৱা হৈ উৰিছিল
নৰগ্ৰহত চেনাবৰ সোঁত শুকাই গৈছিল

এখন কুণ্ডলীৰ ভাজত তেওঁৰ বাবে লিখা আছিল
শতিকাৰ অভিশাপ
তেজ আৰু ধূলিৰ দমত জীৱনৰ কঠিন চিত্ৰ
কি আচৰিত
শৈশৱত ব্ৰহ্মপুত্ৰ বিসৰ্জনৰ মন্ত্ৰ শুনা দেৱী
নৰগ্ৰহৰ সেউজীয়া বাকৰিত দুখৰ খৰিকাজাই

কোনে কয় সেই ৰঙা নাৰী সাপগ্ৰস্তা
তেওঁচোন আমাৰেই স্বপ্নদ্ৰষ্টা
তেওঁ পৃথিৱীৰ অদাহ্য সোণ
দহি দহি জাতিষ্কাৰ হোৱা
মৃত্যু সীমাৰ নক্ষত্ৰ

তেওঁ চকুত ক'লা ৰং ভাল পাইছিল
চেলাউৰীত ধেনু মেলা চুলি
ওঁঠৰ ভূগোলেৰে তেওঁ হ'ব খুজিছিল
আটাইতকৈ সুখী নাৰী
অথচ দুখে তেওঁক অনবৰত মেৰিয়াই ৰাখিছিল
সাপৰ দৰে
আৰু বগা গোলাপৰ সলনি
তেওঁ হৈ পৰিছিল বুকুৰ ৰক্তজবা
এনেদৰে চেনাবৰ সোঁত শুকাই গ'ল নৰগ্ৰহত
কপালৰ ৰঙা ঠিকনা হেৰাই গ'ল নৰগ্ৰহত
প্ৰাচীন মহাকাব্যৰ শেষ পৃষ্ঠা লিখা হ'ল নৰগ্ৰহত
দাসৰথীৰ খোজবোৰ কপৌ হৈ উৰি গ'ল নৰগ্ৰহত
আৰু এগৰাকী ৰঙা নাৰী
হঠাতে অদৃশ্য হৈ গ'ল শীতৰ শ্মশানত
তেওঁ মামণি ৰয়ছম
নৰগ্ৰহত হেৰাই যোৱা এটা কবিতাৰ নাম।


*(সহকাৰী অধ্যাপক, দৰ্শন বিভাগ)*



## নেপথ্যত গুণগুণনি

**ধ্ৰুৱজ্যোতি পাঠক**
*তৃতীয় ষান্মাসিক*

উস্ উস্ কিনো যুগ আহিলে বোপাই
কেনেকৈনো বাছি আছ তহঁতসোপাই।
ভাত নাই, পানী নাই, পিল আৰু কিল খাই,
ছিঃ বোপাই তহঁতক দেখিলেই লাজ লাগি যায়।।
আমাৰ দিনত কেনেদৰে মাছ খালোঁ গেলাই-পচাই
দেহি ঐ দুৰ্ভগীয়া তহঁত সঁচাই।।
পাঁচ কিলো চাউলত আধাকিলো শিল,
চাউলৰ স'তে তাৰ কিনো চাবা মিল।
কাঠৰ মিলৰ পৰা ময়দা ওলায়
দেখিলেই পেটটিয়ে আমোল-মোলায়।।
ঘিউ খালে গেষ্ট্ৰিকে নিউ নিউ কৰে,
মছলাৰ গোন্ধতে মূৰ চক্ৰাকাৰে ঘূৰে।।
চৰকাৰে খুলি দিলে মাছৰ ফিচাৰি
মাছেও জালত উঠে বেপাৰী বিচাৰি।
হেৰৌ বোলো তহঁতে মাছ চিনি পাৱনে
এই যে ৰৌ, বৰালী, ভকোৱা ইত্যাদি।।
বাদ-বাদ ক'ত বাদ মাৰ্ক্সবাদ-গান্ধীবাদ,
দিনে দিনে কণী পাৰে হেন বাদ তেন বাদ।
মূৰৰ ভিতৰ ফালে একেবাৰে বৰ্বাদ।।
নাই ভাব, নাই চিন্তা, নাই একো বস্তুৰে অভাৱ।
বৰ বৰ নেতাবোৰে কয় বৰ কথা
মানুহেও কথা শুনি বৰ ভাল পায়।
আজিকালি চাকৰিও বজাৰত বিক্ৰী হয়,
খৰিদ্দাৰে দৰ-দাম কৰে।
কিনো হওঁতেই কোনোবাই আহি
ওপৰতে চিলা থাপ মাৰে
ল'ৰাবোৰে চুলি ৰাখে ছোৱালীয়ে কাটে,
ছোৱালীয়ে চোলা পিন্ধে দু-আঙুলে নাটে।।



## তুমি যে ফাগুন

**অংকিতা শৰ্মা**
*স্নাতক প্ৰথম ষান্মাসিক*

তোমাক দেখাৰ পৰা
বুকুৰ মাজত সুপ্ত হৈ থকা পলাশজোপা
ৰঙা হৈ ফুলিছে
আকাশখন বেছি নীলা হৈছে।
গছবোৰে নতুন বসন পিন্ধি সাজি-কাছি ওলাইছে
(যেন কাৰোবাৰ বিয়ালৈহে যাব ওলাইছে!)

তোমাক দেখাৰে পৰা
চকুপানীবোৰে হাঁহিৰ সঁফুৰা হৈ
হাত বাউল দি মাতিছে
নতুবা হাঁহিবোৰ চকুপানী হৈ
লতাৰ দৰে মেৰিয়াই ধৰিছে মোৰ সমগ্ৰ সত্তা
আনন্দতে কিম্বা দুখতে মই হৈ পৰিছোঁ দিশহাৰা।

কিয় জানানে?
তুমি যে ফাগুন
ধূলিৰ ধূসৰতাৰ মাজতে তুমি লৈ আহা
ফাগুনৰ উতনুৱা বানত উটি ভাহি ফুৰা
কোনোবা দুৰন্ত প্ৰেমিকৰ বন্ধ খাম
নাইবা লৈ আহা কোনোবা প্ৰতাৰিত
প্ৰেমিকাৰ এটুপি অশ্ৰুকণা।

তোমাক চাবলৈ মোৰ ভয় হয়
কিজানি জপনা খুলি মোৰ পদূলিত সোমাই
ছটিয়াই দিয়া এজোলোকা ধূলিয়ৰি
মইতো ধূসৰ হ'ব নিবিচাৰোঁ
মইতো সদায় জীপাল হৈ থাকিব বিচাৰোঁ
এমোকোৰা হাঁহিৰে।
সেয়েহে মই সদায় কামনা কৰোঁ
মোৰ ফাগুনে মোক দি যাওক
বুকুৰ গভীৰতম কোণৰ পৰা
এপাহ ৰঙা পলাশ।



## নিশাৰ চিঞৰ

**অনিমা দাস**
*স্নাতক প্ৰথম ষান্মাসিক*

এটা নিশাই চিঞৰে
ৰাজপথত!!
অসহায়ৰ দৰে
চিঞৰটো কোনেও নুশুনে
আৰু নেদেখেও
কাৰণ প্ৰতিজনৰ চকুও এতিয়া
এখন কংক্ৰিটৰ দেৱাল
কাণত ব্যস্ত কোলাহল।
প্ৰাণৰ মায়াত নিশাটোৱে
হাত-ভৰি আচাৰে
আৰু শেষত.....
পৰাজয়ী সৈনিকৰ দৰে
বৈশ্যতা স্বীকাৰ কৰে
এদল বন্য কুকুৰৰ আগত
কি আশ্চৰ্য?
কি বীভৎস?
সময়ে বিনাই—
নিশা তই নাহিবি এন্ধাৰ হৈ
এন্ধাৰত যে এতিয়া কুকুৰবোৰে
ঘূৰি ফুৰে ভোকাতুৰ হৈ
এতিয়া সিহঁতক ৰুটি নালাগে
লাগে কেৱল নাৰী মাংস।



## তুমি মাথোঁ মোৰ

**নিশামণি কলিতা**
*স্নাতক প্ৰথম ষান্মাসিক*

তুমি মোৰ, তুমি হয়তো নাভাবা
মই তোমাৰ হ'ম।
মই ভাবোঁ আকাশৰ তৰাবোৰৰ
মাজত তুমি জোন।
আহিছোঁ যিদৰে পৃথিৱীলৈ
যামো সিদৰে আকলশৰে।
মই জীৱনত কি কৰিলোঁ?
একো এটা কৰিব নোৱাৰিলোঁ।
পৃথিৱীত প্ৰথম চিনাকি
তোমাৰ লগত আৰু
শেষো তোমাৰেই লগত
মোৰ জীৱনৰ অন্তিম সাঁচত।
তুমি মোক বেয়া বুলি
এৰি থৈ গ'লা
মই কিন্তু তোমাৰ জীৱন যাত্ৰাৰ
সংগী হৈয়ে ৰ'লোঁ।
মই ইচ্ছা কৰিছিলোঁ
জীৱনৰ প্ৰথম সাঁকোখন
তোমাৰ স'তেই গঢ়িম বুলি
কিন্তু তুমি সেই সাঁকো দিলা ভাঙি।
জীৱনে-মৰণে মই বিচাৰোঁ তোমাক
তুমি কিন্তু নিবিচৰা
এই দুৰ্ভগীয়াক।।

## উকা কাগজত লিখা নহ'ল তোমাৰ নাম

**পল্লৱী চৌধুৰী**

আজিৰ সন্ধিয়াটো বৰ উকা উকা লাগিছে
ক'ৰবাত চাগে' বৰষুণ পৰিছে,
তুমি নাকান্দিবা
অলেখ মৃত্যুৰ দুঃস্বপ্নৰ মাজতো
পৃথিৱীৰ প্ৰেমে মোক জীয়াই ৰাখিছে।
আজি একোৱেই নাই মোৰ নিজৰ বুলি ক'বলৈ
মাথোঁ মোৰ জেপত জোন ঘূৰণীয়া অলেখ স্মৃতিৰ
মুদ্ৰা
প্ৰেমত পৰি মই মানুহজন সম্প্ৰতি সৰ্বহাৰা
কিয়নো প্ৰেম মানেইতো আনৰ সোপনৰ হিচাপত
নিজৰ হৃদয়ক দান কৰা।
প্ৰেম মানেই নিজক ৰিক্ত কৰি আনক চহকী কৰা
প্ৰেম মানেই নিজে মৃত্যুবৰণ কৰি আনক জীয়াই
তোলা
তোমাক বিদায় জনাই মই উভতি আহিছিলোঁ
যোৱাগৈ আজিৰ পৰা সুখী হোৱাগৈ
জীৱন ক'ত আৰম্ভ হৈছিল পাহৰিছোঁ
আজিও মনত পৰে বিয়া ঘৰৰ সেই দিনলৈ
য'ত একোৱেই বুজা নাছিলোঁ
প্ৰেম বা জীৱন কি?
সুখ বা দুখ কি?
সুখতো দুখতো একেলগে থাকিবা বুলি কৈছিলোঁ
মোৰ বাবে যি দুখ তাতেই সুখী তুমি
মোৰ বাবে যি সুখ তুমি তাত ম্লান
এতিয়া দুখে মোক কন্দুৱাইছে
তুমি দূৰণিত খিল খিলাই হাঁহিছা চাগে'!

## হৃদয়ত বেদনাৰ এজাক ধুমুহা


**আমজেদ আলী**

*স্নাতক তৃতীয় ষাণ্মাসিক*



হৃদয়ত বেদনাৰ এজাক ধুমুহা
ভাহি গ'ল পলকতে আশাৰ সাধনা
সকলো মোহাৰি নিলে উৰুৱাই
প্ৰাণভৰা প্ৰীতিৰ সাগৰ দিলে শুকুৱাই


পাৰ হোৱা সোঁৱৰণী নহয় অৱসান
হঠাতে হয় যদি মোৰ দেহাৱসান
মৃত্যুৰ সিপাৰে থাকিবানে বৈ
দিয়া আহি উজলাই নিসংগতা মই

তোমাৰ ভাবনাত অশ্ৰু নিগৰে
তুমি জানা মোৰ বহু যুগৰে
শুকান বালি হৈ মৰুভূমিৰে
উৰি নাযাবা বহু দূৰলৈ।

দহনত জ্বলি, ময়ো হ'ম ছাই
দুখৰ বতাহ যদি বলে সঘনাই
অসাৰ হ'ল জীৱনৰ সীমাহীন বাট
হৃদয়ত আজি বৰষে, ৰুদ্ধ প্ৰতিঘাত।

গোপনে কিয় কৰিলা প্ৰেমৰ অৱসান।
দিঠকত দি যোৱা মোৰ আশা প্ৰাণ
মোলৈ কিয় এৰি গ'লা অশ্ৰুৰে বাণ
নাপালোঁ নুবুজিলোঁ কোনো সমিধান।





## ক্ৰমশঃ


**নয়না শৰ্মা**

*উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ*


তাৰ পিছত সন্ধিয়া
তুমি সোধা— 'কি কৰি আছিলা ?'
'তৰা গণি আছিলোঁ
জোনাকৰ বুকুত— মই কওঁ
তুমি কোৱা— উম...হু দুষ্টামিবোৰ এৰা না
মই বুজি পাওঁ....
তেনেকৈ ক'লেও তুমিও ভালপোৱা, এই দুষ্টামিবোৰ
আৰু ময়োতো এৰিব নোৱাৰোঁ এইবোৰ
'মই জীয়াই থাকিম', এইবোৰৰ মাজত,
এই, শুনা তুমি কোৱা..... উম কোৱা
তুমি মোৰ কাণত ফুচফুচাই কোৱা— তুমি
দুষ্ট হৈছা আজিকালি, মোলৈ কিয় চোৱা
বাৰে বাৰে,
মোৰ হাঁহি উঠে, তোমাৰ কিবা মনত পৰে,
মোৰ চুলিত হাত বুলাই তুমি অভিমান কৰা...
'চুলিবোৰ জপৰাকৈ নাৰাখিলে নহয়নে ? আৰু
দাড়িবোৰ, ফকিৰ হ'বা নেকি ?
তুমি মাজে মাজে দুখত থাকা কিয় ? হাঁহি থাকিবাচোন
মই জানো, তোমাৰ প্ৰশ্নৰ শেষ নাই
মোক এৰি যাব দিয়া— মই কওঁ
দুনাই নক'বা তেনে কথা, মই মৰি যাম !
তুমি মোক সাবটি ধৰা
কোনে জানিছিল মোৰ যে সোপনটোৱেই মিছা আছিল
নিজানত কান্দিলোঁ
হৃদয়ৰ পৰা কথাবোৰ ওলাই আহে
নীলৰঙী তৰাটো উপঙিছে পানীত
সেয়াটো মই....।

## ভালপোৱাৰ ছবি


**কীৰ্তি কমল দত্ত**

স্নাতক প্ৰথম ষাণ্মাসিক


ভাঙো বুলি যদি ভাঙিব পাৰি
তেন্তে, গঢ়িছিলা কিয় এই সম্পৰ্ক;
ফুটাব নোৱাৰা যদি ওঁঠত হাঁহি
দুচকুত কিয় দিলাহি চকুপানী বাকি
পেলাই দিবই পাৰা যদি তলসৰা বুলি
কিয় লোৱা তুলি বাটৰ কাষত পৰি থকা শেৱালি
কালিলৈকে বৈ থকা ভালপোৱাৰ স্ৰোতস্বিনী
আজি নাই বুলিয়েই যদি ক'ব পাৰি
পাহৰোঁ বুলিয়েই যদি পাহৰিব পাৰি
তেন্তেই কেনে ভালপোৱা
জোনে যাক পৰা নাই ক'ব
আকাশে যাক পৰা নাই চুব
প্ৰেমৰ শুভ্ৰতা আৰু বিশালতাৰ কথা।




## স্মৃতিবোৰ...


**হিৰণ্য পাটগিৰী**

*স্নাতক প্ৰথম বৰ্ষ*


ৰাতিপুৱাৰ শুভ্ৰ পোহৰত
নিবিড়ভাৱে মনত পৰে,
তোমালৈ....
গোটেই জীৱন নিষ্প্ৰদীপ কৰিলা
আজি জীৱনটো মোৰ।
তোমাৰ মনত পৰেনে ?
দুয়ো অকলশৰে বহি থকা
নিজম নিস্তব্ধ সেইবোৰ
নিশাৰ কথা।
যেতিয়া দুয়ো গাতে গা লগাই
বহি আছিলোঁ
মৰম যাচি, ইটোৱে সিটোক।
এতিয়া জানো,
সেইবোৰ কথা
হৈ গ'ল স্মৃতি।
এতিয়াহে বুজিছোঁ
তোমাৰ সেই গুপ্ত
স্বাৰ্থপৰ অভিপ্ৰায়বোৰ।
তুমি যে নুবুজিলা
মোৰ হৃদয়ৰ অনুৰাগবোৰ।
প্ৰেমবোৰ হৈ গ'ল অসাৰ
আহিল মাথোঁ
কলংকৰ ছাই।
নালাগে এনেকুৱা জীৱন
নকৰোঁ আৰু প্ৰেম,
পুনৰ ৰচিবলৈ স্মৃতিবোৰ...।







## কবিতা


**গাৰ্গী শৰ্মা**

*উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ*


আহো বুলিয়েই আহিলা
যাওঁ বুলিয়েই গুচি গ'লা
কিয় ?
কিয় ? এবাৰ মোক নুসুধিলা
কিয় মোক এই ভয়ংকৰ পৃথিৱীখনত
অকলশৰে এৰি থৈ গ'লা
আজি বহুদিন হ'ল
কাৰো স'তে মুখামুখি হোৱা নাই,
তোমাক হেৰুওৱাৰ দিনাৰ পৰা....
মোৰ সাহস, বিশ্বাস, ভালপোৱা,
মোৰ চঞ্চলতা হেৰুৱাই পেলাইছোঁ,
কিয় ?
কিয় ? তুমি এনেকুৱা কৰিলা
কিয় ? এবাৰো মোৰ কথা নাভাবিলা,
নীৰৱ এটা চতুৰালিৰে...
ধৰি ৰাখিব খুজিছিলোঁ তোমাক
কিন্তু, নোৱাৰিলোঁ
মোৰ চকুৰ আগৰ পৰাই তোমাক
কোনোবাই আঁজুৰি লৈ গ'ল...
চিৰদিনৰ বাবে...।।

## সপোন


**দীপশিখা শৰ্মা**

*উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ*


এটোপ... এটোপকৈ
নিগৰি যায় সময়...
তাৰ মাজে মাজে ৰোঁহে মেলে
সপোন... সপোন
সপোন নিলীম আকাশৰ দৰে ক্লান্তিহীন,
সিৰাৰে প্ৰবাহিত ৰক্তৰ দৰেই তপ্ত।
একোলা.... একোলাকৈ বাঢ়ি আহে
সপোন...
সানি দিয়ে স্নিগ্ধ মৰমৰ মায়া
সানি লয় হৃদয়ত আলফুলে
ফাগুনী নিলয় বতাহ।।
পাহি মেলে দুচকুৰ তিৰবিৰণিত
সপোন বসন্তই...
তথাপিও নাভাঙে সপোন...
ক্লান্ত দিঠকৰ নিৰ্মম প্ৰহাৰত
সপোন হেৰাই যায় জীৱনৰ বাটত
খহি খহি লুকাই পৰে...
এটি মিঠা সপোন...
চকুলোৰে সিক্ত হয় দুচকু
আৰু ধ্বনিত হয় জীৱনৰ
কৰুণ বিননি
এয়াই সপোন...।।

## আকৌ এটি হেৰোৱা গোন্ধ


**মিতালী লহকৰ**
*স্নাতক প্ৰথম ষান্মাসিক*

কেতিয়াও ভবা নাছিলোঁ মই
সপোনৰ সেই আমেজ ৰূপ
দেশখন এদিন
বিচাৰি পাম বুলি
তাত তুমি আছিলা
আৰু.... আৰু!
তোমাৰ স'তে মই আছিলোঁ
মলয়াজাকে কোমল গতিত
গুণগুণাই আছিল
তোমাৰ কাষত বহি
চাই আহিলোঁ প্ৰকৃতিৰ নৃত্য
আমাৰ পঁজাটিৰে দুৱাৰডলিৰে
বৈ যোৱা জুৰিটিয়ে
জিৰ্-জিৰ্কৈ গীত গাই গাই
অজান দেশলৈ যাত্ৰা লৈছিল
তৰাবোৰ মিচিকি মিচিকি হাঁহি
আমাক হাত বাউলি
মাতি আছিল
তোমাৰ স'তে সেই সপোনৰ
দেশখনত থাকি
কিমান যে ভাল লাগিছিল
সৌ ক্ষণবোৰ কি যে
মধুময় আছিল
আমাৰ চাৰিওপিনৰ পৰা যেন
এটি সুবাস আহিছিল
শান্তিৰ, মাথোঁ শান্তিৰ সুবাস।

## জোনাকৰ দিনবোৰ

**গীতু মণি দাস**
*পঞ্চম ষান্মাসিক*

কিমান মধুৰ আছিল সেই দিনবোৰ
শৰৎ কালৰ শাৰদীয় জোনাক
শেৱালিজোপাৰ তলত বহি
আমি আপোন পাহৰাই কথা পাতিছিলোঁ।
বহুত সপোন দেখিছিলোঁ।
বহুত কল্পনা কৰিছিলোঁ আমি দুয়ো
শেৱালিজোপাই জোনৰ পোহৰত
হাঁহি হাঁহি আমাৰ কথাবোৰ শুনিছিল।
মাজে মাজে এছাটি মলয়া বতাহে
আমাক আহি চুই গৈছিল।
আজিও মনত পৰিলে মোৰ বুকু কঁপি উঠে
কিন্তু নিষ্ঠুৰ নিয়তিয়ে আঁতৰাই লৈ গ'ল
আৰু...
তুমি মোৰ পৰা আঁতৰি গ'লাগৈ
বহুতো দূৰ-দূৰণিলৈ।
সেই জোনাকৰ দিনবোৰতে মোৰ
উজাগৰী নিশাৰ কাহিনী।
এখনি মুক্ত আকাশত, এখনি সঁচা হৃদয়ৰ
সপোন এক জীয়াই থকাৰ প্ৰতিশ্ৰুতি
জীৱনত আৱেগ, অনুভূতি, আন্তৰিকতা
আশাৰ বন্ধনত।।
মই এতিয়া অকলশৰীয়া হৈ পৰিছোঁ।
খহাই নিয়া,
জোনাকৰ দিনবোৰ...।



## মোৰ ভালপোৱা তোমাৰ ঘৃণা

**চম্পক বৰ্মন**
*তৃতীয় ষান্মাসিক*

তুমি মোক ঘৃণা কৰি জীয়াই আছা
আৰু মই তোমাক ভাল পাই জীয়াই আছোঁ।
তোমাৰ ঘৃণাৰ ওচৰত হাৰি যাব নেকি মোৰ ভালপোৱা?
নে মোৰ ভালপোৱাৰ ওচৰত হাৰি যাব তোমাৰ ঘৃণা?
মোৰ ভালপোৱাই কেতিয়াও হাৰ নামানে!
কাৰণ প্ৰেমত কোনে-কেতিয়াও নাহাৰে
মাথোঁ বিচ্ছেদ হয় হৃদয় দুখনৰ।
হয়তো এদিন তোমাৰ ঘৃণাই হাৰি যাব
মোৰ ভালপোৱাৰ ওচৰত।


হয়তো কেতিয়াবা
তোমাৰ ঘৃণাৰ মাজত মোৰ প্ৰতি
অলপ ভালপোৱাৰ ভাব উপজিব
আৰু তেতিয়াই মোৰ প্ৰতি ঘৃণাৰ সৃষ্টি হ'ব
আৰু সেই ঘৃণাৰ মাজত মই
জীয়াই থাকিব বিচাৰোঁ তোমাৰ হৃদয়ত...।



## দানে-পুণ্য

**ডলী দাস**
*একাদশ শ্ৰেণী*

গুণী-জ্ঞানী, চিন্তাশীল, শিক্ষা-সচেতন,
তেওঁলোকৰ চেষ্টাৰ ফল এই নিকেতন।
ত্ৰিশ জুলাই বৰ্ষ ঊনৈশ শ ঊনাশী,
'প্ৰাগজ্যোতি মহাবিদ্যালয়, পাটাছাৰকুছি'
উক্ত নামে জনম পায় এই নিকেতনে,
সংস্কাৰ হ'ল যাৰ নিৰ্মল হালৈৰ দানে।
বৰঘোপাত জনম লভা শদিয়াৰ নিৱাসী,
ভাবিত ভাগিনৰ আহ্বানে ইয়ালৈ আহি;
পঞ্চ লক্ষাধিক অৰ্থ আগবঢ়াই দান,
পাটাছাৰকুছি ৰাইজৰ হ'ল শ্ৰদ্ধাৰ ভাজন।
ঊনৈশ শ বিৰানব্বৈ দুই জনুৱাৰীৰ দিনা,
'নিৰ্মল হালৈ কলেজ' নামে পৰশিলে সীমা;
এই নাম ৰখা হ'ল দানবীৰৰ নামে,
তেনেকৈয়ে নিকেতনক আজিৰ লোকে জানে।
অশিক্ষিত দানবীৰ শিক্ষাত সচেতন,
সৰস্বতী হালৈ ভৱন দ্বিতীয় পৰমাণ।
ছাত্ৰ একতা সভাৰ তোৰণ নিৰ্মাণ,
অন্তিম দানেৰে দাতাৰ বৈকুণ্ঠ প্ৰয়াণ।
দানবীৰৰ দানেৰে হ'ল পূৰ্ণ নিকেতন,
চলিছে তাতেই আজি আমাৰ অধ্যয়ন।
বিদ্যালয়ৰ নামাৰ্থ, জানিবলৈ তত্ত্ব,
জিতেন শৰ্মা জেঠাইৰ পৰা ল'লোঁ ইতিবৃত্ত।
দূৰ-দূৰণিৰ বিদ্যাৰ্থীৰ হ'ল মিলনৰ স্থান,
নিৰ্মল হালৈ হওক সূৰ্যসম জ্যোতিস্মান।
দানে পুণ্য সত্যক দাতাই বুজিলে যিমান,
সুফল দিয়াৰ মানসে আমি কৰিম অধ্যয়ন
'শিক্ষাত অগ্ৰণী হওক' সমগ্ৰ অঞ্চল বুলি
ইতিৰেখা টানিলোঁ যাচি শ্ৰদ্ধাঞ্জলি।



## মা

**বিপ্লৱ কুমাৰ ৰয়**
*পঞ্চম ষান্মাসিক*

মা সঁচাকৈ তুমি মৰমিয়াল
তুমি মহান, তুমি অনন্যা।
মা, তুমিয়ে মোক দিছিলা জীৱন,
তোমাৰ কোলাতেই মেলিছিলোঁ
মই প্ৰথম দুচকু।
তোমাৰ কোলাত বহিয়েই চাইছিলোঁ
আকাশৰ সেই তৰা, জোন, বেলি।
মা তুমিয়েই মোক শিকাইছিলা
কথা ক'বলৈ।
তোমাৰ কোমল হাতত ধৰিয়েই মোক
শিকাইছিলা, এখোজ-দুখোজকৈ খোজ কাঢ়িবলৈ
আৰু
স্কুলত কোনোৱে মোক মাৰিলে
তুমিও সিহঁতক মাৰিম বুলি
ভয় খুৱাইছিলা।
সঁচাকৈ মা তোমাৰ মৰমৰ তুলনা নাই।

মা, আজিও মই তোমাৰ
মৰমত থাকিব বিচাৰোঁ
তোমাৰ কোলাত বহি আকৌ

সেই আকাশৰ তৰা, জোন, বেলিক
চাব বিচাৰোঁ।
তোমাৰ কোলাতেই মই মোৰ
ভাগৰুৱা দেহা সাত পেলাব বিচাৰোঁ
তোমাৰ কোলাতেই মই মোৰ
জীৱনৰ শেষ দুচকু মুদিব বিচাৰোঁ।

তোমাৰ মৰমক পাহৰিব
নোৱাৰিম মা
তোমাৰ ওচৰত মই আজীৱন
ঋণী হৈ থাকিম।

## প্ৰেমৰ অনুভূতি

শিখামণি কলিতা
পঞ্চম ষাণ্মাসিক

বসন্ত কালত প্ৰকৃতিয়ে নতুন পোছাক পিন্ধাৰ দৰে
ময়ো নতুন পোছাক পিন্ধিলোঁ এই যৌৱন কালতে।
যেতিয়া, মোৰ আৰু তোমাৰ চাৰি চকুৰ মিলন হৈছিল,
তেতিয়া মনলৈ আহিছিল নতুন আকাংক্ষা, সেইদিনা...
মোৰ জীৱন নাৱৰ কাহিনী ক'ত আৰম্ভ আৰু ক'ত শেষ...
এই লৈ মোৰ মনটো ঘূৰণি বতাহে উৰাই নিয়া...
ধূলিকণাৰ নিচিনা হৈছিল।
যেতিয়া, অকলশৰে বহি থাকোঁ স্নিগ্ধ জোনাক নিশা—
তেতিয়া, মনহে আহে তোমাৰ ভাবনা
তুমি মোৰ পৰা আঁতৰত থাকা
মই নাভাবোঁ, তুমি মোক পাহৰি যাবা
কাৰণ...
তোমাৰ প্ৰতি মোৰ মৰম চিৰযুগমীয়া।

## তুমি অবিহনে সুখৰ সন্ধান কৰিম

শিখামণি দাস
পঞ্চম ষাণ্মাসিক

কুমি ক'ত আছা কেনে আছা, নিশ্চয় ভালে আছা
ভগৱানে তোমাক একো দুখ-কষ্ট নিদিয়ক
তোমাৰ কপালত যদি দুখ আছে, সকলো মোক দিয়ক
কাৰণ মোৰ গোটেই জীৱন দুখ-যন্ত্ৰণাৰে জৰ্জৰিত
মোৰ অভ্যাস হৈ গৈছে, মই দুখ সহিব পাৰোঁ
সৰু-সুৰা আঘাতত মোৰ চকুলো নোলায়
ছেঃ মইনো তোমাক এইবোৰ কিয় শুনাই আছোঁ?
তুমি নিশ্চয় বিৰক্তিবোধহে কৰিছা,
তুমি যে গ'লা মোৰ জীৱনৰ পৰা
মোৰ হৃদয়ৰ আহ্বান অস্বীকাৰ কৰি...
এবাৰো পিছলৈ কেৰাহিকৈ নাচালা
তেতিয়া মোৰ অনুভৱ হৈছিল মই যেন
জীয়াই থকাৰ অৰ্থ নাই
কিন্তু পিছত ভাবিলোঁ যিজন মানুহৰ
মোৰ প্ৰতি তিলমানো চিন্তা নাই
তাৰ কাৰণে জীৱন দিয়াৰ কোনো অৰ্থ নাই
তুমি অবিহনে মই জীয়াই থাকিম বুলি সংকল্প ল'লোঁ
জীয়াই আছোঁ, কিন্তু মই বাৰু সঁচা অৰ্থত জীয়াই আছোঁনে?
মোৰ জীৱনত কোনো আশা নাই, নাই কোনো উদ্যম
এনে জীৱন জীয়াই থকাৰ কিবা অৰ্থ আছে জানো
জানো, তুমি মোৰ জীৱন লৈ আৰু কেতিয়াও ঘূৰি নাহা
কিন্তু মই সদাই এইটোৱে আশা কৰোঁ যে তুমি য'ত থাকা
যাৰ লগতে নাথাকা কিয় সুখত থাকা
তোমাৰ সুখত মই সুখৰ সন্ধান কৰিম



## যাৱজ্জীৱন


ছুইটী দাস
তৃতীয় ষাণ্মাসিক

আদালতৰ হুকুমত কাৰোবাৰ ক্ষেত্ৰত
কাৰাদণ্ড হয় যাৱজ্জীৱন,
তাৰেই হয় অপৰাধৰ বাবে
শাস্তিৰ সীমা নিৰ্ধাৰণ।
পিছে মোৰ ছাত্ৰী জীৱন কালত
বিদ্যালয় পঞ্চমখন;
কৰিছোঁ য'ত বিদ্যাৰ্থী হিচাপে আজি
জ্ঞান-বিদ্যা আহৰণ।
সেই এন এইচচ কলেজ, বিদ্যাৰ আলয়
হ'ব মোৰ সোঁৱৰণ;
সদায় সৰ্বদায় অবিৰতভাৱেই
সোঁৱৰণ যাৱজ্জীৱন।
যদ্যপি নহয় মোৰ অন্তিম শয়ন,
সোঁৱৰণ হ'ব মোৰ যাৱজ্জীৱন।



## Plz ফোন নাকাটিবা

চম্পক বৰ্মন
তৃতীয় ষাণ্মাসিক



হেল্লো... হেল্লো...
কি? কোন বুলি সুধিছা?
মোক চিনিব পৰা নাই,
নোৱাৰিবাই পাহৰি গৈছা কিজানি
জানা মোৰো মন যায় পাহৰিবলৈ
ফুলৰ প্ৰেমত, সেউজীয়াৰ প্ৰেমত
আকাশ আৰু জোনাকৰ প্ৰেমত
নদীৰ প্ৰেমত নে সাগৰৰ প্ৰেমত
পখিলা আৰু চৰাইৰ প্ৰেমত
মাটিৰ প্ৰেমত গানৰ প্ৰেমত
কবিতা আৰু নিৰ্জনতাৰ প্ৰেমত
আৰু... আৰু...
সকলোৰে প্ৰেমত, তোমাৰ বাহিৰে।
কিন্তু কি কৰিম কোৱা
মই যে প্ৰেমিক মাথোঁ তোমাৰেই
পাৰিম জানো মই আনৰ প্ৰেমত পৰিবলৈ
প্ৰেম কি বাৰু?
কি বাৰু প্ৰেমৰ সংজ্ঞা?
কি তুমিও নাজানা?
চেহ মইও নাজানো।
কিন্তু!! কিন্তু মই যে তোমাৰ প্ৰেমত পৰিছোঁ
প্ৰেমত পৰিছোঁ তোমাৰ সেই
সাগৰ নীলা দুচকুৰ
প্ৰেমত পৰিছোঁ তোমাৰ সেই
শেৱালি ফুলীয়া হাঁহিটিৰ।
তোমাৰ সেই দীঘলকৈ
মেঘালী চুলিটাৰিৰ
খেতিয়কবোৰো হেনো প্ৰেমিক
কিন্তু সিহঁত কাৰ প্ৰেমিক মই নাজানো
অনুভৱ কৰিব নোৱাৰোঁ যেতিয়া
সিহঁতে প্ৰকৃতিৰ উকা পথাৰত
আঁকি দিয়ে এটি সেউজীয়া সপোন।
সিহঁতে আচলতে কাৰ প্ৰেমিক
পথাৰৰ নে সেউজীয়াৰ
ধাননিৰ নে শইচৰ
বোকাৰ নে ৰোৱণীৰ
হয়তো হ'ব পাৰে তেওঁলোকৰ
সেই উকা ওৰালটোৰ প্ৰেমিক।



তুমি বাৰু সপোনবোৰ ক'ত আঁকা
হয়তো বিলাসিতাৰ বুকুত
আৰু মই মোৰ সপোনবোৰ আঁকো
বুকুৰ উকা কাগজত
বাৰে বাৰে আঁকো বাৰে বাৰে মছো
বুকুৰ উকা কাগজ হৈ পৰে পুনৰ উকা
Plz ফোন নাকাটিবা
অন্ততঃ আজি অলপ মোক সময় দিয়া
তোমাৰ লগত অলপ সময় কথা পাতিবলৈ
Plz — ফোন নাকা...

## মন যায়


**ৰাখল ৰয়**
পঞ্চম যান্মাসিক

যদিও আজি তুমি মোৰ পৰা বহু দূৰত
তথাপি মোৰ মন যায় থাকিব তোমাৰ ওচৰত।

তুমিয়ে শিকাইছিলা মোক প্ৰেমৰ ভাষা,
তুমিয়ে যাচিছিলা মোক মৰমৰ আশা।

তুমিয়ে শিকাইছিলা জীৱনৰ বহুতো কথা,
তুমিয়ে দি গ'লা শেষত জীৱনৰ বহু বেথা।

কালৰ সোঁতে কৰিলে আমাক বিচ্ছিন্ন,
তথাপি ৰৈ আছোঁ,
তোমালৈ অধীৰ আগ্ৰহেৰে বাট চাই।
বৰ্তমানে কয় মোক,
অতীতৰ স্মৃতিবোৰ পাহৰি যোৱা,
অতীতৰ সৰগী সুৱাস নোপোৱা তাত।
তথাপি মোৰ মন যায় বৰকৈ
ধৰি ৰাখিবলৈ সেই মৰমৰ স্মৃতিবোৰ।
সময়ে কয়,
মচি দিয়া সেই অতীত স্মৃতি
বিচাৰিলেও নোপোৱা
তাত হেৰোৱা সুবাস।
তথাপিও কিন্তু এই বিষাদভৰা মনৰ,
মন যায় থাকিব তোমাৰ ওচৰত, সংগত।



## বৈধব্য

**বনজিৎ চৌধুৰী**
স্নাতক প্ৰথম বৰ্ষ

চেঁচা বতাহজাক আহিছে
মনৰ দুৱাৰখনৰ ভুমুকি মাৰি।
আনিছে কঢ়িয়াই মোৰ চিনাকি
বিহুৰ বতৰৰ মন পৰশোৱা সুবাস।

আজি মোৰ কুঁৱলীৰে ঢকা অন্তৰৰ
কোণত সেই দিনটোৰ ছবি,
উঠিছে ভাহি, মৰিশালিৰ হাড়বোৰৰ
লগত যাক ৰিজাব পাৰি।

সোৱণশিৰিৰ বগা পানীবোৰ
মোৰ আঁচলৰ শুকুলা প্ৰতীক
ভাবলেশহীন চিন্তাৰ বুৰবুৰণিত
ডুব মাৰে মোৰ প্ৰাণহীন শৰীৰ।

উচুপিবও নোৱাৰি সেইবোৰৰ হাঁহিত
মোক যে সিহঁতে নাচায় মনেৰে
মাথোঁ উন্মুক্ত আত্মাৰ পিৰপিৰণিত
সিহঁতে চেপিছে মোৰ ডিঙিত

মই যে নহওঁ কোনো দলিল
বা কোনোবা বাকৰণিৰ দস্তাবেজ
মই বৰফৰ টুকুৰাৰ মাজত
নিলাম নোহোৱা শুকান তেজ।

জানো চিএৰতো নাই মোৰ নাম
নাইবা অচিন কোনো প্ৰান্তৰ নিৰিবিলি
স্থানত, এক অসীম শব্দৰ
মাজেৰে মোৰ পৰিচয়,
মই বিধৱা...!



## শান্তি


**ভৰথী দেৱী**
*তৃতীয় যান্মাসিক*
*(ইংৰাজী বিভাগ)*

স্তৱক- ১
বিচাৰি আছোঁ অলপ শান্তি...
অশান্তিৰ কোলাত খামুছি,
সন্ত্ৰাসবাদীৰ বন্দুকৰ গুলীতে আঘাতপ্ৰাপ্ত
অসমী আইৰ দৰে... আজি মোৰ হৃদয় ৰক্তাক্ত।
ক'ত পাম শান্তি,
উগ্ৰপন্থীৰ হাতত নে নিৰীহ মানুহবোৰৰ
কৰুণ আৰ্তনাদত।
নে বৰ লুইতৰ গভীৰ বুকুত...??
'স্বাধীনতা', 'স্বাধীনতা' বুলি মানুহৰ
অবিৰাম কোলাহল...
কিন্তু আনফালে স্বাধীনতাৰ নামত
'নীলকণ্ঠ'ৰ 'বৰবিহ'ৰ দাবানল...।।

স্তৱক- ২
বিচাৰি আছোঁ অলপ শান্তি...
অশান্তিৰ কোলাত খামুচি,
ক্লান্ত আজি মোৰ হৃদয়
বিষাদৰ 'কেনভাছ' মচি মচি...।
তোমাৰ হৃদয় ধুমুহা শান্ত কৰিবলৈ গৈ
সাবটি ল'লোঁ অবিনাশী বদনাম,
শেলুৰৈ গজা মোৰ বুকুখনত আজি
অসংখ্য কীট-পতংগৰ জয়গান।।

খেলি আছোঁ ধূলিৰে সৈতে
জীৱন-মৰণৰ খেল কোনোবাৰ,
আৰু আদৰি আনিলোঁ মোৰ জীৱনলৈ এন্ধাৰ...
এক কালজয়ী অমানিশাৰ...।।

শান্তি.... বিচাৰি আছোঁ অলপ শান্তি
অশান্তিৰ কোলাত খামুচি,
এই মৃত্যু মোৰ কাম্য,
লৈছোঁ আজি উপযাচি...।।



## ভাল পাব পৰা নাই

**জিৎ কুমাৰ দাস**
*স্নাতক তৃতীয় বৰ্ষ*

তুমি মোক ভাল পাব পৰা নাই;
কাৰণ তুমি কাকো ভালেই পোৱা নাই।
তুমি আনক ভালপোৱাৰ আগত;
তুমি নিজকে প্ৰথম ভাল পাব লাগিব।
নিজক যদি তুমি ভাল পাব পাৰা,
চাবা, তোমাৰ সকলো আপোন হৈছে।
তোমাৰ চঞ্চল হাঁহিটিয়ে ক'ব,
তুমি মোক ভাল নোপোৱা।।
মিছা-মিছা তোমাৰ মাথোঁ অভিনয় এয়া,
কি ভাবিছা মই এজন বুৰ্বক।
যদিহে মই বুৰ্বক হওঁ
তোমাক কেতিয়াবাই ভাল পালোঁহেঁতেন!
তোমাৰ সেই যৌৱনৰ উন্মাদনা ভাল
নালাগে,
আৰু ভাল নালাগে তোমাৰ তোমাৰ
সেই উত্তপ্ত স্তন যুগল।
বেশ্যা বৃত্তি মই ভাল নাপাওঁ
কাগজে-পত্ৰই শুনো যে,
বেশ্যাটো এটি বৃত্তি হৈ পৰিছে।
মই ভাবোঁ এয়া দৃষ্টিকটু
ইয়াক চাবলৈও নাপায় শুনিবলৈও নাপায়।
কেতিয়াবা দেখিও
নেদেখা হওঁ
কিয় বাৰু এয়া হয়?
জানো জানো তুমি
কাহানিয়ো কাকো ভাল পোৱা নাই
সেয়ে তুমি মোক ভাল পাব পৰা নাই।
আৰু ময়ো...
তোমাক ভাল পাব পৰা নাই।।

## বিষাদ

**জিন্তু মণি ডেকা**
*তৃতীয় ষাণ্মাসিক*

নিজান পুৱাত চকু মেলি
আনি দিলাহি মোক ফুলৰ কলি,
বিষন্ন পৃথিৱীখন পোহৰাই,
দিলাহি তোমাৰ উজ্জ্বল জেউতি বিলাই।
নিশা জ্বলে মোৰ বেদনাৰ বন্তি,
বুকুত ভৰাই দিলাহি মোৰ পৰম শান্তি।
দুদিন চিনাকী হৈ আৰু লগ নাপালো,
বিষন্ন মনেৰে ইয়াৰ পৰা বিদায় মাগিলো।
আৱেলি আহিলে ধিৰে আন্ধাৰে আৱৰে,
বিদায় পৰত মোৰ মনলৈ আন্ধাৰৰ কালিমা নামে।
হিমালয়ৰ তুষাৰ গিৰিত নিবিৰ ভাৱে মোৰ,
মনত পৰিছে আজি মোৰ সেই দিনৰ কথাবোৰ।
এতিয়া আৰু নাই সেই দিনবোৰ,
আছে মাথো তাৰ দুখৰ মৰিচিকাবোৰ।
জীৱনৰ বিয়লি পৰলৈ থাকিম ৰৈ,
তুমি দিয়া প্ৰতিশ্ৰুতি বুকুত বান্ধি লৈ।



## মইতো ভবা নাছিলো তুমি উভতিবা বুলি...

**ভাস্কৰ চৌধুৰী**
*স্নাতক তৃতীয় বৰ্ষ*

মইটো ভবা নাছিলো
তুমি উভতিবা বুলি...

সুখী জীৱনৰ সাকো ভাঙি
বেদনাক্লান্ত সাগৰত তিতিছিলা তুমি
দেউকা জোকাৰি ভাঙি পৰা চৰাইৰ দৰে
এজাক অনুৰাগৰ বৰষুণত!

নিঃ কিন হৈ পৰিছিলা তুমি
শেতা পৰিছিল ওঁঠৰ ভাষা
স্বপ্নতুৰ শূণ্য আশা!

আজি তোমাৰ দেহত জোনাক
এন্ধাৰ ফালি ওলাই আহিছে
ৰ'দালি পুৱাৰ মিচিকীয়া হাঁহি
সেওঁতাত সেন্দুৰ!
আৰু অনুভৱ কৰিছা তুমি
সেই একেই মৰম, একেই কথা
কাহানিৰ একেই এনাজৰীৰ বান্ধ!

মইটো ভবা নাছিলো
তুমি উভতিবা বুলি...!!!

## তুমি মোৰ বাবে কঠোৰ হিমালয়

**মীনা কলিতা (বৃষ্টি)**

তুমি সাগৰৰ পানীৰ দৰে স্বচ্ছ,
তুমি আছিলা এনেকুৱা
আজি কিন্তু তুমি নিষ্ঠুৰ।
পাহৰি গ'লা মই দিয়া মৰমবোৰ
তুমিওতো যাচিছিলা মৰম
চেঁচা চেঁচা শীতল মৰম
দিছিলা প্ৰতিশ্ৰুতি চেনেহেৰে
ৰাখিবা বুলি সদায়ে অন্তৰত
মোৰ সৈতে তুমিও দেখিছিলা
আমাৰ মৰমত ফুলা পলাশ
আজি পিছে পলাশ মৰহি গ'ল।
ভাগি গ'ল এখনি কোমল হৃদয়
য'ত আজিও বয় প্ৰেমৰ নীলয় সেয়েহে
তুমি মোৰ বাবে কঠোৰ হিমালয়।



## My Dear Friend

**Sri Jintu Moni Deka**
*2nd Semester*

Oh! my dear friend
why do you come
to my mind?

Why do you charm
my mind everyday.

If I could capture you,
then should I keep you
in my heart.

I want to know, what
art you have?

I don't know, where
do you line at?


Oh! my dear friend
you are really unselfish,
beautiful and truthful one.

Yes, you are really memorable
and your autograph letter.

Sometimes, you help me and
everyday is lose sight of.

I ask you,
why do you come in my mind.

Oh! my dear friend
when do you come in this
world, one more time...



## Silent Love

**Jayanta Kalita**
1st Semester
English Department

I don't know you
I don't know your name.
But I am sure of
Our dreams are the same,
The mind has a thousand eyes
And the heart but one.
You can't take much
But neither do I
I wish you would have heard
Without saying
There are infinite tears
In the ocears of my eyes
I wish only you can make
My eyes dry
When ever I see you
Your eyes tell me secrets,
Of how much you love me
It says that actions
Speaks louder than words

## ...তামালৈ বাট চাই...

...াচিত (ৰিও)

...মি আহিবা বুলিয়েইতো ৰচিলো
...লপোৱাৰ এটি বৃহৎ কবিতা
...বিতা ভালপোৱা যে তুমি

...মি ক'ত
...তৰ কোনো আবেলিত
...শাৰ বতৰা লৈ
...তামালৈ বাট চাই
...াৰ কবিতাত আকি দিওঁ
...থো এটি বৃহৎ শূণ্য।

...থাপি তুমি নোচোৱা ঘূৰি
...শাৰ সন্ধিয়াত বেজাৰৰ দম
...উদিশে বিচাৰিলো
...থাপি নাহিলা তুমি

...বিৰত স্বপ্নৰ অভিমানী ছায়া
...কৰল ভাল পায় তাই নীলা
...াগৰ নীলা আকাশতে হেৰাল তাই
...াহো বুলি উভতি পুনৰ
...চাৰি বিশ্বাসৰ সৌন্দৰ্যতা।

## ৰুমাল

**অপৰাজিতা দাস**

কেতিয়াও নভবা এটা অজান স্বপ্নই
মাজনিশা বৰকৈ আমনি কৰে মোক
নাজানো তেওঁ কোন?
তেওঁৰ ৰঙা ওঁঠৰ ফাঁকেৰে ভাহি অহা হৃদয়ভঙা স্বৰে
তিল তিলকৈ জ্বলাই মাৰে মোক।
সাগৰ নীলা দুচকুৰে বৈ অহা অশ্ৰুৱে
কন্দুৱায় মোক।
কেতিয়াও ভবা নাছিলোঁ।
তেৱোঁ যে কাৰোবাক প্ৰতাৰণা কৰিব পাৰে।
সিদিনালৈকে মেয়ো আছিলোঁ তেওঁৰ হৃদয়ৰ জপনা,
ভবা নাছিলোঁ হঠাৎ কেতিয়াবা বন্ধ হ'ব পাৰে বুলি।
আহিলে আহিব পাৰা বুলি চকুৰ পানী মচি বৈ আছোঁ।
তেওঁ দিয়া ৰুমালখনকে বুকুত সাবটি।।


## পাহাৰীয়া

**ধ্ৰুৱজ্যোতি পাঠক**

*তৃতীয় যান্মাসিক*

*(শিক্ষা বিভাগ)*

সময়ৰ বাট
চাবি পিছলি পৰিবি
মাদলৰ ছেওত
এৰি দিবি উতনুৱা বতাহ
চিকুণ্ডৰ সুৰত
কোৱাই দিবি
তোৰ দীঘলীয়া চুলি
এবাৰ ৰিঙিয়াবি
কঁকালত টঙালি বান্ধি
ময়ো আহিম
নাচিবলৈ এপাক বাগুৰুম্বা
পাহৰি নাযাবি এবাৰ ৰিঙিয়াবি
সৌ পাহাৰীয়া টিলাত
মোৰ আলয়।





## মোৰ হিয়া

**কৌশিক শৰ্মা**

*পঞ্চম যান্মাসিক*

মোৰ হিয়াই বিচাৰে কেৱল তোমাক জানা?
নাজানো মই ইয়াৰ ভাষা,
কিয় বাৰু মোৰ স্মৃতিয়ে বিচাৰিছে কেৱল তোমাক পাবলৈ?
মই নিজেই নাজানো হিয়া তুমি জানা হিয়া
মোৰ অনুভূতিয়ে বিচাৰে তোমাৰ কাষ
মই যে তোমাক সাবটি ৰাখিম বুকুৰ মাজত
কিয় বাৰু মই মোৰ মনক প্ৰেৰণা দিব নোৱাৰা হৈছোঁ
মোৰ হিয়া মোৰ যেন প্ৰতিটো পলত তুমিয়ে আছা কাষত
কিয় মই ইমান তোমাকে বিচাৰোঁ কোৱা
হিয়াই বিচাৰে তোমাকেই যেন গোটেই প্ৰতি প্ৰাণ
মই বৈ আছোঁ তোমাৰ বাবে
মাত্ৰ এবাৰ আহা মোৰ কাষলৈ সকলোকে এৰি?
মই বৈ আছোঁ কিদৰে, তুমি আহিবা বুলি
যদি তুমি আহিব ধৰোঁতে বাটত তোমাক বেৰি ধৰিছে
এজাক বতাহ, ধুমুহাই, তেতিয়া হ'লে সেই বতাহ
ধুমুহাজাককো চুৰমাৰ কৰি আহা মাত্ৰ এবাৰ
কিদৰে বৈ আছোঁ তোমাক চাবলৈ মোৰ হিয়া
কিমান অপেক্ষাত বৈ আছোঁ তোমাক চাবলৈ
মোৰ হিয়া, অনুৰোধ কৰিছোঁ মাত্ৰ এবাৰ
মোৰ হিয়া...

## ভালপোৱাৰ মাদকতা

**হিমাক্ষী কলিতা**

*তৃতীয় যান্মাসিক*

আকাশৰ গভীৰতা অনুভৱ কৰি
বিশাল আকাশৰ মাজত
মৰম এমুঠি বিচাৰি
মাথোঁ তোমাৰ কাষলৈ...


তোমাৰ উম্ব ওঁঠৰ ভাষাই
পাহৰাই পেলায় সমস্ত বেদনা
তোমাৰ তৃপ্তিৰ মাতষাৰে
জগাই তোলে অন্য এক অবুজ শিহৰণ

ভালপোৱাৰ গভীৰতাই
বসবিহীন জীৱনত
হেঁপাহৰ বং ছটিয়ায়...
মৰমে বুজি পায়
ভালপোৱাৰ মাদকতা কিমান
এতিয়া মাথোঁ
একাজলি মৰমৰ বাবে
তোমাৰ প্ৰতীক্ষাত...।।

## পোহৰৰ দলিচা বিচাৰি

**দুলুমণি পাটগিৰী**

*প্ৰথম যান্মাসিক*




মুমূৰ্ষুৰ শেতেলিৰ কাষত
দুখৰ চাকি লৈ,
নীৰৱে আছিলোঁ বৈ।
নিসংগ গছৰ ডালত
ক'ৰ জানো পক্ষী
আছিল উচুপি
হিম আকাশত
ওলমি আছিল তৰাবোৰ
গছৰ ডালত কুঁৱলী ভাহিছিল
নিসংগ পক্ষীৰ ভঙা নীড়
তিতিছিল নিয়ৰত
পক্ষীটোৱে উৰিব খুজিছিল
কুঁৱলীৰ পৰা বহু দূৰৈত
কিন্তু ব্যৰ্থতাৰ আৰ্তনাদে
গিলি পেলাইছিল আশাবোৰ
আৰু মই পৰি ৰৈছিলোঁ
জীৱনৰ অন্ধাৰ মোহনাত

ুমি

পন কলিতা

তীয় যান্মাসিক

মি হাঁহিলে
কাশখন নামি আহে
লিংগন কৰিবলৈ
ামাক চুমিবলৈ
ামাৰ দুচকুত সপোন আকিবলৈ।
াবোৰে হাঁহে
ানটোৱে বাৰু কি কথা কয়
মি, চাগে লাহেকৈ সোধা
ওঁ বাৰু কেতিয়া আহিব....!



নীলা খামৰ চিঠি

## ভগা বীণত কোনে সুৰ তোলে

**প্ৰণৱ কুমাৰ দাস**

*তৃতীয় যান্মাসিক*

মৰমৰ....

'মৰমৰ লী.... মৰম ল'বা দেই। ভগা বীণত কোনে সুৰ তোলে মাজনিশা! সুৰ মোৰ দুখৰ নিশাৰ গান প্ৰাণত গজি উঠা এপাহ গোলাপ। অনুভৱৰ আকাশ ভেদি নামি আহে এজাক সেউজীয়া বৰষুণ। শুকান হৃদয় কুঁহিপাত ওলায় ভগা বীণত কোনে সুৰ তোলে। চিনাকিচোন সেই সুৰ বহুদিনীয়া। বহুদিন একোৱেই লিখা নাই তোমালৈ। শূন্য হৈ পৰিছে অনুভৱৰ পঁজা। বুকুৰ ভিতৰলৈ হুৰমূৰাই সোমাই আহিল এজাক বতাহ; জানো কি বিচাৰিলে! হঠাৎ নাইকিয়া হ'লচোন বিধ্বস্ত কৰি মোৰ হৃদয়ৰ পঁজা। বকলীয়াহাটৰ সেই সময়বোৰ কবিতা কবিতা লগা কথাবোৰ বাজেনে আজিও বুকুত। ৰিকচাংপাৰৰ গধূলিবোৰ বুকুত গান হৈ আছে আজিও। তোমাক খেপিয়াই চাওঁ বুকুত, বুকুলৈ উজাই আহে এটি বিষ, উশাহবোৰ চুটি হয়। জোনাকৰ ৰূপালী ফুল বিচাৰি তুমি যে নামি গৈছিলা ভৈয়ামলৈ সেই একা-বেঁকা বাটেৰে; উঠিবলৈয়েচোন পাহৰিলা মোৰ হৃদয়ৰ সেউজীয়া চুবুৰিটোলৈ। তুমিতো নাজানা মোক আমনি কৰে সিহঁতবোৰে প্ৰতিদিন তোমাৰ কথা সুধি। তুমি অভিমানৰ বৰশী পেলালে মোৰ বুকুৰ পুখুৰীত মই হাঁহি হাঁহি খুটিয়াই ভাল পাওঁ। অভিমানৰ বৰষুণত তিতি তোমাৰ স'তে খোজ কাঢ়ি ভাল লাগিছিল, তোমাৰ হাঁহিৰ বিচ্ছুৰিত ৰশ্মিৰ সৌন্দৰ্য ভাল পাওঁ। এতিয়াও যিয়ে মোক সুগন্ধি মৰম উপহাৰ দিছিল। এতিয়া মাথোঁ স্মৃতি সেই অতীত। যি দুখৰ সাগৰত মোৰ পালতৰা নাও এৰি গুচি গ'লা বহুদূৰ, টুলবুল কৰিছে নাও, তুমি যে নাই বঠা ধৰিবলৈ। হৃদয়ৰ বানে নিঠৰুৱা কৰিলে মোক। তথাপি বাট চাম তোমালৈ আকৌ আহিবা মোৰ পদূলিলৈ ফুলি উঠিব বুকুৰ চাপৰিত এপাহ খৰিকাজাঁই। তুমি নিয়ৰ হৈ আহিবা, গুণ গুণাবা মোৰ বুকুৰ টঙিঘৰত সেই চিনাকি সুৰ, তাৰে কামনাৰে....।'



# ছাত্ৰ একতা সভাৰ বিভাগীয় সম্পাদকসকলৰ প্ৰতিবেদন

## উপ-সভাপতিৰ প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভণিতে মই মোৰ শ্ৰদ্ধাৰ শিক্ষাগুৰু, মহাবিদ্যালয়ৰ সমূহ কৰ্মকৰ্তা, ছাত্ৰ-ছাত্ৰী তথা মোৰ বন্ধু-বান্ধৱীলৈ আন্তৰিক শ্ৰদ্ধা তথা কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। বিভিন্ন ঘাত-প্ৰতিঘাতৰ মাজেদি অসমৰ জাতীয়তা ৰক্ষাৰ বাবে নিজৰ জীৱনকো তুচ্ছ জ্ঞান কৰা মহান শ্বহীদ আৰু সাংস্কৃতিক জগতখন চহকী কৰাৰ বাবে অক্লান্ত চেষ্টা কৰা সংস্কৃতিৰ পূজাৰীসকললৈ মোৰ আন্তৰিক শ্ৰদ্ধা আৰু প্ৰণাম যাচিছোঁ, লগত যিসকলে ব্যক্তিৰ অক্লান্ত প্ৰচেষ্টাৰ ফলত সৃষ্টি হ'ল আমাৰ জ্ঞানৰ আলয় নিৰ্মল হালৈ মহাবিদ্যালয়খন; তেখেতসকললৈকো এই ছেগতে মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। উপ-সভাপতিৰ পদত মোক ২০১২-২০১৩ বৰ্ষৰ বাবে নিৰ্বাচন কৰাৰ বাবে মই নিৰ্মল হালৈ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীৰ ওচৰত চিৰদিন কৃতজ্ঞ হৈ ৰ'ম।

উপ-সভাপতি পদত থাকি মই কি ভাল কাম কৰিলোঁ বা কি বেয়া কাম কৰিলোঁ সেয়া আপোনালোকসকলে জানে, তথাপিতো মই অনিচ্ছাকৃত ভুল বা বেয়া কামৰ বাবে সকলোৰে আগত ক্ষমা প্ৰাৰ্থনা কৰিলোঁ।

ছাত্ৰ-ছাত্ৰীসকলক এটা বিনম্ৰ অনুৰোধ যাতে তেওঁলোকে আগন্তুক মহাবিদ্যালয় সপ্তাহত উপস্থিত থাকি প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰে। ছাত্ৰ-ছাত্ৰীৰ কম উপস্থিতিৰ কাৰণে বহুতো খেল বাতিল কৰিব লগা হয়। গতিকে মহাবিদ্যালয়ৰ গৌৰৱৰ কাৰণে সমূহ ছাত্ৰ-ছাত্ৰীয়ে প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰি যেন ভাল ফল কঢ়িয়াই আনে।

সু-শৃংখল পৰিৱেশ এটা সকলো শিক্ষানুষ্ঠানৰে অপৰিহাৰ্য অংগ। এই সু-শৃংখল সুন্দৰ পৰিৱেশ এটা গঢ়ি তুলিবলৈ সমূহ ছাত্ৰ-ছাত্ৰীকে বিনম্ৰ অনুৰোধ জনালোঁ। এই ক্ষেত্ৰত অধ্যক্ষ মহোদয়ে কিছুমান বিশেষ নিয়ম ছাত্ৰ-ছাত্ৰীৰ ওপৰত দিব লাগে যাতে ৰাস্তাত, বজাৰত যেনেকে-তেনেকে ঘূৰি নুফুৰে। ইউনিফৰ্মত কোনো বেয়া কাম যেনে গুট্খা খোৱা আৰু কোনো ধৰণৰ অসংগত কাম যাতে কৰিব নোৱাৰে।

এই প্ৰতিবেদনখনৰ জৰিয়তে এনেকুৱা কিছুমান কথাই ক'ম বুলি ভাবি আছিলোঁ, আজি সুবিধাকণ পোৱাৰ বাবে ক'লোঁ— কিবা যদি ভুল হৈছে আপোনালোকৰে ছাত্ৰ হিচাপে ক্ষমা কৰি দিয়ে যেন।

মোৰ কাৰ্যকালৰ নিৰ্বাচনৰ সময়ৰ পৰা এতিয়ালৈ বিভিন্ন ধৰণে সহায়-সহযোগিতা আগবঢ়োৱা ব্যক্তিসকলৰ ভিতৰত মাননীয় অধ্যক্ষ মহোদয় আৰু সমূহ অধ্যাপক-অধ্যাপিকাসকল লগতে ছাত্ৰ একতা সভাৰ সমূহ সদস্য-সদস্যাসকলক মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। ইয়াৰ উপৰি মোক নিৰ্বাচনত বিজয়ী হোৱাত সহায় কৰাসকলৰ ভিতৰত সুকুমাৰ শৰ্মা, ইমামুৰ ৰহমান, হিমাংশু, সীমান্ত, ইপ্সিতা, চুমি, সংগীতা, দিপুমণি আৰু নিৰ্মল হালৈ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীসকলক মই অন্তৰৰ পৰা ধন্যবাদ জ্ঞাপন কৰিছোঁ।

শেষত নিৰ্মল হালৈ মহাবিদ্যালয়ৰ সৰ্বোত্তৰ উন্নতি কামনা কৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

ঃ জয়তু নিৰ্মল হালৈ মহাবিদ্যালয় ঃ

**মঃ ৰাণা ৰহমান**

# সাধাৰণ সম্পাদকৰ প্ৰতিবেদ



প্ৰতিবেদনৰ সুভাৰম্ভণিতে প্ৰতিষ্ঠাপক স্বৰ্গীয় নিৰ্মল হালৈ দেৱক শ্ৰদ্ধাৰে সুঁৱৰিছো, লগতে দেশ মাতৃ আৰু অসমীয়া জাতিৰ অস্তিত্ব ৰক্ষাৰ হকে প্ৰাণ আহুতি দিয়া বীৰ শ্বহীদ আৰু যিসকল জ্ঞাত অজ্ঞাত মহান ব্যক্তিয়ে এই মহাবিদ্যালয়খন চিৰ সেউজ কৰি গঢ়ি থৈ গ'ল সেইসকল মহান ব্যক্তিক এই চেগতে শ্ৰদ্ধা জ্ঞাপন কৰিছো আৰু তেওঁলোকৰ আত্মাৰ চিৰশান্তিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাই প্ৰতিবেদনৰ পাতনি মেলিছো।

২০১২-২০১৩ ইং বৰ্ষৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত মোক সাধাৰণ সম্পাদক হিচাপে সৰ্বশ্ৰেষ্ঠ ভোটত জয় যুক্ত কৰোৱাই এই আগশাৰীৰ শিক্ষানুষ্ঠানত সেৱা কৰাৰ সুযোগকণ দিয়াৰ বাবে সমূহ ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধৱীৰ ওচৰত চিৰ কৃতজ্ঞ।

এনেকুৱা এটি সাধাৰণ সম্পাদকৰ পদৰ দৰে গধুৰ দায়িত্ব পালনৰ সুযোগ পোৱাত মই সচাঁকৈয়ে আনন্দিত হৈছো। নাজানো মই মোৰ সামান্য বুদ্ধি-শক্তিৰে নিজৰ কৰ্তব্য পালনত কিমান দূৰ-কৃতকাৰ্য হৈছো এয়া আপোনালোকৰ বিচাৰ্যৰ বিষয়।

কাৰ্য ভাৰ গ্ৰহণ কৰাৰ দিনাই আমাৰ Mamber সকলৰ পোচাক উন্নত কৰাৰ বাবদ ধনৰ পৰিমান বৃদ্ধি কৰো। আৰু ছাত্ৰ একতা সভাৰ কাৰ্যালয়ৰ স্থান স্থানান্তৰ কৰো।

ইয়াৰ পিছত ড° ভূপেন হাজৰিকা দেৱৰ মৃত্যু বাৰ্ষিকী উদ্‌যাপন কৰো, ইয়াৰ পিছত প্ৰথম বাৰৰ বাবে আন্তঃ কলেজ ভলীবল প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰি আমি বিজয়ী দল হৈ ট্ৰফী আনিবলৈ সক্ষম হওঁ আৰু মহাবিদ্যালয়ৰ নাম বাতৰি কাকতত উলিয়াবলৈ সক্ষম হওঁ।

ইয়াৰ পিছত অইন বেলিতকৈ অলপ ব্যতিক্ৰম মহাবিদ্যালয় সপ্তাহ আৰু যুৱ মহোৎসৱ উৎযাপন কৰো। এই সাপ্তাহিক অনুষ্ঠানত নতুনত্ব অনাৰ হেঁপাহ মোৰ খুৱ আছিল সেয়েহে ছাত্ৰ-ছাত্ৰীৰ প্ৰতিভা বিকাশৰ অৰ্থে সাংস্কৃতিক শোভাযাত্ৰা, হস্ত নিৰ্মিত বস্তুৰ ওপৰত প্ৰদৰ্শনী আৰু গ্ৰন্থমেলা অনুষ্ঠিত কৰো, আৰু পোন প্ৰথম বাৰৰ বাবে প্ৰতিটো খেলে মহাবিদ্যালয়ৰ নিজৰ খেল পথাৰত অনুষ্ঠিত কৰো তথা খেলৰ বঁটা উন্নত আৰু Certificat উন্নত মানৰ কৰো আৰু বিশিষ্ট ব্যক্তিৰ দ্বাৰা বঁটা বিতৰণী অনুষ্ঠান তথা আমন্ত্ৰিত শিল্পীৰ দ্বাৰা সংগীতানুষ্ঠানৰ আয়োজন কৰো।

ইয়াৰ পিছত সৰস্বতী পূজা আয়োজন কৰা হয়। এই পূজা ভাগ প্ৰথম বাৰৰ বাবে মহাবিদ্যালয়ৰ সন্মুখ ভাগত উন্নত সাজ, সজ্জাৰে ৰভা সাজি তথা প্ৰাকৃতিক সৌন্দৰ্যৰে পূজাৰ আয়োজন কৰো লগতে বাঘমাৰা ছোৱালী নাগৰা দলৰ দ্বাৰা নগৰা নামৰ আয়োজন কৰো। ইয়াৰ পিছত দেৱীক কালদিয়া নৈৰ বুকুত বিসৰ্জন দিয়ো। বৰ্তমানলৈকে হোৱা পূজাৰ ভিতৰত এইখনেই সৰ্বাধিক মানুহৰ আগমন তথা সৰ্বাংগীন দিশত শ্ৰেষ্ঠ পূজা হোৱা বুলি ছাৰ বাইদেউসকলৰ পৰা জানিব পাই মই সুখী হৈছো।

ইয়াৰ পিছত নতুনক আদৰণি এক কুষ্টিপুত প্ৰথা। পৰম্পৰা অনুযায়ী "নৱাগত আদৰণি সভা" পাতি অতি উলহ মালহেৰে নৱাগত সকলক আদৰণি জনোৱা হয়। আৰু ইয়াৰ কাৰ্যসূচীত নব নিৰ্মিত ছাত্ৰী নিবাসটো আনুষ্ঠানিকভাৱে নিবাসী-ছাত্ৰীসকলৰ বাবে মুকলি কৰি দিয়া হয়। আদৰণি সভাত অধ্যক্ষ ড° ভূপেশ শৰ্মা ছাৰৰ সভাপতিত্বত নিৰ্দিষ্ট বক্তা ড° জগেন কলিতা ছাৰৰ ছাত্ৰ-ছাত্ৰীৰ হৃদয়স্পৰ্শী ভাষণ তথা বিভিন্নজনৰ সাৱলীল ভাষণৰ উপৰি প্ৰসাশনিক সমিতিৰ সভাপতি শ্ৰীযুত ধৰণীধৰ ৰয় ছাৰৰ ছাত্ৰক উদ্দেশ্যি দিয়া ভাষণ প্ৰসংশনীয়।

অন্তৰাংগ আলাপত বলিষ্ঠ অভিনেত্ৰী শ্যামন্তিকা শৰ্মা অভিনেতা জে. ফি. বক্সি, যতীন বৰবৰা, তথা নৃত্য শিল্পী দুজনৰ প্ৰদাৰ্পণ হয়। আৰু আমন্ত্ৰিত তথা স্থানীয় শিল্পীৰ দ্বাৰা সংস্কৃতিক অনুস্থানৰ আয়োজন কৰো। এই সভাখনতো বৰ্তমানলৈকে হোৱা আদৰণি সভাৰ ভিতৰত সৰ্বাধিক দৰ্শকৰ আগমন হোৱা বুলি পৰিষদৰ সভাপতি ড° জগেন কলিতা ছাৰ আদিকে কৰি বিভিন্ন আলহি তথা ছাৰ-বাইদেউসকলৰ পৰা প্ৰসংশাৰ পাত্ৰ হওঁ।

ইয়াৰ উপৰি উদ্‌যাপন কৰা বিভিন্ন অনুস্থান ঃ—

১) মহাবিদ্যালয়ৰ মহিলা গোটৰ সৌজন্যত সৰিহ সত্ৰ গাঁৱত মহিলা সবলীকৰণ সভা।

২) ছাত্ৰসকলৰ দ্বাৰা আয়োজন হোৱা ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনা চক্ৰ।

৩) ৰাভা দিৱস তথা প্ৰথম বাৰৰ বাবে মহাবিদ্যালয়ৰ মাইক চেট ব্যৱহাৰ কৰি ৩ দিনীয়া কৰ্মসূচীৰে নৱাগত ছাত্ৰ-ছাত্ৰীৰ নাম ভৰ্ত্তিৰ ব্যৱস্থা কৰা হয়।

৪) ২০১২-২০১৩ চনৰ বজালী সংস্কৃত দিৱস আমাৰ মহাবিদ্যালয়ত উদ্‌যাপন কৰা হয়।

৫) বৰপেটা জিলা শিক্ষক গোটৰ উদ্যোগত সভা অনুষ্ঠিত কৰা হয়।

৬) গুৱাহাটী বিশ্ববিদ্যালয়ৰ উদ্যোগত গুৱাহাটী কলেজত হোৱা N.S.S Camp ত মহাবিদ্যালয়ৰ হকে প্ৰতিনিধিত্ব কৰো।

৭) বৰসাহান গাঁৱৰ ৭ দিনীয়া N.S.S Camp অনুষ্ঠিত কৰো, ইয়াত Free halth Secap, গছ পুলি ৰোপণ, মহিলা সজাগতা তথা প্ৰতিভা বিকাশৰ অৰ্থে সভা আহ্বান কৰো।

৮) N.S.S ৰ তৰফৰ পৰা মহাবিদ্যালয়ত গছপুলি ৰোপণ কৰা হয়।

৯) অসম বিজ্ঞান সমিতিৰ সহযোগত মহাবিদ্যালয়ত বৰণ্য বিজ্ঞানীৰ উপস্থিতিত আলোচনা চক্ৰ তথা গ্ৰন্থ উন্মোচন কৰা হয়।

১০) Mock Parliyamant অনুষ্ঠিত কৰা হয়।

১১) বিশ্ব শান্তিৰ হ'কে প্ৰজাপতি ব্ৰহ্মা কুমাৰীৰ চাইকেল ৰেলীৰ সদস্য বন্ধুক উষ্ম আদৰণি জনাই সভা এখন অনুষ্ঠিত কৰো।

১২) Elecson comison ৰ উদ্যোগত হোৱা সভাৰ



আয়োজন কৰো।

১৩) ইয়াৰ উপৰি বিভিন্ন শোক সভা, স্বাধীনতা দিৱস, গণৰাজ্য দিৱস, শিক্ষক দিৱস উদ্‌যাপন কৰা হয়।

উন্নয়ন মূলক কাম ঃ—

১) মহাবিদ্যালয়ৰ ভলীবল খেল পথাৰ আৰু বেমিন্টন খেল পথাৰখনত মাটি পেলোৱা লগতে খুটা স্থাপন কৰা হয়।

২) ৰাতি মহাবিদ্যালয়খন দেখাত সুন্দৰ হৈ থকাৰ বাবে বিজুলীবাতিৰ ব্যৱস্থা কৰা হয়।

৩) Complen and advais box ৰ ব্যৱস্থা কৰা হয়।

৪) উন্নত মানৰ ল'ৰাৰ প্ৰশ্ৰাৱগাৰৰ ব্যৱস্থা কৰা হয়।

৫) বিভিন্ন ঠাইত ৰং কৰা হয়।

৬) চাইকেল, বাইক আদি বাহন ৰখোৱা ঠাই নিৰ্মাণ কৰা হয়।

৭) বিভিন্ন ঘাট-প্ৰতিঘাটৰ মাজত হ'লেও মহাবিদ্যালয়ৰ নিজৰ বাবে মাইক চেট এটা আনিবলৈ হওঁ।

৮) অধ্যক্ষ ছাৰৰ সহযোগত বৰ্তমানলৈকে গঠিত হোৱা ছাত্ৰ একতা সভাৰ প্ৰতি বছৰে ৰাহি হোৱা ধনখিনিৰ হিচাপ লওঁ আৰু উক্ত ধনখিনিৰে মহাবিদ্যালয়ৰ সন্মুখ ভাগত এখন গেট আৰু ছাত্ৰ একতা সভাৰ শ্বহীদ তৰ্পণৰ বেদীখন উন্নত কৰাৰ বাবে সাধাৰণ সভাত প্ৰস্তাৱ লোৱা হয়। উক্ত প্ৰস্তাৱকেইটা পৰৱৰ্তী দিনত সফল ৰূপে ৰূপায়িত হ'ব বুলি আশা থাকিল।

৯) মহাবিদ্যালয়ৰ Indentity card সমূহ উন্নত কৰাৰ বাবে আবেদন দিছিলো কিন্তু ফলপ্ৰসু নহ'লো।

১০) কেইটামান ডাষ্টবিনৰ স্থাপনৰ পৰিকল্পনা কৰিছিলো যদিও নহ'ল।

মোৰ দৃষ্টিত অভাৱ ঃ—

অভাৱৰ অন্ত নাই তথাপি ১) প্ৰস্তাবিত হৈ থকা গেটখন তথা শ্বহীদ বেদিটো নিৰ্মান হ'ব বুলি আশা থাকিল।

২) Hai way টো সম্পূৰ্ণ হোৱাৰ পিছত মহাবিদ্যালয়ৰ গৰ্গনাৰায়ণ গোস্বামী নামৰ পথটো উন্নত হ'ব বুলি আশা থাকিল।

৩) ছাত্ৰ একতা সভাৰ কাৰ্যালয়টো আহল-বহল তথা সকলোৰে চকুত পৰা ঠাইত স্থাপন কৰিবলৈ অনুৰোধ জনালো।

৪) মহাবিদ্যালৰ ছাত্ৰ-ছাত্ৰীৰ বিকাশৰ অৰ্থে Indarstedism খনৰ কাম অচিৰেই আৰম্ভ হ'ব বুলি আশা থাকিল।

৫) মহাবিদ্যালয়ৰ পুখুৰীৰ পাৰসমূহ পকীকৰণ কৰিলে ছাত্ৰ-ছাত্ৰীৰ জিৰণী তথা অৱসৰ-বিনোদনৰ ঠাই ওলাব।

শ্ৰদ্ধা নিবেদন আৰু কৃতজ্ঞতা স্বীকাৰ ঃ—

মোক প্ৰতিটো দিশতে উৎসাহিত কৰি অহা মোৰ মা শ্ৰীহিৰণ দেৱী, মাননীয় অধ্যক্ষ ড° ভূপেশ শৰ্মা ছাৰ, ছাত্ৰ একতা সভাৰ তত্বাবধায়ক শ্ৰীযুত জিতেন কুমাৰ ভাগৱতী ছাৰ, আৰু প্ৰতিটো কামতে দিহা পৰামৰ্শ সহায় সহযোগ তথা উৎসাহিত কৰি অহা ৰাজেন চন্দ্ৰ দাস ছাৰক পাহৰিব নোৱাৰো। ইয়াৰ উপৰি ড° প্ৰবোধ চন্দ্ৰ গোস্বামী ছাৰ, শ্ৰীযুত প্ৰদীপ শৰ্মা ছাৰ, শ্ৰীযুতা কল্যাণী বাইদেউ আদিকে প্ৰমুখ্য কৰি প্ৰতিজন শিক্ষা গুৰু তথা মহাবিদ্যালয়ৰ কৰ্মচাৰীবৃন্দ লগতে ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়া, প্ৰতিজন ছাত্ৰ-ছাত্ৰী তথা মোৰ বন্ধুবৰ সুকুমাৰ, হিৰক, সীমান্ত, ধনমণি, ৰাণা, ইমা, জিৎ, সত্য, পাপৰি, কংকী, গিতিকা, গিতুমণি, সিমা, ৰিম্পী, প্ৰিয়ংকা, দীপা আদিকে কৰি বহুতৰে মই চিৰ ঋণী হৈ ৰম।

সামৰণি ঃ—

সদৌ শেষত অনাগত ভৱিষ্যতত নিৰ্মল হালৈ মহাবিদ্যালয় কহিনুৰ হিৰাৰ দৰে জিলিকি থাকক আৰু ইয়াৰ পৰা উজ্বল নক্ষত্ৰৰ আৱিষ্কাৰ হওক তাৰেই কামনা কৰি বিগত কাৰ্যকালত জ্ঞাতে- অজ্ঞাতে কৰা ভুল-ভ্ৰান্তিৰ মাৰ্জনা বিচাৰি মই মোৰ বছৰেকীয়া প্ৰতিবেদনৰ সামৰণি মাৰিলো।

"জয়তু নিৰ্মল হালৈ মহাবিদ্যালয়"

পাটাছাৰকুছি।

**দিপুমণি শৰ্মা**

# সহঃ সাধাৰণ সম্পাদকৰ প্ৰতিবেদন



যিসকল শিক্ষাগুৰু তথা অন্য সদস্যবৃন্দৰ আপ্ৰাণ চেষ্টাত ১৯৭৯ চনত বৰপেটা জিলাৰ পাটাছাৰকুছি অঞ্চলত নিৰ্মল হালৈ মহাবিদ্যালয়খন স্থাপিত হয়, সেই সকললৈ মই মোৰ প্ৰতিবেদনৰ প্ৰাক্‌ক্ষণত শ্ৰদ্ধাৰ শিক্ষাগুৰু তথা সতীৰ্থসকললৈ আন্তৰিক শ্ৰদ্ধা তথা কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

ছাত্ৰ একতা সভাৰ এইবাৰৰ মই সহঃ সাধাৰণ সম্পাদক হিচাপে মোৰ কাম সীমিত। তথাপি কিন্তু আমাৰ কাৰ্যকালত অনুষ্ঠিত বিভিন্ন কাৰ্যসূচীত মই ছাত্ৰ একতা সভাৰ অন্য বিষয়ববীয়াসকলক সহায় কৰিছোঁ।

আমাৰ কাৰ্যকালৰ আৰম্ভণিৰে পৰা সকলো ছাত্ৰ একতা সভাৰ লগত জড়িত সকলোৱে নতুনত্ব আনিবলৈ চেষ্টা কৰিছিলোঁ। ড° ভূপেশ শৰ্মা ছাৰেও এই ক্ষেত্ৰত আমাক পূৰ্ণ সহায়-সহযোগিতা আগবঢ়াইছিল। আৰু সেইমতে মহাবিদ্যালয় সপ্তাহ, আদৰণি সভা আদিত নতুনত্বৰ পৰশ আনিবলৈ চেষ্টা কৰা হৈছিল। এই ক্ষেত্ৰত আমি সমূহ ছাত্ৰ একতাৰ সদস্যবৃন্দই কিমানদূৰ সফল হ'ব পাৰিছোঁ

সেয়া আপোনালোকৰ বিচাৰ্যৰ বিষয়।

সহঃ সাধাৰণ সম্পাদক পদত থাকি কৰা কাৰ্যত ৰৈ যোৱা ভুল-ত্ৰুটিৰ মাৰ্জনা বিচাৰি মই 'নিৰ্মল হালৈ মহাবিদ্যালয়'ৰ ভৱিষ্যৎ গৌৰৱোজ্জ্বল কামনা কৰি মই মোৰ (সহঃ সাধাৰণ সম্পাদকৰ) প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

ঃ জয়তু নিৰ্মল হালৈ মহাবিদ্যালয় ঃ

**ৰাখল ৰয়**

## আলোচনী বিভাগৰ সম্পাদকৰ প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভণিতে মই মোৰ শ্ৰদ্ধাৰ শিক্ষাগুৰু, মহাবিদ্যালয়ৰ সমূহ কৰ্মকৰ্তা, আৰু মোৰ বন্ধু-বান্ধৱীলৈ হিয়াভৰা শ্ৰদ্ধা তথা মৰম নিবেদন কৰিলোঁ।

অসম মাতৃৰ অস্তিত্ব ৰক্ষাৰ সংগ্ৰামত যিসকলে বুকুৰ কেঁচা তেজেৰে ইতিহাস ৰচিলে সেই বীৰ শ্বহীদসকলৰ লগতে বিগত বছৰবোৰত দেশবোৰত দেশমাতৃৰ সেৱাত প্ৰাণ আহুতি দিয়া শ্বহীদসকললৈ সশ্ৰদ্ধ প্ৰণাম জনাইছোঁ আৰু শিক্ষানুষ্ঠানখন প্ৰতিষ্ঠাৰ ক্ষেত্ৰত যিসকল মহান ব্যক্তিৰ ত্যাগ আৰু শ্ৰম নিহিত হৈ আছে তেখেতসকললৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

২০১২-২০১৩ বৰ্ষৰ নিৰ্মল হালৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত মোক আলোচনী বিভাগৰ সম্পাদক হিচাপে নিৰ্বাচিত কৰি যি মহান দায়িত্ব পালন কৰাৰ সুবিধা দিলে, তাৰ বাবে সমূহ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ ওচৰত মই চিৰকৃতজ্ঞ হৈ ৰ'ম। এনেকুৱা এটি আলোচনী বিভাগৰ গধুৰ দায়িত্ব পালনৰ সুযোগ পোৱাত মই সঁচাকৈয়ে আনন্দিত হৈছোঁ, নাজানো মই মোৰ কৰ্তব্য পালনত কিমানদূৰ কৃতকাৰ্য হৈছোঁ, এয়া আপোনালোকৰ বিচাৰ্যৰ বিষয়।

কাৰ্যকাল গ্ৰহণ কৰাৰ কিছুদিন পিছতেই মহাবিদ্যালয় সপ্তাহ আৰম্ভ হয়। মহাবিদ্যালয় সপ্তাহৰ লগত সংগতি ৰাখি আলোচনী বিভাগৰ প্ৰতিযোগিতা অনুষ্ঠিত কৰা হৈছিল। তাৰে ভিতৰৰ প্ৰতিযোগিতাসমূহ হ'ল— কবিতা লিখা, গল্প লিখা, প্ৰবন্ধ লিখা, কুইজ, কবিতা আবৃত্তি আৰু তাৰ লগত সংগতি ৰাখি মই এইবাৰ প্ৰদৰ্শনী আৰু গ্ৰন্থমেলা পাতিলোঁ। মই এটা কথা ন-কৈ কওঁ যে অইন বাৰৰ মহাবিদ্যালয় সপ্তাহৰ তুলনাত এইবাৰ যথেষ্টসংখ্যক ল'ৰা-ছোৱালী উপস্থিত আছিল আৰু বিভিন্ন খেলত যোগদান কৰিছিল। আৰু এটা মন কৰিবলগীয়া কথা যে আমাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ ছাৰে মহাবিদ্যালয় সপ্তাহত ভাগ লোৱা প্ৰত্যেক ল'ৰা-ছোৱালীকে Certificate প্ৰদান কৰিবলৈ অনুমতি দিছিল।

বন্ধু-বান্ধৱীৰ লগতে ভাইটি-ভন্টিসকল, তোমালোকে যেতিয়া কলেজলৈ ইউনিফৰ্ম পৰিধান কৰি অহা তেতিয়া মহাবিদ্যালয়ৰ সৌন্দৰ্য দুগুণে বাঢ়ে। সেয়ে মহাবিদ্যালয়লৈ আহোঁতে সদায় ইউনিফৰ্ম পৰিধান কৰিহে আহিবা আৰু মহাবিদ্যালয়ৰ বাহিৰতো এই ইউনিফৰ্মৰ মৰ্যাদা বজাই ৰাখিবা। লগতে কওঁ যে কিছুমান ছাত্ৰ-ছাত্ৰীলৈ মোৰ বিনম্ৰ অনুৰোধ যাতে এনেকুৱা কাম নকৰে।

সকলো নতুন বস্তুৱেই সুন্দৰ। আমিও নিত্য নতুন সুন্দৰভাৱে সুন্দৰতাৰে সদায় সুন্দৰ হৈ থাকিব বিচাৰোঁ। দৈনন্দিন জীৱনৰ একঘেয়ামিৰ পৰা ফালৰি কাটি আমি জীৱশ্ৰেষ্ঠ প্ৰাণীবোৰে কিবা এটা কৰাৰ তাড়না সদায় অনুভৱ কৰোঁ। সেই অনুভৱেৰে অনুভৱী হৈ এইবাৰো প্ৰকাশ কৰিলোঁ নিৰ্মল হালৈ চৰকাৰী মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী প্ৰাগজ্যোতিৰ পঞ্চবিংশতিতম সংখ্যাটি।

আলোচনী প্ৰকাশ কৰিবলৈ ওলাই পুনৰ মনলৈ আহিছে যে কেনেদৰে সজালে ই সৰ্বজন সমাদৃত হ'ব। আচলতে কলেজীয়া জীৱনৰ নানা অভিজ্ঞতা আৰু চিন্তাৰ পৰিসৰৰ মাজত থাকি ছাত্ৰসকলে ৰচনা কৰা অমূল্য সম্পদবোৰক ভৱিষ্যতৰ অনুকূলে ধৰি ৰখাৰ বাবেইতো জন্ম হয় মহাবিদ্যালয়ৰ আলোচনীবোৰ। সেয়ে ছাত্ৰসকলৰ সৃষ্টিবোৰক সু-সজ্জিত কৰি সেইবোৰৰ মাজত এক সু-সমন্বয় স্থাপন কৰাৰ লগতে ছাত্ৰসকলৰ আগ্ৰহ আৰু কৰ্মপটুতাৰ স্বীকৃতি প্ৰদানৰ দলিল হওক 'প্ৰাগজ্যোতি'। এইটোৱেই প্ৰাগজ্যোতিৰ একান্ত লক্ষ্য। আমাৰ আশা আছে, আশা থকাৰ বাবেইতো এই পৃথিৱীত আমি জীয়াই আছোঁ। কিন্তু আমি আশা কৰিছোঁ কি? আমি কেৱল আশা কৰিব নোৱাৰোঁনে নিজক সু-প্ৰতিষ্ঠিত কৰাৰ; য'ত আমি পাব পাৰোঁ নিজৰ লগতে আন বহুজনৰ সন্তুষ্টিৰ আভা। এই ছেগতে বিভাগীয় তত্বাৱধায়ক শ্ৰীযুত ৰাজেন দাস ছাৰ আৰু বিভিন্ন বহুমূলীয়া দিহা-পৰামৰ্শৰে উপকৃত কৰা ছাৰ-বাইদেউসকললৈ মোৰ গভীৰ শ্ৰদ্ধা নিবেদন কৰিছোঁ।

মোৰ এই এবছৰীয়া কাৰ্যকালত প্ৰতিটো দিশতে সহায় কৰা বন্ধু-বান্ধৱীসকল হ'ল— সৰ্বশ্ৰী দীপজ্যোতি, দেৱজিৎ, মেৰাজুল, আমজেদ, নিপন, বিজিত, পাৰ্থ, দীপু দা, ৰাণা দা, সুকুমাৰ দা, ৰাখল, ইমামুৰ, হীৰক, কংকী বা, গীতু বা, গীতুমণি, অনামিকা, কাকলি, ডৰথি, সংগীতা, হিমাদ্ৰী, হীমাক্ষি, চয়নিকা, পাপৰি, দীপান্বিতা আদি।

বেলি উদয় হয়..... মাৰ যায়... আকৌ উদয় হয়, ফুল ফুলে.... সৰি পৰে..... আকৌ ফুলে.... আৰু এনেদৰেই সময়ে সময়ে আনে..... লৈ যায়... আকৌ দি যায় নতুনত্বৰ উপহাৰ। প্ৰাগজ্যোতিৰ এই সংখ্যাটিতো সময়ৰ লগত নতুনত্বক সংযোজন কৰিবলৈ প্ৰয়াস কৰা হৈছে। শেষত আলোচনীখন প্ৰকাশত ৰৈ যোৱা ত্ৰুটিবোৰ দেখুৱাই দিলে ভৱিষ্যতে আমি নিজকে সংশোধন কৰিব পাৰিম।

শেষত নিৰ্মল হালৈ মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষ্যৎ কামনা কৰি মোৰ প্ৰতিবেদনৰ মোখনি মাৰিলোঁ।

ঃ জয়তু নিৰ্মল হালৈ মহাবিদ্যালয় ঃ

**ধ্ৰুৱজ্যোতি পাঠক**



## সাংস্কৃতিক বিভাগৰ সম্পাদকৰ প্ৰতিবেদন



বাৰ্ষিক প্ৰতিবেদনৰ আৰম্ভণিতে মাতৃভূমিৰ হকে জীৱন ত্যাগ কৰা বীৰ শ্বহীদসকললৈ আৰু সাংস্কৃতিক জগতখনক উচ্চ শীৰ্ষত জিলিকাবৰ বাবে আপ্ৰাণ চেষ্টা কৰা সাংস্কৃতিক পূজাৰীসকললৈ মোৰ ভক্তি আৰু আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিলোঁ। আকৌ, যিসকল মহান ব্যক্তিৰ কঠোৰ শ্ৰম, ত্যাগৰ বিনিময়ত আমাৰ 'জ্ঞান মন্দিৰ' নিৰ্মল হালৈ মহাবিদ্যালয়ৰ সৃষ্টি হ'ল তেখেতসকললৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

নিৰ্মল হালৈ মহাবিদ্যালয় অসমৰ শিক্ষাজগতৰ এক 'ধ্ৰুৱতৰা'স্বৰূপ। এই মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ ২০১২-১৩ বৰ্ষৰ সাধাৰণ নিৰ্বাচনত সাংস্কৃতিক বিভাগৰ সম্পাদিকা হিচাপে মোক নিৰ্বাচিত কৰি যি বিশ্বাস আৰু মৰমৰ পৰিচয় দিলে তাৰ বাবে মই নথৈ আনন্দিত। এনেকুৱা এটা দায়িত্বশীল পদত নিৰ্বাচিত কৰি যিখিনি সেৱা কৰাৰ সুযোগ দিলে তাৰ বাবে মই সকলো ছাত্ৰ-ছাত্ৰীলৈ আন্তৰিক মৰম আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

পূৰ্বৰ সম্পাদিকাৰ পৰা কাৰ্যভাৰ গ্ৰহণ কৰাৰ পিছতে বিগত বছৰবোৰৰ দৰে এইবেলিও ০১/২০১২ৰ পৰা ০১/২০১৩ লৈ 'মহাবিদ্যালয় সপ্তাহ' অনুষ্ঠিত কৰা হয়। মহাবিদ্যালয় সপ্তাহত সাংস্কৃতিক বিভাগৰ তৰফৰ পৰা সংগীত, ভেশচন, একাংকিকা নাট আদি প্ৰতিযোগিতাসমূহ পতা হয়। তদুপৰি এইবেলি সাংস্কৃতিক শোভাযাত্ৰা ৰব বিশেষ মনোযোগেৰে আটক ধুনীয়া কৰি তোলা হয় আৰু বঁটা প্ৰদানৰো ব্যৱস্থা কৰা হয়।

মোৰ এবছৰীয়া কাৰ্যকালত বিভিন্ন দিশত দিহা-পৰামৰ্শৰে সহায়ৰ হাত আগবঢ়োৱা আমাৰ শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয় ড° ভূপেশ শৰ্মা ছাৰ, তত্বাৱধায়ক মাননীয় ৰুদ্ৰ কলিতা ছাৰ, ৰাজেন দাস ছাৰ আৰু সমূহ শিক্ষাগুৰু আৰু বন্ধু-বান্ধৱীলৈ তথা বন্ধুবৰ দিপু, নিপন, বিজিত, ধ্ৰুৱ, নিতুললৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

সদৌ শেষত মোৰ কাৰ্যকালত অজানিতে কৰা ভুল-ভ্ৰান্তিৰ বাবে ক্ষমা বিচাৰি লগতে নিৰ্মল হালৈ মহাবিদ্যালয়ৰ উত্তৰোত্তৰ কামনা কৰি এই প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

**কংকী শৰ্মা**

## গুৰু খেল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভণিতে অসম তথা ভাৰতবৰ্ষৰ অস্তিত্ব ৰক্ষাৰ্থে মৃত্যুৰ সৈতে খেলি জীৱনৰ সুখ-স্বাচ্ছন্দক জলাঞ্জলি দিয়া সমূহ শ্বহীদলৈ যাচিছোঁ একাজলি শ্ৰদ্ধাঞ্জলি। যিসকলে পংগুত্বক সাৰথি কৰি সন্ত্ৰাসৰ বিৰুদ্ধে যুঁজ দি জীৱিত থাকিল ভগৱানৰ ওচৰত তেওঁলোকৰ মংগল প্ৰাৰ্থনা কৰিছোঁ।

এই সুযোগতে এই মহান ঐতিহ্যমণ্ডিত শিক্ষানুষ্ঠানৰ ২০১৩-১৪ বৰ্ষৰ গুৰু খেল বিভাগৰ সম্পাদকৰ পদত মোক নিৰ্বাচিত কৰি এই গুৰুত্বপূৰ্ণ দায়িত্বভাৰ অৰ্পণ কৰাৰ বাবে মহাবিদ্যালয়ৰ সকলোকে মোৰ তৰফৰ পৰা আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলোঁ।

বিভাগীয় কাৰ্যভাৰ গ্ৰহণ কৰাৰ কিছুদিন পিছতেই আৰম্ভ হয় 'মহাবিদ্যালয় সপ্তাহ'। মহাবিদ্যালয়ৰ লগত সংগতি ৰাখি মোৰ বিভাগৰ খেলসমূহ সুচাৰুৰূপে আৰু খুব নিয়াৰিকৈ অনুষ্ঠিত কৰোঁ। নিৰ্মল হালৈ মহাবিদ্যালয় যদিও শৈক্ষিক ক্ষেত্ৰত আগবাঢ়ি যাবলৈ সক্ষম হৈছে তথাপি আন কিছুমান দিশত পিছপৰি থকা বুলি মই ভাবোঁ।

াৰ মূল কাৰণ হৈছে কৰ্তৃপক্ষৰ অমনোযোগিতা, খেল বিভাগৰ ই আমাৰ মহাবিদ্যালয়ৰ কোনো ধৰণৰ গুৰুত্ব দেখা নাযায়। যাৰ ত খেলসমূহ চলাবলৈ যাওঁতে যথেষ্ট অসুবিধাৰ সন্মুখীন হৈছোঁ। শেষকৈ দুখজনক কথা হৈছে খেলত যোগদান কৰিবলৈ ছাত্ৰ-ত্ৰীসকলৰ আগ্ৰহৰ অভাৱ। ভৱিষ্যতে যাতে এইখন মহাবিদ্যালয়ে ল বিভাগত সুনাম কঢ়িয়াই আনে তাক আশা কৰিয়েই মই কৰ্তৃপক্ষৰ তি কৃতজ্ঞতা জনালোঁ।

মোৰ কাৰ্যকালত মোক প্ৰতিটো ক্ষণতে দিহা-পৰামৰ্শ াগৰঢ়োৱা মোৰ তত্ত্বাৱধায়ক শ্ৰীযুত অনিল মজুমদাৰ ছাৰৰ ওচৰত ই চিৰকৃতজ্ঞ। আৰু শ্ৰীযুত জিতেন ভাগৱতী ছাৰ আৰু ৰাজেন দাস ৰৰ ওচৰতো মই চিৰকৃতজ্ঞ। মোক বছৰটোৰ প্ৰথমৰ পৰা শেষলৈকে মোৰ লগত হাতে হাত ধৰি সহায় কৰা দিপু, নিপন, পাৰ্থ, ধ্ৰুৱ, ইমামুৰ, ৰাখাল, অমৰ, ৰাণা দা, সুকুমাৰ দা, প্ৰাণজিৎ, ত্ৰিদিপ, উদীপ্ত, টুটুমণি, জ্যোতিৰূপা, ৰুমী, গীতাৰ্থ, গীতু বা, কংকী বা আদি সকলোৰে ওচৰত মই চিৰকৃতজ্ঞ।

সদৌ শেষত মোৰ কাৰ্যকালত অজ্ঞাতে হোৱা ভুল-ত্ৰুটিবোৰৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰি তথা নিৰ্মল হালৈ মহাবিদ্যালয়ৰ সৰ্বাংগীন উন্নতি কামনা কৰি মই মোৰ প্ৰতিবেদন সামৰিলোঁ।

'জয়তু নিৰ্মল হালৈ মহাবিদ্যালয়'।

**বিজিত কলিতা**

## লঘু খেল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন



প্ৰতিবেদনৰ বাটচ'ৰাতে মই অসমীয়া জাতিৰ ভাষা-সংস্কৃতি, কৃষ্টি-সভ্যতা আৰু অস্তিত্ব ৰক্ষাৰ সংগ্ৰামত যিসকল শ্বহীদে পৰাধীনতাৰ শিকলি ছিঙি স্বাধীনতাৰ জয়মালা পিন্ধাব বিচাৰি আত্ম বিসৰ্জন দি অসমী আইৰ বেদীত কলিজাৰ কেঁচা তেজেৰে বন্তি জ্বলাই ইতিহাসৰ বুকুত সোণালী অধ্যায়ৰ সূচনা কৰি, জাতীয় সত্তাক বিশ্বৰ দৰবাৰত প্ৰতিষ্ঠা কৰিব বিছাৰিছে সেই মহান বীৰ শ্বহীদসকললৈ মোৰ অশ্ৰুসিক্ত শ্ৰদ্ধাঞ্জলি। লগতে সেইসকল প্ৰাতঃস্মৰণীয় মনীষীলৈ যাচিছোঁ মোৰ শ্ৰদ্ধাঞ্জলি তথা গভীৰ শ্ৰদ্ধা, যিসকল মহান ব্যক্তিৰ কঠোৰ ত্যাগ, পৰিশ্ৰম, একাগ্ৰতা আৰু সাধনাৰ ফলত স্থাপিত হৈছিল নিৰ্মল হালৈ মহাবিদ্যালয়।

পাটাছাৰকুছিৰ মাজভাগত অৱস্থিত নিৰ্মল হালৈ মহাবিদ্যালয়ে বছৰ ধৰি কলা বিভাগৰ পাঠদানৰ সুবিধা কৰি দি বৰপেটা জিলাৰ লগতে নামনি অসমৰ বহু ছাত্ৰ-ছাত্ৰীৰ প্ৰাণকেন্দ্ৰ স্বৰূপে পৰিগণিত হৈছে। এনেকুৱা এখন লেখত ল'বলগীয়া শিক্ষানুষ্ঠানৰ লঘু খেল বিভাগৰ সম্পাদক হিচাপে মহাবিদ্যালয়খনলৈ সেৱা আগবঢ়োৱাৰ সুযোগকণ পোৱাৰ বাবে মই নথৈ সুখী। নিৰ্মল হালৈ মহাবিদ্যালয়ৰ ২০১১-১৩ বৰ্ষৰ ছাত্ৰ একতা সভাৰ লঘু খেল বিভাগৰ দায়িত্ব পালন কৰাৰ সুযোগকণ দিয়াৰ বাবে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধৱীলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। শপত গ্ৰহণ কৰাৰ চাৰি দিন পিছতে আমাৰ মহাবিদ্যালয়ৰ পৰা এইবাৰ আন্তঃমহাবিদ্যালয় ভলীবল প্ৰতিযোগিতাত জয়ী হৈ বৰপেটা জিলাৰ সমূহ কলেজৰ ভিতৰতে সৰ্বশ্ৰেষ্ঠ দল হিচাপে পৰিগণিত হয়। আৰু মই এই ছেগতে আমাৰ মহাবিদ্যালয়ৰ সেই খেলুৱৈসকলক কৃতজ্ঞতা যাচিছোঁ। মহাবিদ্যালয় সপ্তাহৰ লগতে মোৰ কাৰ্যকালত গঠনমূলক দিহা-পৰামৰ্শৰে সহায় আগবঢ়োৱা তত্ত্বাৱধায়ক শ্ৰীযুত প্ৰণৱ দাস ছাৰ, প্ৰদীপ ছাৰ, ৰাজেন দাস ছাৰ আৰু মোৰ সহপাঠী সত্যজিৎ, হেমন্ত, উপকুল, হীৰক, সুকুমাৰ দা, সোণ, নিপন, দিপু, বিজিত ছাত্ৰ একতা সভাৰ বিষয়ববীয়া আৰু মহাবিদ্যালয় সপ্তাহত প্ৰতিযোগিতাত ভাগ লোৱা সমূহ প্ৰতিযোগীকে মই কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

ভুল অৱশ্যম্ভাৱী— আমি সকলোৱে জানো। গতিকে মোৰ কাৰ্যকালত মোৰ কাৰ্যবোৰ চলাই নিয়াত মোৰো নিশ্চয় ভুল হৈছে। মই অনিচ্ছাকৃত ভুলৰ বাবে সমূহ সদস্যৰ আগত মাৰ্জনা বিচাৰিছোঁ।

সদৌ শেষত নিৰ্মল হালৈ মহাবিদ্যালয়ৰ গৌৰৱোজ্জ্বল কামনা কৰি মোৰ প্ৰতিবেদনৰ ইতিৰেখা টানিলোঁ।

ঃ জয়তু নিৰ্মল হালৈ মহাবিদ্যালয় ঃ

**পাৰ্থ প্ৰতীম দাস**



## ছাত্ৰ জিৰণি কোঠাৰ সম্পাদকৰ প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভণিতে অসমৰ জাতীয় অস্তিত্ব ৰক্ষাৰ নামত প্ৰাণ আহুতি দিয়া বীৰ শ্বহীদসকললৈ মোৰ অশ্ৰুসিক্ত শ্ৰদ্ধাঞ্জলি নিবেদিলোঁ, লগতে যিসকল ব্যক্তিয়ে অহোপুৰুষাৰ্থ চেষ্টাত এই মহান অনুষ্ঠানটিক চিৰসেউজ কৰি তুলিলে সেইসকল মহান ব্যক্তিকো শ্ৰদ্ধা জনালোঁ।

নিৰ্মল হালৈ মহাবিদ্যালয়ৰ বাৰ্ষিক ছাত্ৰ একতা সভাৰ (২০১২-১৩) বৰ্ষৰ ছাত্ৰ জিৰণি কোঠাৰ সম্পাদকৰ পদত বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত কৰি মহাবিদ্যালয়ৰ যি মহান দায়িত্ব পালন কৰাৰ সুযোগ দিলে তাৰ বাবে মহাবিদ্যালয়ৰ সকলোৰে ওচৰত কৃতজ্ঞতা জনালোঁ।

প্ৰত্যেক বছৰৰ দৰে এইবাৰো নিৰ্মল হালৈ মহাবিদ্যালয় সপ্তাহৰ লগতে এইবেলি নতুনকৈ যুৱ মহোৎসৱো পালন কৰা হ'ল। মোৰ ফালৰ পৰাও মই বৰ হেঁপাহেৰে প্ৰতিযোগিতাসমূহ চলাইছিলোঁ, কিন্তু ছাত্ৰ-ছাত্ৰীসকলৰ খেলৰ প্ৰতি অমনোযোগ আৰু হেমাহিৰ বাবে খেলসমূহ চলাই নিয়াত অসুবিধাৰ সন্মুখীন হ'ব লগা হ'ল।

মোৰ কাৰ্যকালত বিভিন্ন দিহা-পৰামৰ্শ তথা সহায়-সহযোগিতা আগবঢ়োৱা মোৰ শিক্ষাগুৰু আৰু তত্ত্বাৱধায়ক শ্ৰীযুত কমল ঠাকুৰীয়া ছাৰৰ ওচৰত মই চিৰকৃতজ্ঞ। আকৌ মোক ব্যক্তিগতভাৱে সহায়ৰ হাত আগবঢ়োৱা দিপু, বিজিত, পাৰ্থ, ধ্ৰুৱ, ইমামুৰ, ৰাখল, নিপম, তুতুমণি, প্ৰাণজিৎ, উদীপ্ত, গীতাৰ্থ, কংকী বা আৰু গীতু বা— সকলোৰে ওচৰত মই চিৰকৃতজ্ঞ।

শেষত মোৰ কাৰ্যকালত যদি অজানিতে কেতিয়াবা ভুল কৰিছোঁ তাৰ বাবে মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয় ছাৰ-বাইদেউ তথা মোৰ বন্ধু-বান্ধৱীসকলৰ ওচৰত এই প্ৰতিবেদনৰ জৰিয়তে মই ক্ষমা বিচাৰিছোঁ। লগতে মহাবিদ্যালয়ৰ ঐক্য, শানিত আৰু উজ্জ্বল ভৱিষ্যৎ কামনা কৰিলোঁ। এই জ্ঞান মন্দিৰৰ প্ৰতিজন ছাত্ৰ-ছাত্ৰীৰে ভৱিষ্যৎ সুখৰ হোৱাৰ কামনাৰে মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

ঃ জয়তু নিৰ্মল হালৈ মহাবিদ্যালয় ঃ

**নিপন কলিতা**

## ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকাৰ প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভণিতে মই মোৰ শ্ৰদ্ধাৰ শিক্ষাগুৰু, মহাবিদ্যালয়ৰ সমূহ কৰ্মকতা, ছাত্ৰ-ছাত্ৰী আৰু মোৰ বন্ধু-বান্ধৱীলৈ আন্তৰিক শ্ৰদ্ধা তথা কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। যিসকলে মাতৃভূমিৰ অস্তিত্ব ৰক্ষাৰ্থে নিজৰ জীৱনকো তুচ্ছ জ্ঞান কৰি শ্বহীদৰ জয়মালা পিন্ধিলে, সেইসকল বীৰ-বীৰাংগনালৈ মোৰ তৰফৰ পৰা নিবেদিছোঁ শত-সহস্ৰ অশ্ৰুঅঞ্জলি আৰু লগতে কিছুদিন পূৰ্বে আমাৰ মাজৰ পৰা আঁতৰি যোৱা সুধাকণ্ঠ ড° ভূপেন হাজৰিকা, জ্ঞানপীঠ বঁটা বিজয়িনী মামণি ৰয়ছম গোস্বামী বাইদেউ আৰু সুগন্ধি পখিলাৰ কবি হীৰেণ ভট্টাচাৰ্যদেৱলৈ মোৰ লিখনিৰ পৱিত্ৰ মুহূৰ্তত আন্তৰিক শ্ৰদ্ধাঞ্জলি নিবেদিছোঁ। যিসকল ব্যক্তিৰ প্ৰচেষ্টাত নিৰ্মল হালৈ মহাবিদ্যালয় প্ৰতিষ্ঠা হ'ল সেইসকললৈ মোৰ গভীৰ শ্ৰদ্ধাঞ্জলি যাচি মোৰ প্ৰতিবেদনৰ পাতনি মেলিছোঁ।

২০১২-১৩ বৰ্ষৰ ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকা হিচাপে বিনাপ্ৰতিদ্বন্দ্বিতাৰে জয়লাভ কৰিবলৈ সুযোগ দিয়াৰ বাবে 'নিৰ্মল হালৈ মহাবিদ্যালয়'ৰ সমূহ ছাত্ৰ-ছাত্ৰীকে মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

কাৰ্যভাৰ গ্ৰহণ কৰাৰ কিছুদিন পাছত আৰম্ভ হৈছিল 'মহাবিদ্যালয় সপ্তাহ'।

মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকাসকলৰ পৰামৰ্শ আৰু ছাত্ৰ-ছাত্ৰীসকলৰ আকুণ্ঠ সহায়-সহযোগিতাত চলাবলৈ সক্ষম হৈছিলোঁ মহাবিদ্যালয় সপ্তাহ। বিগত বছৰৰ দৰে এই বছৰো আমাৰ বিভাগৰ ফালৰ পৰা বিভিন্ন প্ৰতিযোগিতা অনুষ্ঠিত কৰিছিলোঁ। প্ৰতিযোগিতাসমূহত বহু প্ৰতিযোগীয়ে যোগদান কৰে। মোৰ কাৰ্যকালত বিভিন্ন দিহা-পৰামৰ্শ তথা সহায়-সহযোগিতা আগবঢ়োৱা শ্ৰদ্ধাৰ শিক্ষাগুৰুসকল, কৰ্মচাৰীবৃন্দ আৰু তত্ত্বাৱধায়িকা নিৰ্মালী মহন্ত চৌধুৰী বাইদেউৰ ওচৰত মই চিৰকৃতজ্ঞ। মোক বিভিন্ন দিহা-পৰামৰ্শৰে প্ৰেৰণা দিয়া বন্ধু-বান্ধৱীসকল কবিতা, পাপৰি, নিবেদিতা, দেইজী, বাণাদা, সুকুমাৰ দা, দিপু, নিপন, বিজিত, ধ্ৰুৱ, কংকিৰ ওচৰত মই চিৰকৃতজ্ঞ।

শেষত মোৰ কাৰ্যকালত যদি অজানিতে কেতিয়াবা ভুল কৰিছোঁ তাৰ বাবে মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়, ছাৰ-বাইদেউসকলৰ ওচৰত এই প্ৰতিবেদনৰ জৰিয়তে ক্ষমা বিচাৰিছোঁ। লগতে মহাবিদ্যালয়ৰ ঐক্য, শান্তি আৰু উজ্জ্বল ভৱিষ্যৎ কামনা কৰি মোৰ ক্ষুদ্ৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

'জয়তু নিৰ্মল হালৈ মহাবিদ্যালয়'

**গীতু মণি দাস**

# সমাজ সেৱা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন



প্ৰতিবেদনৰ প্ৰাকমুহূৰ্তত মই মোৰ শ্ৰদ্ধাৰ শিক্ষাগুৰু, মহাবিদ্যালয়ৰ সমূহ কৰ্মকৰ্তা, ছাত্ৰ-ছাত্ৰী তথা মোৰ বন্ধু-বান্ধৱীলৈ আন্তৰিক শ্ৰদ্ধা তথা কৃতজ্ঞতা জ্ঞাপন কৰিছো। নিষ্ঠুৰ বাস্তৱ আৰু সংঘাতকো নেওচি অসমৰ জাতীয়তা ৰক্ষাৰ বাবে নিজৰ জীৱনকো তুচ্ছ জ্ঞান কৰা মহান শ্বহীদ সকললৈ মোৰ আন্তৰিক শ্ৰদ্ধাঞ্জলি নিৱেদিছো। আকৌ যিসকল ব্যক্তিৰ অপ্ৰাণ চেষ্টাত নিৰ্মল হালৈ মহাবিদ্যালয় সৃষ্টি হ'ল আমাৰ একমাত্ৰ জ্ঞানৰ আলয় নিৰ্মল হালৈ মহাবিদ্যালয়। তেওঁলোকৰ পূণ্য বেদীত নিৱেদিছো এটোপাল আশ্ৰু অঞ্জলি।

সমাজ সেৱা বিভাগৰ সম্পাদকৰ পদত মোক নিৰ্বাচিত কৰি এই বিভাগটোৰ জৰিয়তে আপোনালোকক যি সেৱা কৰাৰ সুযোগ দিলে তাৰ বাবে সমূহ ছাত্ৰ-ছাত্ৰীলৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ।

পোন প্ৰথমতে মই আমাৰ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীক বিনম্ৰভাৱে অনুৰোধ জনাব বিচাৰোঁ যে মহাবিদ্যালয়ত বছৰি অনুষ্ঠিত মহাবিদ্যালয় সপ্তাহত ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিৰ সংখ্যা প্ৰতি বছৰে বহুত কম হোৱা দেখা যায়, গতিকে সমূহ ছাত্ৰ-ছাত্ৰীয়ে যাতে মহাবিদ্যালয়ৰ সপ্তাহত অনুষ্ঠিত খেলবিলাকত অংশ গ্ৰহণ কৰি মহাবিদ্যালয়ৰ শোভাবৰ্ধন কৰে। এই ছেগতে এটা কথা কৈ থ'ব বিচাৰোঁ যে কিছুমান ছাত্ৰ-ছাত্ৰীয়ে কলেজ ৰুমৰ ভিতৰত, বাহিৰৰ বেৰত গুটখা, তামোল-পাণ আদি খাই পিক পেলাই কলেজৰ সৌন্দৰ্য বিনষ্ট কৰি আহিছে। তেওঁলোকক এনেকুৱা কাম নকৰিবলৈ বিনম্ৰভাৱে অনুৰোধ জনালোঁ। কাৰণ আমাৰ মহাবিদ্যালয়খন হৈছে প্ৰতিজন ছাত্ৰ-ছাত্ৰীৰ ঘৰখনৰ নিচিনা। মহাবিদ্যালয় কৰ্তৃপক্ষক এইক্ষেত্ৰত যথেষ্ট কঠোৰ হ'বলৈ অনুৰোধ জনালোঁ। আৰু এটা কথা মহাবিদ্যালয় কৰ্তৃপক্ষক অনুৰোধ কৰিব বিচাৰোঁ যে আমাৰ মহাবিদ্যালয়ৰ পিছফালে থকা পুখুৰীটো চাফা কৰি তাত মহাবিদ্যালয় সপ্তাহত সাঁতোৰ খেল অনুষ্ঠিত কৰে যেন। যদি সম্ভৱ হয় নিয়মীয়া সাঁতোৰ প্ৰশিক্ষণৰ ব্যৱস্থা কৰে যেন। তেতিয়া বহু ল'ৰা-ছোৱালীৰ ভৱিষ্যৎ উজ্জ্বল হ'ব বুলি আশা কৰোঁ।

শেষত, কাৰ্যকাল মই সঠিকভাৱে চলাই নিয়াত বিশেষভাৱে দিহা-পৰামৰ্শ তথা উৎসাহিত কৰা মাননীয় অধ্যক্ষ ড° ভূপেশ শৰ্মা মহোদয়, তত্বাৱধায়ক সদা দাস ছাৰ আৰু সমূহ বিষয়ববীয়াকে মোৰ তৰফৰ পৰা আন্তৰিক কৃতজ্ঞতা যাচিছোঁ। মই নিৰ্বাচনত জয়ী হোৱাত বিশেষভাৱে সহায় কৰা মোৰ বন্ধু-বান্ধৱীসকলৰ ভিতৰত সুকুমাৰ শৰ্মা, ৰাণা ৰহমান, দিপুমণি শৰ্মা, ধ্ৰুৱ পাঠক, ৰাখল, বিজিত, নিপন, গীতু আৰু মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীকে মোৰ ফালৰ পৰা আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ।

নিৰ্মল হালৈ মহাবিদ্যালয়খন আকাশৰ তৰাৰ দৰে যাতে জিলিকি থাকে আৰু মই কাৰ্যকালত কৰা ভুল-ত্ৰুটিৰ সকলোৰে ওচৰত ক্ষমা প্ৰাৰ্থনা কৰি মই মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

ঃ জয়তু নিৰ্মল হালৈ মহাবিদ্যালয় ঃ

**মঃ ইমামুৰ ৰহমান**

---

# তৰ্ক ও আলোচনা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভণিতে যিসকল মহান ব্যক্তিৰ আপ্ৰাণ প্ৰচেষ্টাত অসমৰ 'নৱদ্বীপ' বৰপেটা জিলাৰ গৌৰৱ তথা গোটেই অসমৰে এক আগশাৰীৰ বিদ্যামন্দিৰ পাটাছাৰকুছিৰ নিৰ্মল হালৈ মহাবিদ্যালয় গঢ়ি উঠিল সেইসকল ব্যক্তিৰ প্ৰচেষ্টা আৰু ত্যাগক শ্ৰদ্ধাৰে সুঁৱৰিছো। হে মহান ব্যক্তিসকল আপোনালোকৰ ত্যাগ, মহানুভৱতা আৰু প্ৰচেষ্টাই মহাবিদ্যালয়ৰ প্ৰতিটো ইটা, প্ৰতি চাহ বালিত নিহিত হৈ আজিও আছে।

ছাত্ৰ একতা সভাৰ নিৰ্বাচনত তৰ্ক বিভাগৰ পদটোত নিৰ্বাচিত কৰাৰ বাবে নিৰ্মল হালৈ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীক মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো।

ছাত্ৰ একতা সভা গঠন হোৱাৰ কিছুদিন পিছতে মহাবিদ্যালয় সপ্তাহ আৰম্ভ হয়। উক্ত মহাবিদ্যালয় সপ্তাহত তৰ্ক বিভাগৰ সমূহ প্ৰতিযোগিতাত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰি আকৰ্ষণীয় কৰি তোলে।

শেষত মোৰ কাৰ্যকালত বিভিন্ন পৰামৰ্শৰে সহায় কৰা ছাত্ৰ একতা সভাৰ দিপুমণি, ধ্ৰুৱজ্যোতি, ৰাখল, ইমামুৰ লগতে মানিক দাস, ৰাজেন দাস, জিতেন ভাগৱতী, কমল ঠাকুৰীয়া তথা সমূহ শিক্ষাগুৰু সমন্বিতে বন্ধু-বান্ধৱীক ধন্যবাদ জ্ঞাপন কৰিছো।

সদৌ শেষত মোৰ কাৰ্যকালত কৰা অনিচ্ছাকৃত ভুলৰ বাবে সকলোৰে ওচৰত ক্ষমা প্ৰাৰ্থনা বিচাৰিছোঁ। নিৰ্মল হালৈ মহাবিদ্যালয়ৰ সৰ্বাংগীন উন্নতি আৰু উত্তৰোত্তৰ কামনা কৰি মোৰ প্ৰতিবেদনৰ ইমানতে সামৰণি মাৰিলোঁ।

জয়তু নিৰ্মল হালৈ মহাবিদ্যালয়।

**অমৰজ্যোতি কলিতা**



# ২০১২-২০১৩ ইং বৰ্ষত নিৰ্মল হালৈ মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা বাৰ্ষিক খেল-ধেমালিৰ ফলাফল —

## সাংস্কৃতিক বিভাগৰ প্ৰতিযোগিতাসমূহৰ ফলাফল ঃ—

**১) বিয়াগীত প্ৰতিযোগিতা**
১ ম— কংকি শৰ্মা (চতুৰ্থ যান্মাসিক)
২ য়— গীতুৰাণী কলিতা (চতুৰ্থ যান্মাসিক)
৩ য়— মূৰ্চ্ছনা ঠাকুৰীয়া (চতুৰ্থ যান্মাসিক)

**২) জ্যোতি সংগীত প্ৰতিযোগিতা**
১ ম— কংকি শৰ্মা (চতুৰ্থ যান্মাসিক)
২ য়— অৰ্পনা ৰয় (তৃতীয় যান্মাসিক)
৩ য়— বিপ্লৱ কুমাৰ ৰয় (চতুৰ্থ যান্মাসিক)

**৩) ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতা**
১ ম— অৰ্পনা ৰয় (তৃতীয় যান্মাসিক)
২ য়— কংকি শৰ্মা (চতুৰ্থ যান্মাসিক)
৩ য়— গীতুৰাণী কলিতা (চতুৰ্থ যান্মাসিক)
পাপৰি গোস্বামী (তৃতীয় যান্মাসিক)

**৪) আধুনিক গীত প্ৰতিযোগিতা**
১ ম— কংকি শৰ্মা (চতুৰ্থ যান্মাসিক)
২ য়— অৰ্পনা ৰয় (তৃতীয় যান্মাসিক)
বিপ্লৱ কুমাৰ ৰয় (চতুৰ্থ যান্মাসিক)
৩ য়— জিৎ কুমাৰ দাস (চতুৰ্থ যান্মাসিক)
মূৰ্চ্ছনা ঠাকুৰীয়া (চতুৰ্থ যান্মাসিক)

**৫) লোকগীত প্ৰতিযোগিতা**
১ ম— অৰ্পনা ৰয় (তৃতীয় যান্মাসিক)
২ য়— কংকি শৰ্মা (চতুৰ্থ যান্মাসিক)
৩ য়— আমজেদ আলী (দ্বিতীয় যান্মাসিক)

**৬) বিষ্ণুৰাভা সংগীত প্ৰতিযোগিতা**
১ ম— কংকি শৰ্মা (চতুৰ্থ যান্মাসিক)
২ য়— দীপুমণি শৰ্মা (চতুৰ্থ যান্মাসিক)
৩ য়— গীতুৰাণী কলিতা (চতুৰ্থ যান্মাসিক)
পাপৰী গোস্বামী (তৃতীয় যান্মাসিক)

**৭) বৰগীত প্ৰতিযোগিতা**
১ ম— অৰ্পনা ৰয় (তৃতীয় যান্মাসিক)
২ য়— কংকি শৰ্মা (চতুৰ্থ যান্মাসিক)
৩ য়— গীতুমণি কলিতা (চতুৰ্থ যান্মাসিক)

**৮) পাৰ্বতী প্ৰসাদ বৰুৱা গীত প্ৰতিযোগিতা**
১ ম— বিপ্লৱ কুমাৰ ৰয় (চতুৰ্থ যান্মাসিক)
২ য়— কংকি শৰ্মা (চতুৰ্থ যান্মাসিক)
৩ য়— গীতুৰাণী কলিতা (চতুৰ্থ যান্মাসিক)

**৯) বড়োগীত প্ৰতিযোগিতা**
১ ম— অৰ্পনা ৰয় (তৃতীয় যান্মাসিক)
২ য়— কংকি শৰ্মা (চতুৰ্থ যান্মাসিক)
৩ য়— বিপ্লৱ কুমাৰ ৰয় (চতুৰ্থ যান্মাসিক)

**১০) জয়ন্ত হাজৰিকা গীত প্ৰতিযোগিতা**
১ ম— কংকি শৰ্মা (চতুৰ্থ যান্মাসিক)
২ য়— অৰ্পনা ৰয় (তৃতীয় যান্মাসিক)
৩ য়— জিৎ কুমাৰ ৰয় (চতুৰ্থ যান্মাসিক)

**১১) জিকিৰ প্ৰতিযোগিতা**
১ ম— কংকি শৰ্মা (চতুৰ্থ যান্মাসিক)
২ য়— অৰ্পনা ৰয় (তৃতীয় যান্মাসিক)
৩ য়— আমজেদ আলী (তৃতীয় যান্মাসিক)

**১২) বিহুগীত প্ৰতিযোগিতা**
১ ম— দীপুমণি শৰ্মা (চতুৰ্থ যান্মাসিক)
২ য়— কংকি শৰ্মা (চতুৰ্থ যান্মাসিক)
৩ য়— অৰ্পনা ৰয় (তৃতীয় যান্মাসিক)

বছৰৰ শ্ৰেষ্ঠ গায়িকা ঃ— **শ্ৰীকংকি শৰ্মা**

**যুৱ মহোৎসৱত সাংস্কৃতিক শোভা যাত্ৰাত**
১ ম— অসমীয়া বিভাগ
২ য়— ৰাজনীতি বিজ্ঞান বিভাগ
৩ য়— দৰ্শন বিভাগ
উদগণীমূলক বঁটা—সংস্কৃত বিভাগ
অৰ্থনীতি বিভাগ
শৃংখলাবদ্ধমূলক বঁটা— শিক্ষা বিভাগ
ইংৰাজী বিভাগ

**ভেশচন প্ৰতিযোগিতা**
১ ম— ভনিতা দেৱী (দ্বিতীয় যান্মাসিক)
২ য়— মীমাশ্ৰী দেৱী (চতুৰ্থ যান্মাসিক)

## সাহিত্য বিভাগৰ প্ৰতিযোগিতাসমূহৰ ফলাফল ঃ—

**১) কবিতা আবৃত্তি প্ৰতিযোগিতা**
১ ম— পল্লৱী শৰ্মা
২ য়— ডৰথী দেৱী
৩ য়— প্ৰণৱ কুমাৰ দাস (তৃতীয় যান্মাসিক)

সীমাশ্ৰী শৰ্মা

শ্ৰেষ্ঠ সাহিত্য প্ৰতিযোগী ঃ— প্ৰণৱ কুমাৰ দাস

২) খিতাতে লিখা কবিতা প্ৰতিযোগিতা
১ ম— প্ৰণৱ কুমাৰ দাস (তৃতীয় যান্মাসিক)
২ য়— ডৰথী দেৱী (যুটীয়াভাৱে)
পল্লৱী শৰ্মা
৩ য়— অনামিকা দাস (যুটীয়াভাৱে)
ধীৰামণি কলিতা
উদ্গণি— ধ্ৰুৱজ্যোতি পাঠক
হেমাংগী কলিতা

৩) গল্প লিখা প্ৰতিযোগিতা
১ ম— প্ৰণৱ কুমাৰ দাস (তৃতীয় যান্মাসিক)
২ য়— তপশ্ৰী দেৱী (যুটীয়াভাৱে)
অনামিকা দাস
৩য়— পল্লৱী শৰ্মা
ডৰথী দেৱী
ধীৰামণি কলিতা
উদ্গণি— হেমাংগী কলিতা
ফুনু ডেকা
চুমি দাস

৪) প্ৰবন্ধ লিখা প্ৰতিযোগিতা
১ ম— হেমাঙ্গী কলিতা
অমৰজ্যোতি ৰয় (যুটিয়াভাৱে)
২ য়— প্ৰণৱ কুমাৰ দাস
অনামিকা দাস (যুতীভাৱে)
৩য়— ধীৰামণি কলিতা
ডৰথী দেৱী
পিংকুমণি ৰাজবংশী
উদ্গণি— পল্লৱী শৰ্মা
তপশ্ৰী দেৱী
জুপিতৰা ৰাজবংশী

৫) কুইজ প্ৰতিযোগিতা
১ ম— প্ৰণৱ কুমাৰ দাস (তৃতীয় যান্মাসিক)
২ য়— পিংকুমণি ৰাজবংশী
হেমাঙ্গী কলিতা
হীকৰজ্যোতি কলিতা
৩য়— পম্পী তালুকদাৰ
হেমাঙ্গী কলিতা
তপশ্ৰী দেৱী
ডৰথী দেৱী

৬) প্ৰদৰ্শনী প্ৰতিযোগিতা
১ ম— দীপুমণি শৰ্মা
২ য়— গীতুৰাণী কলিতা
৩য়— গীতুৰাণি দাস
উদ্গণি— সংগীতা তালুকদাৰ

১) একক কেৰম প্ৰতিযোগিতা
বিজয়ী— সীমান্ত শৰ্মা (স্নাতক তৃতীয় বৰ্ষ)
বিজিত— সত্যজিৎ ঠাকুৰীয়া (চতুৰ্থ যান্মাসিক)

২) দ্বৈত কেৰম প্ৰতিযোগিতা
বিজয়ী— সীমান্ত শৰ্মা (স্নাতক তৃতীয় বৰ্ষ)
সত্যজিৎ ঠাকুৰীয়া (চতুৰ্থ যান্মাসিক)
বিজিত— ৰাণা ৰহমাণ (স্নাতক তৃতীয় বৰ্ষ)
ধ্ৰুৱ মজুমদাৰ (চতুৰ্থ যান্মাসিক)

৩) দেহশ্ৰী প্ৰতিযোগিতা
১ম— ৰণজিৎ বড়ো (চতুৰ্থ যান্মাসিক)
২য়— নিপন কলিতা (দ্বিতীয় যান্মাসিক)
৩য়— দিপুমণি শৰ্মা (চতুৰ্থ যান্মাসিক)

৪) পাঞ্জা প্ৰতিযোগিতা
বিজয়ী— দিপুমণি শৰ্মা (চতুৰ্থ যান্মাসিক)
বিজিত— নিপন কলিতা (দ্বিতীয় যান্মাসিক)

৪) Waight lifting
১ম— ৰণজিৎ বড়ো (চতুৰ্থ যান্মাসিক)
২য়— উদ্দিপ্ত চৌধুৰী (দ্বিতীয় যান্মাসিক)
৩য়— দিপুমণি শৰ্মা (চতুৰ্থ যান্মাসিক)

## গুৰু খেল বিভাগৰ প্ৰতিযোগিতাসমূহৰ ফলাফল ঃ—

১) ল'ৰাৰ ১০০ মিটাৰ দৌৰ প্ৰতিযোগিতা
১ম— ৰাতুল দাস (চতুৰ্থ যান্মাসিক)
২য়— মৃণাল ঠাকুৰীয়া (দ্বিতীয় যান্মাসিক)
৩য়— নয়ন মদাহি (চতুৰ্থ যান্মাসিক)

২) ল'ৰাৰ ২০০ মিটাৰ দৌৰ প্ৰতিযোগিতা
১ম— ধ্ৰুৱজ্যোতি পাঠক (দ্বিতীয় যান্মাসিক)
২য়— মানস তালুকদাৰ (দ্বিতীয় যান্মাসিক)
৩য়— ৰাতুল দাস (চতুৰ্থ যান্মাসিক)

৩) ল'ৰাৰ ৪০০ মিটাৰ দৌৰ প্ৰতিযোগিতা
১ম— ধ্ৰুৱজ্যোতি পাঠক (দ্বিতীয় যান্মাসিক)
২য়— ৰাতুল দাস (চতুৰ্থ যান্মাসিক)
৩য়— মানস তালুকদাৰ (দ্বিতীয় যান্মাসিক)

৪) ল'ৰাৰ ৮০০ মিটাৰ দৌৰ প্ৰতিযোগিতা
১ম— ধ্ৰুৱজ্যোতি পাঠক (দ্বিতীয় যান্মাসিক)
২য়— নিপন কলিতা (দ্বিতীয় যান্মাসিক)
৩য়— মৃণাল ঠাকুৰীয়া (চতুৰ্থ যান্মাসিক)

৫) ল'ৰাৰ ডিচ্কাচ
১ম— ৰাজু শৰ্মা (তৃতীয় যান্মাসিক)



২য়— মৃণাল ঠাকুৰীয়া (দ্বিতীয় যান্মাসিক)
৩য়— ধ্ৰুৱজ্যোতি পাঠক (দ্বিতীয় যান্মাসিক)

৬) ল'ৰাৰ জেভলিন
১ম— ধ্ৰুৱজ্যোতি পাঠক (দ্বিতীয় যান্মাসিক)
২য়— নয়ন মদাহি (চতুৰ্থ যান্মাসিক)
৩য়— দিপাংকৰ কলিতা (দ্বিতীয় যান্মাসিক)

৭) ল'ৰাৰ লংজাম্প
১ম— নয়ন মদাহি (চতুৰ্থ যান্মাসিক)
২য়— ধ্ৰুৱজ্যোতি পাঠক (দ্বিতীয় যান্মাসিক)
৩য়— নিপন কলিতা (দ্বিতীয় যান্মাসিক)

৮) ল'ৰাৰ হাইজাম্প
১ম— ৰাতুল দাস (চতুৰ্থ যান্মাসিক)
২য়— ধ্ৰুৱজ্যোতি পাঠক (দ্বিতীয় যান্মাসিক)
৩য়— নয়ন মদাহি (চতুৰ্থ যান্মাসিক)

৯) ছোৱালীৰ ১০০ মিটাৰ দৌৰ প্ৰতিযোগিতা
১ম— পিংকী দাস (দ্বিতীয় যান্মাসিক)
২য়— চুনু দাস (উচ্চতৰ মাধ্যমিক ২য় বৰ্ষ)
৩য়— বন্দনা মজুমদাৰ (দ্বিতীয় যান্মাসিক)

১০) ছোৱালীৰ ২০০ মিটাৰ দৌৰ প্ৰতিযোগিতা
১ম— পিংকী দাস (দ্বিতীয় যান্মাসিক)
২য়— চুনু দাস (উচ্চতৰ মাধ্যমিক ২য় বৰ্ষ)
৩য়— মীনা কলিতা (উচ্চতৰ মাধ্যমিক ১ম বৰ্ষ)

১১) ছোৱালীৰ ৪০০ মিটাৰ দৌৰ প্ৰতিযোগিতা
১ম— ফুনু ডেকা (চতুৰ্থ যান্মাসিক)
২য়— চুনু দাস (উচ্চতৰ মাধ্যমিক ২য় বৰ্ষ)
৩য়— ধঞ্জীতা দাস (চতুৰ্থ যান্মাসিক)

১২) ছোৱালীৰ ৮০০ মিটাৰ দৌৰ প্ৰতিযোগিতা
১ম— মীনা কলিতা (উচ্চতৰ মাধ্যমিক ১ম বৰ্ষ)
২য়— ধঞ্জীতা দাস (চতুৰ্থ যান্মাসিক)
৩য়— বন্দনা মজুমদাৰ (দ্বিতীয় যান্মাসিক)

১৩) ছোৱালীৰ লংজাম্প প্ৰতিযোগিতা
১ম— ফুনু দাস (চতুৰ্থ যান্মাসিক)
২য়— ধঞ্জীতা দাস (চতুৰ্থ যান্মাসিক)
৩য়— চুনু দাস (উচ্চতৰ মাধ্যমিক ২য় বৰ্ষ)

১৪) ছোৱালীৰ হাইজাম্প প্ৰতিযোগিতা
১ম— ফুনু দাস (চতুৰ্থ যান্মাসিক)
২য়— ৰুমি মেধি (দ্বিতীয় যান্মাসিক)
৩য়— চুনু দাস (উচ্চতৰ মাধ্যমিক ২য় বৰ্ষ)

১৫) ছোৱালীৰ ডিচ্কাচ প্ৰতিযোগিতা
১ম— ডৰথী দেৱী (দ্বিতীয় যান্মাসিক)
২য়— হেমাঙ্গী কলিতা (দ্বিতীয় যান্মাসিক)
৩য়— ৰুমি মেধি (উচ্চতৰ মাধ্যমিক ৩য় বৰ্ষ)

১৬) ছোৱালীৰ ওজন দলিওৱা প্ৰতিযোগিতা
১ম— চুনু দাস (দ্বিতীয় যান্মাসিক)
২য়— ফুলকুমাৰী চৌধুৰী (দ্বিতীয় যান্মাসিক)
৩য়— ডলি তালুকদাৰ (উচ্চতৰ মাধ্যমিক ৩য় বৰ্ষ)

বছৰটোৰ শ্ৰেষ্ঠ খেলুৱৈ ঃ— ধ্ৰুৱজ্যোতি পাঠক (দ্বিতীয় যান্মাসিক)

## লঘু খেলবিভাগৰ প্ৰতিযোগিতা ফলাফলসমূহ ঃ—

১) বেডমিণ্টন — (Boys double)
১ম— পাৰ্থপ্ৰতিম দাস
সুকুমাৰ শৰ্মা
২য়— সত্যজিৎ ঠাকুৰীয়া
ৰাণা ৰহমাণ

২) বেডমিণ্টন — (Girls double)
১ম— শিখা লহকৰ
বন্দনা কলিতা
২য়— গীতুৰাণী কলিতা
অৰ্চ্চনা লহকৰ

১) ৰছী টনা প্ৰতিযোগিতা — (Boys)
প্ৰথম দল- পাৰ্থপ্ৰতিম দাস
সত্যজীৎ ঠাকুৰীয়া
নিবাৰণ ৰয়
মৃণাল ঠাকুৰীয়া
মৃন্ময় দাস
উদীৎ মেধি
সীমান্ত শৰ্মা
দ্বিতীয় দল- নিপন কলিতা
ধ্ৰুৱজ্যোতি পাঠক
দিপাংকৰ কলিতা
দীপুমণি শৰ্মা
উৎপল ডেকা
নয়ন মদাহি
বিজিৎ কলিতা

৪) ৰছীটনা প্ৰতিযোগিতা — (Girls)
প্ৰথম দল- চুনু দাস
মণিকা দেউৰী
মীনা কলিতা
চন্দনা উজীৰ
মণিকা ডেকা
ফুনু ডেকা
ধঞ্জীতা দাস
দ্বিতীয় দল- বন্দনা কলিতা

গীতুৰাণী কলিতা
হেমাঙ্গী কলিতা
ডৰথী দেৱী
অৰ্চ্ছনা লহকৰ
ডেইজী লহকৰ
মূৰ্চ্ছনা ঠাকুৰীয়া

৫) ভ'লি বল প্ৰতিযোগিতা

১ম— জ্যোতিৰ্ময় চৌধুৰী
অভিজীৎ ঠাকুৰীয়া
ত্ৰৈলক্য ৰয়
কুলদ্বীপ চৌধুৰী
অনন্ত ৰয়
পাৰ্থপ্ৰতিম দাস

২য়— নিহাৰ কলিতা
দিপাংকৰ কলিতা
বিজিৎ কলিতা
দিপুমণি শৰ্মা
মৃণাল ঠাকুৰীয়া
ধ্ৰুৱ মজুমদাৰ
ৰাজু শৰ্মা

৬) কাবাডী প্ৰতিযোগিতা

১ম— ধ্ৰুৱজ্যোতি পাঠক
নিপন কলিতা
বিজিত কলিতা
সীমান্ত ৰয়
প্ৰাঞ্জল বৰুৱা
উৎপল ডেকা
পাৰ্থপ্ৰতিম দাস

২য়— সীমান্ত শৰ্মা
উদীৎ মেধি
সত্যজিৎ ঠাকুৰীয়া
মৃণাল ঠাকুৰীয়া
দিপুমণি শৰ্মা
ধ্ৰুৱ মজুমদাৰ
নিহাৰ কলিতা

কাবাডী প্ৰতিযোগিতা— (Girls)

১ম— মণিকা বড়ো
মণিকা দেউৰী
চন্দনা উজীৰ

২য়— অংকু দাস
অপৰ্ণা ভড়ালী
পিংকি দাস
ধঞ্জীতা দাস
চুনু দাস
মিনা কলিতা
ফুনু ডেকা

৭) বেডমিণ্টন — (Boys Single)

১ম— পাৰ্থপ্ৰতীম দাস
২য়— বিজিৎ কলিতা

৮) বেডমিণ্টন — (Girls Single)

১ম— চয়নিকা দাস
২য়— অৰ্চ্ছনা লহকৰ



## 2012-2013 B.A 3rd year Final Result (seat)

| Name | Subject | Position |
|---|---|---|
| Dhanmoni Sarma | Ecnomics | 1st cls with dis. |
| Bidisha Medhi | Education | 1st cls with dis. |
| Babita Bhuyan | Education | 1st cls. |
| Darathi Dutta | Education | 1st cls dis. |
| Himasri Talukdar | Education | 1st cls with dis. |
| Himasri Thakuria | Philosophy | 1st cls with dis. |
| Lunamoni Kalita | Political Sc | 1st cls with dis. |
| Mitumani Talukdar | Political Sc | 1st cls with dis. |
| Nisha Dutt | Education | 1st cls with dis. |
| Rashmirekh Roy | Political | 1st cls. |
| Rimi Sarma | Education | 1st cls. |
| Swapna Talukdar | Political | 1st cls with dis. |
| Sangita Sarma | Sanskrit | 1st cls. |
| Anusma Baro | English | 1st cls with dis. |
| Nazma Begum | Philsophy | 1st cls. |
| Pompi Talukdar | Philsophy | 1st cls. |
| Swrangshanti Basumatary | BDL (bodo) | 1st cls. |
| Sasri Swargiary | Bodo | 1st cls. |
| Jupitara Rajbohgshi | Sanskrit | 1st cls. |

## ১৯৮৮ চনৰ পৰা ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক আৰু আলোচনী সম্পাদকৰ নামসমূহ তলত উল্লেখ কৰা হ'ল ঃ—

| আলোচনী সম্পাদক | চন | সাধাৰণ সম্পাদক | আলোচনী সম্পাদক | চন | সাধাৰণ সম্পাদক |
|---|---|---|---|---|---|
| বিনয় দত্ত | ১৯৮৮-১৯৮৯ | অনিল চন্দ্ৰ ৰয় | দীপক শৰ্মা | ২০০০-২০০১ | উৎপল মজুমদাৰ |
| প্ৰদীপ ঠাকুৰীয়া | ১৯৮৯-১৯৯০ | সুৰেণ কলিতা | মৃদুল গোস্বামী | ২০০১-২০০২ | ধনজিৎ কলিতা |
| ৰঞ্জিত কুমাৰ ৰয় | ১৯৯০-১৯৯১ | চমেন দাস | — | ২০০২-২০০৩ | — |
| মনোৰঞ্জন পাঠক | ১৯৯১-১৯৯২ | হেমন্ত কুমাৰ ৰয় | — | ২০০৩-২০০৪ | — |
| তপন ৰয় | ১৯৯২-১৯৯৩ | ভবেশ পাঠক | — | ২০০৪-২০০৫ | — |
| নয়ন কুমাৰ মেধী | ১৯৯৩-১৯৯৪ | পৰেশ ডেকা | — | ২০০৫-২০০৬ | — |
| বিবেকানন্দ দাস | ১৯৯৪-১৯৯৫ | হিতেশ ৰয় | — | ২০০৬-২০০৭ | — |
| গনেষ শৰ্মা | ১৯৯৫-১৯৯৬ | উৎসৱ ৰয় | — | ২০০৭-২০০৮ | — |
| চন্দ্ৰ হালৈ | ১৯৯৬-১৯৯৭ | দ্বীপেন নাথ দাস | — | ২০০৮-২০০৯ | — |
| কংকণ শৰ্মা | ১৯৯৭-১৯৯৮ | হেমেন কলিতা | — | ২০০৯-২০১০ | — |
| গৌতম শৰ্মা | ১৯৯৮-১৯৯৯ | দিপুল পাটগিৰি | — | ২০০১০-২০১১ | — |
| আলকাচ আলী | ১৯৯৯-২০০০ | অনুপম দাস | ধনঞ্জয় হালৈ | ২০০১১-২০১২ | ৰাজু শৰ্মা |
| | | | ধ্ৰুৱজ্যোতি পাঠক | ২০০১২-২০১৩ | দিপুমণি শৰ্মা |

# College Teaching & Non Teaching Staff

**incipal : Dr. Bhupesh Sarma, M. A., J. D., Ph. D.**
**ce Principal : Sri N. C. Saikia, M. A., M. Phil.**

**aching Staff :**

**A. Department of Assamese**
1. Dr. M. K. Sarma, M. A., Ph. D., Associate Professor. (Head of the deptt)
2. Sri A. C. Mazumdar, M. A. Associate Professor.
3. Sri R. Kalita, M. A., Associate Professor.
4. Dr. Nabanita Kalita, M. A., Ph. D. Asstt. Professor.

**Department of Economics**
1. Sri J. K. Bhagawati, M. A., Associate Professor. (Head of the deptt)
2. Sri M. K. Das, M. A. Associate Professor.
3. Dr. Kamal Thakuria, M. A., M. Phil., Ph. D. Asstt. Professor.

**Department of Education**
1. Mrs. G. S. Goswami, M. A., Associate Professor. (Head of the deptt)
2. Sri S. N. Das, M. A., M. Phil. Associate Professor.
3. Vacant.

**. Department of English**
1. Dr. A. K. Sarma, M. A., Ph. D. Associate Professor. (Head of the deptt)
2. Mrs. N. M. Choudhury, M. A. B. Ed. M. Phil. Associate Professor.
3. Sri K. K. Sarma, M. A., Asstt. Lecturer.

**. Department of History**
1. Dr. T. C. Bhagawati, M. A., M. Ed., Ph. D. Associate Professor. (Head of the deptt)
2. Sri P. Das, M. A. Associate Professor.
3. Sri T. Kalita, M. A., B. Ed., Asstt. Professor.

**'. Department of Philosophy**
1. Sri T. Kakati, M. A., Associate Professor. (Head of the deptt)
2. Sri M. C. Das, M. A., M. Phil Associate Professor.
3. Sri R. Das, M. A., M. Phil., Asstt. Professor.

**. Department of Political Science**
1. Mrs Kalyani Devi, M. A.(Double), Associate Professor. (Head of the deptt)
2. Sri N. C. Saikia, M. A., M. Phil. Associate Professor.
3. Sri H. K. Seal, M. A. Associate. Professor.



**H. Department of Sanskrit**
1. Sri U. C. Mishra, M. A. Associate Professor. (Head of the deptt)
2. Dr. P. C. Goswami, M. A., Ph. D. Associate Professor.
3. Mrs. Binima Patgiri, M. A. (Ad-hoc) Asstt. Professor.

**Office Staff:**
1. Sri K. C. Goswami, U. D. A. Head Asstt.
2. Sri A. C. Kalita, U. D. A.
3. Sri B. N. Sarma, L. D. A
4. Sri U. C. Deka, L. D. A
5. Sri Rideep Kalita, L. D. A
6. Sri A. C. Roy, L. D. A
7. Sri M. R. Sarma, Typist (Ad-hoc).
8. Sri P. C. Roy, Peon.
9. Sri P. Das. Grade-IV.
10. Sri G. Roy. Grade-IV.
11. Sri K. Kalita, Laboratoty Bearer.
12. Sri B. Roy, Night Chowkider (Ad-hoc)
13. Sri P. Medhi, Security, (Ad-hoc)

**Computer :**
1. Sri M. C. Deka., (Contract)

**Study Centres**

N. H. College is a study centre for several Open Universities. Two such Universities are Krishna Kanta Handiqui State Open University (KKHSOU) and Institute of Distance and Open Learning (IDOL) affiliated to Gauhati University. Details of the two Universities are shown below–

**Krishna Kanta Handiqui State Open University**

There is a study centre for KKHSOU at N. H. College. The University offers the following courses at the H. S. (B.P.P), undergraduate (U.G.) Post Graduate (P.G.) level–

(i) Bachelor of preparatory programme (one year)
(ii) Bachelor of Arts (three years)
(iii) Bachelor of Commerce (three years)
(vi) Bachelor of Mass Communication (three years)
(v) Bachelor of Business Adminictration (three years)
(vi) Bachelor of Education (B. Ed.) (Proposed)

**Institute of Distance and Open Learning**

IDOL has provided a study centre at N. H. College. Courses offered by it include–
(i) M. A. : Assamese, English, Political Science, History, Economics, Mathematics, Philosophy. Education.
(ii) M. Com.
(iii) P. G. Diploma in : (a) Sales and Marketing Management (PGDSMM)
(b) Human Resource Managment (PGDHRM)
(iv) B. Ed. (Proposed)



